● গুৱাহাটী, যোৰহাট আৰু তেজপুৰৰ পৰা প্ৰকাশিত

গুৱাহাটী (০৩৬১) ২২৬১৯২৩
চাৰ্কুলেচন ঃ ম'বাইল ঃ ৮৪৮৬৯৮০২৮১
বিজ্ঞাপন ঃ ম'বাইল ঃ ৯৮৬৪৮৯৭১৭৫
যোৰহাট ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯
হোৱাটছএপ ঃ ৭৬৩৮০৫৮০৫৪ (সম্পাদনা)
agradoot@gmail.com
editor.agradoot@gmail.com
■ কাকত নাপালে ফোন কৰক ঃ ৯১০১২-৩৮০০৩

দৈনিক অগ্ৰদূত

সামাজিক দায়বদ্ধতাত অবিচল

দিগ্‌দৰ্শন

মই ভাবো দিনটোৰ শেষত মোৰ চূড়ান্ত লক্ষ্য হ'ল পিতৃ-মাতৃৰ মুখত হাঁহি বিৰিঙাই তোলা। শিশুকালত বহা কোঠাত কৰাৰ দৰে পিতৃ-মাতৃক আনন্দ দিয়াৰ চেষ্টাৰ বাবেই এই সকলোবোৰ।

এমা ষ্টোন
মাৰ্কিন অভিনেত্ৰী

www.dainikagradoot.in

৭ সেনা প্ৰেৰণৰে টাইৱান দখল?
১৫ বিশ্বকাপ শ্যুটিঙত ভাৰতৰ পাঁচটা সোণ
৪ অসম বানমুক্ত হৈ যাব

RNI-Regd No. 62953/96 ■ অষ্টাবিংশতিতম বছৰ ● ১২ তম সংখ্যা ● গুৱাহাটী ● সোমবাৰ ৩০ আহিন ১৪২৯ ভাস্কৰাব্দ ১৭ অক্টোবৰ ২০২২ চন ■ DAINIK AGRADOOT ● Guwahati ● Monday 17 October 2022 মূল্য ঃ ৯.০০ টকা

■ ঘৰ-দুৱাৰ দুৰ্বল কৰিছে ■ সৰ্বাধিক ভূকম্পন প্ৰৱণ অঞ্চল অসমলৈ ভাবুকি কঢ়িয়াইছে কলকতীয়া প্ৰতিষ্ঠানৰ প্ৰৱঞ্চনাই ■ ১৬ এম এমৰ নামত গ্ৰাহকে পাইছে ১৩-১৪ এম এমৰ ৰড

দুৰ্গাপুৰৰ লোৰ ৰডে বিপদ আনিছে অসমলৈ

■ প্ৰতি কুইন্টলত অধিক সংখ্যক ৰড লাভ কৰা বিল্ডাৰ-ঠিকাদাৰৰ দুৰ্নীতিৰ গ্ৰাসত ৰাইজ

ষ্টাফ ৰিপ'ৰ্টাৰ

গুৱাহাটী, ১৬ অক্টোবৰ ঃ দেশৰ ভিতৰতে সৰ্বাধিক ভূকম্পন প্ৰৱণ অঞ্চলৰূপে চিহ্নিত অসমত নিৰ্মিত আন্তঃগাঁথনিলৈ ভাবুকি কঢ়িয়াই আনিছে চুবুৰীয়া ৰাজ্য পশ্চিমবংগত উৎপাদিত লোহাৰ ৰডে। প্ৰতিষ্ঠিত ব্ৰেণ্ডৰ তুলনাত কম মূল্যতে ৰাজ্যৰ বজাৰত উপলব্ধ হোৱা পশ্চিমবংগৰ দুৰ্গাপুৰত উৎপাদিত কেতবোৰ টি এম টি বাৰ কোম্পানীয়ে অসমৰ বজাৰত মেলি দিছে নিৰ্ধাৰিত হাৰতকৈ কম ওজনৰ ৰড। মূলতঃ দুৰ্গাপুৰৰ ঝাৰা, ত্ৰিশক্তি, লটাছ, ষ্টাৰ, এছ এম, কেশৰী দুৰ্গা, ইউনিকন আদিকে ধৰি অসংখ্য আই এছ আই চিহ্নযুক্ত ৰড নিৰ্মাতা প্ৰতিষ্ঠানে সাধাৰণ গ্ৰাহকক আকৰ্ষিত কৰাৰ লক্ষ্যৰে নিৰ্ধাৰিত হাৰতকৈ কম ওজনৰ ৰড প্ৰস্তুত কৰি তুলনামূলকভাৱে প্ৰতিষ্ঠিত ব্ৰেণ্ডতকৈ কম দামতে বিক্ৰী কৰি আন্তঃগাঁথনিলৈ ভাবুকি কঢ়িয়াই আনিছে। গুৱাহাটীৰ একাংশ খুচুৰা বিক্ৰেতাই এই তথ্য সদৰী কৰি কয় যে সাধাৰণ গ্ৰাহকৰ চকুত ধৰা নপৰিলেও দুৰ্গাপুৰত উৎপাদিত ৰডৰ ওজন চৰকাৰীভাৱে নিৰ্ধাৰিত হাৰতকৈ যথেষ্ট কম। উদাহৰণস্বৰূপে আঠ এম এম পৰিসৰৰ এক কুইন্টল ৰডত টাটা, এক্সটেক বা আন তেনে সৰ্বভাৰতীয় ব্ৰেণ্ডৰ মুঠতে ২১ ডাল ৰড থাকে। ইয়াৰ বিপৰীতে দুৰ্গাপুৰত উৎপাদিত ভিন্ন কোম্পানীসমূহৰ এক কুইন্টল হিচাপত ৰড উঠে ২৪ৰ পৰা ২৫ ডাল পৰ্যন্ত। স্বাভাৱিকতে অধিক সংখ্যক ৰড লাভ কৰি সাধাৰণ গ্ৰাহকে দুৰ্গাপুৰৰ কোম্পানীসমূহৰ উৎপাদিত ৰড পছন্দ কৰিবলৈ আৰম্ভ কৰিছে। সমান্তৰালকৈ গুৱাহাটীকে ধৰি ৰাজ্যৰ বিভিন্ন প্ৰান্তত নিৰ্মীয়মাণ বিভিন্ন চৰকাৰী, বেচৰকাৰী আন্তঃগাঁথনিতো ঠিকাদাৰী প্ৰতিষ্ঠানসমূহে প্ৰতিষ্ঠিত ব্ৰেণ্ডৰ *১০ পৃষ্ঠাত চাওক*

■ জনজাতি কল্যাণ বিভাগৰ ২০১৬ৰ অ'এমৰ সংশোধন নকৰা পৰ্যন্ত বন্ধ ৰাখিবলৈ পৰামৰ্শ বিধানসভা কমিটীৰ ■ অৱসৰৰ সময় চাপি অহা কৰ্মচাৰীসকল বঞ্চিত হোৱাৰ আশংকা ঘনীভূত

আগষ্টতে বন্ধ হ'ল কৰ্মচাৰীৰ পদোন্নতি

ষ্টাফ ৰিপ'ৰ্টাৰ

গুৱাহাটী, ১৬ অক্টোবৰ ঃ সংৰক্ষণ সম্পৰ্কে গ্ৰহণ কৰা এক নীতিক কেন্দ্ৰ কৰি যোৱা আগষ্টৰ পৰা অনিৰ্দিষ্ট কালৰ বাবে বন্ধ কৰি ৰখা হৈছে ৰাজ্য চৰকাৰৰ বিভিন্ন বিভাগত কৰ্মৰত কৰ্মচাৰীসকলৰ পদোন্নতি। ৰাজ্য চৰকাৰৰ এই নিৰ্দেশনাৰ সূত্ৰে এতিয়া অৱসৰৰ দিন চমু চাপি অহা বৃহৎসংখ্যক কৰ্মচাৰীয়ে প্ৰাপ্য পদোন্নতিৰ পৰা বঞ্চিত হ'বলগীয়া হোৱাৰ উপক্ৰম ঘটাত ক্ষুণ্ণ হৈ পৰিছে কৰ্মচাৰী সমাজ। উল্লেখ্য যে পূৰ্বৰ ভৈয়াম জনজাতি আৰু অন্যান্য পিছপৰা শ্ৰেণী কল্যাণ বিভাগ তথা বৰ্তমান পৰিচিত হোৱা জনজাতি কল্যাণ বিভাগে ২০১৬ত এক অফিচ মেম'ৰেণ্ডামযোগে গ্ৰহণ কৰা কেতবোৰ সিদ্ধান্তক লৈ এতিয়া সমগ্ৰ কৰ্মচাৰী সমাজে মূল্য ভৰিব লগীয়া হৈছে। বিভাগটোৱে ২০১৬ত গ্ৰহণ কৰা কাৰ্যবিধিৰ তৃতীয় আৰু চতুৰ্থ অনুচ্ছেদত উল্লেখ কৰা হৈছিল যে চৰকাৰৰ বিভিন্ন বিভাগত থকা সংৰক্ষিত পদৰ বিপৰীতে যদি দুবছৰ পৰ্যন্ত পদোন্নতি দিয়া নহয় তেন্তে তৃতীয় বছৰৰ পৰা এই পদটো সংৰক্ষণমুক্ত কৰা হ'ব। আকৌ সংৰক্ষণ লাভ কৰা শ্ৰেণীৰ কৰ্মচাৰীয়ে যদি পূৰ্বে সংৰক্ষণৰ আওতাত পদোন্নতি লাভ কৰিছিল তেন্তে তেওঁ পৰৱৰ্তী সময়ত সাধাৰণ শ্ৰেণীৰ বাবে থকা পদত সংৰক্ষণৰ সুবিধা লাভ নকৰিব। এই দুয়োটা অনুচ্ছেদৰ বিৰোধিতা কৰি *১০ পৃষ্ঠাত চাওক*

■ ডিচেম্বৰৰ পৰাহে স্থায়ী সুৰক্ষা বান্ধ নিৰ্মাণৰ কাম আৰম্ভ কৰিব ■ কানৈ মহাবিদ্যালয় উন্নয়নৰ বাবে পাঁচ কোটি টকা মুকলিৰ ঘোষণা

ডিব্ৰুগড়ৰ মাইজানত ব্ৰহ্মপুত্ৰৰ খহনীয়া প্ৰত্যক্ষ কৰি স্তম্ভিত মুখ্যমন্ত্ৰী

বিশেষ সংবাদ দাতা

ডিব্ৰুগড়, ১৬ অক্টোবৰ ঃ 'প্ৰাচীন ভাৰত আছিল সভ্যতা আৰু শিক্ষাৰ প্ৰাণকেন্দ্ৰ। পুৰাতন কালৰ পৰা ভাৰতীয় চেতনাৰ অবিচ্ছেদ্য অংগ আছিল শিক্ষা। শিক্ষা আৰু সংস্কৃতি ভাৰতীয় সভ্যতাৰ দুটা প্ৰাণদায়িনী স্ৰোত। ইউৰোপীয় শক্তিয়ে প্ৰায় ২০০ বছৰ ধৰি আধিপত্য চলোৱাৰ পাছতো ভাৰতভূমিৰ প্ৰাচীন সংস্কৃতি এই দেশত আজিও অক্ষত হৈ আছে।' ঐতিহ্যমণ্ডিত ডিব্ৰুগড় মহাবিদ্যালয় আৰু বৰ্তমানৰ ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়ৰ মহাৰজত জয়ন্তীৰ সামৰণি অনুষ্ঠানত মুখ্য অতিথিৰূপে উপস্থিত থাকি আজি এইদৰে কয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। মুখ্যমন্ত্ৰী ড° শৰ্মাই যিকেইগৰাকী ব্যক্তিৰ আশুসুধীয়া প্ৰচেষ্টাৰ ফলত কলেজখনে প্ৰাণ পাই উঠিল সেইসকলক শ্ৰদ্ধা জনাই পুনৰাই কয় যে এই মহাবিদ্যালয়খনে গঢ় দিয়া বহুসংখ্যক মানৱ সম্পদে দেশ তথা আন্তঃৰাষ্ট্ৰীয় ক্ষেত্ৰত সুনাম কঢ়িয়াই আনিবলৈ সক্ষম হৈছে। প্ৰাক্তন মুখ্যমন্ত্ৰী তথা বৰ্তমানৰ কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল, উচ্চতম ন্যায়লয়ৰ প্ৰাক্তন ন্যায়ধীশ বি এল হাঞ্চেৰীয়া, আমেৰিকাৰ বিশেষজ্ঞ চিকিৎসক ৰঞ্জন দত্ত, শিল্পী বিজু ফুকন, বিষ্ণু খাৰঘৰীয়া প্ৰমুখ্যে বহুজনৰ নাম *দুই পৃষ্ঠাত চাওক*

■ প্ৰয়াগৰাজত আজিৰে পৰা আৰম্ভ হোৱা আৰএছএছৰ বৈঠকত মূল আলোচ্য বিষয় ধৰ্মভিত্তিক জনসংখ্যাৰ ভাৰসাম্যতা ৰক্ষা

হিন্দু সমাজত হ্ৰাস পাইছে জন্মহাৰ, জনসংখ্যা নিয়ন্ত্ৰণ আইনৰ দাবী সংঘৰ

■ নিউজ ব্যুৰ'

নতুন দিল্লী, ১৬ অক্টোবৰ ঃ উত্তৰ প্ৰদেশৰ প্ৰয়াগৰাজত আজিৰে পৰা চাৰিদিনীয়া কাৰ্যসূচীৰে আৰম্ভ হৈছে ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘ (আৰএছএছ)ৰ কাৰ্যনিৰ্বাহক সমিতিৰ বৈঠক। কিছুদিন পূৰ্বে সংঘৰ মুৰব্বী মোহন ভাগৱতে দলক দিয়া দিশ আৰু নিৰ্দেশসমূহ বাস্তৱায়িত কৰাৰ পৰিকল্পনা ৰচনা কৰিবলৈ সংঘৰ নেতাসকলে বৈঠক অনুষ্ঠিত কৰিছে। চলিত বৰ্ষৰ বিজয়া দশমীত ধৰ্মৰ ভিত্তিত সামাজিক ভাৰসাম্যতা বজাই ৰখা, মাতৃ ভাষাত শিক্ষাদানৰ দৰে বিষয়সমূহক লৈ বক্তব্য প্ৰকাশ কৰিছিল ভাগৱতে। আজি সংঘ পৰিয়ালৰ মুখপাত্ৰ সুনীল আম্বেকাৰে কয়, 'বিজয়া দশমীত যিসমূহ বিষয়ক লৈ সংঘৰ মুৰব্বীয়ে বক্তব্য প্ৰকাশ *১০ পৃষ্ঠাত চাওক*

মৰিগাঁৱত জুবিন গাৰ্গৰ সংগীতানুষ্ঠানত সুৰামত্ত দৰ্শকৰ তাণ্ডৱ

উদণ্ড যুৱকে ভাঙিলে বেৰিকেড ঃ আহত ১০

অগ্ৰদূত বাৰ্তা

মৰিগাঁও, ১৬ অক্টোবৰ ঃ এক অবাঞ্চিত পৰিস্থিতিয়ে কালিমা সানিলে মৰিগাঁও জিলা দিৱস কাৰ্যসূচীত। দুদিনজোৰা কাৰ্যসূচীৰে অনুষ্ঠিত জিলা দিৱসৰ কালি অন্তিম দিনৰ সন্ধিয়া যুৱ প্ৰজন্মৰ 'হাৰ্টথ্ৰৱ' জুবিন গাৰ্গৰ সংগীতানুষ্ঠানত সৃষ্টি হয় এক লজ্জাজনক পৰিস্থিতিৰ। উল্লেখ্য যে মৰিগাঁৱৰ ক্ষীৰোদ বৰুৱা ষ্টেডিয়ামত অনুষ্ঠিত জুবিনৰ সংগীতানুষ্ঠান উপভোগ কৰিবলৈ সমাগম ঘটিছিল প্ৰায় লক্ষাধিক লোকৰ। বিশৃংখল পৰিস্থিতিৰ মাজত অনুষ্ঠিত *১০ পৃষ্ঠাত চাওক*

৬৭খনকৈ গ্ৰন্থৰ ৰচক ঃ ৰাজ্যজুৰি শোকৰ ছাঁ

লোক সংস্কৃতিৰ গৱেষক পণ্ডিত ড° নবীন চন্দ্ৰ শৰ্মাৰ দেহাৱসান

ষ্টাফ ৰিপ'ৰ্টাৰ/অগ্ৰদূত বাৰ্তা

গুৱাহাটী/ছিপাঝাৰ, ১৬ অক্টোবৰ ঃ অসমৰ লোক সংস্কৃতি আৰু ভাষা-সাহিত্য-সংস্কৃতিৰ ক্ষেত্ৰখনৰ উজ্জ্বল নক্ষত্ৰ পণ্ডিত প্ৰৱৰ ড° নবীন চন্দ্ৰ শৰ্মা আৰু নাই। বাৰ্ধক্যজনিত ৰোগত আজি বিয়লি ৩-৩০ বজাত গুৱাহাটীৰ মালিগাঁৱৰ দুৰ্গা সৰোৱৰস্থিত বাসগৃহত ৮৪ বছৰ বয়সত তেওঁ শেষ নিশ্বাস ত্যাগ কৰে। একেধাৰে গৱেষক, পণ্ডিত, গুৱাহাটী বিশ্ববিদ্যায়ৰ লোক সংস্কৃতি গৱেষণা বিভাগৰ অৱসৰী মুৰব্বী অধ্যাপক, অসম প্ৰকাশন পৰিষদৰ জীৱনজোৰা সাধনা বঁটাপ্ৰাপক তথা ৬৭ খনকৈ অসমীয়া লোক সংস্কৃতিৰ ওপৰত গৱেষণামূলক আৰু আধ্যাত্মিক *১০ পৃষ্ঠাত চাওক*

আজি কংগ্ৰেছৰ সভাপতি পদৰ নিৰ্বাচন, ভোট দিবলৈ সাজু ২৮৯ প্ৰতিনিধি

ষ্টাফ ৰিপ'ৰ্টাৰ

গুৱাহাটী, ১৬ অক্টোবৰ ঃ দেশৰ ভিতৰতে সকলোতকৈ পুৰণি ৰাজনৈতিক দল কংগ্ৰেছৰ ১৩৭ বছৰীয়া ইতিহাসত কাইলৈ ষষ্ঠবাৰৰ বাবে অনুষ্ঠিত হ'ব সভাপতি পদৰ নিৰ্বাচন। অধিকাংশ সময় নেহৰু-গান্ধী পৰিয়ালৰ প্ৰতিনিধিয়ে বংশানুক্ৰমভাৱে সভাপতিৰ পদত কাৰ্যনিৰ্বাহ কৰি অহাৰ ধাৰাবাহিকতাৰ অন্ত পেলাবলৈ ভিন্ন *১০ পৃষ্ঠাত চাওক*

দেশে দেশে 'বিগ ব্ৰাদাৰ'

■ প্ৰাঞ্জলসেন ডেকা

বিগ ব্ৰাদাৰ ইজ ৱাচ্চিং ইউ! বহুচৰ্চিত ইংৰাজ লেখক-সাংবাদিক জৰ্জ অৰৱেলে ১৯৪৯ তে প্ৰকাশিত তেওঁৰ '১৯৮৪' উপন্যাসত উল্লেখ কৰি যোৱা এই বাক্যটোৰ প্ৰাসংগিকতা যেন দিন যোৱাৰ লগে লগে অধিক বৃদ্ধি পাইছে। 'বিগ ব্ৰাদাৰ'ৰ ভূমিকাত অৱতীৰ্ণ হোৱা এখন সৰ্বগ্ৰাসী চৰকাৰৰ মুৰব্বীয়ে প্ৰতিজন নাগৰিকক নিয়ন্ত্ৰণত ৰখাৰ উদ্দেশ্যে তেওঁলোকৰ কাৰ্যকলাপৰ ওপৰত শেনদৃষ্টি ৰাখে। তাৰ বাবে আনকি নিজৰ সহনাগৰিকৰ ওপৰতো চোৰাংচোৱাগিৰি কৰিবলৈকো দ্বিধাবোধ নকৰে। ফলস্বৰূপে একনায়কত্ববাদী *১০ পৃষ্ঠাত চাওক*

দেউৰী স্বায়ত্ত পৰিষদ দখলৰ লক্ষ্যৰে তৎপৰ শাসক-বিৰোধী

নৱ কুমাৰ দলেক সামগ্ৰিক ভাৰপ্ৰাপ্তৰ দায়িত্ব বিজেপিৰ ঃ কংগ্ৰেছৰ প্ৰাৰ্থী তালিকা ঘোষণা

ষ্টাফ ৰিপ'ৰ্টাৰ

গুৱাহাটী, ১৬ অক্টোবৰ ঃ অহা আঠ নৱেম্বৰত নিৰ্বাচন অনুষ্ঠিত হ'ব লগা দেউৰী স্বায়ত্তশাসিত পৰিষদ দখলৰ লক্ষ্যৰে বিভিন্ন ৰণকৌশল *১০ পৃষ্ঠাত চাওক*

ঘাইপথৰ পৰা দ' খাৰৈত পৰিল বাহন ঃ দুজনৰ মৃত্যু

অগ্ৰদূত বাৰ্তা

লালুক, ১৬ অক্টোবৰ ঃ লালুকৰ ৰাজপথত আজি পুৱা সংঘটিত এক পথ দুৰ্ঘটনাত দুজন লোকৰ থিতাতে মৃত্যু হোৱাৰ লগতে আন তিনিজন লোক আহত হয়। ঘটনাৰ সন্দৰ্ভত স্থানীয় লোক আৰু লালুক আৰক্ষীয়ে সদৰী *দুই পৃষ্ঠাত চাওক*

অনুকম্পামূলক নিযুক্তিত স্বজন-তোষণৰ ৰাজনীতি দিছপুৰৰ

ষ্টাফ ৰিপ'ৰ্টাৰ

গুৱাহাটী, ১৬ অক্টোবৰ ঃ অনুকম্পামূলক নিযুক্তিৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰে বৈষম্য তথা স্বজন-তোষণৰ ৰাজনীতিৰ আশ্ৰয় লোৱাৰ অভিযোগ উত্থাপন হৈছে। শেহতীয়াকৈ *দুই পৃষ্ঠাত চাওক*

তাপমাত্ৰা	সৰ্বোচ্চ	সৰ্বনিম্ন
গুৱাহাটী	৩২°	২৩°
ডিব্ৰুগড়	৩২°	২১°
দিল্লী	৩২°	২১°
কলকাতা	৩৩°	২৪°
মুম্বাই	৩৪°	২৭°
চেন্নাই	৩২°	২৭°
বাংগালুৰু	২৭°	২০°
শ্বিলং	২৫°	১৪°

১৬ অক্টোবৰ, ২০২২

চেঙা তেল



হেৰৌ, তই যে ৰেপাৰ নে ইউটিউবাৰ হ'ব খুজিছিলি... তাকে হ'... আজিকালি পিয়নৰ চাকৰিতো ডাক্তৰ-ইঞ্জিনিয়াৰৰ ভিৰ!

বিজ্ঞাপন-সাক্ষাৎকাৰ অবিহনে এএছটিচিত পাঁচ শতাধিকক নিযুক্তি

ৰাজনৈতিক নেতাই মন গ'লেই নিযুক্তি দিয়ে, ন্যূনতম বিধিও নামানে ঃ কৰ্মচাৰী সন্থা

ষ্টাফ ৰিপ'ৰ্টাৰ

গুৱাহাটী, ১৬ অক্টোবৰ ঃ নিযুক্তি-কেলেংকাৰিৰ বাবেই অসম ৰাজ্যিক পৰিবহণ নিগম (এএছটিচি)ৰ ২,২৭৫ গৰাকী বিভিন্ন বৰ্গৰ ঠিকাভিত্তিক কৰ্মচাৰীৰ চাকৰিক লৈ সম্প্ৰতি জটিলতাৰ সৃষ্টি হৈছে। ইয়াৰ অধিকাংশ কৰ্মচাৰীয়ে চাকৰিৰ পৰা বৰ্খাস্ত হোৱাৰ সম্ভাৱনা প্ৰকট হৈছে। তেনে বৰ্খাস্তকৰণত অনুমোদনৰ বাবে পৰিবহণ বিভাগে কেলেংকাৰিৰ তদন্তৰ প্ৰতিবেদনৰ ফাইল ইতিমধ্যে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মালৈ প্ৰেৰণ কৰিছে। *১০ পৃষ্ঠাত চাওক*

■ মহানগৰীত কয়লা ব্যৱসায়ীক অপহৰণত অভিযুক্ত বিজেপি যুৱ মৰ্চাৰ নেতাক পদৰ পৰা অব্যাহতি

বিজেপিৰ পতাকা জ্বলোৱা প্ৰাক্তন যুৱ কংগ্ৰেছীৰ দৌৰাত্ম্যক লৈ দলত অসন্তুষ্টি

ষ্টাফ ৰিপ'ৰ্টাৰ

গুৱাহাটী, ১৬ অক্টোবৰ ঃ ২০১৫ত কংগ্ৰেছত থকাৰ সময়ত ৰাজ্যিক বিজেপিৰ মুখ্য কাৰ্যালয় বাজপেয়ী ভৱন আক্ৰমণ কৰিবলৈ যোৱা, বাজপেয়ী ভৱনৰ গেট জ্বলাই দিয়া, বিজেপিৰ পতাকা গচকি অপমান কৰা আৰু সম্প্ৰতি ৰাজ্যিক বিজেপি যুৱ মৰ্চাৰ সাধাৰণ সম্পাদক হিমাংশু শেখৰ বৈশ্যৰ নাম কয়লা ব্যৱসায়ীৰ অপহৰণৰ ঘটনাত সাঙোৰ খোৱাৰ পাছতেই তেওঁক গৃহ বিভাগে *দুই পৃষ্ঠাত চাওক*

৫০ বছৰৰ ভিতৰত বিশ্বৰ প্ৰায় ৭০ শতাংশ বন্যপ্ৰাণী নিশ্চিহ্ন হ'ল ■ প্ৰতিবেদনৰ তথ্যত উদ্বেগ

মানুহৰ সন্ত্ৰাসত জীৱকূলে হেৰুৱাইছে প্ৰাণ

■ নিউজ ব্যুৰ'

নতুন দিল্লী, ১৬ অক্টোবৰ ঃ মাত্ৰ ৫০ বছৰৰ ভিতৰতে মানুহৰ ধ্বংসমুখী কাৰ্যকলাপে বিশ্বৰ বন্যপ্ৰাণীৰ গড়ে ৬৯ শতাংশ নিঃশেষ কৰিলে বুলি বিশ্ব বন্যপ্ৰাণী পুঁজি (ডব্লিউ ডব্লিউ এফ)ৰ এক প্ৰতিবেদনত প্ৰকাশ পাইছে। সংস্থাটোৰ দ্বিবাৰ্ষিক প্ৰতিবেদনত গৱেষকসকলে দাঙি ধৰা তথ্য অনুসৰি বিশ্বৰ প্ৰতিখন মহাদেশতে বন্যপ্ৰাণীৰ সংখ্যা হ্ৰাস পাইছে। এই তথ্য অনুসৰি, কেৰিবিয়ান অঞ্চল, লেটিন আমেৰিকা, এমাজন আৰু আফ্ৰিকাত সৰ্বাধিক ৰূপত এই ধ্বংসযজ্ঞ চলিছে। ডব্লিউ ডব্লিউ এফ আৰু জিঅ'ল'জিকেল ছ'চাইটি অৱ লণ্ডনৰ মতে ১৯৭০ৰ পৰা ২০১৮ৰ ভিতৰত গড় হিচাপত দুই-তৃতীয়াংশতকৈ অধিক বিশ্বৰ বন্যপ্ৰাণীৰ সংখ্যা হ্ৰাস পাইছে। দুবছৰ পূৰ্বে এই পৰিসংখ্যা আছিল ৬৮ শতাংশ আৰু চাৰি বছৰ পূৰ্বে আছিল ৬০ শতাংশ। একাধিক বিজ্ঞানীয়ে বিশ্বাস কৰে যে পৃথিৱী এতিয়া ষষ্ঠতম *১০ পৃষ্ঠাত চাওক*

MCJ
Beauty with Purity
শুভ দীপাৱলী
Flat 25% OFF on making charges of Gold Ornaments
Flat 5% OFF on Diamond / Platinum Ornaments
From 17-Oct to 26-Oct-2022
মানিক চন্দ্ জুৱেলাৰ্চ
MANIK CHAND™ JEWELLERS
GOLD • DIAMOND • PLATINUM
G.S. Road, Christian Basti # 2343186,
H.B. Road, Fancy Bazar # 2732767,
K.C. Road, Fancy Bazar # 2547454,
Imperial Mall, Club Road, Silchar # 236002 / 04
| EXCHANGE YOUR OLD GOLD JEWELLERY WITH NEW JEWELLERY | WE ACCEPT ALL MAJOR DEBIT AND CREDIT CARDS |

দৈনিক
অগ্ৰদূত

কুমাৰীকাটাৰ চেঁচাপানীত ভয়ংকৰ পথ দুৰ্ঘটনাত এজনৰ মৃত্যু

অগ্ৰদূত বাৰ্তা

তামুলপুৰ, ১৬ অক্টোবৰ ঃ তামুলপুৰৰ চেঁচাপানীত আজি সংঘটিত এক পথ দুৰ্ঘটনাত এজন চাইকেল আৰোহীৰ থিতাতে মৃত্যু হয়। মৃত লোকজন বাগ্‌সা জিলাৰ ডুমনি চাহ বাগিচাৰ পাঁচ নম্বৰ লাইনৰ ফুলজেন ধানোৱাৰ (৬০)। প্ৰাপ্ত তথ্য মতে, মৃত ধানোৱাৰে ডুমনি চাহ বাগিচাৰ পৰা তামুলপুৰ জিলাৰ ভূটান সীমান্তৰ হাতীডুবাৰ আত্মীয়ৰ ঘৰলৈ চাইকেলেৰে আহি থকা অৱস্থাত এখন বলেৰ' বাহনে পাছফালৰ পৰা খুন্দিয়াই থৈ পলাই যায়। দুৰ্ঘটনাৰ খবৰ পোৱাৰ লগে লগে ঘটনাস্থলীত কুমাৰীকাটা আৰক্ষী উপস্থিত হৈ মৃতদেহ উদ্ধাৰ কৰি কুমাৰীকাটা ৰাজ্যিক চিকিৎসালয়লৈ আনি মৰণোত্তৰ পৰীক্ষাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰে। ইপিনে, দুৰ্ঘটনা সংঘটিত কৰি পলাই যোৱা বাহনখন বিচাৰি আৰক্ষীয়ে অনুসন্ধান অব্যাহত ৰাখিছে।

ASTROLOGY/ জ্যোতিষী

ত্ৰিকাল মহাভৈৰৱ তন্ত্ৰ কেন্দ্ৰ ও আচল ৰত্নৰ ৰাজভাণ্ডাৰ **ৰত্নসাগৰ** জ্যোতিষ, বাস্তু, তন্ত্ৰৰ দ্বাৰা আপুনি নিজে নোকোৱাকৈ জানক আপোনাৰ ভূত, ভৱিষ্যৎ, বৰ্তমান ও সকলো সমস্যাৰ ১০০% গেৰাণ্টীযুক্ত সমাধান, বিধান, প্ৰতিকাৰ কৰা হয়।

জ্যোতিষ, বাস্তু, তন্ত্ৰ সম্ৰাট
ড° ত্ৰিকাল ৰাজগুৰু
কুঁৱৰীটোল ঃ কলিয়াবৰ, নগাঁও
(M) 9954021556, 9957066469.

জ্যোতিষী

আপুনি কেনেকুৱা সমস্যাত ভুগিছে? সমস্যা যিমান কঠিন নহওক কিয় ১০০ শতাংশ **Guarantee** সহ সমাধান পাবই। মায়ং প্ৰশিক্ষণ জ্যোতিষী।
আচাৰ্য ডি শৰ্মা
(M) 8099336044.

বিজ্ঞাপনৰ বিশেষ ৰেহাই

বিজ্ঞাপন বিভাগ
দৈনিক অগ্ৰদূত
অগ্ৰদূত ভৱন, দিছপুৰ
ফোন ঃ ৯৮৬৪৮৯৭১৭৫
৯৮৬৪৬২০০৬৫
ই-মেইল ঃ
agradoot@gmail.com

LOST

I have lost my nine (IX) pass Leaving Certificate under Sl No-30 and Book No-03 of year 2004.

Md Mubarak Dewan
S/o Ramjan Dewan
Vill- Paka Betbari Pam
P.O.- Paka Betbari pather
P.S.- Barpeta,
Dist- Barpeta,
Pin- 781352

নাম শুধৰণি

মই নগাঁও ক'ৰ্টত মোৰ ভুল হৈ থকা Md. Abdus Chattar নামটোৰ বিপৰীতে Abdul Satter কৰিলো।

Abdul Satter
Kadamoni Pather
Batadrava

আজিৰ দিনটো

কিৰো ইয়ং, ৰত্ন কুবেৰ জেমছ এণ্ড জুয়েলাৰী
জি. এছ. ৰোড, মণিপুৰী বস্তী, গুৱাহাটী-৭
☎ ঃ ২৫১২১০২, ৯৯৫৭১-১১১৭১

৩০ আহিন সোমবাৰ ১৭ অক্টোবৰ

সূৰ্যোদয় ঃ ঘঃ ৫।২৬।৩৬। **সূৰ্যাস্ত ঃ** ঘঃ ৪।৫১।৩৭। **তিথি ঃ** কৃষ্ণা সপ্তমী, দং ৬।১৬।২৮ ঘঃ ৭।৫৭।১১। **নক্ষত্ৰ ঃ** পুনৰ্ব্বসু, দং ৫৭।৫৮।১৩ শেষ ৰাঘঃ ৪।৩৭।৫৩। **যোগ ঃ** শিৱ, দং ২৮।২।১২ ঘঃ ৪।৩৯।২৮। **কৰণ ঃ** বব। **জন্মত ঃ** মিথুনৰাশি, বৈশ্যবৰ্ণ, মতান্তৰে শূদ্ৰবৰ্ণ, দেৱগণ, বৰাহৰ অস্থি, মাহেন্দ্ৰযোগ, অষ্টোত্তৰী চন্দ্ৰ, বিংশোত্তৰী বৃহস্পতিৰ দশা, ৰাঘঃ ১০।১০।৫৭ যোৱাত কৰ্কটৰাশি, বিপ্ৰবৰ্ণ, বায়ুযোগ, শেষ ৰাঘঃ ৪।৩৭।৫৩ যোৱাত মেষ অস্থি, বিংশোত্তৰী, শনিৰ দশা। **আদ্যঋতু হ'লে ঃ** সাতদিনীয়া কান্ত যোগ। **মৰণত দোষ ঃ** ত্ৰিপদ ঘঃ ৭।৫৭।১১ যোৱাত দ্বিপদ, শেষ ৰাঘঃ ৪।৩৭।৫৩ যোৱাত নাই। **যোগিনী ঃ** বায়ুকোনত, ঘঃ৭।৫৭।১১ যোৱাত ঈশানকোনত। **যাত্ৰা ঃ** নাই, পাপযোগ দোষ, ঘঃ ৭।৫৭।১১ যোৱাত মাহদগ্ধা দোষ। **শুভকৰ্ম ঃ** নাই। **ভক্ষাভক্ষ্য ঃ** তাল, ঘঃ ৭।৫৭।১১ যোৱাত নাৰিকল, মাছ-মাংস খোৱা নিষেধ।

দিনটোৰ ৰাশিফল

মেষ ঃ মনত কিছু অহেতুক চিন্তাই ঠাই ল'লেও আপোনাৰ উপস্থিত বুদ্ধিৰ দ্বাৰা আঁতৰাব পাৰিব। সাহস আৰু দক্ষতা সমভাৱে লাভ কৰি উপকৃত হ'ব। কৰ্মস্থানত আনন্দ। প্ৰেমত আনন্দ। শুভ ৰং ৰঙা। শুভ সংখ্যা ৭।

বৃষ ঃ বিদ্যাত দুশ্চিন্তাৰ মাজেদি শুভ ইংগিত পাব। বিয়া-বাৰু বা উৎসৱ আদিত যোগদান কৰক। মাতৃৰ শৰীৰ চিন্তা। আৰ্থিকত ব্যয় বৃদ্ধি পাব। ব্যৱসায়ত মধ্যম। শুভ ৰং বগা। শুভ সংখ্যা ৩।

মিথুন ঃ মধ্যম দিন হ'লেও কৰ্মস্থানত ভালেই দেখিব। আৰ্থিকতো বেয়া নহ'ব। দায়িত্বপূৰ্ণ কামত মাঙলিক কৃতকাৰ্য হোৱাৰ সম্ভৱনা। বিদ্যাত শুভ ফল শৰীৰ মধ্যম। শুভ ৰং হালধীয়া। শুভ সংখ্যা ৫।

কৰ্কট ঃ সহযোগীৰ সহায়ত উৎসাহ পাব। প্ৰতাৰৰ বাবে দুশ্চিন্তা থাকিব। কৰ্মস্থানত আয় বৃদ্ধিৰ কাৰক। নতুন কোন উদ্দেশ্যত সফল হ'ব। প্ৰেমত নিৰাশা। শুভ ৰং সেউজীয়া। শুভ সংখ্যা ৬।

সিংহ ঃ আচৰিত কথাৰ সম্ভেদ পাব। আৰ্থিকতো কিছু কষ্ট শৰীৰ সম্পৰ্কে উদাস নহ'ব। বিদ্যাত বেয়া বোলা নাযায়। ভ্ৰমণত অলপ সাৱধান থাকক। ঘৰুৱা শুভ। শুভ ৰং নীলা। শুভ সংখ্যা ৩।

কন্যা ঃ মজলীয়া ভাবে দিনটো পাৰ হ'ব। কৰ্মক্ষেত্ৰত সহকৰ্মীৰ অলপ সতৰ্ক থকাটো উচিত হ'ব। প্ৰেম-প্ৰীতিত উদাস চিন্তা। পঢ়াত মধ্যম। দাম্পত্য জীৱন পূৰ্বনুৰূপ। শুভ ৰং ৰঙা। শুভ সংখ্যা ৯।

তুলা ঃ শৰীৰ পূৰ্বৰ তুলনাত আশাপদ। আপুনি ভবা কথা আৰু কামৰ লগত আনৰ বিভেদ থাকিব। উচ্চ বিদ্যাত সাফল্য লাভ। আৰ্থিকত আয় বৃদ্ধি পাব। কোন প্ৰিয় লোকৰ যোগাযোগত আনন্দ। শুভ ৰং বগা। শুভ সংখ্যা ৪।

বৃশ্চিক ঃ ব্যৱসা-বাণিজ্যৰ ক্ষেত্ৰত কিছু উচ্চ চিন্তা থাকিব আৰু সফলতাও পাব। কৰ্মস্থানত উন্নত আশা নকৰাই ভাল। পঢ়াত মনোনিবেশ কৰিব। ভ্ৰমণত সাৱধান। শুভ ৰং আকাশী। শুভ সংখ্যা ৮।

ধনু ঃ দিনটোত পাৰিপাৰ্শ্বিক বাধা-বিঘিনীৰ কাৰণে মনটো গধূৰ হৈ থাকিব। শৰীৰৰ প্ৰতি আওকান নকৰিব। কৰ্মত খ্যাতি বৃদ্ধিৰ যোগ। পিতৃৰ পৰা সহানুভূতি লাভ কৰিব। শুভ ৰং হালধীয়া। শুভ সংখ্যা ৭।

মকৰ ঃ কৰ্মত মজলীয়া প্ৰভাৱ পৰিব। নিজৰ মান-সন্মানৰ ক্ষেত্ৰত সচেতন হ'ব। বিদ্যাত ধৈৰ্য ধৰক। পাৰিবাৰিক সামান্য উৎকণ্ঠা দেখা যায়। ভ্ৰমণত দ্ৰব্য লাভ কৰিব। ব্যৱসায়ত আশাপ্ৰদ উন্নতিৰ যোগ শুভ ৰং মাটিয়া। শুভ সংখ্যা ১।

কুম্ভ ঃ নিজৰ উদ্দেশ্য সাধনত ব্ৰতী হওক। কৰ্মত দক্ষতা থাকিব। ব্যৱসা-বাণিজ্য, উদ্যোগ আদিত সফলতাৰ ইংগিত দেখা যায়। পঢ়া-শুনাত শুভ। পিতৃ-মাতৃৰ চিন্তা শুভ ৰং ক'লা। শুভ সংখ্যা ২।

মীন ঃ যত্নৰ দ্বাৰা বিদ্যাত সাফল্য আভা। আৰ্থিকত ব্যয় বৃদ্ধি পাব। কোন দূৰ বাৰ্তাত আনন্দ লাভ। বেংক কৰ্মচাৰীৰ শুভ। কোন কাৰণত মন চঞ্চল থাকিব। প্ৰেমত শুভ। শুভ ৰং সোণালী। শুভ সংখ্যা ৩।

ধুবুৰীত সাংসদ বদৰুদ্দিন আজমল-বিধায়ক ৰাজেদৰ বিৰুদ্ধে প্ৰতিবাদ

অগ্ৰদূত বাৰ্তা

গৌৰীপুৰ, ১৬ অক্টোবৰ ঃ দক্ষিণ শালমাৰা সমষ্টিৰ স্থানীয় বিধায়ক ৰাজেদ আলী চৌধুৰী আৰু সাংসদ বদৰুদ্দিন আজমলৰ প্ৰতি মোহ ভংগ হৈছে স্থানীয় ৰাইজৰ। সুদীৰ্ঘ দিন উকলি যোৱাৰ পাছতো মহাবাহু ব্ৰহ্মপুত্ৰ নদীৰ গৰাখহনীয়া প্ৰতিৰোধ ব্যৱস্থা গ্ৰহণ কৰাত ব্যৰ্থ হোৱাত নেতা দুগৰাকীৰ বিৰুদ্ধে কাতলামাৰীত ৰাইজৰ প্ৰতিবাদ সাব্যস্ত কৰে। আজি পদ্মেৰ আলগা গাঁও পঞ্চায়তৰ কাতলামাৰীত নেতা দুয়োগৰাকীৰ প্ৰৱেশ নিষিদ্ধ ঘোষণা কৰে ৰাইজে। লগতে আগন্তুক ২০২৪ৰ লোকসভা নিৰ্বাচনত ভোট বৰ্জনৰ হুংকাৰ। উল্লেখ্য যে পাঁচবাৰৰ বিধায়ক ৰাজেদ আলী চৌধুৰী আৰু তিনিবাৰকৈ নিৰ্বাচিত হৈ সাংসদ বদৰুদ্দিন আজমলে সমষ্টিৰ উন্নয়ন দূৰৰে কথা খহনীয়া প্ৰতিৰোধৰ ব্যৱস্থা গ্ৰহণ কৰাত ব্যৰ্থ হয়। নেতাদ্বয়ৰ অমনোযোগিতাৰ বাবেই সমষ্টিৰ বিভিন্ন অঞ্চলত মহাবাহু ব্ৰহ্মপুত্ৰ নদীৰ গৰাখহনীয়াই বহু গাঁও আৰু অঞ্চল নিশ্চিহ্ন কৰি সমষ্টিৰ মানচিত্ৰখনেই সলনি কৰিছে। শেহতীয়াকৈ পদ্মেৰ আলগা গাঁও পঞ্চায়তৰ কাতলামাৰী অঞ্চলটোলৈ নদীয়ে সংকট চপাই আনিছে যদিও বাৰম্বাৰ দাবী জনোৱাৰ পাছতো খহনীয়া প্ৰতিৰোধৰ ব্যৱস্থা গ্ৰহণ কৰা নাই বিধায়ক আৰু সাংসদগৰাকীয়ে।

উপায়ান্তৰ হৈ আজি অঞ্চলটোৰ ৰাইজ নদীৰ পাৰত সমবেত হৈ নেদেখাজনৰ ওচৰত সমূহীয়া দোৱা প্ৰাৰ্থনা জনায়। এই অনুষ্ঠানৰ পৰা স্থানীয় বিধায়ক আৰু সাংসদক খহনীয়া প্ৰতিৰোধৰ ব্যৱস্থা গ্ৰহণ নকৰাকৈ অঞ্চলটোত প্ৰৱেশ নিষিদ্ধ ঘোষণা কৰে ৰাইজে। আনহাতে, বিভাগীয় কৰ্তৃপক্ষৰ লগতে জিলা উপায়ুক্তগৰাকীয়ে দুমাহৰ ভিতৰত অঞ্চলটোত অব্যাহত গৰাখহনীয়া প্ৰতিৰোধৰ আঁচনি গ্ৰহণ নকৰিলে ৰাইজে ধুবুৰীৰ পৰা দিছপুৰলৈ পদযাত্ৰা আৰম্ভ কৰাৰ কথা সদৰী কৰে।

নদীৰ পাৰত সমূহীয়া দোৱা প্ৰাৰ্থনা

চম্পানগৰত এবিএমছুৰ চম্পানগৰ আঞ্চলিকৰ অষ্টম দ্বি-বাৰ্ষিক অধিবেশনৰ সামৰণি

অগ্ৰদূত বাৰ্তা

দোতমা, ১৬ অক্টোবৰ ঃ আজি কোকৰাঝাৰ জিলাৰ চম্পানগৰত সদৌ বিটিচি সংখ্যালঘু ছাত্ৰ সন্থা চমুকৈ এবিএমছুৰ চম্পানগৰ আঞ্চলিকৰ অষ্টম দ্বি-বাৰ্ষিক অধিবেশনৰ সফল সামৰণি হয়। যোৱা ১৫ আৰু ১৬ অক্টোবৰত দুদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে এবিএমছুৰ চম্পানগৰ আঞ্চলিকৰ অষ্টম দ্বি-বাৰ্ষিক অধিবেশনখন চম্পানগৰ মিলন এমই স্কুল খেলপথাৰত অনুষ্ঠিত হয়। প্ৰথম দিনাৰ কাৰ্যসূচী অনুসৰি পুৱা পতাকা উত্তোলন, ছহিদৰ আত্মাৰ সদগতিৰ লগতে বিশ্বশান্তিৰ প্ৰাৰ্থনা আৰু বৃক্ষৰোপণ, চাফাই অভিযানৰ লগতে বিভিন্ন কাৰ্যসূচী অনুষ্ঠিত হয়। ইপিনে, আজি অধিবেশনৰ অন্তিম দিনাৰ কাৰ্যসূচী অনুসৰি পুৱা ছাত্ৰ-ছাত্ৰীসকলৰ মাজত কুইজ প্ৰতিযোগিতা, বঁটা বিতৰণী সভাৰ লগতে আবেলি অনুষ্ঠিত হোৱা মুকলি সভাত উপস্থিত থাকে এবিএমছুৰ কেন্দ্ৰীয় সভাপতি আশ্ৰাফুল ইছলাম, সাধাৰণ সম্পাদক টাইছন, এবিএমছুৰ কোকৰাঝাৰ জিলা সভাপতি নজৰুল ইছলাম, সাধাৰণ সম্পাদক ছেলিম শ্বেখ, আমছুৰ কেন্দ্ৰীয় সাংগঠনিক সম্পাদক আমিৰ আলীৰ লগতে, বিভিন্ন দল-সংগঠনৰ বিষয়ববীয়াসকল, গাঁওবুঢ়াসকল আৰু ৰাইজ। উক্ত অনুষ্ঠানত উপস্থিত থাকি এবিএমছুৰ কেন্দ্ৰীয় সভাপতি আশ্ৰাফুল ইছলামে কয় যে বিটিআৰ চৰকাৰ সম্পূৰ্ণৰূপে ব্যৰ্থ হৈছে। যিহেতু লাফিকুল ইছলামৰ হত্যাকাৰীক আজিলৈকে গ্ৰেপ্তাৰ নকৰাত চৰকাৰৰ বিৰুদ্ধে জাঙুৰ খাই উঠে এবিএমছুৰ কেন্দ্ৰীয় সভাপতিজন।

কোকৰাঝাৰ জিলা প্ৰশাসনৰ দ্বাৰা পৰিৱেশ-অনুকুল দুৰ্গা পূজা সমিতিক পুৰস্কাৰ বিতৰণ

অগ্ৰদূত বাৰ্তা

কোকৰাঝাৰ, ১৬ অক্টোবৰ ঃ জিলাখনৰ পৰিৱেশ-অনুকুল দুৰ্গা পূজা সমিতিসমূহক পুৰস্কাৰ বিতৰণ কৰিবলৈ আৰু আন্তঃগাঁথনি কোকৰাঝাৰ এপৰ ব্ৰেণ্ড এম্বেছেডৰসকলক সম্বৰ্ধনা জনোৱাৰ বাবে কালি সন্ধিয়া কোকৰাঝাৰ জিলাৰ উপায়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত বঁটা বিতৰণ অনুষ্ঠান অনুষ্ঠিত কৰা হয়। কোকৰাঝাৰৰ উপায়ুক্ত বৰ্ণালী ডেকাই ভাষণ প্ৰদান কৰি শ্ৰেষ্ঠ পৰিৱেশ-অনুকুল পূজাৰ বাবে বঁটা বিজয়ী পূজা সমিতিসমূহৰ প্ৰচেষ্টাক শলাগ লয়। লগতে এই বছৰৰ পূজাত সকলো পূজা সমিতিয়ে সহযোগিতা আগবঢ়োৱাৰ বাবে কৃতজ্ঞতা জ্ঞাপন কৰে। উল্লেখ্য যে এই বছৰত সাৰ্বজনীন ডিপো দুৰ্গাবাৰী পূজা সমিতিয়ে প্ৰথম পুৰস্কাৰ, ভৱানীপুৰ সাৰ্বজনীন দুৰ্গাবাৰী পূজা সমিতি আৰু সুভাষপল্লী সাৰ্বজনীন দুৰ্গাবাৰী পূজা সমিতিয়ে দ্বিতীয় পুৰস্কাৰ লাভ কৰাৰ বিপৰীতে পূৰ্বজ্যোতি ক্লাব দুৰ্গা পূজা সমিতিয়ে তৃতীয় পুৰস্কাৰ লাভ কৰে। একেদৰে, বেংক কলনী বিনোদন কেন্দ্ৰ দুৰ্গা পূজা সমিতি আৰু গোসাঁইবাবা ধাম দুৰ্গা পূজা সমিতিয়ে সান্ত্বনা পুৰস্কাৰ (জুৰিৰ পছন্দ) লাভ কৰে। অতিৰিক্ত উপায়ুক্ত সকল, সহকাৰী আয়ুক্ত আৰু জিলা প্ৰশাসনৰ অন্যান্য বিষয়াসকলৰ উপস্থিতিত তেওঁলোকক উপায়ুক্তজনে প্ৰমাণপত্ৰ প্ৰদান কৰে। ইয়াৰ পাছতে আন্তঃগাঁথনি স্নেপশ্বট কোকৰাঝাৰ এপৰ ব্ৰেণ্ড এম্বেছেদৰসকলক জনসাধাৰণৰ মাজত এপ্‌টো জনপ্ৰিয় কৰাৰ দিশত আগবঢ়োৱা অৱদানৰ বাবে সম্বৰ্ধনা জনোৱা হয়। অনুষ্ঠানত মুঠ ৩৯ জন ব্ৰেণ্ড এম্বেছেদৰক সম্বৰ্ধনা জনোৱা হয়।

শব্দ-বেহু ঃ ১৭ অক্টোবৰ ২০২২



@ সব্যসাচী

পথালিয়ে ঃ

১। নাম নথকা, নৌকা নথকা (৩)
৩। মৃত্যুৰ কাৰণ জানিবলৈ মৃতদেহ কটা-ছিঙা কৰা কাৰ্য্য, প'ষ্ট মৰ্টেম (৬)
৫। বিভিন্ন ধৰণৰ অসুবিধা আৰু আমনি, ঘৰুৱা সৰু-সুৰা লেঠা (৩)
৬। কাষ, পাৰ, সমীপ(৩)
৮। পত্নীৰ ভায়েক (৪)
১২। গলাবান্ধ, শীত বা কুঁৱলীৰ পৰা ৰক্ষা পৰিবলৈ ডিঙিত মেৰিয়াই লোৱা ঠেক, দীঘল বস্ত্ৰ, (৪)
১৪। বেতন, কৰ্মচাৰীৰ পাৰিশ্ৰমিক, মজুৰি (৪)
১৬। চাংমাই, ৰন্ধা-বঢ়া কৰি আহাৰ যোগান ধৰোতা (৪)
১৮। শুকান ঘাঁহ আদিৰ মেজি বা পুঁজি, খৰি বা খেৰৰ দ'ম (৩)
২০। নিজৰ হাড়েৰে বজ্ৰাস্ত্ৰ নিৰ্মাণ কৰিবলৈ হাড়বোৰ ইন্দ্ৰ দেৱতাক অৰ্পণ কৰা এজন ঋষি (৩)
২১। বৰ ভিতৰুৱা ঠাইৰ ঠেক মনৰ আৰু কম জ্ঞানৰ মানুহ (৬)
২২। গছ-গছনি নোহোৱা, চুলি নথকা (৩)

থিয়কৈ ঃ

১। নিমখ আৰু পানীৰে সানি তেলত ভজা ময়দাৰ পিঠা বিশেষ (৩)
২। আপত্তি প্ৰকাশ, অভিযোগ, নালিচ (৩)
৩। ধান বনাৰ পাছত চালোঁতে চালনীৰ ওপৰত ৰোৱা গোটা চাউল আৰু খুদ নোযোৱা ধান (৩)
৪। তৰাৰে জকমকাই থকা আকাশ, তৰাৰ থুপ (৩)
৭। নিমন্ত্ৰণ নকৰাকৈ অহা অতিথি (৫)
৯। লঘুত্ব গুণ, যোগৰ বলত শৰীৰক লঘু কৰা (৩)
১০। শেষ, লাজ (৩)
১১। মৰোঁ-জীওঁকৈ কৰা চেষ্টা, প্ৰাণৰ কাতৰে কৰা যত্ন (৫)
১৩। আঁৰ-বেৰ নথকা, তেনেই মুকলি, ধোবাং-বাং (৩)
১৫। এহাল গৰুৱে এদিনত চহাব পৰা পৰিমাণৰ মাটিৰ জোখ (৩)
১৬। বৰকৈ কৰা অনুৰোধ বা খাটনি (৩)
১৭। তাবিজ, তিৰোতাই ডিঙিত পিন্ধা ঢোল বা মৃদংগৰ নিচিনা এবিধ অলংকাৰ (৩)
১৮। সফলতাৰে সম্পন্ন হোৱা, আদায় (৩)
১৯। দীঘল অনুপাতে শকত নোহোৱা, লাহী আৰু ক্ষীণ দেহৰ (৩)

উত্তৰ অহা সংখ্যাত

১৬ অক্টোবৰ ২০২২ সংখ্যাৰ উত্তৰ ঃঃ

পথালিয়ে ঃ ৩। খোচামতি ৫। ৰম্ভা ৬। অৱতল ৭। ভিক্ষু ৮। নাইলন ১০। মনালিছা ১৪। সুচিজীৱী ১৫। চিত্ৰকলা ১৭। খোৰ ১৮। বাজিমাৎ ২০। বীৰা ২১। ইস্তেমাল

থিয়কৈ ঃ ১। পৰগনা ২। পাৰ ৩। খোল ৪। তিতিক্ষু ৬। অভিনৱ ৭। ভিছা ৯। ইলা ১০। মগ ১১। দেৱী ১২। অচিয়ৎ ১৩। চাক ১৪। সূৰ ১৬। লাখেৰাজ ১৭। খোদাই ১৮। বাল ১৯। মাদ্ৰী

মুছলপুৰত ডিজিটেল বেংকিং ইউনিট মুকলি

মুছলপুৰ, ১৬ অক্টোবৰ ঃ আজাদী কা অমৃত মহোৎসৱৰ লগত সংগতি ৰাখি আজি সমগ্ৰ দেশতে ৭৫ টা বিভিন্ন বেংকৰ ডিজিটেল বেংকিং ইউনিটৰ আৰম্ভ কৰে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে। অসমৰো বাগ্‌সা আৰু বঙাইগাঁও জিলাত দুটাকৈ ডিজিটেল বেংকিং ইউনিটৰ আৰম্ভণি কৰা হয়। বাগ্‌সা জিলাৰ সদৰ মুছলপুৰতো আজি ভাৰতীয় ষ্টেট বেংকৰ এটা ডিজিটেল বেংকিং ইউনিট উদ্বোধন কৰা হয়। উদ্বোধনী অনুষ্ঠানত ৰাজ্য চৰকাৰৰ বিত্ত মন্ত্ৰী অজন্তা নেওগ, হস্ততাঁত বস্ত্ৰ মন্ত্ৰী উৰ্খাও গৌৰা ব্ৰহ্ম, কোকৰাঝাৰ লোকসভা সমষ্টিৰ সাংসদ নব কুমাৰ শৰণীয়া, অসম বিজেপিৰ সভাপতি ভবেশ কলিতা, বাগ্‌সাৰ উপায়ুক্ত মাচাণ্ড মেকডালিন পাৰ্টিনৰ উপস্থিত থাকে। বিত্ত মন্ত্ৰী অজন্তা নেওগে এই ডিজিটেল সেৱাৰ দ্বাৰা সাধাৰণ ৰাইজ উপকৃত হ'ব বুলি উল্লেখ কৰাৰ লগতে এই ডিজিটেল সেৱাই দেশৰ অৰ্থনৈতিক ভেটিও সুদৃঢ় কৰিব বুলি মন্তব্য কৰে। বেংকিং সেৱা যাতে অধিক ত্বৰান্বিত আৰু শক্তিশালী হয় তাৰ ব্যৱস্থা চৰকাৰে অতি শীঘ্ৰেই কৰিব বুলি আশ্বাস প্ৰদান কৰাৰ উপৰি আজি মুকলি কৰা ডিজিটেল বেংকিং ব্যৱস্থাৰ দ্বাৰা চাইবাৰ ক্ৰাইমৰ দ্বাৰা কৰা ঠগবাজি বন্ধ হ'ব আৰু ৰাইজ সুৰক্ষিত হ'ব বুলি উল্লেখ কৰে।

বিশ্বনাথত খণ্ড উন্নয়ন কাৰ্যালয়ত বিধায়কৰ উপস্থিতিত নিৰীক্ষণ সভা অনুষ্ঠিত

অগ্ৰদূত বাৰ্তা

বিশ্বনাথ চাৰিআলি, ১৬ অক্টোবৰ ঃ আজি বিশ্বনাথ নগৰস্থিত সাকোমঠা খণ্ড উন্নয়ন কাৰ্যালয়ত স্থানীয় বিধায়কৰ উপস্থিতিত খণ্ড পৰ্যায়ৰ তদাৰকী আৰু নিৰীক্ষণ সমিতিৰ সভা অনুষ্ঠিত কৰা হয়। উক্ত সভাত সাকোমঠা উন্নয়ন খণ্ডৰ অন্তৰ্গত বিভিন্ন স্থানৰ এমজিএনৰেগা, প্ৰধানমন্ত্ৰী আবাস যোজনা, গ্ৰামীণ আৰু পঞ্চদশ বিত্তীয় আয়োগৰ বিভিন্ন শিতানৰ পৰ্যালোচনা কৰা হয়। বিধায়ক প্ৰমোদ বৰঠাকুৰে উক্ত সভাত নিজৰ ভাষণ প্ৰসংগত উক্ত খণ্ড উন্নয়নৰ অন্তৰ্গত এমজিএনৰেগাৰ কামত অগ্ৰগতি লেহেমীয়া হোৱা বুলি উল্লেখ কৰে। ইয়াৰ লগতে উক্ত নিৰীক্ষণ সভাত অংশগ্ৰহণ কৰা বিভিন্ন পঞ্চায়তৰ অভিযন্তা সকল, সাকোমঠা আঞ্চলিক পঞ্চায়তৰ সভাপতি বিপুল বসুমতাৰী, সাকোমঠা উন্নয়ন খণ্ডৰ অন্তৰ্গত জিলা পৰিষদৰ সদস্যসকলৰ লগতে উন্নয়ন খণ্ডৰ বিভিন্ন বিষয়া-কৰ্মচাৰীৰ লগতে প্ৰতিনিধিসকল।

ঘাইপথৰ পৰা দ' খাৱৈত পৰিল বাহন

এক পৃষ্ঠাৰ পৰা কৰা মতে, আজি পুৱা প্ৰায় ন বজাত লালুক থানাৰ অন্তৰ্গত ওৱাহাট বাগানৰ সমীপত ১৫ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ পৰা এআৰ-১কে-১৪০৭ নম্বৰৰ ক্ৰেটা বাহনখন নিয়ন্ত্ৰণ হেৰুৱাই দ' খাৱৈত পৰে। দ' পানীৰে পৰিপূৰ্ণ এটা খাৱৈত বাহনখন সোমাই পৰাত বাহনৰ ভিতৰত থকা পাঁচজন যাত্ৰীৰ দুজন মৃত্যুমুখত পৰাৰ লগতে আন তিনিজন আহত হয়। আৰক্ষী তথা ৰাইজে জানিবলৈ দিয়া মতে, লালুক থানাৰ অন্তৰ্গত নাদিকা গাঁৱৰ আনাৰুল ইছলামে (৩৪) অৰুণাচল প্ৰদেশত ঠিকাৰ কাম কৰে। তেওঁ আজি পুৱা উক্ত বাহনখনেৰে চাৰিজন শ্ৰমিকক লৈ নিজে গাড়ী চলাই অৰুণাচল প্ৰদেশলৈ গৈ আছিল। লালুক ওৱাহাট বাগানৰ সমীপত গাড়ীখন নিয়ন্ত্ৰণ হেৰুৱাই দ' খাৱৈত পৰে। জান সদৃশ পানীৰে পৰিপূৰ্ণ খাৱৈত পৰি যোৱাত গাড়ীখনৰ চালক আনাৰুল ইছলাম (৩৪) আৰু শোণিতপুৰ জিলাৰ জামুগুৰিহাট থানাৰ অন্তৰ্গত দীঘলী চাপৰি গাঁৱৰ নুৰ মহম্মদ (১৯)ৰ থিতাতে মৃত্যু হয় তাৰ উপৰি শোণিতপুৰ জিলাৰ জামুগুৰিহাট থানাৰ অন্তৰ্গত লন্টাপুৰ গাঁৱৰ গুলজাৰ হুছেইন, দীঘলী চাপৰি গাঁৱৰ বাচিৰ হুছেইন আৰু আহমেদ আলী আহত হয়।

অনুকম্পামূলক নিযুক্তিত স্বজন-তোষণৰ

এক পৃষ্ঠাৰ পৰা খানাপাৰাত সম্পন্ন হোৱা ১১ হেজাৰ নিযুক্তি প্ৰদান প্ৰক্ৰিয়াত ৰাজ্য চৰকাৰে বিভিন্ন বিভাগৰ অনুকম্পামূলক নিযুক্তিৰ নামত ৬৫ জন বিশেষ প্ৰাৰ্থীক ৰহস্যজনক অগ্ৰাধিকাৰ দিয়াক লৈ অসন্তুষ্টি ব্যক্ত কৰিছে একাংশ বঞ্চিত প্ৰাৰ্থীয়ে। এই নিযুক্তি প্ৰক্ৰিয়াত উচ্চ ন্যায়ালয়ৰ নিৰ্দেশনাকো চৰম অৱমাননা কৰাৰ অভিযোগ উত্থাপন হৈছে। বঞ্চিত প্ৰাৰ্থীয়ে সদৰী কৰা অনুসৰি, যোৱা ২৩ ছেপ্টেম্বৰত খানাপাৰাত ৰাজ্য চৰকাৰে বিভিন্ন বিভাগত ১১,২৩৬ জনক নিযুক্তি প্ৰদান কৰিছিল। ইয়াত আৰক্ষী, কনিষ্ঠ অভিযন্তা, সহকাৰী অধ্যাপককে ধৰি কে'বাটাও বিভাগৰ অনুকম্পামূলক নিযুক্তি দিয়া হৈছিল। ইয়াৰে প্ৰাথমিক শিক্ষা বিভাগৰ অনুকম্পামূলক নিযুক্তিত অনিয়ম তথা স্বজন-তোষণৰ অভিযোগ উত্থাপন কৰি বঞ্চিত প্ৰাৰ্থীয়ে কয়, 'প্ৰাথমিক শিক্ষা বিভাগত মুঠ ৪২৪টা অনুকম্পামূলক নিযুক্তিৰ ভিতৰত ৬৫টা পদত আন বিভাগৰ প্ৰাৰ্থীক অগ্ৰাধিকাৰ দিয়া হৈছে। অৰ্থাৎ অনুকম্পামূলক পদৰ ক্ষেত্ৰত নিজৰ বিভাগত পদ খালী নাথাকিলে আন বিভাগত নিযুক্তি দিব পাৰে আৰু এই নীতিৰ আধাৰতে ৬৫ জনক শিক্ষা বিভাগত নিযুক্তি দিয়া হৈছে; কিন্তু এই ক্ষেত্ৰত কেইটামান বিশেষ বিভাগক অগ্ৰাধিকাৰ প্ৰদানক লৈ সম্প্ৰতি প্ৰশ্ন উত্থাপন হৈছে।' উল্লেখ্য যে শিক্ষা বিভাগত অনুকম্পামূলক নিযুক্তি লাভ কৰা উল্লিখিত ৬৫জনৰ ভিতৰত গৃহ আৰু ৰাজনৈতিক বিভাগৰ ২২ জন, লোক নিৰ্মাণ বিভাগৰ ১১ জন, পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ ১৭ জন আৰু পৰ্যটন বিভাগৰ ছজন প্ৰাৰ্থীয়ে নিযুক্তি লাভ কৰে বুলি সদৰী কৰি বঞ্চিত প্ৰাৰ্থীয়ে পুনৰ কয়, 'অনুকম্পামূলক নিযুক্তিৰ ক্ষেত্ৰত ৰেচম, ভূমি সংৰক্ষণ, মীন, খনিজ আদি বিভাগত যোৱা প্ৰায় ১০ বছৰ আগৰে পৰা বহু আবেদন পৰি আছে। ইয়াৰ পাছতো মুখ্য সচিবৰ নেতৃত্বাধীন ৰাজ্যিক পৰ্যায়ৰ সমিতিয়ে (এছ এল চি) অনুকম্পামূলক পদসমূহ আবেদনকাৰী থকা প্ৰতিটো বিভাগৰ মাজত সম-বিতৰণৰ পৰিৱৰ্তে ৰহস্যজনক কাৰণত কেইটামান বিশেষ বিভাগৰ প্ৰাৰ্থীকহে অগ্ৰাধিকাৰভিত্তিক নিযুক্তিৰ বাবে বাছনি কৰিলে। এয়া শেহতীয়া নিযুক্তি প্ৰক্ৰিয়াত স্পষ্ট হৈ পৰিছে। দিছপুৰে স্বজন-তোষণৰ ৰাজনীতিৰে প্ৰাথমিক শিক্ষা বিভাগৰ অনুকম্পামূলক পদত কেৱল গৃহ আৰু ৰাজনৈতিক, পৰ্যটন, লোক নিৰ্মাণ, পঞ্চায়ত আৰু গ্ৰামোন্নয়ন, যোগান, ৰূপান্তৰ আৰু উন্নয়ন বিভাগৰ ৬৫জন প্ৰাৰ্থীকহে বাছনি কৰিলে; অথচ আন কে'বাটাও বিভাগৰ প্ৰাৰ্থীৰ আবেদন ৰাজ্যিক সমিতিৰ বৈঠকত বিবেচনাৰ বাবে উপস্থাপন কৰিবলৈ গুৱাহাটী উচ্চ ন্যায়ালয়ে কে'বাটাও গোচৰত নিৰ্দেশনা দিছিল; কিন্তু মুখ্য সচিব নেতৃত্বাধীন সমিতিয়ে ন্যায়ালয়ৰ নিৰ্দেশনাক আওকাণ কৰি বৈঠকত বিশেষ বিভাগ কেইটাৰ বাহিৰে আন বিভাগৰ অনুকম্পামূলক বাছনিৰ ফাইল উপস্থাপনৰ প্ৰয়োজনবোধ নকৰিলে।' উল্লেখ্য যে এই ঘটনাত বঞ্চিত তথা ভুক্তভোগী প্ৰাৰ্থীসকলে ৰাজ্য প্ৰশাসনৰ মুৰব্বীজনৰ বিৰুদ্ধে আদালত অৱমাননাৰ গোচৰ ৰুজু কৰিবলৈ যোজা চলাইছে।

ডিব্ৰুগড়ৰ মাইজানত ব্ৰহ্মপুত্ৰৰ খহনীয়া

এক পৃষ্ঠাৰ পৰা স্মৰণ কৰি মুখ্যমন্ত্ৰী শৰ্মাই কয় যে আধুনিক সমাজখনক যদি আমি সাবটি নলও, আমাৰ মানসিকতা যদি বৈজ্ঞানিক নহয়, তেন্তে আমি কেতিয়াও এখন সুন্দৰ তথা আধুনিক সমাজ দেখিবলৈ নাপাও। মুখ্যমন্ত্ৰী শৰ্মাই পুনৰ কয়, 'আমি অসমখন প্ৰগতিৰ পথত আগুৱাই নিবৰ বাবে আবেগিক হ'ব লাগিব। আমাৰ চিন্তা-চৰ্চাৰ ভেটিটো বৈজ্ঞানিক হ'ব লাগিব আৰু মনটো আবেগিক হ'ব লাগিব।' তেওঁ কয় যে আমি যদি সঁচাই আবেগিক, তেনেহলে আমি আমাৰ পিতৃ-মাতৃক কেতিয়াও কষ্টত থাকিব নিদিও। যদি আমি সঁচাকৈয়ে আবেগিক তেন্তে আমি বয়োজ্যেষ্ঠসকলক সন্মান কৰিম আৰু যদিহে সঁচাই আবেগিক, তেন্তে আমাৰ দুখীয়াসকলৰ প্ৰতিও অন্তৰে কান্দিব। মুখ্যমন্ত্ৰীজনে ১৯৪৫তে প্ৰতিষ্ঠা হোৱা মহাবিদ্যালয়খনে সমাজত জ্ঞানৰ পোহৰ বিলাই অসমৰ এখন অগ্ৰণী শিক্ষানুষ্ঠান হিচাপে পৰিগণিত হৈছে বুলি মন্তব্য কৰি মুখ্যমন্ত্ৰীয়ে কয়, ' 'আবেগে মানুহক পৰিচালিত নকৰে, মানুহক পৰিচালিত কৰে বৈজ্ঞানিক চিন্তা-চৰ্চাই। আমি আগুৱাই যাব পৰা নাই। আমাৰ চিন্তা-চৰ্চাৰ সীমাৱদ্ধতা আৰু আবেগিক চৰিত্ৰই আমাক পিছুৱাই লৈ গৈ আছে।' নালন্দা বিশ্ববিদ্যালয়ৰ উদ্ধৃতি দি কানৈ মহাবিদ্যালয়কো সেই পৰ্যায়লৈ নিয়াৰ প্ৰচেষ্টা কৰাৰ প্ৰয়োজনীয়তা আছে বুলিও তেওঁ মতপোষণ কৰে। নতুন ভাৰত নিৰ্মাণ প্ৰক্ৰিয়াত কানৈ মহাবিদ্যালয়ে বিশেষ ভূমিকা গ্ৰহণ কৰাৰ অৱকাশ আছে বুলি দৃঢ়তাৰে মত প্ৰকাশ কৰে। আনহাতে, মুখ্যমন্ত্ৰী শৰ্মাক কলেজলৈ গায়ন-বায়নসহ, এনচিচি, বিহু, মিচিং বিহু, বড়ো, দেউৰী, ঝুমুৰ নৃত্যই আদৰি আনে। উল্লেখ্য যে অসমৰ উচ্চ শিক্ষানুস্থানসমূহৰ ভিতৰত কানৈ মহাবিদ্যালয় তৃতীয়খন মহাদ্যিালয় যিখন দ্বিতীয় বিশ্বযুদ্ধৰ শেষৰ সময়ছোৱাত অৰ্থাৎ ১৯৪৫ত স্থাপিত হৈছিল। মহাবিদ্যালয়ত প্ৰৱেশ কৰি মুখ্যমন্ত্ৰীজনে প্ৰতিস্থাপক অধ্যক্ষ ড° যোগীৰাজ বসু, প্ৰতিষ্ঠাপক উপাধ্যক্ষ ড° লক্ষী প্ৰসাদ দত্ত আৰু মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ প্ৰতিষ্ঠাপক সম্পাদক অশ্বিনী চৰণ চৌধুৰীৰ প্ৰতিমূৰ্তিত পুষ্পাঞ্জলি অৰ্পণ কৰে। এই অনুষ্ঠানতে কানৈ মহাবিদ্যালয় পৰিয়ালে আগবঢ়োৱা ড° লক্ষী প্ৰসাদ দত্ত স্মাৰক বঁটা সাদৰেৰে গ্ৰহণ কৰা বুলি মুখ্যমন্ত্ৰী ড° শৰ্মাই ঘোষণা কৰে। কানৈ মহাবিদ্যালয়ৰ আভ্যন্তৰীণ মান নিৰ্মাণ কোষৰ সমন্বয়ক ড° মৃদুল শৰ্মাই আঁতধৰা অনুষ্ঠানত আদৰণি ভাষণ প্ৰদান কৰে কলেজৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াই। সভাত কেন্দ্ৰীয় মন্ত্ৰী ৰামেশ্বৰ তেলী, ৰাজ্যৰ উদ্যোগ আৰু বাণিজ্য মন্ত্ৰী বিমল বড়া, ডিব্ৰুগড়ৰ বিধায়ক প্ৰশান্ত ফুকন, অসম চৰকাৰৰ শিক্ষা উপদেষ্টা ড° ননী গোপাল মহন্তই সাৱলীল ভাষণ প্ৰদান কৰে। কানৈ কলেজৰ মহাৰজত জয়ন্তী উদযাপন সমিতিৰ সভাপতি ঋতুপৰ্ণ বৰুৱাৰ পৌৰোহিত্যত অনুস্থিত মুকলি সভাত বিধায়ক প্ৰশান্ত ফুকন, বিনোদ হাজৰিকা, তৰংগ গগৈ, চক্ৰধৰ গগৈ, কানৈ মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ সভাপতি অভিমন্যু বৰুৱাকে আদি কৰি মহাবিদ্যালয়ৰ অধ্যাপক-অধ্যাপিকা, কৰ্মচাৰী, ছাত্ৰ-ছাত্ৰীসকল উপস্থিত থাকে। আজিৰ অনুষ্ঠানতে কানৈ মহাবিদ্যালয় উন্নয়নৰ বাবে পাঁচ কোটি টকা মুকলি কৰি দিয়াৰ কথা ঘোষণা কৰে মুখ্যমন্ত্ৰীয়ে। মহাবিদ্যালয়ৰ সামৰণি অনুষ্ঠান উপলক্ষে আজি নিশালৈ 'নৃসিংহ মূৰাৰী' নামৰ এখন আমন্ত্ৰণমূলক ভাওনা প্ৰদৰ্শন কৰা হয়। ভাওনাৰ শুভ উদ্বোধন কৰে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক ড° গোপাল হাজৰিকাই।

মাইজানত ব্ৰহ্মপুত্ৰৰ খহনীয়া প্ৰত্যক্ষ কৰি মুখ্যমন্ত্ৰীৰ ঘোষণা— ডিচেম্বৰৰ পৰাহে সম্ভৱ হ'ব খহনীয়া প্ৰতিৰোধ ব্যৱস্থা

প্ৰায় ৪০ হেক্টৰ ভূমি জাহ যোৱাৰ লগতে ১০টা বাসগৃহ আৰু সুৰক্ষা বান্ধৰ দুশ মিটাৰ অঞ্চল খহাই নিয়া ডিব্ৰুগড়ৰ মাইজানত সৃষ্টি হোৱা ভয়ংকৰ পৰিস্থিতি প্ৰত্যক্ষ কৰি আজি আশ্চৰ্যবোধ কৰিলে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। জলসম্পদ মন্ত্ৰী পীযুষ হাজৰিকাক লগত লৈ খহনীয়াগ্ৰস্ত অঞ্চল পৰিভ্ৰমণ কৰিবলৈ যোৱা মুখ্যমন্ত্ৰীয়ে ব্ৰহ্মপুত্ৰই চপৰা-চপৰে মাটি খহাই নিয়া প্ৰত্যক্ষ কৰি কয় যে ব্ৰহ্মপুত্ৰক ভেটিবলৈ জলসম্পদ বিভাগে দিনে-নিশাই কাম কৰিলেই যে সফল হ'ব তেনে কোনো কথা নহয়। বিভাগীয় লোকৰ লগতে শ্ৰমিকসকলেও খহনীয়া প্ৰতিৰোধ কৰিবলৈ চেষ্টা চলাইছে বুলি মন্তব্য কৰি মুখ্যমন্ত্ৰীয়ে কয় যে নদীৰ বুকুত কি ধৰণৰ পৰিৱেশ লুকাই আছে তাক ভৱিষ্যৎ বাণী কৰাটো সম্ভৱ নহয়। চৰকাৰৰ বাবে এই মুহূৰ্তত খহনীয়া প্ৰতিৰোধ কৰাটো প্ৰাথমিক দায়িত্ব বুলি মন্তব্য কৰি মুখ্যমন্ত্ৰীয়ে কয় যে খহনীয়া আৰু পানী কমাৰ পাছতহে বেলেগ ব্যৱস্থাৰ চিন্তা কৰিব পৰা যাব। বিভাগীয়ভাৱে ইতিমধ্যে পৰিকল্পনা যুগুত কৰি ৰখা বুলি সদৰী কৰে মুখ্যমন্ত্ৰীয়ে। মুখ্যমন্ত্ৰীক সংগ দিয়া জলসম্পদ মন্ত্ৰী হাজৰিকাই কয় যে মানুহে কামহে কৰিব পাৰে, ফলাফল কেতিয়াবা আশাব্যঞ্জক নহ'বও পাৰে। অহা ডিচেম্বৰতহে সুৰক্ষা বান্ধ নিৰ্মাণৰ কাম আৰম্ভ কৰিব পৰা যাব বুলি মন্ত্ৰীজনে ব্যক্ত কৰে। উল্লেখ্য যে আজি পুৱা প্ৰায় ১১ বজাত মাইজানত উপস্থিত হোৱা মুখ্যমন্ত্ৰীৰ স'তে জলসম্পদ মন্ত্ৰীৰ উপৰি মন্ত্ৰী বিমল বড়া, কেন্দ্ৰীয় মন্ত্ৰী ৰামেশ্বৰ তেলী, বিধায়ক প্ৰশান্ত ফুকন, বিনোদ হাজৰিকা, চক্ৰ গগৈ, তৰংগ গগৈয়েও উপস্থিত আছিল।

বিজেপিৰ পতাকা জ্বলোৱা প্ৰাক্তন যুৱ কংগ্ৰেছীৰ

এক পৃষ্ঠাৰ পৰা ৰক্ষণাবেক্ষণ দিয়া বুলি অভিযোগ কৰিছে অসম জাতীয় পৰিষদৰ ভ্ৰাতৃ সংগঠন জাতীয় যুৱ শক্তি, অসমে। উল্লেখ্য যে যোৱা আঠ অক্টোবৰত অপহৃত হোৱা কয়লা ব্যৱসায়ী অৰবিন্দ কুমাৰ প্ৰসাদক যোৱা ১২ অক্টোবৰত আৰক্ষীয়ে উদ্ধাৰ কৰাৰ পাছতে এই অপহৰণ কাণ্ডত বিজেপি যুৱ মৰ্চাৰ ৰাজ্যিক সাধাৰণ সম্পাদক হিমাংশু শেখৰ বৈশ্য, কাৰ্যনিৰ্বাহক সদস্য সঞ্জীত ডেকা ওৰফে ৰাহুলৰ নাম সাঙোৰ খাই পৰে। ইতিমধ্যে এই ঘটনাত আৰক্ষীয়ে যুৱ মৰ্চাৰ সদস্য প্ৰাঞ্জল দাসক গ্ৰেপ্তাৰ কৰি ন্যায়িক জিম্মালৈ প্ৰেৰণ কৰিছে। উপযুক্ত তথ্য লাভৰ পাছতো আৰক্ষীয়ে প্ৰাক্তন যুৱ কংগ্ৰেছী তথা বৰ্তমানৰ বিজেপি যুৱ মৰ্চাৰ এই দুই নেতাক ৰক্ষণাবেক্ষণ দিয়াৰ অভিযোগ তুলি আজি জাতীয় যুৱ শক্তিয়ে এক সংবাদমেলত বিজেপিৰ শীৰ্ষ নেতাৰ ঘনিষ্ঠ হোৱা বাবেই এই দুই কয়লা মাফিয়াক গ্ৰেপ্তাৰ কৰা হোৱা নাই নেকি বুলি প্ৰশ্ন উত্থাপন কৰে। সংবাদমেলত জাতীয় যুৱ শক্তিৰ সম্পাদক কংকন নাথ আৰু উপ-সভাপতি দুৰ্লভ বুঢ়াগোহাঁয়ে কয়, 'কয়লা ব্যৱসায়ীৰ অপহৰণত বিজেপি যুৱ মৰ্চাৰ নেতা জড়িত বুলি ওলাই পৰাৰ পাছতে তদন্ত প্ৰক্ৰিয়া পথচ্যুত হৈছে। এই অপহৰণত নাম সাঙোৰ খাই পৰা যুৱ মৰ্চাৰ সাধাৰণ সম্পাদক হিমাংশু শেখৰ বৈশ্য আৰু সদস্য সঞ্জীত ডেকা চৰকাৰৰ অতি ঘনিষ্ঠ হোৱা বাবেই তেওঁলোকক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰা নাই। বৰঞ্চ ঘটনাটো গাপ দিবলৈহেঁচা প্ৰয়োগ কৰা হৈছে। উক্ত হেঁচাৰ ফলতে ভুক্তভোগী কয়লা ব্যৱসায়ীজনে নিজৰ বক্তব্য সলনি কৰিবলৈ বাধ্য হৈছে। কয়লা ছিণ্ডিকেট আৰু ব্যৱসায়ী অপহৰণৰ দৰে অপৰাধৰ লগত জড়িত অপৰাধীক ৰাজনৈতিক ৰক্ষণাবেক্ষণ নিদিবলৈ চৰকাৰক আহ্বান জনাইছো।' উল্লেখ্য যে যুৱ মৰ্চাৰ সম্পাদক হিমাংশু শেখৰ বৈশ্যই যুৱ কংগ্ৰেছত থকাৰ সময়ত বিজেপিৰ বিৰুদ্ধাচৰণ কৰি উদ্ভণ্ডালি কৰা কাৰ্যবোৰৰ কথা উল্লেখ কৰি যুৱ শক্তিৰ নেতৃত্বই কয়, 'বৈশ্যৰ দৰে নীতি-আদৰ্শহীন আৰু অপৰাধৰ স'তে জড়িতক বিজেপিয়ে যুৱ সংগঠনৰ সাধাৰণ সম্পাদকৰ দৰে পদত নিযুক্তি দিয়া আৰু কয়লা ছিণ্ডিকেটৰ স'তে জড়িত থকা বিষয়ত দিছপুৰে পৃষ্ঠপোষকতা আগবঢ়োৱা কাৰ্যই বিজেপিৰ নীতি-আদৰ্শহীনতা আৰু মূল্যবোধহীন ৰাজনীতিৰ প্ৰমাণ দাঙি ধৰিছে। জাতীয় যুৱ শক্তিয়ে এই সমগ্ৰ বিষয়ত প্ৰধানমন্ত্ৰীৰ হস্তক্ষেপ বিচাৰি অপৰাধীক গ্ৰেপ্তাৰ আৰু বিজেপি নেতাই চলাই থকা কয়লা ছিণ্ডিকেটৰ সন্দৰ্ভত এখন পত্ৰ প্ৰেৰণ কৰিম।'

বৈশ্যক যুৱ মৰ্চাৰ সম্পাদক পদৰ পৰা অব্যাহতি

কয়লা ব্যৱসায় চলাই অহা বিজেপিৰ যুৱ মৰ্চাৰ দুজনকৈ নেতাৰ নাম অপহৰণৰ ঘটনাত জড়িত হৈ পৰাত অস্বস্তিত পৰিছে ৰাজ্যিক বিজেপিৰ মুখ্য কাৰ্যালয় বাজপেয়ী ভৱন। অবৈধ ব্যৱসায়ৰ লগতে অপহৰণৰ দৰে গুৰুতৰ অপৰাধত নাম সাঙোৰ খাই পৰাৰ পাছতে দলটোৰ ভাৱমূৰ্তিক লৈ বিভিন্নজনে প্ৰশ্ন উত্থাপন কৰাৰ পৰিপ্ৰেক্ষিতত আজি যুৱ মৰ্চাৰ সাধাৰণ সম্পাদক পদৰ পৰা বৈশ্যক অব্যাহতি দিয়া হয়। অৱশ্যে এই ঘটনাৰ অন্যতম কাণ্ডাৰী যুৱ মৰ্চাৰ কাৰ্যনিৰ্বাহক সদস্য সঞ্জীত ডেকাৰ বিৰুদ্ধে কি ব্যৱস্থা গ্ৰহণ কৰিছে ৰাজ্যিক বিজেপিৰ নেতৃত্বই সদৰী নকৰিলে। বিজেপিৰ এক সূত্ৰই বৈশ্যক পদৰ পৰা অব্যাহতি দিয়া হৈছে যদিও ডেকাৰ বিৰুদ্ধে বৰ্তমানলৈ কোনোধৰণ ব্যৱস্থা গ্ৰহণ কৰা হোৱা নাই বুলি সদৰী কৰিছে।

উল্লেখ্য যে এই ঘটনাক লৈ বিজেপিৰ ভিতৰচ'ৰাত তীব্ৰ অসন্তুষ্টিৰ সৃষ্টি হৈছে। কংগ্ৰেছৰ পৰা আহি এইদৰে একাংশ নেতাই বিজেপিৰ বিভিন্ন পদ দখল কৰাতে ক্ষান্ত নাথাকি বিভিন্ন অবৈধ ব্যৱসায় তথা দুষ্কাৰ্যৰে শাসক দলত দৌৰাত্ম্য অব্যাহত ৰখা ঘটনাই ক্ষোভৰ সৃষ্টি কৰিছে। কাৰ সাহসত এনেবোৰ দুষ্কৃতিকাৰীয়ে তাণ্ডৱ চলাই যাব পাৰিছে বুলিও বিজেপিৰ নিষ্ঠাবান নেতা-কৰ্মীয়ে প্ৰশ্ন কৰিছে। বিজেপিৰ পতাকা-কাৰ্যালয় জ্বলাই দিবলৈ সাহস কৰা কংগ্ৰেছীয়ে আহি শাসক দলক ৰাইজৰ সন্মুখত হেয় প্ৰতিপন্ন কৰাৰ পাছতো সেইসকলৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ নকৰাত দলীয় নেতা-কৰ্মীসকলে ক্ষোভ প্ৰকাশ কৰিছে।

টোলগেটত ছিণ্ডিকেট চলাইছিল বৈশ্যই ঃ আপ

অবৈধ ব্যৱসায় আৰু ব্যৱসায়ীক অপহৰণৰ ঘটনাত অভিযুক্ত বিজেপি যুৱ মৰ্চাৰ সাধাৰণ সম্পাদক হিমাংশু শেখৰ বৈশ্যই পূৰ্বতে সংঘটিত কৰি অহা অবৈধ কাৰ্যকলাপ সম্প্ৰতি পোহৰলৈ আহিছে। যুৱ কংগ্ৰেছত থাকোতে বৈশ্যই বিজেপিৰ বিৰুদ্ধে গ্ৰহণ কৰা অশোভনীয় আচৰণ জাতীয় যুৱ শক্তিয়ে ৰাজহুৱা কৰাৰ পাছতে এসময়ত বৈশ্যই টোলগেটত ছিণ্ডিকেট চলাইছিল বুলি অভিযোগ উত্থাপন কৰিছে আম আদমি পাৰ্টি, অসমে। আপ অসমৰ ৰাজ্যিক মিডিয়া সমন্বয়ক জয়ন্ত কুমাৰ কলিতাই এক বিবৃতিত অপৰাধমুক্ত অসম গঢ়াৰ শ্ল'গান দিয়া চৰকাৰে অপৰাধীকেইজন শাসনাধিষ্ঠিত দলৰ হোৱাৰ বাবেই সমগ্ৰ ঘটনাক গাপ দিয়াৰ চেষ্টা কৰা হৈছে বুলি অভিযোগ কৰিছে। বিবৃতিত কলিতাই কয়, 'কেৱল এজনক গ্ৰেপ্তাৰ কৰিয়েই আৰক্ষীয়ে দায়িত্ব সামৰিলে। পূৰ্বতে প্ৰভাৱশালী নেতাৰ ঘনিষ্ঠ তথা টোলগেট ছিণ্ডিকেটকে ধৰি বিভিন্ন অপৰাধত জড়িত যুৱ মৰ্চাৰ সাধাৰণ সম্পাদক বৈশ্যক ৰক্ষণাবেক্ষণ দি ৰখা হৈছে।' উল্লেখ্য যে এই অপহৰণত জড়িত আটাইকেইজনক শীঘ্ৰে গ্ৰেপ্তাৰ কৰিবলৈ আপে দাবী জনায়। লগতে সমগ্ৰ ঘটনাৰ নিৰপেক্ষ তদন্ত কৰিবলৈ গৃহ বিভাগক আহ্বান জনায়।

ৰাজনৈতিক ষড়যন্ত্ৰ আখ্যা দি মূৰ পোলোকা দিয়াৰ অপচেষ্টা

ইফালে, কয়লা ব্যৱসায়ীৰ অপহৰণত জড়িত বুলি ফাদিল হোৱাৰ পাছতে যুৱ মৰ্চাৰ সাধাৰণ সম্পাদকৰ পদৰ পৰা অব্যাহতি লোৱা বুলি সদৰী কৰি হিমাংশু শেখৰ বৈশ্যই আজি কয়, 'কালি সংবাদ মাধ্যমত নাম ওলোৱাৰ পাছতে মই পদৰ পৰা অব্যাহতি লৈছো। এয়া এক ৰাজনৈতিক ষড়যন্ত্ৰ। মোৰ নাম আহিছে কেৱল সংবাদমাধ্যমত, এজাহাৰত মোৰ নাম উল্লেখ নাই। যিয়ে অভিযোগ দিছে মই তেওঁক চিনি নাপাও। যিজন ল'ৰা, যাৰ লগত এই ব্যৱসায় হৈছিল আমাৰ যুৱ মৰ্চাৰ ল'ৰা, তেওঁক মই চিনি পাইছিলো। এয়া ৰাজনৈতিক ষড়যন্ত্ৰৰ বাহিৰে একো নাই, কাৰণ বাতৰি ওলাইছে মই পলাতক। পলাতক কেতিয়া হ'ম, মোৰ বিৰুদ্ধে যদি কোনোবাই গোচৰ দিলেহে মই পলাতক হ'ম! বিভিন্ন দল-সংগঠনে মোৰ বিৰুদ্ধে ক'বই, কাৰণ মোক তল পেলোৱা মানে তেওঁলোক দলৰ আগত যোৱা।' লক্ষ্যণীয়ভাৱে সংবাদ মাধ্যমৰ আগতে যুৱ মৰ্চাৰ সদস্যই কয়লা ছিণ্ডিকেট চলাই থকাৰ কথা স্বীকাৰ কৰি বৈশ্যই পুনৰ কয়, 'ৰাহুল নামৰ আমাৰ যিজন ল'ৰা, তেওঁৰ লগত মই কথা পাতিছিলো। তেওঁ কৈছে যে কয়লাৰ যি কথা আছিল, তাক লৈ ইতিমধ্যে বুজাবুজি হৈছে। ৰাহুলক মই এই কাৰণে সুধিলো যে তেওঁৰ লগত মোক জড়িত কৰা হৈছে। ৰাহুলে কৈছে তেওঁলোকৰ লগত চুক্তি আছে, যেতিয়া খেলিমেলি হ'ল এটা বুজাবুজিৰ প্ৰক্ৰিয়ালৈ আহিছো আৰু টকা দিয়াৰ কথা কৈছে। তেওঁলোকে ৮৩ লাখ পাবলগীয়া আছে বুলি কৈছে। এমাহৰ ভিতৰত টকাখিনি দিব বুলি তেওঁলোকে বুজাবুজি কৰিছে। কথাখিনি সেইখিনিয়ে।'

দৈনিক অগ্ৰদূত
গুৱাহাটী, ১৭ অক্টোবৰ, ২০২২ সোমবাৰ পৃষ্ঠা তিনি

আমি ৰাষ্ট্ৰীয়তাবাদী হ'লেও অসমত কঠোৰ জাতীয়তাবাদীও লাগে ঃ মন্ত্ৰী বৰুৱা

বিপুল জনসমাগমেৰে মঙলদৈ গ্ৰন্থমেলাৰ সামৰণি

বিশেষ সংবাদদাতা

মঙলদৈ, ১৬ অক্টোবৰ ঃ 'গ্ৰন্থমেলাৰ মহত্ব আৰু গুৰুত্ব সদায়ে আছে। আহোম ৰাজত্ব, কোচ ৰাজত্বৰ প্ৰকৃত ইতিহাস ধৰি ৰখা উপযুক্ত গ্ৰন্থ আমাৰ হাতত নাই। সেয়ে সঠিক ইতিহাস ধৰি ৰাখিবলৈ আমাক গ্ৰন্থৰ প্ৰয়োজন আৰু গ্ৰন্থৰ প্ৰতি যুৱ-শক্তি তথা নতুন প্ৰজন্মক আকৃষ্ট কৰিবলৈ *ছয় পৃষ্ঠাত চাওক*

বঙাইগাঁৱত ডিজিটেল বেংকিং ইউনিট উদ্বোধন কেন্দ্ৰীয় মন্ত্ৰীৰ

আমি সুস্থ হৈ থাকিব লাগিব ঃ সোণোৱাল

'হৰ দিন হৰ ঘৰ আয়ুৰ্বেদ' সভাতো অংশগ্ৰহণ

অগ্ৰদূত ব্যুৰ'

বঙাইগাঁও, ১৬ অক্টোবৰ ঃ কেন্দ্ৰীয় বন্দৰ, জাহাজ আৰু জলপথ তথা আয়ুস বিভাগৰ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি বঙাইগাঁও চহৰৰ উত্তৰ বঙাইগাঁৱৰ চাপাগুৰি পথত পঞ্জাব নেছনেল বেংকৰ এটি ডিজিটেল বেংকিং ইউনিট উদ্বোধন কৰে। স্বাধীনতাৰ ৭৫ বছৰ সম্পূৰ্ণ হোৱা উপলক্ষে দেশজুৰি উদ্‌যাপিত স্বাধীনতাৰ অমৃত মহোৎসৱৰ লগত সংগতি ৰাখি ভাৰতৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি কেন্দ্ৰীয়ভাৱে দেশৰ ৭৫ খন জিলাত ৭৫ টা ডিজিটেল বেংকিং ইউনিটৰ বুটাম টিপি উদ্বোধন কৰাৰ পাছতেই বঙাইগাঁও চহৰস্থিত চাপাগুৰি পথত পঞ্জাব নেছনেল বেংকৰ ডিজিটেল ইউনিটটি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে উদ্বোধন কৰে। উল্লেখ্য যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দেশৰ বিভিন্ন খণ্ডত ডিজিটেলাইজেছনত গুৰুত্ব আৰোপ কৰি আহিছে। বিশেষকৈ বিত্ত খণ্ডত দেশখনৰ চুকে-কোণে ডিজিটেল বেংকিং ব্যৱস্থা উপলব্ধ কৰি লেন-দেন সহজ কৰি তুলিবলৈ প্ৰচেষ্টা অব্যাহত ৰাখিছে। আজি বঙাইগাঁও চহৰত ডিজিটেল বেংকিং ইউনিটটি উদ্বোধন কৰি মন্ত্ৰী সৰ্বানন্দ সোণোৱালে কয় যে প্ৰধানমন্ত্ৰীগৰাকীৰ সদিচ্ছাৰ বাবেই বঙাইগাঁও জিলাক ৭৫ খন জিলাৰ ভিতৰত সামৰি লৈছে য'ত আজি ডিজিটেল বেংকিং ইউনিটটি উদ্বোধন কৰা হৈছে। তেওঁ প্ৰধানমন্ত্ৰীগৰাকীক ইয়াৰ বাবে আন্তৰিক ধন্যবাদ জ্ঞাপন কৰে। বঙাইগাঁও জিলা প্ৰশাসনকো তেওঁ আজিৰ অনুষ্ঠানত আগবঢ়োৱা সহযোগিতাৰ বাবে আন্তৰিক ধন্যবাদ জ্ঞাপন কৰে। আজিৰ এই অনুষ্ঠানত বঙাইগাঁও বিধানসভা সমষ্টিৰ বিধায়ক ফণীভূষণ চৌধুৰী জিলা উপায়ুক্ত নৱদ্বীপ পাঠক, অগ্ৰণী বেংক মেনেজাৰ হেমতসিং ইছলাৰী *ছয় পৃষ্ঠাত চাওক*

শালবাৰীত ইউপিপিএলৰ বিশাল যোগদান সমাৰোহ

দুই সহস্ৰাধিকৰ ইউপিপিএলত যোগদান

অগ্ৰদূত বাৰ্তা

শালবাৰী, ১৬ অক্টোবৰ ঃ বিপিএফ চৰকাৰৰ ১৭ বছৰীয়া শাসন কালত বিটিচিত বিপিএফ দলৰ নেতা-কৰ্মীয়ে চৰকাৰী আঁচনিৰ ধন ভগাই লৈছিল। সৰ্বসাধাৰণ ৰাইজে সকলো ধৰণৰ সা-সুবিধাৰ পৰা বঞ্চিত হৈ আছিল। কিন্তু প্ৰমোদ বড়োৰ নেতৃত্বাধীন বিটিআৰ চৰকাৰ গঠন হোৱাৰ দিনৰে পৰা চৰকাৰখনে বিটিচিৰ সকলো জাতি-জনগোষ্ঠীৰ বাবে কাম কৰা অব্যাহত ৰাখিছে। ৰাইজৰ বাবে আবণ্টিত আঁচনি ৰাইজে ভোগ কৰিছে। বিটিচিত এতিয়া চৰকাৰ আৰু ৰাইজৰ সু-সম্পৰ্ক গঢ়ি উঠিছে। বিপিএফ চৰকাৰে বিশৃংখল কৰি যোৱা বিটিচিত পুনৰ নিৰ্মাণ কাৰ্য *ছয় পৃষ্ঠাত চাওক*

ছয়গাঁৱত ৰেলে মহটিয়াই নিলে এজন লোকক

ছয়গাঁও, ১৬ অক্টোবৰ ঃ দক্ষিণ কামৰূপৰ কুকুৰমাৰাত আজি সন্ধিয়া ৬-৩০ বজাত ৰেলে মহটিয়াই নিলে এজন লোকক। খাৰাভাংগা-আমতলা গড়কাপ্তানী পথৰ ওপৰত থকা কামাখ্যা-যোগীঘোপা ব্ৰডগজ ৰেলপথত সংঘটিত হয় এই দুৰ্ঘটনা। দুৰ্ঘটনাত নিহত লোকজনক পলাশবাৰী সমষ্টিৰ সৰু তেজপুৰৰ ভূপেন কলিতা (৫০) বুলি চিনাক্ত কৰা হৈছে। ঘটনাৰ খবৰ পোৱা মাত্ৰকে কুকুৰমাৰা আৰক্ষী থানাৰ আৰক্ষী বিষয়া বলেন কলিতাই সহযোগী আক্কাশ আলীৰ লগত ঘটনাস্থলীত উপস্থিত হৈ খণ্ড-বিখণ্ড হৈ থকা হাত, ভৰি, মূৰ আদি বিচাৰি ছয়গাঁও আৰক্ষী থানাৰ শৱ গৃহলৈ আনে। লোকজনৰ মৃত্যুৰ কাৰণ এতিয়ালৈকে জানিব পৰা হোৱা নাই। উজনিমুৱা মালবাহী ৰেলে লোকজনক মহটিয়াই নিয়া বুলি স্থানীয় লোকে জনাইছে।

লাওখোৱাত মহিলাৰ মৃতদেহক লৈ চাঞ্চল্য

বিশেষ সংবাদদাতা

নগাঁও, ১৬ অক্টোবৰ ঃ নগাঁৱৰ বুঢ়াচাপৰি বন্যপ্ৰাণী অভয়াৰণ্য অঞ্চলত এগৰাকী মহিলাৰ মৃতদেহ উদ্ধাৰক কেন্দ্ৰ কৰি চাঞ্চল্যৰ সৃষ্টি হয়। উদ্ধাৰ হোৱা মৃতদেহটো লাওখোৱাৰ ছয় নম্বৰ ভগামুখৰ ৬০ উৰ্দ্ধৰ বিশেষভাৱে সক্ষম হাচিনা বানু বুলি চিনাক্ত কৰা হৈছে। প্ৰাপ্ত তথ্য অনুসৰি, অভয়াৰণ্যখনত প্ৰৱেশ কৰাত মহিলাগৰাকী বন্যহস্তীৰ আক্ৰমণত মৃত্যু হোৱাৰ সন্দেহ কৰা হৈছে। কালি পুৱাৰ ভাগৰ পৰা সন্ধানহীন হৈ থকা মহিলাগৰাকীক বিচাৰি যথেষ্ট অনুসন্ধান কৰিও পৰিয়ালৰ লোকে সম্ভেদ পোৱা নাছিল। তাৰ পাছতে আজি পুৱা অভয়াৰণ্যখনৰ অঞ্চলত উদ্ধাৰ হয় মহিলাগৰাকীৰ মৃতদেহটো।

শালবাৰীত যুৱকৰ ৰহস্যজনক মৃত্যু

বন্ধুৰ স'তে শুই থকা অৱস্থাতে মৃত্যু ঃ বন্ধু পলাতক

অগ্ৰদূত বাৰ্তা

শালবাৰী, ১৬ অক্টোবৰ ঃ বাগ্‌সাৰ শালবাৰীত এজন যুৱকৰ ৰহস্যজনক মৃত্যুৰ ঘটনাই বৃহত্তৰ অঞ্চলত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। মৃত যুৱকজন শালবাৰীৰ বৈষ্ণৱপাৰা পকালাগিৰ ভবেন বড়ো (২০) বুলি পৰিয়ালৰ সূত্ৰই জনাইছে। প্ৰাপ্ত খবৰ মতে, যোৱা ১৪ অক্টোবৰৰ নিশা শালবাৰী বজাৰ আৰু বড়ো বজাৰত ভবেনে লক্ষ্মী পূজা চাবলৈ গৈছিল দুই বন্ধু খনিন বড়ো আৰু চাইনিজ বড়োৰ স'তে। পূজা সামৰি চাইনিজে বৈষ্ণৱ পাৰা পকালাগিৰ নিজ ঘৰলৈ যায় যদিও ভবেনে নিশা খনিনৰ বজালীৰ ভোগপুৰ ৰিহাবাৰীস্থিত বাসগৃহত শুবলৈ যায় আৰু পুৱা ভবেনক অচেতন অৱস্থাত প্ৰত্যক্ষ কৰা হয়। খনিনৰ পৰিয়ালৰ লোকে ভবেনৰ অচেতন অৱস্থাৰ কথা *ছয় পৃষ্ঠাত চাওক*

শিশু-কিশোৰৰ ৰং-তুলিকাৰে ৰঙীন তেজপুৰ

সংকল্প অসমৰ চিত্ৰাংকন প্ৰতিযোগিতাত ডেৰশতাধিক প্ৰতিযোগীৰ অংশগ্ৰহণ

ষ্টাফ ৰিপ'ৰ্টাৰ

তেজপুৰ, ১৬ অক্টোবৰ ঃ সংকল্প অসম শোণিতপুৰ জিলা সমিতি আৰু তেজপুৰ সমষ্টি সমিতিৰ উদ্যোগত জিলা সংগ্ৰহালয়ত, তেজপুৰ প্ৰাংগণত অনুষ্ঠিত কৰা চিত্ৰাংকন প্ৰতিযোগিতাখন সুকলমে সম্পন্ন হৈ যায়। তলাবন্ধৰ সময়ছোৱাৰ পাছত প্ৰায় ডেৰশতাধিকৰো অধিক ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰা এই চিত্ৰাংকন প্ৰতিযোগিতাত বিচাৰকৰূপে উপস্থিত থাকে ৰাষ্ট্ৰীয় বঁটাপ্ৰাপক চিত্ৰশিল্পী ৰাতুমণি দাস আৰু চিত্ৰ শিল্পী নৱনীতা শৰ্মা। লগতে সংকল্প অসম পৰিকল্পনা সমিতিৰ সচিব হেমন্ত কিশোৰ পাঠক, কেন্দ্ৰীয় সমিতিৰ উপদেষ্টা ভূৱন গোস্বামী, সভাপতি হিমাংশু ডেকা, সম্পাদক জয় বৰা, সহকাৰী সম্পাদক ধ্ৰুৱজ্যোতি বৰুৱা, সাংগঠনিক সম্পাদক পবিত্ৰ বৰা, শোণিতপুৰ জিলা সমিতিৰ *ছয় পৃষ্ঠাত চাওক*

ধুবুৰী আৰক্ষীৰ ড্ৰাগছ বিৰোধী অভিযানত আটক দুই

ধুবুৰী, ১৬ অক্টোবৰ ঃ ৰাজ্যত ড্ৰাগছ বিৰোধী অভিযান অব্যাহত থকাৰ সময়তে পুনৰ ধুবুৰী আৰক্ষীয়ে ড্ৰাগছৰ বিৰুদ্ধে অভিযান চলাই জব্দ কৰে বৃহৎ পৰিমাণৰ নিচা জাতীয় কফছিৰাপ আৰু টেবলেট। অভিযানত আটক কৰা হয় এগৰাকী মহিলাসহ এজন যুৱক। দুয়ো সম্পৰ্কত ভাই-ভনী। উল্লেখ্য যে দীৰ্ঘদিন ধৰি ধুবুৰী চহৰৰ ১০ নম্বৰ ৱাৰ্ডস্থিত আফতাব উদ্দিন লেনৰ বাসিন্দা আছিফ নামৰ যুৱকজনে নিচা জাতীয় ড্ৰাগছৰ ৰমৰমীয়া বেহা চলাই গৈছে। তেনে সময়তে ধুবুৰী সদৰ আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া হিৰেন কুমাৰ ডেকাৰ নেতৃত্বত আৰক্ষীৰ এটা দলে ড্ৰাগছ ব্যৱসায়ী আছিফৰ বাসগৃহত *ছয় পৃষ্ঠাত চাওক*

শ্ৰেণীবন্ধু-৭৬ৰ পিতৃ-মাতৃক অৱহেলা কৰাৰ সমান ডাঙৰ পাপ একো নাই

নগাঁৱত বৃদ্ধ পিতৃ-মাতৃক ৰাজহুৱাকৈ সম্বৰ্ধনা

বিশেষ সংবাদদাতা

নগাঁও, ১৬ অক্টোবৰ ঃ আমাৰ সমাজত একাংশ বৃদ্ধ পিতৃ-মাতৃয়ে সন্তানৰ বঞ্চনা আৰু অৱহেলাৰ সন্মুখীন হৈ অহাৰ মাজতে আজি নগাঁও চৰকাৰী উচ্চতৰ মাধ্যমিক বালক বিদ্যালয়ৰ ১৯৭৬ বৰ্ষৰ মেট্ৰিক পৰীক্ষা উত্তীৰ্ণ প্ৰাক্তন ছাত্ৰ গোট শ্ৰেণীবন্ধু-৭৬ৰ সদস্যসকলে তেওঁলোকৰ জীৱিত পিতৃ-মাতৃক ৰাজহুৱাকৈ সন্মান আৰু সম্বৰ্ধনা জ্ঞাপনেৰে এক দৃষ্টান্ত দাঙি ধৰিছে। নগাঁও চহৰৰ আমোলাপট্টিস্থিত নগাঁও নাট্য মন্দিৰৰ প্ৰেক্ষাগৃহত আজি নগাঁও চৰকাৰী উচ্চতৰ মাধ্যমিক বালক বিদ্যালয়ৰ শ্ৰেণীবন্ধু-৭৬ৰ সৌজন্যত হেৰাই যোৱা বন্ধুসকলৰ স্মৃতিত স্মৃতি তৰ্পণ আৰু শ্ৰেণীবন্ধুসকলৰ পিতৃ-মাতৃক সম্বৰ্ধনা অনুষ্ঠান অনুষ্ঠিত হয়। উক্ত অনুষ্ঠানত শ্ৰেণীবন্ধু-৭৬ৰ সদস্যসকলৰ পিতৃ-মাতৃক গামোচা, চেলেং আৰু সম্বৰ্ধনাপত্ৰৰে সম্বৰ্ধনা জ্ঞাপন কৰা হয়। কুৰিগৰাকীতকৈ অধিক শ্ৰেণীবন্ধু-৭৬ৰ বৃদ্ধ *ছয় পৃষ্ঠাত চাওক*

তৰুণ অসম সংঘৰ 'অসমৰ মাতৃভাষা মাধ্যমৰ বিদ্যালয়সমূহৰ সমস্যা আৰু সমাধান' শীৰ্ষক গুৰুত্বপূৰ্ণ আলোচনাচক্ৰ

প্ৰাথমিক শিক্ষা মাতৃভাষা মাধ্যমৰ বিৰুদ্ধে চৰকাৰৰ সিদ্ধান্তক নস্যাৎ কৰিলে বিশিষ্ট বুদ্ধিজীৱীয়ে

ষ্টাফ ৰিপ'ৰ্টাৰ

তেজপুৰ, ১৬ অক্টোবৰ ঃ অসমত ৰাজ্য চৰকাৰখনে পৰিকল্পিতভাৱে মাতৃভাষা মাধ্যমৰ বিদ্যালয়সমূহক গুৰুত্বহীন কৰি ইংৰাজী মাধ্যমৰ বিদ্যালয়ৰ প্ৰতি অধিক আগ্ৰহী হৈ পৰাৰ ক্ষেত্ৰত বহুতে ৰহস্যৰ উমান পোৱাৰ এক বিস্ফোৰক তথ্য আজি তেজপুৰত সদৰী কৰে ৰাজ্যখনৰ বিশিষ্ট বিজ্ঞান লেখক, কটন মহাবিদ্যালয়ৰ এসময়ৰ অধ্যাপক তথা যোৰহাটৰ আঞ্চলিক গৱেষণা গাৰৰ প্ৰাক্তন সঞ্চালক ড° দিনেশ চন্দ্ৰ গোস্বামীয়ে। উল্লেখ্য যে ১৯৩০ তে তেজপুৰত গঢ়লৈ উঠা সামাজিক-সংস্কৃতিক আৰু ক্ৰীড়া অনুষ্ঠান 'তৰুণ অসম সংঘ'ই শেহতীয়াকৈ ৰাজ্য চৰকাৰে কেবিনেটত গ্ৰহণ কৰা তৃতীয়ৰ পৰা অষ্টম শ্ৰেণীলৈকে গণিত আৰু বিজ্ঞান বিষয়টো ইংৰাজী মাধ্যমত পঢ়োৱাৰ ব্যৱস্থাৰ বিৰুদ্ধে ৰাজ্যজুৰি বিদ্বৎ সমাজে বিৰোধিতা কৰাৰ পাছত এই গুৰুত্বপূৰ্ণ বিষয়টোৰ উহ উদ্‌ঘাটনৰ বাবেই আজি আয়োজন কৰে 'অসমৰ মাতৃভাষা মাধ্যমৰ বিদ্যালয়সমূহৰ সমস্যা *ছয় পৃষ্ঠাত চাওক*

ডিব্ৰুগড়ৰ মাইজানত ব্ৰহ্মপুত্ৰৰ খহনীয়া পৰিদৰ্শন লুৰীণজ্যোতি গগৈৰ।

নগাঁও ছোৱালী মহাবিদ্যালয়ত ৰাষ্ট্ৰীয় পৰ্যায়ৰ দুদিনীয়া আলোচনাচক্ৰৰ সফল সমাপ্তি

বিশেষ সংবাদদাতা

নগাঁও, ১৬ অক্টোবৰ ঃ নগাঁও ছোৱালী মহাবিদ্যালয়ৰ ভূগোল বিজ্ঞান বিভাগে মহাবিদ্যালয়খনৰ আভ্যন্তৰীণ মান নিৰ্ণায়ক কোষ আৰু গৱেষণা কোষৰ সহযোগত ১৪ আৰু ১৫ অক্টোবৰত দুদিনীয়াকৈ 'পৰিৱেশ, জীৱিকা আৰু আত্মনিৰ্ভৰশীলতা' শীৰ্ষক এক ৰাষ্ট্ৰীয় পৰ্যায়ৰ আলোচনাচক্ৰ অনুষ্ঠিত কৰে। উল্লেখ্য যে উক্ত আলোচনাচক্ৰখন অনুষ্ঠিত কৰাত ভাৰতীয় সমাজ বিজ্ঞান গৱেষণা সংসদে পৃষ্ঠপোষকতা কৰে। কলেজখনৰ অধ্যক্ষ ড° বলীন কুমাৰ ভূঞাৰ আদৰণি ভাষণেৰে আৰম্ভ হোৱা উদ্বোধনী সভাৰ আঁত ধৰে সমন্বয়ক ড° নাজনিন আখতাৰে। উত্তৰ-পূব পাৰ্বত্য বিশ্ববিদ্যালয়ৰ ভূগোল বিজ্ঞান বিভাগৰ প্ৰাক্তন মুৰব্বী অধ্যাপক ড° বিজয় সিং মিপুনে তেওঁৰ উদ্বোধনী বক্তব্যত কয় যে পৰিৱেশীয় সমস্যাবোৰ প্ৰযুক্তিৰ অবিহনে অনুধাৱন কৰাটো অসম্ভৱ। সভাৰ নিৰ্দিষ্ট বক্তা তথা গুৱাহাটী ভূগোল বিজ্ঞান বিভাগৰ মুৰব্বী অধ্যাপক ড° ধ্ৰুৱজ্যোতি চহৰীয়াই জলাশয়বোৰৰ দায়িত্ব অতি শীঘ্ৰে বন বিভাগক অৰ্পণ কৰাৰ পোষকতা কৰে। *ছয় পৃষ্ঠাত চাওক*

টংলাৰ শিক্ষক দিজু কুমাৰ শৰ্মাৰ মৃত্যুত শোক

অগ্ৰদূত বাৰ্তা

টংলা, ১৬ অক্টোবৰ ঃ ওদালগুৰি জিলাৰ শৈক্ষিক নগৰী টংলাস্থিত জাতীয় বিদ্যালয় অসম, টংলাৰ সৰবৰহী সহকাৰী শিক্ষক, ওদালগুৰি জিলা জাতীয় বিদ্যালয় সমন্বয়ৰক্ষী সমিতিৰ সক্ৰিয় সদস্য তথা টংলা নগৰৰ চাৰি নম্বৰ খণ্ডৰ যোৰপুখুৰী নিবাসী দিজু কুমাৰ শৰ্মাৰ আজি পুৱা ৮.১৫ বজাত ৫২ বছৰ বয়সত গুৱাহাটীৰ এখন ব্যক্তিগত চিকিৎসালয়ত চিকিৎসাধীন *ছয় পৃষ্ঠাত চাওক*

মৰাণ আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়াক চাকৰিৰ পৰা নিলম্বন

অগ্ৰদূত বাৰ্তা

মৰাণ, ১৬ অক্টোবৰ ঃ আৰক্ষীৰ খাকী পোছাকত দাগ লগোৱা ডিব্ৰুগড় জিলাৰ মৰাণ আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া বিজয় দৈমাৰী আৰু এছআই ভৰেন দত্তক আজি ডিব্ৰুগড় জিলা আৰক্ষী অধীক্ষকে চাকৰিৰ পৰা নিলম্বিত কৰা কাৰ্যত ৰাইজে সন্তোষ প্ৰকাশ কৰে। উল্লেখ্য যে যোৱা সাত অক্টোবৰৰ নিশা থানাৰ ভিতৰত হিন্দী চিনেমাৰ কায়দাৰে মৰাণ আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া বিজয় দৈমাৰী *ছয় পৃষ্ঠাত চাওক*

অবড়োসকলৰ ওচৰত ক্ষমা খোজাৰ দাবী সংগঠনসমূহৰ সমন্বয়ৰক্ষী সমিতিৰ

টংলাত পৃথ্বীৰাজ নাৰায়ণ দেৱৰ মেছৰ প্ৰতিকৃতি দাহ আছুৰ

অগ্ৰদূত বাৰ্তা

টংলা/কাজলগাঁও ১৬ অক্টোবৰ ঃ ওদালগুৰিত অনুষ্ঠিত এনএলএফবিৰ দ্বিতীয় বাৰ্ষিক প্ৰতিষ্ঠা দিৱসত পৃথ্বীৰাজ নাৰায়ণ দেৱ মেছে ভাষণ প্ৰসংগত বিটিআৰ অঞ্চলত বাস কৰা অজনজাতি লোকসকল জনজাতিসকলৰ তলত গোলামি কৰিব লাগিব, ট্ৰাইবেল বেল্ট এণ্ড ব্লকত অজনজাতীয় লোকে ভাড়াতীয়াৰ দৰে থাকিব লাগিব বুলি কৰা মন্তব্যৰ প্ৰতিবাদত আজি জিলাখনৰ টংলা চহৰৰ চাৰিআলিত টংলা আঞ্চলিক ছাত্ৰ সন্থাই অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদ আৰু আক্ৰাছু জিলা সমিতিৰ সহযোগত বিতৰ্কিত নেতা মেছৰ প্ৰতিকৃতি দাহ কৰি প্ৰতিবাদী শ্ল'গানেৰে উক্ত সমাজ বিৰোধী মন্তব্যৰ তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰে। প্ৰতিবাদী ছাত্ৰ নেতা আৰু কৰ্মীসকলে প্ৰতিকৃতি দাহ কৰি সকলো জাতি-জনগোষ্ঠীৰ শান্তিৰ মিলনভূমিত মেছক এনে সমাজ বিৰোধী, সাম্প্ৰদায়িক ৰাজনীতিৰ মন্তব্য কৰাৰ পৰা ভৱিষ্যতে বিৰত থাকিবলৈ উক্ত প্ৰতিবাদী *ছয় পৃষ্ঠাত চাওক*

হোজাইত ছাত্ৰী জিৰণিচ'ৰাৰ কোঠা নিৰ্মাণত অনিয়মৰ অভিযোগ

অগ্ৰদূত বাৰ্তা

হোজাই, ১৬ অক্টোবৰ ঃ হোজাইৰ যমুনামুখ সমষ্টিৰ বিধায়ক পুঁজিৰ দ্বাৰা মোৰাঝাৰ কলেজৰ ছাত্ৰী জিৰণি কোঠা নিৰ্মাণ কৰা হৈছিল। এই আঁচনি ৰূপায়ণত কেলেংকাৰিৰ অভিযোগ উঠিছিল। সমান্তৰালভাৱে আধাৰশিলা স্থাপন কৰা ফলকখনতো ভুলকৈ লিখাৰ বাবে সামাজিক মাধ্যমত তীব্ৰ জোকাৰণিৰ সৃষ্টি হৈছিল। ফলত বিধায়কৰ ফালৰ পৰা সেইদিনাই বানান শুদ্ধ কৰিবলৈ বাধ্য হৈছিল। কিন্তু বিধায়ক চিৰাজুদ্দিন আজমল অধিক সময় বাহিৰত থকাৰ সুযোগতে তেওঁৰ কাম কাজ পৰিচালনাৰ দায়িত্বত থকা সকলে সময়ে সময়ে অনিয়ম আৰু দুৰ্নীতি কৰাৰ অভিযোগ উত্থাপন হৈ আহিছিল যদিও বিধায়কে এই অভিযোগত গুৰুত্ব প্ৰদান কৰা নাছিল। অভিযোগ অনুসৰি, মোৰাঝাৰৰ ৰাইজৰ ৰোষত পৰাৰ ভয়ত দিনৰ কাৰ্যসূচী বাতিল কৰি নিশাৰ ভাগত ছাত্ৰী জিৰণি কোঠা উদ্বোধন কৰিবলৈ আহিল যমুনামুখৰ বিধায়ক আজমল। উল্লেখযোগ্য যে আজি দিনৰ ভাগত মোৰাঝাৰ কলেজৰ ছাত্ৰী জিৰণি কোঠা উদ্বোধন *ছয় পৃষ্ঠাত চাওক*

ছয়গাঁও ঔদ্যোগিক বিকাশ কেন্দ্ৰই নিদ্ৰা হৰণ কৰিছে স্থানীয় লোকৰ

অনৈতিক কাৰ্যৰে ভৰি পৰিছে বৃহত্তৰ বিকাশ কেন্দ্ৰ অঞ্চল

অগ্ৰদূত বাৰ্তা

বকো, ১৬ অক্টোবৰ ঃ কামৰূপ জিলাৰ ছাটাবাৰীত ছয়গাঁও ঔদ্যোগিক বিকাশ কেন্দ্ৰৰ চৌহদৰ সমীপত থকা ছাটাবাৰী ৰাজহুৱা শ্মশানত গৰু কটা ঘটনাক কেন্দ্ৰ কৰি তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। পথ দুৰ্ঘটনাত মৃত গৰু এটা কালি ছাটাবাৰী ৰাজহুৱা শ্মশানত কোনো লোকে পেলাই থৈ যায়। ইয়াৰ পাছতে ছয়গাঁও ঔদ্যোগিক বিকাশ কেন্দ্ৰত কৰ্মৰত পাঁচজন গাৰো সম্প্ৰদায়ৰ কৰ্মচাৰীয়ে শ্মশানতে মৃত গৰুটো কাটি মাংস ভগাই লয়। শ্মশানত মৃত গৰু পেলাই থোৱা সন্দৰ্ভত কোনো লোকে অৱগত কৰিছিল গাৰো সম্প্ৰদায়ৰ লোক কেইজনক। বিকাশ কেন্দ্ৰৰ সমীপত ঘৰ ভাড়া কৰি থকা গাৰো লোক কেইজনে শ্মশানত মৃত গৰুটো কাটি থকা অৱস্থাত স্থানীয় যুৱক এজনে প্ৰত্যক্ষ কৰি গাঁওবাসীক অৱগত কৰে। গাঁওবাসী উপস্থিত হৈ লোক কেইজনক সোধ-পোছ কৰাত তেওঁলোকে মাংস ভগাই লোৱাৰ কথা স্বীকাৰ কৰে। শ্মশানত মৃত গৰু পেলাই থোৱা কথা অৱগত কৰা লোকজন গাৰো লোক কেইজনৰ অচিনাকি বুলিও কয়। হিন্দু সম্প্ৰদায়ৰ লোকে বসবাস কৰা বৃহত্তৰ অঞ্চলটোত ৰাজহুৱা শ্মশানত এনেদৰে গৰু কটা কাৰ্যই তীব্ৰ অসন্তুষ্টিৰ সৃষ্টি কৰিছে। পবিত্ৰ স্থান এডোখৰ এনেদৰে অপবিত্ৰ কৰা কাৰ্যই ক্ষোভিত কৰি তুলিছে স্থানীয় গাঁওবাসীক। ক্ষোভিত গঞাৰ অভিযোগ যে ছয়গাঁও ঔদ্যোগিক বিকাশ কেন্দ্ৰই এফালে নিবনুৱা সমস্যা সমাধান *ছয় পৃষ্ঠাত চাওক*

কনিকা ৰেষ্টুৰেণ্টৰ স্বত্বাধিকাৰী, ব্যৱসায়ী ব্ৰজনাথ ৰয়ৰ মৃত্যু

অগ্ৰদূত বাৰ্তা

পাটাছাৰকুছি, ১৬ অক্টোবৰ ঃ পাটাছাৰকুছি নিজ সৰিহ-হাউলী চুবা নিবাসী ব্যৱসায়ী ব্ৰজ নাথ ৰয়ৰ আজি আবেলি পাঁচ বজাত পৰলোক প্ৰাপ্তি ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৭৭ বছৰ। পাটাছাৰকুছি বজাৰত দীৰ্ঘদিন ধৰি কনিকা ৰেষ্টুৰেণ্ট নামেৰে সৰু চাহ দোকান দি গ্ৰাহকক উৎকৃষ্ট চাহ চিংৰা যোগান ধৰি বিশেষভাৱে জনপ্ৰিয়তা লাভ কৰা ব্ৰজনাথ ৰয় পাটাছাৰকুছিত ব্ৰজ কা বুলি জনাজাত আছিল। মৃত্যুৰ সময়ত পত্নী, তিনি পুত্ৰ-বোৱাৰী, এগৰাকী কন্যা আৰু জোঁৱাই সহিতে অনেক গুণমুগ্ধক ইহ সংসাৰত এৰি থৈ যায়। ব্ৰজনাথ ৰয়ে এজন ভাল ফুটবল খেলুৱৈৰ লগতে এছ এছ বিটো কাম কৰিছিল। দীৰ্ঘদিন ধৰি তেওঁ দুৰাৰোগ্য ৰোগত ভুগি আছিল। আজি ৰয়ৰ মৃত্যুৰ বাতৰি বিয়পি পৰাৰ লগে লগে সমগ্ৰ অঞ্চলটোত শোকৰ ছাঁ পৰে।

গণতান্ত্ৰিক আন্দোলনৰ ৬৬ গৰাকী ছহিদক স্মৰণ

নলবাৰীত কৃষক সভাৰ পদক্ষেপ

অগ্ৰদূত বাৰ্তা

নলবাৰী, ১৬ অক্টোবৰ ঃ 'কৃষি আৰু কৃষকক ৰক্ষা কৰক, দেশ ৰক্ষা কৰক' আহ্বানৰ ভিত্তিত অহা ২৯, ৩০, ৩১ অক্টোবৰত নলবাৰীত হ'বলগীয়া অসম ৰাজ্যিক কৃষক সভাৰ ২৫ সংখ্যক অসম ৰাজ্যিক সন্মিলনৰ প্ৰাৰম্ভিক কাৰ্যসূচীৰূপে আজি বিয়লি আদৰণি সমিতিয়ে জিলাখনৰ কাৰ্যালয়ত এক কাৰ্যসূচী ৰূপায়ণ কৰে। নলবাৰী জিলাত কৃষক সংগ্ৰামৰ লগত সংপৃক্ত তথা সাম্প্ৰদায়িক, উগ্ৰবাদী সংকীৰ্ণতাৰ ধুমুহাত প্ৰাণ বিসৰ্জন দিয়া আপোচবিহীন *ছয় পৃষ্ঠাত চাওক*

সাহিত্যৰথী ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱা বঁটা গ্ৰহণ কৰি ক'লে ইমৰান শ্বাহে

সাহিত্যৰথীৰ বিশাল সাহিত্য কৰ্মৰ প্ৰণালীবদ্ধ গৱেষণাৰ প্ৰয়োজন

বিশেষ সংবাদদাতা

শিৱসাগৰ, ১৬ অক্টোবৰ ঃ অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি ইমৰান শ্বাহক আজি বিয়লি তেওঁৰ নিজা বাসভৱনত সদৌ শিৱসাগৰ জিলা ছাত্ৰ সন্থাই প্ৰদান কৰে সাহিত্যৰথী ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱা বঁটা। শিৱসাগৰ জিলা ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক দিপাংকৰ শইকীয়াই আঁতধৰা এই অনুষ্ঠানত আদৰণি ভাষণ প্ৰদান কৰে শিৱসাগৰ জিলা ছাত্ৰ সন্থাৰ সভাপতি মানৱ হাজৰিকাই। সম্বৰ্ধনা পত্ৰ পাঠ কৰে আছুৰ কেন্দ্ৰীয় সহকাৰী সাধাৰণ সম্পাদক সমীৰন ফুকনে। এই বঁটা গ্ৰহণ কৰি অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি ইমৰান শ্বাহে কয় যে সাহিত্যৰথী লক্ষ্মীনাথ মোৰ জীৱনৰ *ছয় পৃষ্ঠাত চাওক*

দৈনিক
অগ্ৰদূত

গুৱাহাটী, সোমবাৰ ৩০ আহিন ১৪২৯ ভাস্কৰাব্দ ১৭ অক্টোবৰ ২০২২

চাইবাবাৰ মুক্তি

দিল্লী বিশ্ববিদ্যালয়ৰ অধ্যাপক জি এন চাইবাবাক সুদীৰ্ঘ আঠ বছৰ কাৰাবাসৰ পাছত বোম্বে উচ্চ ন্যায়ালয়ে নিৰ্দোষী বুলি ঘোষণা কৰি তেওঁক মুকলি কৰি দিয়া ৰায়ে দেশখনৰ গণতান্ত্ৰিক মহলত প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। অবৈধ কাৰ্যকলাপ (প্ৰতিৰোধ) আইন, সংক্ষেপে ইউএপিএ আইনৰ অধীনত চাইবাবাক নিষিদ্ধ কমিউনিষ্ট পাৰ্টি অৱ ইণ্ডিয়া (মাওবাদী)ৰ স'তে সম্পৰ্ক ৰখাৰ অভিযোগত গ্ৰেপ্তাৰ কৰা হৈছিল যোৱা ২০১৪ত।

বোম্বে উচ্চ ন্যায়ালয়ে চাইবাবাক নিৰ্দোষী বুলি ঘোষণা কৰি তেওঁক জেলৰ পৰা মুকলি কৰি দিবলৈ ৰায় দিয়াৰ পিছমুহূৰ্ততেই এইগৰাকী অধ্যাপকে যাতে কাৰাবাসৰ পৰা মুক্ত হ'ব নোৱাৰে তাৰ বাবে বোম্বে উচ্চ ন্যায়ালয়ৰ ৰায় কাৰ্যকৰীকৰণৰ ওপৰত স্থগিতাদেশ বিচাৰি কেন্দ্ৰীয় চৰকাৰ উচ্চতম ন্যায়ালয়ৰ কাষ চাপিছিল যদিও উচ্চতম ন্যায়ালয়ে স্থগিতাদেশ দিবলৈ অমান্তি হয়। বোম্বে উচ্চ ন্যায়ালয় আৰু উচ্চতম ন্যায়ালয়ৰ এই ৰায় দানে ইয়াকেই সূচাইছে যে চাইবাবাৰ বিৰুদ্ধে উত্থাপিত অভিযোগৰ ভিত্তি নাই। তদুপৰি ইউএপিএৰ অধীনত গ্ৰেপ্তাৰ কৰা সৰহভাগ লোকক আদালতে পাছলৈ নিৰ্দোষী ঘোষণা কৰি মুকলি কৰি দিয়া ঘটনাই এই আইনৰ কাৰ্যকাৰিতা তথা যথাৰ্থতাৰ ওপৰতে পুনৰ প্ৰশ্নৰ অৱতাৰণা কৰিছে বুলি ক'ব পাৰি।

উল্লেখনীয় যে দিল্লী বিশ্ববিদ্যালয়ৰ এইগৰাকী অধ্যাপক শাৰীৰিকভাৱে অক্ষম ব্যক্তি যি সৰুতে পলিঅ' ৰোগত আক্ৰান্ত হৈছিল। তদুপৰি তেওঁ হুইলচেয়াৰতহে চলাফুৰা কৰিবলৈ সক্ষম। এনে পৰিস্থিতিত এনে এগৰাকী ব্যক্তিয়ে কেনেদৰে সন্ত্ৰাসবাদীক সহায় কৰিব পাৰে অথবা দেশৰ নিৰাপত্তাৰ বাবে ভাবুকি হ'ব পাৰে সেয়া চিন্তনীয় বুলি ইতিমধ্যে বিভিন্ন মহলে মতপ্ৰকাশ কৰি আহিছে। অকল চাইবাবাকে নহয়, তেওঁৰ লগতে নক্সাল মাওবাদীক সহায় কৰাৰ অভিযোগত গ্ৰেপ্তাৰ কৰা আৰু পাঁচগৰাকী ব্যক্তিকো নিৰ্দোষী বুলি আদালতে ৰায় দিয়ে। শিশু অৱস্থাতে পলিঅ' ৰোগত আক্ৰান্ত হৈ শাৰীৰিকভাৱে অক্ষম হোৱাৰ পাছতো দশম শ্ৰেণীৰ পৰীক্ষাত চাইবাবাই জিলাৰ ভিতৰতেই প্ৰথম স্থান লাভ কৰিবলৈ সক্ষম হয়। তেওঁ হায়দৰাবাদ বিশ্ববিদ্যালয়ৰ পৰা এম এ ডিগ্ৰী গ্ৰহণৰ পাছত চেন্ট্ৰেল ইনষ্টিটিউট অৱ ইংলিছ এণ্ড ফৰেইন লেংগুৱেজত স্নাতকোত্তৰ ডিপ্ল'মা ল'বলৈ সক্ষম হৈছিল ১৯৯১ত। ৫২ বছৰ বয়সীয়া বিশেষভাৱে সক্ষম এইগৰাকী দিল্লী বিশ্ববিদ্যালয়ৰ অধ্যাপক আৰু অন্যান্য বাওঁপন্থী তথা প্ৰগতিশীল চিন্তাধাৰা সম্পন্ন লোকক চৰকাৰে 'আৰবান নক্সাল' আখ্যা দি আহিছে। চাইবাবাৰ মুক্তিৰ পাছত কংগ্ৰেছ, চিপিআই (এম) আদি ৰাজনৈতিক দলে চৰকাৰৰ এই আৰবান নক্সালৰ ধাৰণাটো ৰাজনৈতিক মুনাফাৰ বাবে চলোৱা প্ৰচাৰ বুলি ইয়াক সমালোচনা কৰিছে।

উল্লেখ্য যে বোম্বে উচ্চ ন্যায়ালয়ে সত্ৰ আদালতৰ চাইবাবা আৰু অন্যান্য পাঁচগৰাকী ব্যক্তিক দোষী সাব্যস্ত কৰি দিয়া ৰায় বাতিল কৰি কয় যে ইউএপিএৰ অধীনত এওঁলোকক গ্ৰেপ্তাৰৰ কোনো বৈধ ধাৰা নাই। ৰায়টোত স্পষ্টভাৱে কোৱা হয় যে যিবোৰ সাক্ষ্য প্ৰমাণ পোৱা গৈছে তাৰ পৰা বুজিব পাৰি যে আইনী প্ৰক্ৰিয়া উলংঘা কৰি এনে এক পৰিৱেশ সৃষ্টি কৰা হৈছে য'ত সন্ত্ৰাসবাদক কেতবোৰ ন্যস্ত স্বাৰ্থজড়িত লোকে ব্যৱহাৰ কৰিছে তেওঁলোকৰ ভ্ৰান্ত ধাৰণা প্ৰচাৰ কৰাৰ একক উদ্দেশ্য সাধনৰ বাবে। ন্যায়াধীশসকলৰ এই ৰায়ে দেশৰ গণতন্ত্ৰপ্ৰেমী লোকসকলক অনুপ্ৰাণিত তথা উৎসাহিত কৰিব বুলি চৰ্চিত হৈছে।

খোলা মঞ্চ

কাকত-কিতাপ অধ্যয়ন অবিহনে



আচলতে ৰাতিপুৱা চাহকাপ হাতত লৈ যিকোনো বাতৰি কাকত এখন হাতত লোৱা অভ্যাসটো এটাচামৰ এতিয়াও আছে। যিসকলৰ পঢ়া অভ্যাস সেইসকলে যেনেকৈ নহওক কিয় পঢ়িবই। সেয়া যুৱক-যুৱতীয়েই হওক বা প্ৰাপ্তবয়স্কই হওক। কথাতে কয় Habit is the secand nature.

আজিৰ প্ৰজন্মৰ দেখোন সময়েই নোহোৱা হৈছে! চাকৰি বিচৰাসকল বা ৰাজনীতিৰ প্ৰতি আগ্ৰহী, শিক্ষাৰ প্ৰতি ধাউতি অথবা ৰাশিফল বা স্বাস্থ্য আদিৰ প্ৰতি ইচ্ছানুৰাগীসকলে একো একোটা শিতানৰ আগ্ৰহত বাতৰি কাকতখন হাতত তুলি লৈ চকু ফুৰায়। কিয়নো ঘটনা হৈ হ'ল আজি কি ঘটিছে বা বাতৰিতনো কি লিখিছে এনে ধৰণৰ আগ্ৰহীসকলে কাকতখন পুৰাই হাতত তুলি লয়। এটা চাম বিশেষকৈ নৱ প্ৰজন্মৰ যুৱক-যুৱতী আৰু কিশোৰ-কিশোৰীও কাকততকৈ ম'বাইল ফোনতহে বেছি গুৰুত্ব দিয়ে। কাক কি মেছেজ দিব, কোনে কি মেছেজ পঠালে, দিনটোত কাক ক'ত লগ ধৰিব, কোনে ক'লৈ যাব এইবোৰত বেছি গুৰুত্ব দিয়াৰ বাবে কাকত-কিতাপৰ প্ৰতি ধাউতি কমি গৈছে। আমি আন নালাগে, গ্ৰন্থমেলাবিলাকত দেখা পাওঁ মানুহৰ সমাগম। কিতাপৰ বিপণীত অজস্ৰ মানুহৰ সমাগম হয়; কিন্তু কিতাপ কিনাৰ ধাউতি কম দেখা যায়। যিয়ে পঢ়ে তেওঁ বিপণীবোৰ ঘূৰি পকি হ'লেও মনে বিচৰা কিতাপ কিনে। নৱ প্ৰজন্মক অসমীয়াতকৈ ইংৰাজীৰ বিপণীত বেছি ভিৰ কৰা দেখা যায়।

মিনু পাটগিৰী, লেখিকা

কিতাপ কিনি পঢ়াতকৈ ম'বাইলৰ নেটতে বিচাৰি ল'ব মন পছন্দৰ বিষয়টো। আচলতে ডিজিটেল যুগটোৱে এফালে ভাল কৰিছে আৰু আনফালে বেয়াও কৰিছে। এনেবোৰ প্ৰতিক্ৰিয়াৰ ফলত বাতৰি কাকত বা কিতাপত থকা বহু কথাই তেওঁলোকৰ মগজুৰ পৰা বিদায় লৈছে। আচলতে এনে দিশৰ লোকসকল তথাকথিত আধুনিক বাতাৰণত সোমাই পৰিছে। ফলত বাতৰ কাকত আৰু কিতাপৰ প্ৰতি আগ্ৰহ কমিছে। কিতাপৰ বিপণীবোৰ ঘূৰি পকি চাই অৱশেষত ভিৰ কৰে ৰেষ্টুৰেণ্টবোৰত। খাদ্য সামগ্ৰীৰ জুতিটোৱে গ্ৰন্থমেলা জিকাই থাকে।

অন্যান্য বিষয়বোৰৰ আমোদ, কাকত বা কিতাপতকৈ বেছি আকৰ্ষণ হোৱা বাবে এনে শ্ৰেণীৰ পুৰুষ-মহিলা বা যুৱক-যুৱতী কিছু ক্ষেত্ৰত পিছপৰি যোৱাটো নিশ্চিত। নেটত কিছুমান অৱশ্যে নাপায়। পুৰণিকলীয়া কৃষ্টি-সংস্কৃতি, বন দৰৱ, ফলফুলৰ নাম, বুৰঞ্জীৰ কিছুমান ঘটনা, চন তাৰিখ, খেতিৰ সঁজুলি, শইচ আদিৰ নামৰ স'তে বৰ্ণনা বিচাৰি নাপায়। এনেবোৰ বস্তু যদি কিতাপ নপঢ়ে ক'ত কেনেকৈ জানিব? পুৰণি সভ্যতা-সংস্কৃতি সাহিত্যই গঢ়ি তুলিছে নতুনৰ বিশাল সৃষ্টি। সেয়েহে ক'ব খোজো যে কিতাপ কাকত নপঢ়িলে পিছপৰি থকাটো নিশ্চিত।

অসম বানমুক্ত হৈ যাব

অসমত বান-গৰাখহনীয়া ৰাষ্ট্ৰীয় সমস্যা হিচাপে ঘোষণা কৰক বা নকৰকেই, কিন্তু প্ৰকল্পৰ খৰচবোৰ কেন্দ্ৰীয় চৰকাৰৰ পুঁজিৰে কৰিব লাগিব

দৃষ্টিপাত

অনন্ত কলিতা



গুৱাহাটীৰ খানাপাৰাত যোৱা আঠ অক্টোবৰত (২০২২) অনুষ্ঠিত বিজেপিৰ কৰ্মকৰ্তাসকলৰ সমাৰেশত ভাষণ দি কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে ঘোষণা কৰি প্ৰতিশ্ৰুতি দিলে যে অহা পাঁচ বছৰৰ ভিতৰত অসমক বানমুক্ত কৰিব। বিজেপিয়ে অসমৰ জনসাধাৰণক বানমুক্ত কৰাৰ প্ৰথম প্ৰতিশ্ৰুতি দিছিল ২০১৬ৰ ২৬ মাৰ্চত অসম দৃষ্টিপত্ৰ-২০১৬-২০২৫ প্ৰকাশৰ দ্বাৰা। দ্বিতীয়বাৰ প্ৰতিশ্ৰুতি দিছিল প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে গুৱাহাটীত অসমৰ বান-গৰাখহনীয়া নিয়ন্ত্ৰণৰ বাবে এখন বিশেষজ্ঞ কমিটী গঠন কৰাৰ খৰচ ১০০ কোটি টকা আবণ্টনৰ ঘোষণাৰ দ্বাৰা। তৃতীয়বাৰ প্ৰতিশ্ৰুতি দিছিল ২০২১ৰ ২৪ মাৰ্চত ১০ সংকল্প প্ৰকাশ কৰি। ১০ সংকল্পৰ এক নম্বৰ সংকল্পটোৱে আছিল 'বানমুক্ত অসম গঢ়া'ৰ। আগন্তুক লোকসভাৰ নিৰ্বাচনৰ আগে আগে আকৌ অসমৰ জনসাধাৰণক কৈছে পাঁচ বছৰ দিয়ক অসমক বানমুক্ত কৰিব। ২০১৬ত বিজেপিয়ে দিয়া প্ৰতিশ্ৰুতিৰ পাছত অসম বান-গৰাখহনীয়া নিয়ন্ত্ৰণৰ বাবে বিজ্ঞানভিত্তিত কোনো ব্যৱস্থাই গ্ৰহণ নকৰিলে, আনকি বিজ্ঞানভিত্তিত ব্যৱস্থা গ্ৰহণৰ বাবে বিশেষজ্ঞ কমিটী এখনো গঠন নকৰিলে। ৰাজ্য চৰকাৰে মথাউৰি মেৰামত কৰা গৰাখহনীয়া প্ৰতিৰোধ কৰাৰ গতানুগতিক কামবোৰহে কৰি থাকিল। ফলস্বৰূপে বান-গৰাখহনীয়াৰ প্ৰকোপ নিয়ন্ত্ৰণ বা অলপ হ্ৰাস পোৱাটো দূৰৰ কথা প্ৰকোপ বছৰে বছৰে বৃদ্ধিহে হৈ আছে। এই বছৰৰ (২০২২) বান আৰু গৰাখহনীয়াৰ প্ৰকোপ অভিলেখপূৰ্ণ। বৰ্তমান অক্টোবৰৰ মাহটোতো বান-গৰাখহনীয়াই প্ৰলয়ৰ সৃষ্টি কৰিছে। ডিব্ৰুগড় চহৰখনো গৰাখহনীয়াই খহাই নিয়াৰ উপক্ৰম কৰিছে। বান-গৰাখহনীয়া নিয়ন্ত্ৰণৰ ব্যৱস্থা গ্ৰহণ কৰিব দূৰৰ কথা প্ৰধানমন্ত্ৰী, গৃহমন্ত্ৰীয়ে এই বছৰৰ বানপানীৰ সময়ত অসমৰ জনসাধাৰণক মাত এষাৰ লগাবলৈও অসমলৈ আহিবলৈ নিবিচাৰিলে। প্ৰত্যেকবাৰ নিৰ্বাচনৰ আগতে বান নিয়ন্ত্ৰণকে ধৰি অৰ্থনৈতিক উন্নয়নৰ বিভিন্ন প্ৰতিশ্ৰুতি দিয়ে। এই বছৰৰ বানৰ ধ্বংসলীলাই আকৌ এবাৰ প্ৰমাণ কৰিলে যে অসমৰ বান-গৰাখহনীয়া নিয়ন্ত্ৰণ অবিহনে অসমৰ অৰ্থনৈতিক উন্নয়ন সম্ভৱ নহয়। বান-গৰাখহনীয়াই অসমৰ অৰ্থনৈতিক উন্নয়নৰ মুখ্য অন্তৰায়।

গৃহমন্ত্ৰী অমিত শ্বাহৰ প্ৰতিশ্ৰুতি বিশ্বাসত ল'ব পৰা যাবনে নাই সেইটো এটা ডাঙৰ প্ৰশ্ন। ২০১৬ৰ পৰা বিজেপিয়ে প্ৰতিশ্ৰুতিৰ উপৰি প্ৰতিশ্ৰুতি দি আছে বানমুক্ত অসম গঢ়াৰ বাবে নিৰ্বাচনবোৰৰ আগে আগে। এই বানমুক্ত অসমৰ ফলাফল হ'ল আগৰ বছৰবোৰৰ অভিলেখ ভংগ কৰি এই বছৰত (২০২২) ভয়ংকৰভাৱে বানপানীয়ে বিধ্বস্ত কৰিলে অসমক, জনসাধাৰণলৈ লৈ আহিল চৰম দুখ-দুৰ্দশা। লোকসভাৰ প্ৰশ্নৰ উত্তৰত কেন্দ্ৰীয় জলসম্পদ মন্ত্ৰীয়ে কৈছিল অসমৰ বান কেন্দ্ৰীয় বিষয় নহয়, ৰাজ্য চৰকাৰহে যথাযোগ্য ব্যৱস্থা গ্ৰহণ কৰিব। এতিয়া প্ৰশ্ন হ'ল মথাউৰি মেৰামতি তথা ব্ৰহ্মপুত্ৰৰ গৰাখহনীয়া নিয়ন্ত্ৰণৰ বাবে দাইক আদি অস্থায়ী ব্যৱস্থা গ্ৰহণেৰে বানমুক্ত অসম গঢ়িব খুজিছে নে বিভিন্ন বিশেষজ্ঞৰ দ্বাৰা অধ্যয়ন কৰি বিজ্ঞানভিত্তিক বহুমুখী মেগা প্ৰকল্প নিৰ্মাণৰ দ্বাৰা বানমুক্ত অসম গঢ়িব খুজিছে। মথাউৰি মেৰামতি বা নতুন মথাউৰি বান্ধি যে অসমক বানমুক্ত কৰা নাযায় বিতৰ্কহীনভাৱে প্ৰমাণিত হৈছে প্ৰায় যোৱা ৬৫ বছৰৰ অভিজ্ঞতাই। কাৰণ মথাউৰি নিৰ্মাণ কৰা অসমত ১৯৫৮ত প্ৰায় ৬৫ বছৰ হ'ল। এই ৬৫ বছৰত মথাউৰিয়ে বান নিয়ন্ত্ৰণটো কৰিবই পৰা নাই, মথাউৰি নথকা দিনতকৈ মথাউৰি বন্ধাৰ ফলত বান-গৰাখহনীয়াৰ ধ্বংসলীলাহে অধিক মাৰাত্মক হৈছে।

ব্ৰহ্মপুত্ৰৰ নিচিনা বান সৃষ্টি কৰা তথা ধ্বংসলীলা সৃষ্টি কৰা হোৱাংহো, আমাজান আদি বিশ্বৰ বিভিন্ন নদী নিয়ন্ত্ৰণত আনিবলৈ যেনে ধৰণৰ মেগা প্ৰকল্পৰ সৃষ্টি কৰিছে, তেনে ধৰণৰ মেগা বহুমুখী প্ৰকল্প সৃষ্টি কৰিলে অসমৰ ব্ৰহ্মপুত্ৰ আৰু আন আন নদ-নদীবোৰক নিয়ন্ত্ৰণত আনি বানমুক্ত অসম গঢ়িব পৰা যাব নিশ্চয়। দুৰ্ভাগ্যজনক কথা যে অসমৰ কোনো এখন চৰকাৰে অসমৰ বান-গৰাখহনীয়া সমস্যাটো বিজ্ঞানসন্মতভাৱে আৰু গভীৰভাৱে পৰ্যালোচনা কৰি নাচালে আজিলৈ। মথাউৰি মেৰামতি কৰা, গৰাখহনীয়া নিয়ন্ত্ৰণৰ বাবে গতানুগতিক ব্যৱস্থা গ্ৰহণ কৰি কেজুৱেল ব্যৱস্থাবোৰত ধনবোৰ খৰচ কৰি আছে। মন্ত্ৰীসকলে কয় সময়মতে মথাউৰি মেৰামতি কৰিলে বানপানী নহ'ব। কিন্তু তেওঁলোকে আজিলৈকে অসমৰ নদীৰ গতি-প্ৰকৃতি অধ্যয়ন কৰি বুজিবলৈ চেষ্টা নকৰিলে কিয় মথাউৰি অসমৰ বান নিয়ন্ত্ৰণত সাফল্যমণ্ডিত হোৱা নাই যোৱা ৬৫ বছৰে, বৰঞ্চ বানৰ ভয়াৱহতা বৃদ্ধি হৈছে। ২০০২ত তদানীন্তন যোজনা আয়োগে অধ্যয়ন কৰি কৈছিল, 'ৰাজনীতিবিদ আৰু আমোলাসকলৰ সহযোগত নদী জলাশয়বিজ্ঞান (Hydrology) বুজি নোপোৱা চিন্তাশক্তিহীন অভিযন্তাসকলে আৰু অধিক মথাউৰি নিৰ্মাণ কাৰ্য্য সম্পূৰ্ণ বন্ধ কৰিব লাগিব। সমস্যাটো সমাধানৰ বাবে পৰিকল্পনা গ্ৰহণৰ কাৰণে সমাজ বিজ্ঞানী, পৰিৱেশ বিজ্ঞানী আৰু ভূগোল বিশাৰদসকলক অন্তৰ্ভুৰ্ক্ত কৰিব লাগিব, অন্যথা বান সাহায্যৰ ধন আৰু মথাউৰি নিৰ্মাণৰ ধন দুয়োটাই দুৰ্নীতিপৰায়ণ আৰু এই প্ৰকল্পৰ লগত জড়িত দুষ্টচক্ৰই আত্মসাৎ কৰিব, অসম উপত্যকাত বানপানীৰ বাবে মৃত্যু আৰু প্ৰলয় চলি থাকিব।' এনেকুৱা পটভূমিত এইখন চৰকাৰৰো কোনো সদিচ্ছা নাই বান-গৰাখহনীয়া সমস্যা গভীৰভাৱে পৰ্যালোচনা কৰি সমাধান কৰাৰ। নহ'লেনো মুখ্যমন্ত্ৰীয়ে নিজেই ঘোষণা কৰেনে যে মথাউৰিৰ ওপৰেৰে ৰাষ্ট্ৰীয় পথো নিৰ্মাণ কৰিব। মথাউৰিৰ ওপৰত ৰাস্তা নিৰ্মাণৰ লগত বান-গৰাখহনীয়া নিয়ন্ত্ৰণৰ কি সম্বন্ধ আছে।

অসমৰ নদীৰ বাবে মথাউৰিবোৰ বিজ্ঞানসন্মত নহয়। কিন্তু যোজনা আয়োগে কোৱাধৰণে অসম চৰকাৰে চিন্তাশক্তিহীন অভিযন্তাসকলৰ সহযোগত মথাউৰি নিৰ্মাণ কৰি আছে আৰু মেৰামতি কৰি আছে আৰু বান সাহায্যৰ ধন আৰু মথাউৰি নিৰ্মাণৰ ধন দুয়োটা দুৰ্নীতিপৰায়ণ আৰু এই প্ৰকল্পৰ লগত জড়িত দুষ্টচক্ৰই আত্মসাৎ কৰাৰ সুযোগ কৰি দিছে। বৰ্তমান মথাউৰি নিৰ্মাণ বা মেৰামতিৰ ধনবোৰৰ অৱস্থা যোজনা আয়োগে কোৱাৰ নিচিনা আত্মসাৎ আৰু অপব্যয় হৈ আছে আৰু বানপানী নিয়ন্ত্ৰণো হোৱা নাই। অসমত মথাউৰিৰ দ্বাৰা বান নিয়ন্ত্ৰণত সাফল্যতা লাভ নকৰাৰ কাৰণ হ'ল অসমৰ নদীবোৰৰ পানীয়ে গেদীয় সামগ্ৰী অৰ্থাৎ শিল, বালি, বোকা আদি কঢ়িয়াই আনে। যোজনা আয়োগে সেয়ে অধ্যয়ন কৰি কৈছিল অসমৰ চিন্তাশক্তিহীন অভিযন্তাবোৰে অসমৰ নদীৰ পানীৰ গতি-প্ৰকৃতি অধ্যয়ন নকৰাকৈ মথাউৰি নিৰ্মাণ কৰি বিভিন্ন গোষ্ঠীৰ ধন আত্মসাৎ কৰাৰহে উৎসৰ সৃষ্টি কৰিছে আৰু বানপানী নিয়ন্ত্ৰণটো হোৱাই নাই বানপানীৰ তাণ্ডৱ বৃদ্ধিহে হৈছে। এই পটভূমিতে যোজনা আয়োগে জোৰ দি কৈছিল অসমৰ চিন্তাশক্তিহীন অভিযন্তাসকলৰ উপদেশমতে মথাউৰি নিৰ্মাণ বন্ধ কৰক। অভিযোগ উঠিছে যে নদী গৱেষণা কেন্দ্ৰৰ মাটি বিজেপিয়ে দখল কৰি দলৰ কাৰ্যালয় নিৰ্মাণ কৰিলে।

অসমৰ নদীবোৰে প্ৰচুৰ গেদীয় সামগ্ৰী পানীৰ লগত কঢ়িয়াই আনে। এই সম্বন্ধে ১৯৯১তে অধ্যয়ন কৰিছিল অনেক বিশেষজ্ঞই আৰু তেওঁলোকৰ প্ৰতিবেদন মতে ব্ৰহ্মপুত্ৰই প্ৰতি বছৰে প্ৰতি কিলোমিটাৰত ১৫১৩ টন গেদীয় সামগ্ৰী কঢ়িয়াই লৈ আনে। এই বিশেষজ্ঞসকলৰ অধ্যয়ন অনুযায়ী ১৯৭৮ চনৰ পৰা ১৯৯১ চনৰ ভিতৰত অকল পঞ্চৰত্নত (গোৱালপাৰা) ৫২৭ নিযুত টন আৰু পাণ্ডুত (গুৱাহাটী) ৪০২ নিযুত টন গেদীয় সামগ্ৰী জমা হৈছে। এই হিচাপটো ১৯৯১লৈ, গতিকে ২০২২লৈ ইয়াৰ দুগুণতকৈও অধিক গেদীয় সামগ্ৰী জমা হৈছে। তদুপৰি অৰুণাচল প্ৰদেশত সোৱণশিৰি জলবিদ্যুৎ প্ৰকল্পকে ধৰি বৃহৎ বৃহৎ বান্ধবোৰ নিৰ্মাণ কৰিছে বিদ্যুৎ উৎপাদনৰ নামত অবিজ্ঞানভিত্তিত। অৰুণাচলৰ মাটি আনবোৰ পাহাৰৰ নিচিনা টান মাটি নহয়। পাহাৰখনৰ মাটিবোৰ শিথিল, ক্ষুদ্ৰ ক্ষুদ্ৰ গুড়ি আৰু বালিৰে ভৰা। ইয়াতে বৃহৎ বৃহৎ বান্ধবোৰ সাফল্যমণ্ডিত নহ'ব, অধিক বৰষুণত বান্ধবোৰ ভাঙি যাবই, যিটো হৈছে এই বছৰ সোৱণশিৰি জলবিদ্যুৎ প্ৰকল্পৰ ক্ষেত্ৰত, বান্ধবোৰ ভাঙি গৈছে বা ভঙাৰ উপক্ৰম হৈছে। এই বান্ধবোৰ স্থায়ীভাৱে ৰাখিব পৰা নাযাব। ফলত অসমত প্ৰলয়ৰ সৃষ্টি কৰিছে। ঠিক সেইদৰে ভূটানত ভাৰত চৰকাৰৰ সাহায্যত বিদ্যুৎ উৎপাদনৰ অনেক ডামৰ সৃষ্টি কৰিছে। ইতিমধ্যে সেইবোৰৰ পানীয়ে নামনি অসমত প্ৰলয়ৰ সৃষ্টি কৰিছে।

অসম বা উত্তৰ-পূৰ্বাঞ্চলৰ নদীৰ এনেধৰণৰ গতি-প্ৰকৃতি-চৰিত্ৰৰ বাবে মথাউৰিৰ দ্বাৰা বানপানী নিয়ন্ত্ৰণ কৰা নাযায়। ইতিমধ্যে দুই মথাউৰিৰ মাজৰ ঠাইবোৰ মথাউৰি বাহিৰৰ সমতলতকৈ ১০ৰ পৰা ১৫ ফুট ওখ হৈ পৰিছে। অনেক নদীৰ তলিও সমতলতকৈ ওপৰ পৰ্যায়ত আছে। সেইবাবেই পৰিকল্পনা আয়োগে ২০০২ৰ প্ৰতিবেদনখনত পৰামৰ্শ দিয়া ধৰণে সমস্যাটো সমাধানৰ বাবে পৰিকল্পনা গ্ৰহণৰ কাৰণে সমাজ বিজ্ঞানী, পৰিৱেশ বিজ্ঞানী আৰু ভূগোল বিশাৰদসকলক অন্তৰ্ভুক্ত কৰি এখন বিশেষজ্ঞ কমিটি গঠন কৰি হোৱাংহো বা আমাজান প্ৰকল্পবোৰৰ দৰে বহুমুখী মেগা প্ৰকল্পৰ পৰিকল্পনা কৰাৰ প্ৰয়োজন। এনেধৰণৰ প্ৰকল্প ৰূপায়ণ কৰিবলৈ লাখ কোটি টকাৰ প্ৰয়োজন হ'ব। এই প্ৰচুৰ পৰিমাণৰ ধন খৰচ কৰিবলৈ ৰাজ্য চৰকাৰৰ

> ব্ৰহ্মপুত্ৰৰ নিচিনা বান সৃষ্টি কৰা তথা ধ্বংসলীলা সৃষ্টি কৰা হোৱাংহো, আমাজান আদি বিশ্বৰ বিভিন্ন নদী নিয়ন্ত্ৰণত আনিবলৈ যেনে ধৰণৰ মেগা প্ৰকল্পৰ সৃষ্টি কৰিছে, তেনে ধৰণৰ মেগা বহুমুখী প্ৰকল্প সৃষ্টি কৰিলে অসমৰ ব্ৰহ্মপুত্ৰ আৰু আন আন নদ-নদীবোৰক নিয়ন্ত্ৰণত আনি বানমুক্ত অসম গঢ়িব পৰা যাব নিশ্চয়।

পক্ষে সম্ভৱ নহ'ব। অসমত বান-গৰাখহনীয়া ৰাষ্ট্ৰীয় সমস্যা হিচাপে ঘোষণা কৰক বা নকৰকেই, কিন্তু প্ৰকল্পৰ খৰচবোৰ কেন্দ্ৰীয় চৰকাৰৰ পুঁজিৰে কৰিব লাগিব। গৃহমন্ত্ৰী অমিত শ্বাহে ঘোষণা কৰিলে অসমক বানমুক্ত কৰিব। কিন্তু নিৰ্বাচনৰ আগতে বান নিয়ন্ত্ৰণৰ প্ৰকল্প আৰম্ভ কৰক ধন আবণ্টন দিয়ক, যেনেকৈ গুজৰাটৰ বিধানসভাৰ নিৰ্বাচনৰ আগতে বিভিন্ন প্ৰকল্পত হাজাৰ হাজাৰ কোটি টকা কেন্দ্ৰীয় চৰকাৰে আবণ্টন দিছে। আন এটা ধাৰণা কেন্দ্ৰীয় চৰকাৰে অসমৰ জনসাধাৰণক দিব পাৰে, সেইটো হ'ল বিহাৰ, উত্তৰ প্ৰদেশ আদি ৰাজ্যক পানীৰ প্ৰয়োজন, গতিকে অসমৰ অতিৰিক্ত পানী নদী খান্দি বোৱাই লৈ গ'লে অসম বানপানীৰ পৰা ৰক্ষা পাব। এতিয়াও অসমৰ পানী বাংলাদেশলৈ বৈ যায়, তাৰ বাবে অসমৰ বানপানী হ্ৰাস পোৱা নাই। বাংলাদেশৰ সলনি বিহাৰ উত্তৰ প্ৰদেশলৈ পানী বোৱাই লৈ গ'লেও অসমৰ মানুহক আভুৱা ভাৰিব পাৰে বান নিয়ন্ত্ৰণ হ'ব বুলি। কিন্তু সেই পদক্ষেপেৰে অসমৰ বান-গৰাখহনীয়া নিয়ন্ত্ৰণ নহয়। গৃহমন্ত্ৰী অমিত শ্বাহৰ বানমুক্ত অসম গঢ়াৰ অশ্বাস ভুৱা নে সঠিক সময়হে প্ৰমাণ কৰিব। এতিয়ালৈ বিজেপি চৰকাৰৰ অসমৰ ক্ষেত্ৰত দিয়া আশ্বাসবোৰ প্ৰায়ে ভুৱাত পৰিণত হৈছে। প্ৰধানমন্ত্ৰী, গৃহমন্ত্ৰী তথা বিভিন্ন কেন্দ্ৰীয় মন্ত্ৰীয়ে সমাৰেশবোৰত ঘোষণা কৰি থাকে বিজেপি চৰকাৰ কেন্দ্ৰত শাসনৰ গাদীত অহাৰ পিছত অসমত হেনো উন্নয়নে গতি লৈছে। কিন্তু কোন কোন দিশত উন্নয়ন হ'ল তালিকা প্ৰকাশ নকৰে। ২০১৪ৰ মে'ত মোদী চৰকাৰ কেন্দ্ৰীয় চৰকাৰৰ গাদীত বহাৰ পাছত অসমত কিমান পৰিমাণৰ চৰকাৰী পুঁজি বা ব্যক্তিগত পুঁজি বিনিয়োগ হৈছে হিচাপ নিদিয়ে কিয়? আন্তঃগাঁথনি উন্নয়নত কিমান ধন খৰচ কৰিলে, ৰাজহুৱা খণ্ডত বা ব্যক্তি খণ্ডত কিমান উদ্যোগ প্ৰতিষ্ঠা হ'ল অসমত যোৱা আঠ বছৰত। সেৱা খণ্ডত আন ৰাজ্যৰ তুলনাত কিমানখিনি উন্নতি ঘটালে অসমক। শিক্ষা, স্বাস্থ্যকে ধৰি সামাজিক খণ্ডত কিমানখিনি উন্নতি কৰিলে। এইবোৰ শিতানৰ তালিকা এখন প্ৰকাশ কৰিলে প্ৰতিফলিত হ'ব যোৱা আঠ বছৰত অসমত অৰ্থনৈতিক উন্নয়নৰ বাবে কিমানখিনি কৰিলে বিজেপি চৰকাৰে। অৱশ্যে এটা ক্ষেত্ৰত উন্নতি হৈছে সেইটো হ'ল হিতাধিকাৰীৰ সংখ্যা বৃদ্ধিত অৰ্থাৎ দৰিদ্ৰ লোকৰ সংখ্যা বৃদ্ধিত। নিবনুৱাৰ সংখ্যা হ্ৰাসৰ ৰেকৰ্ড নাই কিন্তু। সি যি নহওক অসমক বানমুক্ত কৰাৰ প্ৰস্তাৱক স্বাগতম জনাইছোঁ যদিহে প্ৰতিশ্ৰুতিটো ভুৱা প্ৰতিশ্ৰুতি নহয়। বান-গৰাখহনীয়া মুক্ত অসম হ'লে অসমৰ জনসাধাৰণৰ স্বনিয়োজনেৰে গৰিষ্ঠসংখ্যক লোকে জীৱন নিৰ্বাহৰ পথ উলিয়াই ল'ব পাৰিব।

ফোন : ৯৪৩৫০৪১২০৩

বৃদ্ধ মাক-দেউতাকৰ লগত একেলগে থাকিব নোৱাৰোনে ?

কিছুমান দৃশ্য দেখিলে অন্তৰত বৰ দুখ লাগে। বিশেষকৈ আমাৰ ওচৰৰে কোনোবা বৃদ্ধ-বৃদ্ধা-সকল যদিহে অকলশৰীয়াকৈ জুপুৰি ঘৰত কষ্টৰে জীৱন নিৰ্বাহ কৰি থাকে আৰু পুত্ৰ বোৱাৰী, জী সকলৰ ওচৰত এলাগী হৈ থাকিব লগা হয়। পিতৃ মাতৃয়ে পুতেক জীয়েকহঁতক বহু কষ্টৰে কপালৰ ঘাম মাটিত পেলাই ডাঙৰ দীঘল কৰে, পঢ়া-শুনা কৰোৱাই শিক্ষিত কৰে, পাছত নিজে স্বাবলম্বী হোৱাৰ পাছত জন্মদাতা পিতৃ-মাতৃক অবহেলা কৰা দেখিলে অন্তৰত অজান দুখে সঁচাকৈ আৱৰি ধৰে। আগৰ দিনবোৰত পিতৃ মাতৃৰ বিয়োগ নঘটালৈকে পুতেক হতে বেলেগ নহৈছিল। একেলগে যৌথ পৰিয়ালত থাকিছিল। আজিকালি ইয়াৰ বিপৰীত ছবি দেখা যায়। এটা বাস্তৱ অভিজ্ঞতা প্ৰকাশ নকৰি নোৱাৰিলো।

বৰ্তমান অসমত পৌৰ নিগম, পৌৰসভা আৰু নগৰ সমিতি সমূহত সম্পত্তি কৰৰ পৰীক্ষণ! পুনৰ পৰীক্ষণ চলি আছে। ছেপ্টেম্বৰৰ ১০ তাৰিখৰ পৰা আৰম্ভ হোৱা উক্ত কৰ্মত আমাৰ বোকাখাত পৌৰসভাৰ এটা ৱাৰ্ডত আন তিনিজনৰ স'তে এই অভাজনকো নিয়োগ কৰাত আমি ৱাৰ্ডৰ প্ৰতিঘৰলৈ যাবলগীয়া হৈছিল। প্ৰতিঘৰৰ জোখমাখবোৰ কৰি ঘৰৰ মানুহৰ পৰা লাগতিয়াল কিছুমান তথ্য লৈ এটা Mobile App ৰ জৰিয়তে তথ্যবোৰ আপল'ড কৰিছিলো আৰু ঘৰৰ ফটো Geo Tag কৰি আপল'ড কৰিছিলো। উক্ত কৰ্ম সম্পাদন কৰি থাকোতে কিছুমানৰ ঘৰত উপস্থিত হৈ অন্তৰত মৰ্মান্তিক আঘাত অনুভৱ কৰিছিলো।

পুতেক বোৱাৰীয়েকে মাকৰ জুপুৰিৰ কাষতে ভাল ঘৰ সাজি আছে, অথচ মাক জুপুৰি ঘৰত অকলে থাকে। অৱশ্যে মাকৰ নামত প্ৰধান মন্ত্ৰী আৱাস এটা পাই ঘৰ আৰু সাজি আছে। বেলেগে বেলেগে খোৱা-বোৱা কৰে হেনো।

উদাহৰণ ২- মাক অকলে জুপুৰি ঘৰত থাকে। পুতেক দুজনে বিয়া পতাৰ পিছত বেলেগে বেলেগে মাকক এৰি ঘৰ সাজি আছে। এজন পুতেকৰ ঘৰ পকী, আচাম টাইপ।

উদাহৰণ ৩- মাক দেউতাক গ্ৰাউণ্ড ফ্লৰৰ শেষৰ ফালে থাকে। খোৱা বোৱা বেলেগকৈ কৰে হেনো। দেউতাকৰ ষ্ট্ৰক হোৱাৰ বাবে ভালদৰে কথা বতৰা পাতিবলৈ অক্ষম। এজন পুতেক গ্ৰাউণ্ড ফ্লৰৰ আগফালে আৰু আনজন প্ৰথম মহলাত বেলেগ বেলেগকৈ পত্নী সন্তানৰ স'তে থাকে।

উদাহৰণ ৪- পুতেক বোৱাৰীয়েকৰ ঘৰ পকী, আচাম টাইপ। কিন্তু মাক থকা ঘৰটো কেঁচা ঘৰ। বেলেগ বেলেগকৈ খোৱা-বোৱা কৰে বোলে।

উদাহৰণ ৫- মাক-দেউতাক পুৰণি ঘৰটোত থাকে। অৱশ্যে ঘৰৰ অৱস্থা ভাল। পুতেক বোৱাৰীয়েকে কাষতে ঘৰ সাজি আছে। অথচ বেলেগ বেলেগ।

(উক্ত উদাহৰণবোৰৰ নাম ঠিকনা গোপনীয়তাৰ খাতিৰত প্ৰকাশ কৰিব পৰা ন'হল।)

বোকাখাতৰ নিচিনা সৰু চহৰত তাকো এটা ৱাৰ্ডত মই জনা ইমানবোৰ উদাহৰণ আছে যি পিতৃ-মাতৃৰ লগত সন্তানসকল নাথাকে নতুবা সন্তানসকলৰ লগত পিতৃ-মাতৃ নাথাকে। গোটেই বোকাখাত নগৰত তেনে উদাহৰণ কিমান বা আছে নাইবা সমগ্ৰ অসম কিম্বা ভাৰতবৰ্ষত? ইয়াৰ বাবে অকল সন্তান সকলেই দায়ী নে পিতৃ মাতৃ সকলো সমানেই দায়ী? দোষ সকলোৰে থাকিব পাৰে, ভুল সকলোৰে কৰিব পাৰে সেইবুলি এই বৃদ্ধাৱস্থাত জন্মদাতা মা-দেউতাকক অকলশৰীয়াকৈ কষ্টৰে বাস কৰিবলৈ দি নিজে কেনেকৈ শান্তিৰে থাকিব পাৰে? যাৰ বাবে আমি পৃথিৱীলৈ আহিব পাৰিলো, যাৰ বাবে আমি ডাঙৰ দীঘল হ'লো, যাৰ বাবে আমি শিক্ষিত হ'লো, তেওঁলোকক আমি যদি বৃদ্ধ বয়সত এলাগী কৰো তাতকৈ বিষাদৰ কথা একোগৰাকী পিতৃ-মাতৃৰ বাবে কি হ'ব পাৰে? আহক আমি সকলোৱে নিজৰ নিজৰ পিতৃ-মাতৃৰ স'তে আনন্দৰে, হাঁহি ধেমালীৰে একেলগে জীৱন নিৰ্বাহ কৰো।

মুনীন্দ্ৰ পেগু, বোকাখাত, অসম,

ফোন : ৭০০২৫৯৯৫০৭

ইউক্ৰেইন-ৰাছিয়া যুদ্ধত ক্ষতিগ্ৰস্ত মেডিকেল ছাত্ৰ ছাত্ৰীৰ ভৱিষ্যত

অভিমত

নিজৰ দেশত মেডিকেল শিক্ষাৰ পৰা বঞ্চিত প্ৰায় বিশ হাজাৰ ভাৰতীয় ছাত্ৰ ছাত্ৰী ইউ ক্ৰাইন ৰ বিভিন্ন মেডিকেল কলেজ সমূহত শিক্ষা গ্ৰহণ কৰি আছিল, কিন্তু আজি প্ৰায় আঠ মাহৰ আগতে আৰম্ভ হোৱা ৰাছিয়াৰ ইউক্ৰেইন আক্ৰমণৰ বাবে জীৱনৰ নিৰাপত্তাৰ বাবে কিছু ছাত্ৰ নিজে আৰু কিছু ছাত্ৰ-ছাত্ৰীক ভাৰত চৰকাৰে বিশেষ বিমান যোগে উদ্ধাৰ কৰি ভাৰতলৈ ঘূৰাই আনে। ফলত আধাতে সামৰিব লগা হোৱা এইসকল মেডিকেল ছাত্ৰ-ছাত্ৰী এক অন্ধকাৰ ভৱিষ্যতৰ সন্মুখীন হ'ব লগা হৈছে । চৰকাৰে এই সকল ছাত্ৰ-ছাত্ৰীৰ ভৱিষ্যত শিক্ষাৰ বাবে কোনো ধৰণৰ দায়িত্ব নলয় বুলি কোৱাৰ পাছত সমস্যাটো আৰু গভীৰ হৈ পৰিছে। জনামতে ইউক্ৰেইনত এনে এটা সম্পূৰ্ণ মেডিকেল পাঠ্য ক্ৰম ৰ বাবে ভাৰতীয় টকাৰ হিচাপত একৰ পৰা দেৰ কোটি টকা পৰ্যন্ত খৰচ কৰিব লগা হয়। সেই ফালৰ পৰা চাবলৈ গলে সাধাৰণ দৰিদ্ৰ ঘৰৰ লৰা ছোৱালীয়ে এনে শিক্ষা লোৱা সম্ভৱ নহয়। আৰু তাৰ বাবে বহুতে কব খোজে নিজৰ দায়িত্ব যোৱা ছাত্ৰৰ দায়িত্ব অভিভাৱক সকলে নিজেই লওক। কিন্তু চৰকাৰ কথাটো তেনেদৰে ভবাটো কিমান সমীচীন ? আমি জনা উচিত চাপৰিলে মেঘ নাযায়। এই সকল ছাত্ৰ ছাত্ৰী আমাৰ দেশৰে লৰা ছোৱালী। বৰ্তমান ভাৰতত জনসংখ্যা অনুপাতে চিকিৎসকৰ অভাৱ। আন হাতে এই সকল ল'ৰা-ছোৱালী মেধাহীন বুলি কোৱাৰ কোনো যুক্তি যুক্ততা আমি দেখা পোৱা নাই। বিভিন্ন সংৰক্ষণ আৰু অলপ সৰু সুৱা মূল্যায়নৰ ব্যৱধানৰ বাবে প্ৰতিজোগিতামূলক পৰীক্ষাত উত্তীৰ্ণ হব নোৱাৰি এইদৰে ভাৰতৰ বাহিৰৰ বিভিন্ন মেডিকেল কলেজ সমূহত পঢ়ি বলৈ যায় বুলি সকলোৱে জানে। গতিকে আমি ভাবো সকলো বৰ্ষৰ বাবে এটা বাচনি পৰীক্ষা অনুষ্ঠিত কৰি চৰকাৰী খণ্ডত নহলেও বেচৰকাৰী খণ্ডত এইসকল ছাত্ৰৰ বাকী থকা শিক্ষা বছৰকেইটা সম্পূৰ্ণ কৰিবলৈ সুবিধা দিলে ছাত্ৰ-ছাত্ৰীসকলৰ লগতে অভিভাৱক সকলে আৰু উপকৃত হ'ব। কথাটো চৰকাৰে এটা মানৱীয় দৃষ্টি ভংগীৰে বিবেচনা কৰি কেনেদৰে সৰ্বজন গ্ৰহ যোগ্য সমাধান উলিয়াব পাৰিলে সকলোৰে বাবে মঙ্গল জনক হব বুলি আমি ভাবো।

শ্যামন্ত কুমাৰ শৰ্মা।

যোৰহাট, *ফোন : ৯৪৩৫১৫০৯১৩*

দূৰৰ পাহাৰ দেখাত শুৱনি

অসমৰ হাবি-বননি আৰু তাত থকা গছ-গছনিবোৰ অবৈধভাৱে চোৰাং কৰি কাটি ধ্বংস কৰিলে আৰু এচাম লোকে অবৈধ ধন সংগ্ৰহ কৰি লাভবান হোৱা কথা কাকো কোনেও কোৱাৰ আৱশ্যক নাই। হাবিৰ সম্পদৰ পৰা এচাম লোক বিত্তশালী হ'ল, আনহাতে, আমাৰ প্ৰাকৃতিক সম্পদৰ অপচয় হ'ল বা লোকচান হ'ল। যি লোকচান দেশৰ বৃহত্তম লোকচান। আনহাতে, বিভিন্ন ক্ষেত্ৰত সমূহীয়াভাৱে বৃক্ষ ৰোপণ কৰা ব্যৱস্থাক অগ্ৰাধিকাৰ দিয়া হ'ল। বৃক্ষৰোপণ এটা কাৰ্যসূচী হিচাপে গ্ৰহণ কৰা হ'ল, এনে লক্ষ্য কৰি যে গছ থাকিলেহে মানুহ থাকিব; কিন্তু মানুহ থাকোতে গছ-গছনি কিয় নথকা হ'ল, সি জানো মানুহৰ দুষ্কাৰ্য নহয়! আজি- কালি বিভিন্ন উৎসৱ-পাৰ্বণ উপলক্ষে অনুষ্ঠান আৰম্ভণিৰ আগতে বৃক্ষৰোপন আঁচনি পালন কৰা হয়। সভালৈ নিমন্ত্ৰিত অতিথিকো গছ পুলি আগবঢ়াই সম্বৰ্ধনা প্ৰদৰ্শন কৰা ব্যৱস্থা প্ৰচলিত হ'ল। ইয়াৰ উপৰি ৰাজহুৱা স্থানত ৰাজহুৱাভাৱে বৃক্ষৰোপণ কৰাটো অতিশয় ফলপ্ৰসু হোৱা বুলি সমৰ্থনযোগ্য হৈছে। আনহাতে, চৰকাৰে বৃক্ষৰোপণ সম্প্ৰসাৰিত কৰাৰ লক্ষ্য স্থিৰ কৰি একোগৰাকী সামাজিকভাৱে প্ৰতিষ্ঠিত লোকক পৰিচালনাৰ দায়িত্ব প্ৰদান কৰা হৈছে। এই গোটেইবোৰ ব্যৱস্থাতে ধন ব্যয় হোৱাটোও সত্য, এফালে বৃক্ষ ধ্বংস, আনফালে বৃক্ষৰোপণ। উভয় ব্যৱস্থাতে ধনৰ হয় ক্ষতি অৰ্থাৎ ধনৰ অপচয় বা ব্যয়। আকৌ কোনো ৰাস্তা-ঘাট নতুনকৈ নিৰ্মাণ কৰা, অনুষ্ঠান-প্ৰতিষ্ঠান নতুন ঠাই নিৰ্বাচন কৰি তালৈ নিয়া কামত উক্ত স্থানত থকা গছ-গছনি কটা কাম চলি আছে চৰকাৰৰ নীতি-নিৰ্দেশনাত। এই ক্ষেত্ৰত বাসভূমি আৰু কৃষিভূমি, লগতে তাত থকা গছ-গছনি সংৰক্ষণৰ বাবে কটা কাম বন্ধ কৰাৰ কাৰণে ৰাইজৰ পৰা আপত্তি উত্থাপন হৈ থকাই কি অৰ্থ প্ৰকাশ কৰে? উভয় দিশৰে পৰ্যালোচনা কৰিলে দেখা যায় যে গছ-গছনি ধ্বংস কৰা কাৰ্যতকৈও, গছ-গছনি ৰোপণ আৰু সংৰক্ষণ কৰা কামত ব্যয় হোৱা ধনৰ পৰিমাণ অধিক। গতিকে কোলাৰটো নে বোকাৰটো লাভজনক ৰাইজে নিৰ্ণয় কৰা জৰুৰী বিষয়। আমাৰ সিদ্ধান্তবোৰ ফলৱতী হোৱাৰ কামনা সকলোৱে।

কেশৱ শৰ্মা

ফোন : ৯৪০১৮৭৯৪০৮

দৈনিক
অগ্ৰদূত

সাহিত্য আৰু জীৱন

গুৱাহাটী, ১৭ অক্টোবৰ, ২০২২ সোমবাৰ পৃষ্ঠা ৫

তত্ত্ব সম্পৰ্কীয় চিন্তা ঃ পিটাৰ বাৰী

তত্ত্ববাদে প্ৰায়োগিক অনুসন্ধান আৰু অভিজ্ঞতাতকৈ তাত্ত্বিক অনুসন্ধান আৰু বিমূৰ্ত নীতিৰ ওপৰত অধিক গুৰুত্ব দিয়ে

ড° আনন্দ বৰমুদৈ

আমাৰ সাহিত্যিকে দেশৰ মাটি, পানী, বায়ু, সমাজ জীৱন, সাংস্কৃতিক পৰম্পৰা আদিৰ অভিজ্ঞতাৰে সৃষ্টি কৰে। কিন্তু সাহিত্য সমালোচনাৰ সময়ত আমি পশ্চিমীয়া সমালোচনা তত্ত্বৰ সহায় লওঁ। সাহিত্য মূল্যায়নৰ কাৰণে যি মৌলিক ভিত্তিৰ প্ৰয়োজন হয় সিবিলাক পশ্চিমীয়া সমালোচনা তত্ত্বই যোগান ধৰে। যোৱা শতিকাৰ দ্বিতীয়াৰ্দ্ধত পশ্চিমীয়া দেশত ইমান ভিন্ন ধৰণৰ সমালোচনা তত্ত্ব ওলাল যে বহুতে সমালোচনা তত্ত্বৰ প্ৰয়োজনকে সন্দেহ কৰিলে। এই প্ৰসংগতে উত্তৰ আধুনিকতাবাদৰ কথা ক'বলৈ গ'লে মাৰ্ক্সবাদ, নাৰীবাদ, ভাষা বিজ্ঞান, দৰ্শন আদিৰ উমৈহতীয়া প্ৰভাৱত যোৱা শতিকাৰ শেষৰ ফালে সাহিত্য পাঠ আৰু সমালোচনাৰ জগতখন তল-ওপৰ কৰা নতুন চিন্তাৰ কথাও মনত পেলাব লাগিব। সাহিত্য সমালোচনাৰ তত্ত্বৰ প্ৰতি এই নতুন চিন্তাৰ জোৱাৰে পাঠকৰ আগ্ৰহ আৰু কৌতূহল বৃদ্ধি কৰিলে। শতিকাটোৰ ২০-৩০ৰ দশকত টি এছ এলিয়ট, আই এ ৰিচাৰ্ডছ, এফ আৰ লীৱিছ, ৱিলিয়াম এম্পছন আদি সমালোচকৰ সমালোচনা তত্ত্বই যিদৰে ষাঠিৰ দশকলৈ সাহিত্য অধ্যয়ন আৰু সমালোচনাৰ দিক্ নিৰ্ণয় কৰিছিল, পৰৱৰ্তী তিনিটা দশকৰ চিন্তা-চৰ্চাই সেই দিকগজ পণ্ডিতসকলৰ সাহিত্য সমালোচনা তত্ত্বৰ মূল ভিত্তিবোৰকে প্ৰশ্ন কৰি সাহিত্য সমালোচনাক এক নতুন গতিবেগ দিবলৈ বিচাৰিছিল।

সমালোচনা তত্ত্ব এটা কথা আৰু তত্ত্বৰ আধাৰত সাহিত্যৰ মূল্যায়ন আন এটা কথা। সমালোচনা তত্ত্ব সাহিত্য অধ্যয়ন আৰু মূল্যায়নত সহায় হ'ব পাৰে অথবা সমালোচনা হ'ব পাৰে তত্ত্বৰ প্ৰায়োগিক দিশ। ৬০ৰ দশকৰ শেষৰ ফালে ইংগ-মাৰ্কিন নতুন সমালোচনা এনে ঐক্যমতত উপনীত হৈছিল যে সাহিত্যকৃতি, আৰু বিশেষকৈ কবিতা, কবিজনৰ পৰা পৃথক এক শাব্দিক নিৰ্মাণ। জটিল অনুভূতিৰ দ্বন্দ্ব, বিৰোধ, শ্লেষ, দুটা বা ততোধিক অৰ্থ বহন কৰিব পৰা উক্তি আদিৰ সহায়ত গঢ়ি তোলা শাব্দিক নিৰ্মাণক যিহেতু কবি এজনে পোনপটীয়াকৈ কৰা উক্তি বুলি গণ্য কৰিব নোৱাৰি, কবিতা হৈ পৰিছিল লিখক নিৰপেক্ষ। কবিতাৰ নৈৰ্ব্যক্তিকতা অথবা কবি নিৰপেক্ষ স্বাধীন অস্তিত্বৰ ধাৰণাক মূলতে এলিয়টৰ নৈৰ্ব্যক্তিকতাৰ তত্ত্বই গঢ় দিছিল। ৬০ৰ দশকৰ শেষৰ ফালে নতুন সমালোচনাৰ তাত্ত্বিক ভিত্তিবোৰ কিয় প্ৰত্যাহ্বানৰ সন্মুখীন হ'ল তাৰ এটা কাৰণ আছিল ছাত্ৰ আন্দোলন। ৰাজনৈতিক প্ৰভাৱত ছাত্ৰসকলে পূৰ্বাপৰ চলি থকা বিদ্যায়তনিক অনুশীলনক মানি ল'বলৈ অস্বীকাৰ কৰিছিল।

পিটাৰ বাৰীয়ে সম্পাদনা কৰা Issues in Contemporary Critical theory কিতাপখনত সাহিত্য সমালোচনাৰ এলানি তাত্ত্বিক আলোচনা বিষয়ক ৰচনা আছে। কিতাপখনৰ ৰচনাসমূহ তিনিটা খণ্ডত বিভক্ত। প্ৰথম খণ্ডত আধুনিকতাবাদী তত্ত্বৰ কথা আছে, দ্বিতীয় খণ্ডত সাম্প্ৰতিক কালত হোৱা প্ৰধান বিতৰ্ক কেতবোৰ সামৰা হৈছে আৰু তৃতীয় খণ্ডত নতুন সাহিত্য তত্ত্ব প্ৰয়োগ কৰি উপন্যাস, কবিতা আৰু নাটক সমালোচনা কেনে হ'ব পাৰে তাৰ আৰ্হি দাঙি ধৰা হৈছে। আমি দেখাত কিতাপখনৰ দ্বিতীয় খণ্ডৰ বিতৰ্কসমূহ আটাইতকৈ গুৰুত্বপূৰ্ণ।

দ্বিতীয় খণ্ডৰ শিৰোণাম Major Issues in Contemporary Debates, অৰ্থাৎ সাম্প্ৰতিক সমালোচনা তত্ত্বত বিতৰ্কিত হোৱা প্ৰধান বিষয়সমূহ। এই বিষয়সমূহ এনে ধৰণৰ ঃ তত্ত্বৰ প্ৰয়োজন আছেনে? সাহিত্যকৃতিয়ে কি প্ৰতিনিধিত্ব কৰে? সাহিত্য ভাষা নেকি? নিৰ্গঠন বা বিনিৰ্মাণ কি? পাঠকৰ স্থান কি? ইয়াৰে প্ৰথমখন ৰচনাত অভিজ্ঞতাবাদ আৰু তত্ত্ববাদৰ আলোচনা কৰা হৈছে। তত্ত্ববাদে প্ৰায়োগিক অনুসন্ধান আৰু অভিজ্ঞতাতকৈ তাত্ত্বিক অনুসন্ধান আৰু বিমূৰ্ত নীতিৰ ওপৰত অধিক গুৰুত্ব দিয়ে। তত্ত্বৰ প্ৰয়োজন আছে নে নাই তাক লৈ যোৱা শতিকাৰ ৭০ আৰু ৮০ৰ দশকত পণ্ডিতসকলৰ মাজত তিক্ত বিতৰ্ক হৈছিল। এই বিতৰ্কত জৰ্জ ৰাটচনৰ The Discipline of English গ্ৰন্থৰ পৰা এছোৱা তুলি ধৰা হৈছে।

জৰ্জ ৰাট্‌চনে যুক্তি দৰ্শাইছে যে সমালোচনা তত্ত্বই সাহিত্য জ্ঞানৰ মূল ভিত্তি বুলি দাবী কৰে যদিও সেই দাবী মিছা। সাধাৰণ নিৰীক্ষণ এটা সত্য হ'ব পাৰে। কিন্তু এই সত্য বিশেষ উদাহৰণৰ ওপৰত নিৰ্ভৰশীল। ট্ৰেজেডি নাটকৰ তত্ত্ব এটা তৈয়াৰ কৰিবলৈ পোনতে ট্ৰেজেডিৰ জ্ঞানৰ প্ৰয়োজন হ'ব। আন একোৰে ওপৰত নিৰ্ভৰ কৰি তত্ত্বই গঢ় ল'ব নোৱাৰে। সমালোচনা তত্ত্বৰ জ্ঞান কেতিয়াও সাহিত্য জ্ঞানৰ মূল ভিত্তি হ'ব নোৱাৰে। ৰাটচনে প্ৰশ্ন কৰিছে—'বতাহত ওপঙি থকা ভেটি এটাৰ কথা কোনে ক'ত শুনিছে?' সাহিত্য জ্ঞানৰ ভেটি হ'ল কবিতা, নাটক, গল্প, উপন্যাসৰ জ্ঞান আৰু সেইবোৰ জানিব লাগিব। সাধাৰণ মানুহ এজনৰ কাৰণে শ্বেক্সপীয়েৰৰ হেমলেট নাটকখনৰ কথা আগ আৰু ট্ৰেজিক নাটকৰ তত্ত্বৰ কথা পাছত আহিব। নাটকখনৰ কথা প্ৰথম, কাৰণ নাটকখনৰ কথা প্ৰথমে জানিব লাগিব। নাটকৰ জ্ঞান আৰু তত্ত্বৰ জ্ঞানৰ ভিতৰত নাটকৰ অধিক শক্তিশালী।

গুৰুত্বৰ এই কথা অৱহেলা কৰিলে সাহিত্যৰ জ্ঞানেই বিকৃত হৈ যাব পাৰে। জৰ্জ ৰাটচনে তেওঁৰ যুক্তিৰ সমৰ্থনত আদালতত সাক্ষী হোৱা মানুহ এজনৰ উদাহৰণ দিছে। সাক্ষী এজনে যিটো ঘটনা দেখিছিল বুলি সাক্ষ্য প্ৰদান কৰিছে, সেই ঘটনাৰ সমস্ত তাৎপৰ্য যদি বুজা নাছিল, তেন্তে তেওঁ দিয়া সাক্ষ্য ঘটনাৰ সমস্ত তাৎপৰ্য বুজি সাক্ষ্য প্ৰদান কৰা ইজন সাক্ষীৰ সাক্ষ্যতকৈ অদিক নিৰ্ভৰযোগ্য। তেনে কাৰণতে ট্ৰেজেডি অথবা কমেডিৰ সকলো কথা জানো বুলি দাবী কৰা লোক এজন ট্ৰেজেডি অথবা কমেডি নাটক এখনৰ ভাল পাঠক নহয়। তেওঁলোক তত্ত্বৰ জ্ঞানৰ দ্বাৰা পৰিচালিত হয়, তেওঁলোক সঠিক আৰু মনোযোগী পাঠক হোৱাৰ আশা কম। তত্ত্বৰ জ্ঞানৰ জোৰত কিতাপ এখন পঢ়াৰ আগতেই সকলো উত্তৰ জানো বুলি ধৰি ল'লে পঠনক পংগু কৰাহে হয়। সাহিত্যকৃতি এটাৰ সম্পূৰ্ণ তাৎপৰ্য সম্পৰ্কে অনিশ্চিত হৈ থকা সমালোচক এজনক প্ৰশ্ন এটাৰ পোনপটীয়া উত্তৰ নিদিয়াৰ কাৰণে তেওঁক অজ্ঞ বুলি ভৱাৰো কোনো কাৰণ নাই। তেওঁৰ সাৱধানতাৰ ভিত্তি নিশ্চয় থাকিব পাৰে।

জ্ঞান দুই ধৰণৰ হ'ব পাৰে। এবিধক শব্দৰে বৰ্ণনা কৰিব পাৰি আৰু আনবিধক নোৱাৰি। সাহিত্য সমালোচনাত দ্বিতীয় বিধৰ জ্ঞানক গুৰুত্ব কম দিয়া হয়। পঢ়াশালিৰ শ্ৰেণীকোঠাত শব্দৰে কৰা যোগাযোগৰ ওপৰতে গুৰুত্ব দিয়া হয় আৰু সেই বাবে যিকোনো ফৰমুলাকে ফৰমুলাৰ অনুপস্থিতিতকৈ ভাল বুলি ধৰা হয়। বিমূৰ্তৰ শাব্দিক সংজ্ঞা বা ফৰমুলাতকৈ নিৰৱতা, আঙুলিৰ নিৰ্দেশ এটা অথবা উচ্চাৰণ কৰা ধ্বনি এটা মাত্ৰ আগবাঢ়ি থকা জ্ঞানৰ সাক্ষ্য হ'ব পাৰে।



CASEBOOK SERIES
GENERAL EDITOR A. E. DYSON

Issues in Contemporary Critical Theory

A SELECTION OF CRITICAL ESSAYS
EDITED BY PETER BARRY

জৰ্জ ৰাট্‌চনে নিজকে লৈ আন এটা উদাহৰণ দিছে। ইংৰাজী তেওঁৰ মাতৃভাষা কাৰণে আৰু ফৰাছী স্কুলত শিকা ভাষা বাবে এইটো দেখ দেখ কথা যে তেওঁ ফৰাছীতকৈ ইংৰাজী বেছি ভালকৈ জানে। ইংৰাজী অনায়াসে আৰু শুদ্ধকৈ ক'ব পৰা কাৰণে তেওঁ কথাটো কোৱা নাই। কিন্তু বিদেশী মানুহ এজনে যদি তেওঁক প্ৰশ্ন কৰে, 'এই কথাটো ইংৰাজীত প্ৰকাশ কৰিব পাৰিনে' বুলি, তেতিয়া ইংৰাজীত কোনটো কথা প্ৰকাশ কৰিব পাৰি আৰু কোনটো নোৱাৰি তেওঁ বুজি পায়। আনহাতে, তেওঁ ফৰাছী ব্যাকৰণৰ নিয়মবোৰ মনত ৰাখিছে কাৰণে শ্ৰেণী কোঠাত তেওঁ ফৰাছী শিকোৱা ভাল শিক্ষক হ'ব পাৰে, কিন্তু ব্যাকৰণৰ নিয়মবোৰ মনত নেপেলোৱাকৈ ফৰাছী ক'ব নোৱাৰে। এতিয়া ইংৰাজী ফালে ঢাল খোৱা সমালোচনাত্মক মনে নিজৰ পাৰদৰ্শিতা দেখুৱাবলৈ মৌনতাক আশ্ৰয় কৰিব নোৱাৰে। সমালোচকে নিজক সাব্যস্ত কৰিবলৈ সৰব হ'ব লাগিবই। ৰাটচনৰ মতে সময়ত ব্যাকৰণৰ নিয়মতকৈ ফৰাছী ব্যাকৰণৰ নিয়মবোৰ মনত ৰাখি মাতি যাব পাৰে কাৰণেই তেওঁক ইংৰাজীতকৈ বেছি ফৰাছী জনা লোক বুলি ক'ব নেকি?

ৰাৰ্টচনে সিদ্ধান্ত কৰিছে যে সংজ্ঞা আৰু নীতি-নিয়মৰ জ্ঞান তুলনামূলক জ্ঞানৰ নহয়, তুলনামূলক অজ্ঞতাৰহে পৰিচয়। এটা কথা ঠিক যে ফৰাছী ব্যাকৰণৰ নীতি-নিয়মবোৰ নজনা হ'লে ফৰাছী ভাষাৰ জ্ঞান আৰু কম হ'লহেঁতেন। কিন্তু তেওঁ যদি ফ্ৰান্সতে থাকিবলৈ ল'লেহেঁতেন তেতিয়া ফৰাছী ব্যাকৰণৰ নিয়মবোৰ পাহৰি গ'লেও ফৰাছী ভাষাৰ জ্ঞান বাঢ়িলহেঁতেন। নিয়মৰ জ্ঞান কেতিয়াও নিবিড় জ্ঞানৰ লক্ষণ নহয়। যিসকলে ট্ৰেজেডি, শ্লেষ, বাস্তৱবাদ আদি সাহিত্য পৰিভাষাৰ সংজ্ঞা দাবী কৰে আৰু সংজ্ঞাৰ অভাৱক ট্ৰেজেডি, শ্লেষ অথবা বাস্তৱবাদৰ জ্ঞানৰ অভাৱ বুলি ভাৱে, সেইসকলে এই কথা মনত ৰখা ভাল। যিসকলে ইচ্‌কিলাছ্ শ্বেক্সপীয়েৰ, ইবচেন, পিণ্টাৰ আদি নাট্যকাৰৰ নাটকসমূহ পঢ়িছে তেওঁলোকে ট্ৰেজেডিৰ সংজ্ঞাৰ অভাৱ কেতিয়াও অনুভৱ নকৰে।

জৰ্জ ৰাট্‌চনে এই প্ৰসংগতে আৰু এটা উদাহৰণ দাঙি ধৰিছে। আমাৰ মাজৰ প্ৰায় সকলোৰে এবাৰ চালেই কোনজন মানুহ বুঢ়া আৰু কোনজন ডেকা সেই কথা ধৰিব পাৰো, কিন্তু আমি বয়স ইংগিত কৰা লক্ষণবোৰৰ তালিকা এখন প্ৰস্তুত নকৰো। চুলি পকা আৰু সৰা, কুঁজা হোৱা, ছাল সোঁতোৰা পৰা ইত্যাদি লক্ষণবোৰৰ কোনটো সকলোতকৈ গুৰুত্বপূৰ্ণ। গোটেইবোৰ লক্ষণ মানুহ এজনৰ গাত একে সময়তে উপস্থিত থাকিব লাগিব নে নালাগে ইত্যাদি কথাবোৰৰ কোনেও তালিকা প্ৰস্তুত নকৰে। বৃদ্ধাৱস্থাৰ বিষয়ে সাধাৰণ মানুহক বাৰ্ধক্যবিদৰ সূক্ষ্ম আৰু সঠিক জ্ঞানৰ প্ৰয়োজনো নাই। তেওঁ দেখিলেই বাৰ্ধক্যক চিনি পায়।

জৰ্জ ৰাট্‌চনৰ মতে তত্ত্বৰ ওপৰত দিয়া গুৰুত্বই সাহিত্যৰ জ্ঞানক হ্ৰাস বা লঘুহে কৰে। নিয়মৰ লগত খাপ খুৱাবলৈ তত্ত্বৰ আধাৰত সাহিত্য কৃতিৰ সৰলীকৃত ব্যাখ্যাহে আগবঢ়োৱা হয়। ফৰমুলাৰ আধাৰত ব্যাখ্যা কৰিব নোৱাৰিলেই মানুহ এজনৰ সাহিত্য জ্ঞান উপৰুৱা বা তৰল বুলি ধৰি লোৱা অনুচিত। জৰ্জ ৰাট্‌চনৰ মতামতক অৱশ্যে জনাথান ডলিমৰৰ দৰে সমালোচকে বিৰোধিতা কৰিছে।

ফোন ঃ ৯৮৬৪২৩২০৮৬

> সমালোচনা তত্ত্বই সাহিত্য জ্ঞানৰ মূল ভিত্তি বুলি দাবী কৰে যদিও সেই দাবী মিছা। সাধাৰণ নিৰীক্ষণ এটা সত্য হ'ব পাৰে। কিন্তু এই সত্য বিশেষ উদাহৰণৰ ওপৰত নিৰ্ভৰশীল। ট্ৰেজেডি নাটকৰ তত্ত্ব এটা তৈয়াৰ কৰিবলৈ পোনতে ট্ৰেজেডিৰ জ্ঞানৰ প্ৰয়োজন হ'ব। আন একোৰে ওপৰত নিৰ্ভৰ কৰি তত্ত্বই গঢ় ল'ব নোৱাৰে।

পাৰ লাগেক্‌ভিষ্টৰ কথা সৃষ্টিত

নৰক দৰ্শনৰ অভিজ্ঞতা

সাহিত্যৰ ৰূপৰেখা

ড° নিভাৰাণী ফুকন





ছুইডিছ সাহিত্যৰ এগৰাকী অন্যতম হোতা হৈছে পাৰ ফেবিয়ান লাগেক্‌ভিষ্ট। তেওঁৰ জন্ম ১৮৯১ৰ ২৩ মে'ত। এটা নৈষ্ঠিক ধৰ্মীয় বাতাবৰণ আৰু ধৰ্মীয় পুথিৰ অধ্যয়নৰ মাজেদি তেওঁৰ শৈশৱ অতিবাহিত হৈছিল। চুইডেনৰ দক্ষিণ অঞ্চলত জন্মগ্ৰহণ কৰা পাৰ ফেবিয়ান লাগেক্‌ভিষ্টৰ পিতৃ এণ্ডাৰ্ছ জোহান লাগেক্‌ভিষ্ট ষ্টেছন মাষ্টৰ আছিল। তেওঁৰ মাতৃ জোহান্না ব্লাড। তেওঁ লেখক বৃত্তিকে জীৱনৰ লক্ষ্যৰূপে নিৰ্ধাৰণ কৰি উপ্‌চালা বিশ্ববিদ্যালয়ত উচ্চ শিক্ষা লাভৰ বাবে পঞ্জীয়নভুক্ত হৈছিল। ১৯১৩ত তেওঁ পেৰী চহৰলৈ প্ৰস্থান কৰিছিল। এই যাত্ৰাই পৰৱৰ্তী সময়ৰ বাবে তেওঁক বিশেষভাৱে সাজু কৰি তুলিছিল। মূলতঃ তেওঁৰ সৃষ্টিশীল ৰচনাৰাজিত সেই সময়ছোৱাৰ প্ৰভাৱ গভীৰ। সমসাময়িক পেৰীত চিত্ৰকলাৰ ক্ষেত্ৰত উদ্ভৱ হোৱা একছ্‌প্ৰেশ্বনিজমৰ দ্বাৰা তেওঁ বাৰুকৈয়েই প্ৰভাৱিত হৈছিল। এই প্ৰভাৱে তেওঁৰ হাতত জীৱন্ত ৰূপ লাভ কৰে ১৯১৩ত প্ৰকাশিত হোৱা তেওঁৰ সৃষ্টি Verbal Art and Pictorial Artৰ মাজেদি।

বিশ্বযুদ্ধই গ্ৰাস কৰা ইউৰোপৰ এক বিপুল ভূমিখণ্ডই তেওঁৰ শিল্পীমনত গভীৰ ৰেখাপাত কৰিছিল। শৈশৱতে লাভ কৰা পাপ-পুণ্যৰ ধাৰণা আৰু স্বৰ্গ-নৰকৰ শিক্ষাই পৈণত বয়সত তেওঁৰ যুক্তিবাদী মন আৰু চেতনাত এক অদ্ভুত ঘূৰ্ণীবতাহৰ সৃষ্টি কৰিলে। 'ঈশ্বৰৰ সৰ্বশ্ৰেষ্ঠ সৃষ্টি মানুহ'ৰ কিছুমান অকাৰ্যই তেওঁৰ মনত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছিল। তাতে জাৰ্মানীত ফেচীবাদৰ উত্থানে তেওঁৰ মনত গভীৰ প্ৰভাৱ পেলাইছিল।

কবি, কথাশিল্পী আৰু নাট্যকাৰ পাৰ লাগেক্‌ভিষ্টে সাহিত্যৰ এই ত্ৰিধাৰাত অভূতপূৰ্ব অৰিহণা আগবঢ়াই থৈ গৈছে। তেওঁৰ আত্মজীৱনীমূলক লেখা Guest of Reality (১৯২৫) আৰু The Conqured Life (১৯২৭)ত তেওঁৰ জীৱনৰ আদি কালৰ অনুভৱ-উপলব্ধিৰ কথা লিপিবদ্ধ হৈছে। সংবেদনশীল কবিমনৰ প্ৰকাশ ঘটিছে তেওঁৰ কাব্যসৃষ্টি Anguish (১৯১৬) আৰু Songs from the Heart (১৯২৬)। তেওঁৰ এই কাব্যসৃষ্টি দুখনক দুখ আৰু হতাশাৰ পৰা আনন্দ আৰু সন্তুষ্টিলৈ উত্তৰণ বুলি ক'লেও হয়তো ভুল কোৱা নহ'ব কাৰণ প্ৰথম কাব্য ৰচনাত প্ৰথম বিশ্বযুদ্ধই জীৱন আৰু সমাজলৈ নমাই অনা হিংসা-দ্বেষ আৰু মানৱীয় মূল্যৰ অৱক্ষয়ৰ এখন ৰুক্ষ, বিধ্বংসী ছবি তেওঁৰ লগতে আন বহুতো সচেতন লোকে প্ৰত্যক্ষ কৰিছিল। সেই সময়ছোৱাত উদ্বেগ-আশংকা তেওঁৰ প্ৰথম কাব্য সংকলন Anguishত লিপিবদ্ধ হৈছে। অন্ধকাৰৰ অন্তত পোহৰৰ কণাই পোখা মেলিবই -- এইটো ধ্ৰুৱ সত্য। সেই পোহৰ ৰূপী প্ৰেমৰ আশ্বাস, প্ৰেমে ক্ষয়গ্ৰস্ত মানৱচেতনালৈ কঢ়িয়াই আনিব পৰা আশাৰ বতৰা তেওঁৰ দ্বিতীয় কাব্য সংকলন Song from the Heart-এ বহন কৰিছে। প্ৰেমৰ সেইটো পৰম শক্তিশালী সন্মোহিনী শক্তি আছে যিয়ে পৃথিৱীৰ শোক-তাপ নিমিষতে হৰণ কৰি আৰ্তজনক হিয়া-মনত উৎসাহ-আকাংক্ষা আৰু নতুন আশাৰ বীজ ৰোপণ কৰিব পাৰে।

নাট্যকাৰ হিচাপে তেওঁৰ শক্তিশালী স্থিতি ঘোষিত হৈছে তেওঁৰ নাট্যকৃতি The Difficult Hour (১৯১৮), The Secret of Heaven (১৯১৯), He Who Lived His Life Over Again (১৯২৮) The Hangman (১৯৩৩), The Man without a Soul (১৯৩৬) আৰু Victory in the Darkness (১৯৩৯)। যুগ যুগ ধৰি চলি থকা মানুহৰ ওপৰত মানুহৰ দমন উৎপীড়নৰ ছবি The Man without a Soul নাটকখনত বিবৃত হৈছে। The Hangman নাটকখনৰ ফেচীবাদৰ বিৰুদ্ধে নাট্যকাৰ লাগেক্‌ভিষ্টৰ তীব্ৰ ঘৃণা আৰু আক্ৰোশ ফুটি উঠিছে। ১৯৪৯ৰ তেওঁৰ অগতানুগতিক নাটক Let Man Liveখনত এনে এটা বিষয়বস্তু উপস্থাপন কৰা হৈছে, য'ত মানুহে তেওঁৰ সমগোত্ৰীয় মানুহকো সিবিলাকৰ দোষ-দুৰ্বলতাৰ বাবে বিচাৰ কৰি দোষীজনক মৃত্যুদণ্ড পৰ্যন্ত দিব পাৰে।

তেওঁৰ চুটিগল্পসমূহ ইংৰাজী ভাষালৈ অনূদিত হৈছে। তাৰে ১৯ টা অনূদিত চুটিগল্প The Marriage Feast (১৯৭৩)ত প্ৰকাশিত হৈছিল। তেওঁৰ উপন্যাস The Dwarf প্ৰকাশে (১৯৪৪) ছুইডিছ সমালোচকসকলক তেওঁৰ কথা সৃষ্টিৰ প্ৰতি আকৃষ্ট কৰিছিল। ১৯৫০ত প্ৰকাশিত উপন্যাস Barabbas-এ তেওঁক বিশ্ব খ্যাতি প্ৰদান কৰিছিল। ১৯৫৬ত তেওঁৰ উপন্যাস The Sibyl প্ৰকাশিত হৈছিল।

The Dwarf অৰ্থাৎ 'বাওনা' উপন্যাসত বাওনা চৰিত্ৰটো নিজেই কাহিনীৰ কথক। উপন্যাসৰ কাহিনীৰ পটভূমি ৰূপে আছে মধ্যযুগৰ নৱজাগৰণৰ সময়ৰ ইটালীৰ এগৰাকী বিশেষ ৰাজকোঁৱৰৰ ৰাজসভা, য'ত বাওনাটো নিপুণ চিত্ৰকৰ হোৱাৰ লগতে শাসক ৰাজকোঁৱৰৰ অতি বিশ্বস্ত পাত্ৰ। বাওনাই নিজৰ জীৱনৰ খুঁটি-নাটি সকলো কথাৰ বিৱৰণি নথিভুক্ত কৰি থ'বলৈ ভাল পায়। সেই প্ৰক্ৰিয়াত বাওনাৰ সংস্পৰ্শলৈ অহা আৰু তাৰ চৌদিশে বিচৰণ কৰা মানুহ আৰু পৰিৱেশ-পৰিস্থিতিয়েও স্থান পায়। শাসকৰ প্ৰিয় পাত্ৰ হিচাপে বাওনাই শাসকৰ শত্ৰুসমূহক বা শাসকৰ প্ৰতিদ্বন্দ্বীসমূহক বিষাক্ত মদিৰা পান কৰাই হত্যা কৰাৰ আদেশ লাভ কৰিছিল। সেই প্ৰক্ৰিয়াত বাওনাই শাসকৰ প্ৰতিদ্বন্দ্বী আৰু শাসকৰ স্ত্ৰীৰ অধিক প্ৰেমিক গৰাকীক হত্যা কৰাৰ সুযোগ গ্ৰহণ কৰিছিল। বাওনাই সেই ব্যক্তিজনক হত্যা কৰাৰ অন্য এটা কাৰণো আছিল। সেয়া এইটোৱেই যে সেই ব্যক্তিজনক বাওনাই বেয়া পাইছিল। কাহিনীৰ শেষৰ ফালে বাওনাক শাসকৰ পত্নীক ধৰ্মীয় অপৰাধৰ দণ্ড হিচাপে চাবুকেৰে কোবাই হত্যা কৰাৰ অভিযোগত শৃঙ্খলিত কৰি ৰাজকাৰেঙৰ পোতাশাললৈ নিক্ষেপ কৰা হৈছিল। কিন্তু বাওনাই সেই দণ্ডটো সহজভাৱে লৈছিল। সি কৈছিল, 'অতি সোনকালে ৰাজকোঁৱৰক তেওঁৰ পুনৰ প্ৰয়োজন হ'ব।'

এই উপন্যাসখন বিশ্লেষণ কৰিলে ইয়াত প্ৰতীকাকাৰে মানৱীয় দোষ-দুৰ্বলতা আৰু মানুহৰ মনত সুপ্ত হৈ থকা পাপবোধৰ প্ৰকাশ ঘটোৱা হৈছে। বাওনাটো নিজেই ৰূপৰ প্ৰতীক। সি উপন্যাসত থকা অন্যান্য চৰিত্ৰৰ মাজত নিহিত থকা পাপবোধ উন্মোচন কৰাৰ এটা মাধ্যম ৰূপে কাম কৰিছে।

১৯৫০ত প্ৰকাশিত তেওঁৰ উপন্যাস Barabbas এ তেওঁক বিশ্বজোৰা খ্যাতি প্ৰদান কৰে। এইখন এখন ঐতিহাসিক উপন্যাস ৰূপে স্বীকৃত। ইয়াত যীশু খ্ৰীষ্টৰ লগত বিচাৰ হোৱা বাৰাব্বাচ নামৰ পাপীটোৰ কাহিনী লিপিবদ্ধ হৈছে। সেই বাৰাব্বাচৰ পৰিৱৰ্তে ইহুদীয়ে যিশু খ্ৰীষ্টৰ মৃত্যুদণ্ড বিচাৰিছিল। সেয়ে হৈছিল। উপন্যাসৰ বিষয়বস্তু ৰূপে আছে বাৰাব্বাচৰ আত্মবিশ্লেষণ, যিশুখ্ৰীষ্টক তাৰ নিজৰ দৃষ্টিৰে পৰ্যবেক্ষণৰ প্ৰয়াস, যি প্ৰয়াসৰ বাৰাব্বাচ পূৰ্ণৰূপে সফল হোৱা নাছিল। ইয়াৰ কাৰণ এইটোৱেই যে সি এটা প্ৰেমহীন জীৱন অতিবাহিত কৰিছিল। সেইবাবে খ্ৰীষ্টিয়ান ধৰ্মত থকা প্ৰেমৰ বাণীনো কি সেয়া তাৰ মন মস্তিষ্কই ঢুকি পোৱা নাছিল, তাৰ জীৱন অন্ধকাৰতে আৰম্ভ হৈ অন্ধকাৰতে নিমজ্জিত হৈছিল।

মন কৰিবলগীয়া যে ১৯৫১ত পাৰ লাগেকভিষ্ট সাহিত্যৰ ন'বেল বঁটাৰে সন্মানিত হৈছিল।

এইগৰাকী কথা শিল্পীৰ গল্পগুচ্ছত সন্নিৱিষ্ট থকা এটা অগতানুগতিক গল্প হৈছে The Lift that went down into Hell.। কাহিনীৰ বিষয়বস্তু অবৈধ সম্পৰ্ক। মি. স্মিথ নামৰ ব্যক্তি এগৰাকীয়ে তেওঁৰ প্ৰেয়সীৰ লগত নৈশ যাপনৰ উদ্দেশ্যৰে এটা ভব্য অট্টালিকাৰ লিফটত প্ৰবেশ কৰিছে। আশ্চৰ্যজনকভাৱে তেওঁলোক দুয়ো সেই লিফটত উঠাৰ পাছত সেইটো বহুদূৰ তললৈ নামি যায়। তেওঁলোকৰ এনে ভাব হৈছিল যেন তেওঁলোক অনন্তকাল ধৰি সেই লিফটটোৰ ভিতৰত থিয় দি আছে আৰু সেইটো তললৈ আৰু তললৈ গতি কৰি আছিল। অৱশেষত সেইটো এঠাইত ৰৈ গৈছিল। তেওঁলোকক আদৰণি জনাবলৈ ৰৈ থকা ব্যক্তিজনে নিজকে নৰকৰ চয়তান বুলি পৰিচয় দি অতি নম্ৰভাৱে তেওঁলোকক নিৰিড়ভাৱে নৈশযাপন কৰিবলৈ এটা নিৰ্দিষ্ট কোঠাৰ ফালে যাবলৈ ক'লে। লগতে সেই বিশেষ কোঠাৰ ছাবিটোৱো দিলে। প্ৰেমিক-প্ৰেমিকাদ্বয় কিছু আচৰিত হৈছিল যদিও কামনা-বাসনা চৰিতাৰ্থ কৰাৰ হুতাহতেই হওক বা অন্য কিবা কাৰণতেই হওক পৃথিৱীত বাস কৰা সৰ্বসাধাৰণ মানুহৰ দৰে তেওঁলোকে 'নৰকৰ' কথালৈ বৰ বেছি মূৰ নঘমালে। দুয়ো পৰস্পৰত মজি আছিল। কিন্তু তেনেতে পুৰুষজনে মদ্যপানৰ অভিলাষ প্ৰকাশ কৰাত এজন বিশেষ ব্যক্তিয়ে বেলেগ এটা কোঠাৰ পৰা তেওঁলোকলৈ মদিৰাৰ পাত্ৰ আৰু অন্যান্য সা-সৰঞ্জাম লৈ আনে। সেই ব্যক্তিৰ মুখাৱয়ব দেখি প্ৰণয়ী গৰাকী সচকিত হৈছিল, কাৰণ সেই তৃতীয় ব্যক্তি তেওঁৰ পূৰ্বৰ প্ৰেমিক আৰ্ভিডৰ বাহিৰে আন কোনো নাছিল। আৰ্ভিডৰ কপালত গুলি লাগি হোৱা ঘাঁ এডোখৰ আছিল।

এই আকস্মিক পৰিস্থিতিৰ বাবে দুয়ো প্ৰেমিক-প্ৰেমিকা সাজু নাছিল। তেওঁলোকে সেই স্থান পৰিত্যাগ কৰি লিফটটোৰ ওচৰলৈ আহি লিফটত উঠি সেই পাতালপুৰী ত্যাগ কৰাৰ যো-জা কৰিছিল। নাৰীগৰাকী কিছু সচকিত হৈছিল যদিও তেওঁৰ মনত কোনো অনুশোচনাৰ ভাব নাছিল। তেওঁ মাথোন তেওঁৰ প্ৰেমিকক এইষাৰ কথাই কৈছিল যে তেওঁলোকে তেওঁলোকৰ প্ৰমোদ ভ্ৰমণৰ দিনটো সলনি কৰিব পাৰিলেহেঁতেন, 'নৰকৰ' পৰা পৃথিৱীলৈ উভতিবৰ পৰত চয়তানৰ লগত পুনৰ তেওঁলোকৰ মুখামুখি হৈছিল। সম্পূৰ্ণ ব্যৱসায়িক ভাব-ভংগীৰে চয়তানে তেওঁলোকৰ সেই প্ৰমোদ যাত্ৰা কেনে হ'ল তাৰ খবৰ ল'লে আৰু ক'লে যে তেওঁলোকে তালৈ অহা 'অতিথি'সকলৰ সা-সুবিধাৰ প্ৰতি দৃষ্টি ৰাখি ব্যৱস্থাবোৰ পূৰ্বৰ তুলনাত উন্নত কৰিবলৈ চেষ্টাৰ ক্ৰুটি কৰা নাই। গতিকে পৃথিৱীবাসীৰ মনত 'নৰক' সম্পৰ্কে থকা পূৰ্বৰ যি ধাৰণা সেয়া সলনি হৈছে।

শ্লেষযুক্ত এই গল্পটোৰ কথা বস্তুৰ মাজেদি লেখকে মানুহৰ নৈতিকতা-অনৈতিকতাৰ চেতনা আৰু মানৱীয় মূল্যবোধলৈ অহা পৰিৱৰ্তন সম্পৰ্কে লেখকৰ এক ভিন্নধৰ্মী চিত্ৰপট অংকন কৰি তাৰ মাধ্যমেদি নিজৰ বক্তব্য প্ৰকাশ কৰিছে।

ইমেইল- neevarani11@gmail.com

তৃষ্ণানল

ড° সুচিত্ৰা কাকতী



মুখামুখি হৈছিলো
ডাৱৰৰ স'তে
বিজুলীৰ ৰেখা টানি
ক'লে—
মাদল-মাদকতাহীন মোৰ যাত্ৰা
যাবলৈ দিয়া
নুসুধিবা—
যাত্ৰাৰ সীমাৰেখা ক'ত?

পূজাৰ কৰণিত নাই
শাৰদীয় সম্ভাৰ
আহিনৰ বতৰত
শেৱালিও ফুলা নাই
নৈসৰ্গিক শোভাৰ ক্ষতিত
দুঃখিত প্ৰকৃতি। শৰৎ অহা নাই।

নৈৰ পাৰৰ
ক্ৰোধাগ্নি কঁহুৱাৰ
বুকুৰ বিলাপ
আনন্দত অধীৰা কঁহুৱা নহয়
এয়াতো আহিনৰ পৃথিৱী নহয়
আকাশতো নাই
শুকুলা মেঘৰ উচ্ছ্বাস
নিজৰাৰ কুলু কুলু সুৰ সমলয়।
নাই নাই
জাক পাতি, নাচি বাগি
নানাৰঙী পখিলাৰ জাক
সুগন্ধি বাগিচা

জোনাক বোকোচাত লৈ
ঘূৰি ফুৰা জোনাকীৰ নৈশ অভিসাৰ—
আহিন এনেকৈয়ে গুচি যাবা?

তুলসী পাত

জিলমিল বৰঠাকুৰ



বিদায় দিনৰ কঙালীতে কঙাল হ'লো মই
আকাশ এন্ধাৰ ম্ৰিয়মাণ গোলাপ
ৰক্তৰে ৰঞ্জিত মোৰ দুহাত,
হত্যা কৰিলো নিজক
তুলসীৰ তলৰ চাকিগছি জ্বলি আছে জ্বলক
বিদ্ৰূপৰ হাঁহিয়ে দোভাগ নিশা
বুকু কঁপায়/চকুলো সৰায়
জীৱনৰ বিয়লি বেলাত
অনুভৱ মোৰ
মই যেন এটি
সৰা তুলসীৰ পাত।

কবি অজিৎ বৰুৱাৰ কবিতা ঃ এটি বিশ্লেষণ

কাজুৰী দাস



আধুনিক অসমীয়া কবিতাত অজিৎ বৰুৱা (১৯২৮-২০১৫) এটা বিশিষ্ট আৰু পৰিচিত নাম। অজিৎ বৰুৱাই সজ্ঞানে সচেতনভাৱে তেওঁৰ কবিতাত ৰোমাণ্টিক ভাৱধাৰাৰ পৰিৱৰ্তে আধুনিক ভাৱধাৰাক স্থান দিছিল। আধুনিক কবিসকলৰ কবিতাত দেখা নোপোৱা ফৰাচী কবিতাৰ প্ৰভাৱ আমি বৰুৱাৰ কবিতাত প্ৰথমবাৰৰ কাৰণে পাওঁ। বিংশ শতাব্দীত বিষয়বস্তু আৰু আংগিকৰ দিশত সম্পূৰ্ণ এক নতুন কাব্য ধাৰা লৈ অসমীয়া কাব্য জগতত আবিৰ্ভাৱ হৈছিল কবি বৰুৱাৰ।

কবি বৰুৱাৰ কবিতাত মাজে মাজে প্ৰকৃতিৰ প্ৰতি প্ৰীতিভাৱ আছে যদিও তেওঁ প্ৰকৃতিৰ কবি নহয়। কাৰণ প্ৰকৃতিৰ সৌন্দৰ্য বা বিস্ময় তেওঁৰ কবিতাত ফুটি উঠা নাই। গভীৰ পানীত আধা ডুব গৈ থকা আৰু আধা ওপঙি থকা অথচ ভালকৈ মনিব নোৱাৰা জলজ উদ্ভিদৰ দৰেহে কবিৰ প্ৰকৃতি প্ৰীতি। কবি বৰুৱাই কৈছে— 'কি ভাৱিছিলো কি পাম

প্ৰতীতি আজিহে হয় ইন্দ্ৰিয় গ্ৰাহ্যতীত

আলিংগনৰ মিছা অংগীকাৰ'

(অলংকাৰ শাস্ত্ৰী)

কবিতাত দৰ্শন ফুটি উঠে যদিও কবিতা দৰ্শনৰ কোনো শাস্ত্ৰ নাই। যি কোনো কবিৰ যিকোনো কবিতা সংকলন এটা অধ্যয়ন কৰিলে জীৱন দৰ্শন সম্পৰ্কে কবিৰ দৰ্শন কি তাক সম্পূৰ্ণভাৱে ধৰিব নোৱাৰিলেও তাৰ আভাস পাব পাৰি। কিন্তু অজিৎ বৰুৱাৰ কবিতাত জীৱন দৰ্শন নিৰপেক্ষ। কোনো কোনো কবিতাত তেওঁৰ আৱেগ প্ৰকাশ পাইছে যদিও আৱেগৰ কোনো কাব্যিক কাৰণ নাই। কবিয়ে মাথোঁ পোনে পোনে কৈছে— 'হয় প্ৰেম, প্ৰেম মোৰ

বুকুৰ পানীৰ ডবিকণা।' (ফেটী কপৌ)

অজিৎ বৰুৱাই একেবাৰে সফলভাৱে এলিয়টৰ কবিতাত প্ৰভাৱ নিজৰ কবিতাত স্বীকাৰ কৰিছে যদিও এলিয়টৰ কবিতাত আমি নিঃসন্দেহ গাঁও নাপাওঁ; কিন্তু ইয়াৰ ব্যতিৰেকে বৰুৱাই 'হঠাৎ এছাটি অকলশৰীয়া বতাহ' কবিতাটোত অসমৰ ভিতৰুৱা গাঁৱৰ পটভূমিত জীৱনৰ নিঃসংগতাক পৰিস্ফুত কৰিছে। কবিতাটোত উল্লেখিত বতাহৰ জৰিয়তে তেওঁ নিঃসংগতাক ফুটাই তুলিছে। কবিতাটোত তেওঁৰ মৌলিকতা পৰিস্ফুট হৈছে।

অজিৎ বৰুৱাৰ 'মন-কুঁৱলী সময়' কবিতাটোত উল্লেখিত 'দূৰৰ গাঁৱৰ পৰা গুণ গুণকৈ ধোঁৱা উৰিছিল'—এই বাক্যটোত ইন্দ্ৰিয়ক সংশ্লেষণ বিদ্যমান। ইন্দ্ৰিয়ৰ সংশ্লেষণ ভাৱধাৰাটো তেওঁ ফৰাচী কবি বড়লেওৰ পৰা অসমীয়া কবিতালৈ আনিছিল।

অনুভূতিসিক্ত ভাষা আৰু শোক তেওঁৰ কবিতাত প্ৰকাশিত উঠা দেখা যায়। কবিৰ 'দুখৰ কবিতা' শীৰ্ষক কবিতাটো এই বিষয়ক কবিতা।

তেওঁৰ কবিতাত নিজস্ব সৃষ্টি শব্দৰো পয়োভৰ দেখা যায়। 'গুজৰি সুহুৰি মাৰিলে সোঁতাল বাঘে' 'দুখৰ কবিতা'ত সন্নিৱিষ্ট সোঁতাল বাঘ শব্দটো তেওঁৰ নিজা সৃষ্টি শব্দ। এই শব্দটোত কবি অজিৎ বৰুৱাৰ চিত্ৰকল্পও ফুটি উঠিছে। পানীৰ কোবাল সোঁতে একো একোটা শিলক এছাৰি বা খুন্দা মাৰোতে কবিৰ সেই পানীৰ সোঁতৰ একোটা সোঁতাল বাঘ পানী বাঘ সদৃশ লাগে।

আধুনিক কবিতাত প্ৰতিফলিত হোৱা দুটা কণ্ঠস্বৰ সাধাৰণতে বৰুৱাৰ 'ব্ৰহ্মপুত্ৰ' কবিতাটোত দেখা পোৱা যায়। ব্ৰহ্মপুত্ৰ কবিতাটো বহুস্বৰ বিশিষ্ট। পাঁচটা স্বৰৰ সমাৱেশ এই কবিতাটোত পৰিস্ফুট।

উৎকৃষ্ট আধুনিক কবিতাৰ অন্যতম বৈশিষ্ট হৈছে—

পৰিহাসজনিত কাৰুণ্য (আয়ৰণি)ৰ ব্যৱহাৰ। আই-এ ৰিচাৰ্ডছ, ক্লীয়েন্ত ব্ৰেক আদি সমালোচনাসকলে কৈছিল যে কবিতাত পৰিহাসজনিত কাৰুণ্যৰ ব্যৱহাৰ উৎকৃষ্ট আধুনিক কবিতাৰ নিদৰ্শন।

'অকাঠী কাঠৰ নাৱৰ পৰা খেদেৰে দেখো আৰু সেই চকু

যি হ'ল মুকুতা আজি'। (দুখৰ কবিতা)

উপৰোক্ত কবিতাফাকিৰ উল্লেখিত অকাঠী কাঠৰ নাও শব্দটো নৈঞৰ্থক অৰ্থত ব্যৱহৃত হৈছে। যি নাৱৰ পৰা মানুহৰ উপকাৰ নহয় বৰঞ্চ মানুহক মৃত্যুহে উপহাৰ দিয়ে সেই অৰ্থত অকাঠী কাঠৰ নাও শব্দটো পৰিহাসজনিত কাৰুণ্যক সূচাবলৈ কবিয়ে কবিতাটোত ব্যৱহাৰ কৰিছে।

কবিৰ বেছিভাগ কবিতাৰ শিৰোণাম ৰহস্যময়। শিৰোণাম পঢ়ি কবিতাৰ বিষয়বস্তুৰ আভাস পাব নোৱাৰি। উদাহৰণস্বৰূপে 'সৃষ্টি ওলোটাৰ কথা' শিৰোণামেৰে লিখা কবিতাটোৰ কথা উনুকিয়াব পাৰি।

কবি অজিৎ বৰুৱাৰ বিচিত্ৰ কাব্য প্ৰতিভাৰ অধিকাৰী। তেওঁৰ কাব্য সংকলন বা কবিতাৰ তাকৰ সংখ্যাই তেওঁ যে কবিতাক সাধনাৰে সৃষ্টি কৰিছিল সেই কথাৰ ইংগিত বহন কৰে। অজিৎ বৰুৱা সম্পূৰ্ণৰূপেই পৰম্পৰা ৰহিত অভিনৱ কবি। তেওঁৰ কবিতাৰ বিষয়বস্তু আৰু আংগিক দুয়োটাই অসংলগ্ন আৰু জটিল।

ফোন ঃ ৯১০১৪১৫৪২৬

শালবাৰীত যুৱকৰ ৰহস্যজনক মৃত্যু

তিনি পৃষ্ঠাৰ পৰা পৰিয়ালৰ লোকক খবৰ দিয়াত হুৱাদুৱাৰ সৃষ্টি হয়। পৰৱৰ্তী সময়ত ভবেনক শালবাৰী চিকিৎসালয়লৈ লৈ যোৱা হয় যদিও চিকিৎসকে মৃত বুলি ঘোষণা কৰে। ইতিমধ্যে মৃত ভবেনৰ দুই বন্ধু খনিন আৰু চাইনিজ পলাতক হৈ আছে। ভবেনৰ পৰিয়ালৰ লোকে এই দুই যুৱকৰ বিৰুদ্ধে ইতিমধ্যে আৰক্ষীক এজাহাৰ দাখিল কৰিছে। আজি ভবেনৰ মৃতদেহ মৰণোত্তৰ পৰীক্ষাৰ বাবে শালবাৰী আৰক্ষী থানাৰ পৰা বাগ্‌সা জিলা সদৰ মুছলপুৰলৈ প্ৰেৰণ কৰা হৈছে।

নগাঁৱত বৃদ্ধ পিতৃ-মাতৃক ৰাজহুৱাকৈ

তিনি পৃষ্ঠাৰ পৰা পিতৃ-মাতৃক এনেদৰে সম্বৰ্ধনা জ্ঞাপন কৰাত তেওঁলোক আৱেগিক হৈ পৰে। শ্ৰেণীবন্ধু-৭৬ৰ এগৰাকী সদস্যাৰ মাতৃ বিশিষ্ট সমাজসেৱী ৰেখা শৰ্মাই সম্বৰ্ধনাৰ প্ৰত্যুত্তৰত কয় যে বৰ্তমান সময়ত পিতৃ-মাতৃক সন্তানে শ্ৰদ্ধা জনোৱাতো পৃথিৱীৰ সকলোতকৈ ডাঙৰ আদৰ্শ হৈ পৰিছে। যিহেতু বহু উপযুক্ত পুত্ৰই আজিকালি পিতৃ-মাতৃক অৱহেলা কৰি বৃদ্ধাশ্ৰমত থৈ আহে। পিতৃ-মাতৃক অৱহেলা কৰাৰ সমান ডাঙৰ পাপ একো নাই বুলিও বৰ্ষীয়ান সমাজসেৱীগৰাকীয়ে মন্তব্য কৰে। বৃদ্ধ-পিতৃ মাতৃক শ্ৰেণীবন্ধু-৭৬ৰ সম্বৰ্ধনা জ্ঞাপনৰ এনে পদক্ষেপৰ তেওঁ শলাগ লয়। অনুষ্ঠানত কুসুম কুমাৰী বৰা, তগৰ বৰা, অলকা বৰঠাকুৰ, নিৰ্মালি হাজৰিকা, শোভা বৰকটকী, জয়ন্তীবালা গোস্বামী, ৰেণু বেজবৰুৱা প্ৰমুখ্যে কে'বাগৰাকী শ্ৰেণীবন্ধু-৭৬ৰ মাতৃয়ে সম্বৰ্ধনা গ্ৰহণ কৰি আৱেগিক হৈ পৰাৰ লগতে অনুষ্ঠানৰ শলাগ লয়। উল্লেখ্য যে সম্বৰ্ধনা অনুষ্ঠানত ৯০ৰ উৰ্দ্ধৰ কে'বাগৰাকী মাতৃয়ে অংশগ্ৰহণ কৰে। আনহাতে, অনুষ্ঠানত শ্ৰেণীবন্ধু-৭৬ৰ প্ৰয়াত সদস্যসকলক শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰি এগছিকৈ বন্তি প্ৰজ্বলন কৰা হয়। অনুষ্ঠানত প্ৰয়াত সদস্যসকলৰ পৰিয়ালৰ লোককো সম্বৰ্ধনা জ্ঞাপন কৰা হয়। শ্ৰেণীবন্ধু-৭৬ৰ কোষাধ্যক্ষ যতীন দাসে আঁতধৰা অনুষ্ঠানৰ আৰম্ভণিতে বন্তি প্ৰজ্বলন কৰে শ্ৰেণীবন্ধু-৭৬ৰ সভাপতি ড° শচীন্দ্ৰ কুমাৰ কাকতি, কাৰ্যকৰী সভাপতি চন্দন বৰা আৰু সম্পাদক ইফতিখাৰ আহমেদ নবীয়ে। সমবেত সংগীতেৰে আৰম্ভ কৰা অনুষ্ঠানত নৃত্য-গীত পৰিবেশন কৰা হয়। অনুষ্ঠানত শলাগৰ শৰাই আগবঢ়াই সম্পাদক নবীয়ে। অনুষ্ঠানত নগাঁৱৰ উপৰি ৰাজ্যৰ অন্যান্য প্ৰান্তত থকা শ্ৰেণীবন্ধু-৭৬ৰ সদস্য তথা তেওঁলোকৰ পৰিয়ালৰ ভালেসংখ্যক লোকে অংশগ্ৰহণ কৰে।

গণতান্ত্ৰিক আন্দোলনৰ ৬৬ গৰাকী

তিনি পৃষ্ঠাৰ পৰা সংগ্ৰামী সতীৰ্থ ক্ৰমে দীন কলিতা, মাধৱ বৰ্মন, মদন ডেকা, নিৰঞ্জন তালুকদাৰ, সুবোধ বৈশ্য, সুভাষ শৰ্মা, দীনেশ বৈশ্য আৰু ভূমিৰ অধিকাৰ সাব্যস্ত কৰিবলৈ গৈ মৃত্যুবৰণ কৰা ৰমেশ বৰ্মন, সুৰেণ বৰ্মন, শ্ৰমিক কৃষকৰ সংগ্ৰামৰ আদৰ্শৰে অনুপ্ৰাণিত ছাত্ৰ ছহিদ প্ৰদীপ চক্ৰৱৰ্তী, বিৰিঞ্চি পাটোৱাৰী, উদ্ধৱ পাঠক আদিৰ প্ৰতিচ্ছবি লৈ কে'বাখনো গাঁৱৰ পৰা ৰক্ত পতাকা সজ্জিত বাহনত কৃষক কৰ্মীসকল আহি নলবাৰী বৰমা ৰোডৰ কাৰ্যালয়ত উপস্থিত হয় আৰু কৃষক আন্দোলন গঢ়ি তোলাৰ ক্ষেত্ৰত প্ৰাতঃস্মৰণীয় ব্যক্তি জিলাখনৰ নৰেন দত্ত, সঞ্চিত নাৰায়ণ দত্ত বৰুৱা, প্ৰফুল্ল ডেকা, ধনো বৰ্মন, হাৰুণ আলী, লক্ষী কলিতা, মহেন্দ্ৰ কলিতা, মহেন্দ্ৰ দাস, সত্য দাস, হৰমোহন কলিতা, গিৰিন ভৰালী, ৰামেশ্বৰ কলিতা, চক্ৰ কলিতা, বিজয় ৰামচিয়াৰী, অগনি ৰামচিয়াৰী, হৰেশ্বৰ বসুমতাৰী, কনক হালৈ, প্ৰফুল্ল শৰ্মা, ভাবিত দাস, পঞ্চানন ভাগৱতী, খগেন বৰ্মন প্ৰমুখ্যে ৬৬গৰাকী বিশিষ্ট কৃষক আন্দোলনৰ কৰ্মীৰ প্ৰতিচ্ছবি সংগ্ৰহ কৰি আনি শ্ৰদ্ধাঞ্জলি নিবেদন কৰাৰ লগতে কাৰ্যসূচীত উপস্থিত থকা পৰিয়ালক সম্বৰ্ধনা জনোৱা হয়। কাৰ্যসূচী উন্মোচন কৰি দিয়া ভাষণত আদৰণি সমিতিৰ সম্পাদক ৰবীন মিশ্ৰই কয় যে নলবাৰী জিলাৰ কৃষক আন্দোলনৰ এক গৌৰৱোজ্জ্বল ইতিহাস আছে। ভূমিৰ অধিকাৰৰ স্বাৰ্থত তদানীন্তন সময়ৰ ৰাজ্যৰ ৰাজধানী ছিলঙলৈ কৃষক সভাই সমদল যাত্ৰা কৰি আন্দোলন সংগঠিত কৰিছিল। পৰৱৰ্তী সময়ত আধিয়াৰ আইন গ্ৰহণ আৰু কিছু পৰিমাণে কাৰ্যকৰী কৰিবলৈ চৰকাৰ বাধ্য হৈছিল। জাতীয় ঐক্য, সংহতি আৰু সাম্প্ৰদায়িক সম্প্ৰীতিৰ বিৰুদ্ধে অহা প্ৰবল প্ৰত্যাহ্বানৰ জটিল সময়ত আপোচবিহীনভাৱে থিয় দিয়াৰ ফলত নলবাৰীৰ গণতান্ত্ৰিক আন্দোলনৰ ইতিহাসৰ এক অধ্যায় তেজৰ আখৰেৰে লিপিবদ্ধ হ'ল। সেই ইতিহাস বেদনাদায়ক আৰু নিষ্ঠুৰ আছিল। জিলাখনৰ বৰ আজাৰাত ১৯৭১ত জমিদাৰৰ পৰিয়ালৰ সদস্যৰ গুলিত নিহত ৰায়ত বাহীৰাম শীলক সোঁৱৰণ কৰাৰ লগতে মিশ্ৰই জাতিৰ অস্তিত্বৰ সংকটৰ ভাবনাত আবেগ বিহ্বল অগণন যুৱকৰ আত্ম বলিদানৰ ইতিহাস শোকাৱহ বুলি উল্লেখ কৰে। আদৰণি সমিতিৰ কাৰ্যকৰী সভাপতি কৰুণা কলিতাৰ সঞ্চালনাত অনুষ্ঠিত সভাত কৃষক নেতা উমেশ দত্ত, সনাতন বৈশ্য, লীলি কলিতা, ধনজ্যোতি মেধি, প্ৰসন্ন বৰুৱা, ৰাজীৱ আলী, মনোৱাৰ হুছেইনসহ কে'বাগৰাকীও গণতান্ত্ৰিক আন্দোলনৰ সংগঠকে অনুষ্ঠানত বক্তব্য ৰাখি আগন্তুক ৰাজ্যিক কৃষক সন্মিলন ব্যাপক সফলতাৰ মাজেৰে সম্পন্ন কৰি নলবাৰীৰ গৰিমামণ্ডিত কৃষক আন্দোলনৰ ইতিহাসক নতুন গতিবেগ দিয়াৰ সংকল্পৰ কথা দোহাৰে।

সাহিত্যৰথীৰ বিশাল সাহিত্য কৰ্মৰ

তিনি পৃষ্ঠাৰ পৰা আদৰ্শ ব্যক্তি। তেওঁৰ আদৰ্শেৰে মই এতিয়াও সাহিত্য সাধনাত ব্ৰতী হৈ আছো। লক্ষ্মীনাথ বেজবৰুৱাৰ জীৱন কৰ্মৰ ওপৰত পৰ্যাপ্ত অধ্যয়ন আৰু গৱেষণা আজিও নহ'ল। তেওঁৰ বিশাল সাহিত্য কৰ্মৰ গভীৰ অধ্যয়ন আৰু প্ৰণালীবদ্ধ গৱেষণাৰ বাবে নৱ প্ৰজন্ম আগুৱাই অহা প্ৰয়োজন। আমাৰ দৰে সাহিত্যৰ সেৱকে তেওঁৰ সাগৰ সদৃশ জ্ঞানৰ ভিতৰত দুটা এটা মুকুতাও আমি বুটলিব পৰা নাই। তেওঁৰ দৰে উদাৰ ব্যক্তি আমাৰ সমাজত বিৰল। তেওঁৰ গদ্য সাহিত্যৰ পৰা শিক্ষা গ্ৰহণ কৰি আমি অসমীয়া জাতিক পুনৰ অধিক শক্তিশালী কৰি তুলিব পাৰো। এনে এজন ক্ষণজন্মা বিৰল প্ৰতিভাৰ অধিকাৰী বৰেণ্য ব্যক্তিৰ সাহিত্য বঁটাৰ বাবে মই নিজকে কেতিয়াও যোগ্য বুলি নাভাবো। এই বঁটাৰ বাবে নিৰ্বাচক সমিতিয়ে ভালদৰে বিচাৰ বিশ্লেষণ কৰি পৰিকল্পিতভাৱে যোগ্যজনক পৰৱৰ্তী বঁটাসমূহ প্ৰদান কৰা উচিত। এনে মনীষীৰ স্মৃতিত প্ৰদান কৰা বঁটা নিম্নগামী হ'লে বঁটাৰ মৰ্যাদা লাঘৱ হ'ব বুলি শ্বাহে মন্তব্য কৰে। এই বঁটা প্ৰদান কৰি সদৌ অসম ছাত্ৰ সন্থাৰ সভাপতি দীপাংক কুমাৰ নাথে কয় যে সাহিত্যৰথী ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱা বঁটা স্বনামধন্য সাহিত্যিক শ্বাহক প্ৰদান কৰিবলৈ পাই আমি ধন্য মানিছো। আমি এই সাহিত্য বঁটা যোগ্যজনক ধাৰাবাহিকভাৱে প্ৰদান কৰি যাম বুলি দীপাংক কুমাৰ নাথে মন্তব্য কৰে। এই বঁটা প্ৰদান অনুষ্ঠানত অৰ্জুন ভোগেশ্বৰ বৰুৱা, অৱসৰপ্ৰাপ্ত উপাধ্যক্ষা মনিকাঞ্চ শইকীয়া, শিৱসাগৰ চৰকাৰী বহুমুখী বিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ চৈয়দ হকিকুৰ ৰহমান, প্ৰাক্তন উপাধ্যক্ষ ৰালি উল্লা, গড়গাঁও মহাবিদ্যালয়ৰ অধ্যক্ষ ড° সব্যসাচী মহন্তৰ লগতে নগৰৰ বহু গণ্য-মান্য ব্যক্তি উপস্থিত থাকে। ইয়াৰ পাছত পূৰ্বে শিৱসাগৰ ছোৱালী কলেজৰ প্ৰেক্ষাগৃহত আছুৰ শিৱসাগৰ জিলা সমিতিৰ উদ্যোগত বিশেষ অভিনন্দন অনুষ্ঠান অনুষ্ঠিত হয়। জিলা ছাত্ৰ সন্থাৰ সভাপতি মানৱ হাজৰিকাৰ সভাপতিত্বত অনুষ্ঠিত এই অভিনন্দন অনুষ্ঠান উদ্বোধন কৰে শিৱসাগৰ জিলা উপায়ুক্ত আদিত্য বিক্ৰম যাদৱে। জিলা ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক দিপাংকৰ শইকীয়াই আদৰণি ভাষণ প্ৰদান কৰা এই অনুষ্ঠানত মুখ্য অতিথিৰূপে আছুৰ কেন্দ্ৰীয় সভাপতি দীপাংক কুমাৰ নাথে কয় যে অসম চৰকাৰৰ শিক্ষা বিভাগে বিজ্ঞান আৰু গণিত বিষয় দুটা তৃতীয় শ্ৰেণীৰ পৰা ইংৰাজী মাধ্যমত শিক্ষাদান কৰাৰ বাবে গ্ৰহণ কৰা সিদ্ধান্ত কেতিয়াও মানি লোৱা নহ'ব। এনে অবিবেচক সিদ্ধান্তৰ বাবে ছাত্ৰ-ছাত্ৰী ক্ষতিগ্ৰস্ত হ'ব। আছুৰ অনুৰোধ চৰকাৰে নামানিলে ছাত্ৰ-ছাত্ৰীৰ ভৱিষ্যতৰ সুৰক্ষিত কৰাৰ স্বাৰ্থত আছুৱে আন্দোলনৰ পথ গ্ৰহণ কৰিবলৈ বাধ্য হ'ব বুলি দীপাংক কুমাৰ নাথে মন্তব্য কৰে। এই অনুষ্ঠানত চলিত বৰ্ষৰ হাইস্কুল শিক্ষান্ত পৰীক্ষা আৰু উচ্চতৰ মাধ্যমিকৰ কলা, বাণিজ্য, বিজ্ঞান, শাখাৰ পৰীক্ষাত কৃতিত্বানুসাৰে উত্তীৰ্ণ হোৱা আঠ শতাধিক ছাত্ৰ-ছাত্ৰীক অভিনন্দন জনোৱা হয়। এই অনুষ্ঠানত আছুৰ কেন্দ্ৰীয় সহকাৰী সাধাৰণ সম্পাদক সমীৰন ফুকন, আছুৰ সাংগঠনিক সম্পাদক ৰাইফুদ্দিন আহমেদ, শিৱসাগৰ বাণিজ্য মহাবিদ্যালয়ৰ অধ্যক্ষ ড° সৌমাৰজ্যোতি মহন্ত, আছুৰ উপদেষ্টা উদ্দীপজ্যোতি গগৈ আৰু শিৱসাগৰ প্ৰেছ ক্লাবৰ সম্পাদক খলিলুৰ ৰহমান হাজৰিকা বিশিষ্ট অতিথিৰূপে অংশগ্ৰহণ কৰে।

আমি ৰাষ্ট্ৰীয়তাবাদী হ'লেও অসমত

তিনি পৃষ্ঠাৰ পৰা গ্ৰন্থমেলাৰ অতীৱ প্ৰয়োজন। সেয়ে মঙলদৈ প্ৰেছ ক্লাবে গ্ৰন্থমেলাৰ দৰে এই মহৎ কামটোকে কৰি অতি প্ৰশংসনীয় কাম কৰিছে।' এই ভাষ্য অসম চৰকাৰৰ জনস্বাস্থ্য কাৰিকৰী মন্ত্ৰী জয়ন্ত মল্লবৰুৱাৰ। মঙলদৈ প্ৰেছ ক্লাবৰ উদ্যোগত আৰু সদৌ অসম পুথি প্ৰকাশন আৰু বিক্ৰেতা সন্থাৰ সহযোগত যোৱা ১০ অক্টোবৰৰ পৰা ১৬ অক্টোবৰলৈ স্থানীয় গান্ধী ময়দানত অনুষ্ঠিত মঙলদৈ গ্ৰন্থমেলা আজি সামৰণি আৰু সম্বৰ্ধনা অনুষ্ঠানত মুখ্য অতিথিৰ ভাষণত মন্ত্ৰী বৰুৱাই লগতে ভিন্ন প্ৰসংগ উল্লেখেৰে কয়, 'আমি ৰাজনৈতিকভাৱে ৰাষ্ট্ৰীয়তাবাদী হ'লেও অসমৰ সৰ্বতোপ্ৰকাৰৰ উন্নয়নৰ বাবে যিদৰে ভাল সাংবাদিক লাগে, ভাল বিৰোধী সমালোচক লাগে, ভাল আমোলা লাগে, ভাল কৰ্মী লাগে; তেনেকৈ কট্টৰ জাতীয়তাবাদী নেতাও লাগে।'

উদ্‌যাপন সমিতিৰ সভাপতি তথা সাংসদ দিলীপ শকীয়াই সভাপতিত্ব কৰা আৰু শিল্পী প্ৰাঞ্জল শৰ্মাই আঁত ধৰা এই সামৰণি অনুষ্ঠানত ভাষণ দি বিটিচি প্ৰধান প্ৰমোদ বড়োৱে গ্ৰন্থমেলা আয়োজন কৰি এক সুন্দৰ গ্ৰন্থ আন্দোলন গঢ়ি তোলাৰ বাবে মঙলদৈ প্ৰেছ ক্লাবক ভূয়সী প্ৰশংসা কৰে আৰু মঙলদৈৰ উন্নয়নৰ বাবে যৎপৰোনাস্তি প্ৰয়াসৰ লগতে প্ৰয়োজনীয় সহায়ৰ হাত আগবঢ়াব বুলি ঘোষণা কৰে। দৰঙৰ পূৰ্বৰ উপায়ুক্ত, অসম চৰকাৰৰ বিত্ত সচিব দিলীপ বৰাই অনুষ্ঠানত ভাষণ দি দৰঙৰ মানুহ সংস্কৃতিৱান, অধ্যয়নশীল আৰু লিখা মেলা কৰা বুলি উচ্চ প্ৰশংসা কৰে। সদৌ অসম কৰ্মচাৰী পৰিষদৰ সভাপতি দ্বীপেন শৰ্মাই বিশিষ্ট অতিথিৰূপে অংশগ্ৰহণ কৰি কয়, 'মানুহে বহু ধৰণৰ মেলা অনুষ্ঠিত কৰি আহিছে, সেই সকলো ধৰণৰ মেলাতকৈ সৰ্বশ্ৰেষ্ঠ মেলা হৈছে গ্ৰন্থ মেলা।' আনহাতে, ৰাজ্যসভাৰ সাংসদ তথা মুখ্যমন্ত্ৰীৰ ৰাজনৈতিক সচিব পৱিত্ৰ মাৰ্ঘেৰিটাই অন্যতম বিশিষ্ট অতিথিৰূপে দিয়া ভাষণৰ মাজে মাজে মঙলদৈৰ সু-সন্তান গীতিকাৰ-নাট্যকাৰ হেমন্ত দত্তৰ গীত গুণগুণাই পৰিৱেশ জীপাল কৰি তোলে। যুৱ সাংসদজনে দৰঙৰ কলা-সংস্কৃতি-সাহিত্যৰ উচ্চ প্ৰশংসা কৰি মঙলদৈৰ সাহিত্যৰ আকাশ বৰ বিশাল, সংস্কৃতিৰ মাটি বৰ ৰসাল বুলি কয়। সদৌ অসম ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক শংকৰজ্যোতি বৰুৱা, সদৌ অসম কৰ্মচাৰী পৰিষদৰ সম্পাদক প্ৰধান দিলীপ কলিতাই ভাষণ দিয়া অনুষ্ঠানত বৰ্ষশ্ৰেষ্ঠ সাংবাদিকতাৰ বটা প্ৰদান কৰা হয় গুৱাহাটী প্ৰেছ ক্লাবৰ সভাপতি মঙলদৈৰ সু-সন্তান মনোজ নাথ আৰু 'আমাৰ অসম' কাকতৰ উপ ব্যুৰ' চীফ জিতেন্দ্ৰ কুমাৰ চৌধুৰীক। যুৱ সাহিত্য বঁটাৰে সন্মানিত কৰা হয় মননশীল লেখক মুনীন্দ্ৰ বৈশ্যক। এই অনুষ্ঠানতে অসমৰ নাট্য আকাশৰ ভোটাতৰা স্বৰূপ নাট্যকাৰ, পৰিচালক, অভিনেতা, গীতিকাৰ হেমন্ত দত্তক নাট্যসূৰ্য উপাধিৰে সন্মানিত কৰা হয়। অনুষ্ঠানত মঙলদৈৰ বিভিন্ন ক্ষেত্ৰলৈ বৰঙণি যোগোৱা আঠ গৰাকী জ্যেষ্ঠ নাগৰিককো সম্বৰ্ধনা জনোৱা হয়। অৱসৰপ্ৰাপ্ত শিক্ষাবিদ ফুলেন্দ্ৰন্দ্ৰনাথ চহৰীয়া, ক্ৰীড়াবিদ বীৰেণ মেধি, অৱসৰপ্ৰাপ্ত অধ্যাপক ড° আমানুল হক, অৱসৰপ্ৰাপ্ত কৃতী শিক্ষক ৰাধা ভূঞা, সমাজকৰ্মী ৰামেশ্বৰ শৰ্মা, অৱসৰপ্ৰাপ্ত কৃতী শিক্ষক সাহিত্যিক দিনেশ্বৰ চহৰীয়া, সমাজসেৱিকা ৰাণী দেৱী, গীতিকাৰ প্ৰভাত নাৰায়ণ চৌধুৰীক উষ্ম সম্বৰ্ধনা জ্ঞাপন কৰা হয়। উদ্‌যাপন সমিতিয়ে সমন্বয়ক মুকুটৰাজ শৰ্মাৰ সম্পাদনাত প্ৰকাশ কৰা স্মৃতিগ্ৰন্থ 'স্মৰণিকা' উন্মোচন কৰে 'নিউজ লাইভ'ৰ নিউজ এডিটৰ মনজিৎ ৰাজকোঁৱৰে।

আজি সামৰণিৰ দিনা সুন্দৰ ফৰকাল বতৰত লোকে লোকাৰণ্য হৈ পৰা গ্ৰন্থমেলাৰ বাকৰিত গ্ৰন্থ ক্ৰয় কৰিবলৈ গ্ৰন্থপ্ৰেমীয়ে শাৰী পতা পৰিলক্ষিত হয়। পুৱাৰ ভাগত কুঞ্জ দেৱীৰ ৰচনা আৰু নিৰ্মালি দেৱী শৰ্মাৰ পৰিচালনাৰে দৰং জিলা সাহিত্য সভাৰ আকাশ উপ-সমিতিৰ বাৰেৰহনীয়া সাংস্কৃতিক অনুষ্ঠান উদ্বোধন কৰে মঙলদৈ পৌৰসভাৰ কাৰ্যবাহী বিষয়া ৰিণি হাজৰিকাই। অসমৰ জাতীয় সংগীতেৰে সামৰণি আৰু সম্বৰ্ধনা অনুষ্ঠানৰ অন্ত পৰাৰ লগে লগে সাংস্কৃতিক অনুষ্ঠান উদ্বোধন কৰে দৰঙৰ উপায়ুক্ত প্ৰণৱ কুমাৰ শৰ্মাই। সাংস্কৃতিক অনুষ্ঠানৰ আৰম্ভণিতে আন্তৰ্জাতিক খ্যাতিসম্পন্ন নৃত্য পটীয়সী ভানু ডেকা চহৰীয়াৰ পৰিচালনাৰে মঙলদৈ ইয়ুথ ক্লাবৰ শিল্পীসকলে সত্ৰীয়া নৃত্য পৰিবেশন কৰে। অনুষ্ঠানত যুৱ কণ্ঠশিল্পী ভৃগু কাশ্যপৰ গীতৰ শৰাইৰ লগতে অসম মাইম এণ্ড স্কিট থিয়েটাৰ, ঢেকীয়াজুলিৰ শিল্পীৰ মুকাভিনয়ে শ্ৰোতা দৰ্শকক মুগ্ধ কৰে। সাতদিনীয়া মঙলদৈ গ্ৰন্থমেলা সফল কৰি তোলাৰ বাবে উদযাপন সমিতিৰ সভাপতি সাংসদ দিলীপ শইকীয়া, কাৰ্যকৰী সভাপতি ৰাজেন্দ্ৰ নাথ হাজৰিকা, সাধাৰণ সম্পাদক ৰাজীৱ কুমাৰ ডেকা, মঙলদৈ প্ৰেছ ক্লাবৰ সভাপতি মদন চন্দ্ৰ বৰুৱা সম্পাদক লক্ষ্মীনন্দন কলিতাই সকলোকে ধন্যবাদ আৰু কৃতজ্ঞতা জনায়।

মৰাণ আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত

তিনি পৃষ্ঠাৰ পৰা আৰু এছআই ভৱেন দত্তই ১০জনকৈ যুৱকক গচকি গচকি মাৰিছিল আৰু ইয়াৰে দুজন যুৱক চিকিৎসাধীন হ'ব লগা হৈছিল। এই ঘটনা সমগ্ৰ ৰাজ্যজুৰি চৰ্চিত হৈ পৰাৰ পাছতো কিন্তু দুই আৰক্ষী বিষয়াক কেৱল মাত্ৰ ৰিজাৰ্ভ ক্ল'জ কৰিয়েই দায়িত্ব সামৰিব খোজাত জাঙুৰ খাই উঠিছিল দল-সংগঠনৰ লগতে সচেতন ৰাইজে।

শিশু-কিশোৰৰ ৰং-তুলিকাৰে

তিনি পৃষ্ঠাৰ পৰা আহ্বায়কদ্বয় ক্ৰমে বিকাশ দাস, নিপামণি দাস, তেজপুৰ সমষ্টি সমিতিৰ সভাপতি প্ৰিয়াংশু দাস, উপ-সভানেত্ৰী ৰিমঝিম দাস, সহ-সম্পাদক কৃষ্ণ কমল সূত, বিত্ত সম্পাদক দেৱজিৎ কলিতা, কাৰ্যনিৰ্বাহক সদস্য সুমিত পাল আৰু অনুষ্ঠানৰ আন আন সদস্যসকল জিলা সংগ্ৰহালয়, তেজপুৰৰ বিষয়া অভিলাষ ৰাজখোৱাই আৰু অংশগ্ৰহণ তথা সম্পূৰ্ণ সহযোগ আগবঢ়োৱা এই অনুষ্ঠানত ছাত্ৰ-ছাত্ৰীসকলক অভূতপূৰ্ব সঁহাৰি দেখি আপ্লুত হৈ পৰে আৰু ই চিত্ৰকলা তথা সাংস্কৃতিক নগৰী তেজপুৰৰ বাবে এক সুন্দৰ নিদৰ্শন বুলি তেওঁ ভাষণত উল্লেখ কৰাৰ লগতে তেজপুৰবাসীয়ে জিলা সংগ্ৰহালয়স্থিত সকলো পুৰণি সা-সামগ্ৰী প্ৰত্যক্ষ কৰাৰ বাবে তেওঁ নিজেই বহু আনন্দ অনুভৱ কৰে।

আমি সুস্থ হৈ থাকিব লাগিব

তিনি পৃষ্ঠাৰ পৰা আৰু পঞ্জাৱ নেছনেল বেংকৰ মহাপ্ৰবন্ধককে আদি কৰি কে'বাগৰাকীও বেংক বিষয়া উপস্থিত থাকে। ইয়াৰ পাছতে এই অনুষ্ঠানৰ পাছতে বীৰঝৰা পাব্লিক লাইব্ৰেৰীত অনুষ্ঠিত 'হৰ দিন হৰ ঘৰ আৰ্যুবেদ ' শীৰ্ষক সভাত অংশগ্ৰহণ কৰে কেন্দ্ৰীয় মন্ত্ৰীজনে। বঙাইগাঁও জিলা প্ৰশাসন আৰু জিলা স্বাস্থ্য সমিতি তথা আয়ুস বিভাগৰ উদ্যোগত অনুষ্ঠিত অনুষ্ঠানত কেন্দ্ৰীয় আয়ুস বিভাগৰ মন্ত্ৰী সোণোৱালে কয় যে আৰ্যুবেদ শাস্ত্ৰমতে কৰা ভাৰতীয় চিকিৎসা পদ্ধতিত প্ৰায় ৫০০০ (পাঁচ হেজাৰ) বছৰ পুৰণি। অতীজতে মানুহৰ বিভিন্ন বেমাৰৰ চিকিৎসা আৰ্যুবেদ শাস্ত্ৰমতে কৰা হৈছিল। বিভিন্ন বনৌষধি প্ৰয়োগ কৰি বিভিন্ন ৰোগ নিৰাময় কৰা হৈছিল। এতিয়া সেই পুৰণি চিকিৎসা পদ্ধতিসমূহ যেনে- আৰ্যুবেদ, যোগ, উনানি সিদ্ধা আৰু হোমিঅ'পেথিক চিকিৎসা পদ্ধতিক আয়ুস মন্ত্ৰণালয়ৰ অধীনত অন্তৰ্ভুক্ত কৰা হৈছে। যোগ পদ্ধতিক বৰ্তমানে বহুলভাৱে প্ৰচাৰ আৰু প্ৰসাৰ কৰাৰ বাবে কেন্দ্ৰীয় চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰিছে বুলিও উল্লেখ কৰে মন্ত্ৰী সোণোৱালে। তেওঁ আৰু কয় যে যি কি নহওক আমি সদায় সুস্থ থাকিব লাগিব, তাৰ বাবেই চৰকাৰ বদ্ধ পৰিকৰ। আজিৰ এই সভাত বিধায়ক ফণীভূষণ চৌধুৰীও উপস্থিত থাকে। উপায়ুক্ত নৱদ্বীপ পাঠকে উদ্বোধনী ভাষণ দিয়ে। অতিৰিক্ত উপায়ুক্ত (স্বাস্থ্য) শ্যামল ক্ষেত্ৰ গগৈ, যুটীয়া স্বাস্থ্য সঞ্চালক ডাঃ পৰেশ কুমাৰ ৰয়, আয়ুস বিভাগৰ ন'ডেল বিষয়া ডাঃ পুলিন চন্দ্ৰ নাথ আদি কৰি চিকিৎসা বিষয়াসকল, সমাজকৰ্মী হিমানী অধিকাৰী, পতঞ্জলি যোগ সমিতিৰ বিষয়ববীয়া আৰু কে'বাগৰাকী পৰম্পৰাগত আৰ্যুবেদিক চিকিৎসক উপস্থিত থাকে।

ধুবুৰী আৰক্ষীৰ ড্ৰাগছ বিৰোধী

তিনি পৃষ্ঠাৰ পৰা অভিযান চলায়। আৰক্ষীয়ে অভিযান চলোৱাৰ সময়তে ড্ৰাগছ ব্যৱসায়ী আছিফে পলাই যাবলৈ সক্ষম হয় যদিও আৰক্ষীয়ে আছিফৰ ঘৰৰ পৰা বৃহৎ পৰিমাণৰ নিচাজাতীয় কফছিৰাপ আৰু টেবলেট উদ্ধাৰ কৰাৰ লগতে ড্ৰাগছ ব্যৱসায়ী আছিফৰ মাতৃ আৰু আছিফৰ মামা হাবিবুল ৰহমান (৩২) ক আটক কৰিবলৈ সক্ষম হয়। তথ্য মতে, আছিফৰ লগতে আছিফৰ মাতৃ আৰু মামাই দীৰ্ঘদিনৰ পৰা এই ড্ৰাগছৰ ৰমৰমীয়া বেহা চলাই গৈছিল। জব্দকৃত ড্ৰাগছসমূহৰ বৰ্তমান বজাৰ মূল্য প্ৰায় তিনি লাখ টকা হ'ব বুলি আৰক্ষীয়ে জানিবলৈ দিয়ে। আটকাধীন দুয়োকে অধিক তথ্যৰ বাবে আৰক্ষীয়ে জেৰা অব্যাহত ৰাখিছে।

টংলাৰ শিক্ষক দিজু কুমাৰ শৰ্মাৰ

তিনি পৃষ্ঠাৰ পৰা অৱস্থাত মৃত্যু হয়। দুৰ্গা পূজাৰ সপ্তমীৰ দিনা উচ্চ ৰক্তচাপজনিত কাৰণত অসুস্থ হৈ পৰাত শিক্ষকজনক ততাতৈয়াকৈ চিকিৎসালয়ত ভৰ্তি কৰি চিকিৎসা অব্যাহত ৰখাৰ সময়তে আজি পুৱা তেওঁৰ মৃত্যু হয়। এটি সন্তানসহ, পত্নী, মাতৃ আৰু ককায়েকৰ লগতে পৰিয়ালবৰ্গৰ উপৰি যথেষ্ট সংখ্যক গুণমুগ্ধক ইহসংসাৰত এৰি যায়। তেওঁৰ মৃত্যুত বৃহত্তৰ টংলা অঞ্চলত গভীৰ শোকৰ ছাঁ পৰিছে। তেওঁৰ মৃত্যুত জাতীয় বিদ্যালয় অসম, টংলাৰ শিক্ষক-শিক্ষয়িত্ৰী, ছাত্ৰ-ছাত্ৰী, কৰ্মচাৰীবৃন্দ, যোৰপুখুৰী শ্ৰীশ্ৰীবিষ্ণু মন্দিৰ পৰিচালনা সমিতি, আক্ৰাছুৰ কেন্দ্ৰীয় সমিতিৰ সাধাৰণ সম্পাদক হেমন্ত বড়া কোচ, ওদালগুৰি জিলা আক্ৰাছু সমিতি, টংলা সাহিত্য সভা, টংলা আছু , অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ ওদালগুৰি জিলা সমিতি আদিয়ে শিক্ষক দিজু কুমাৰৰ শৰ্মাৰ আকস্মিক বিয়োগত গভীৰ শোক প্ৰকাশ কৰি শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰে।

শালবাৰীত ইউপিপিএলৰ বিশাল

তিনি পৃষ্ঠাৰ পৰা অব্যাহত ৰাখিছে প্ৰমোদ বড়োৰ নেতৃত্বাধীন বিটিচি চৰকাৰে। এই মন্তব্য বিটিচিৰ উপ মুখ্য কাৰ্যবাহী সদস্য গোবিন্দ বসুমতাৰীৰ। আজি বাগ্‌সাৰ শালবাৰীৰ চুণবাৰী ভিচিডিচিৰ অন্তৰ্গত এলেঙামাৰীত অনুষ্ঠিত ইউপিপিএল দলৰ এক বিশাল যোগদান কাৰ্যসূচীৰ সভাত মুখ্য অতিথিৰ ভাষণত এইদৰে মন্তব্য কৰে গোবিন্দ বসুমতাৰীয়ে। লগতে তেওঁ কয় যে প্ৰমোদ বড়ো নেতৃত্বাধীন বিটিচি চৰকাৰৰ বিৰুদ্ধে বিপিএফৰ দৰে এক দুষ্ট চক্ৰই বিভিন্ন অপপ্ৰচাৰ কৰি ৰাইজক বিভ্ৰান্ত কৰি বিটিচিৰ উন্নয়নত ব্যাঘাত জন্মাবলৈ অপচেষ্টা কৰি আছে। উল্লেখ্য যে আৰম্ভণিতে বিটিচিৰ শালবাৰী সমষ্টিৰ টিচিএলচিচিৰ অধ্যক্ষ বিনোদ মুছাহাৰীয়ে উদ্বোধনী ভাষণ দিয়া ইউপিপিএলৰ জনবহুল সভাখনত বিটিচিৰ কাৰ্যবাহী সদস্যদ্বয় ৰাকেশ ব্ৰহ্ম, উইলছন হাছদা, ইউপিপিএলৰ সংখ্যালঘু কোষৰ সভাপতি ইউছুফ আলী, এমচিএলৰ মণ্টু বড়ো, মাধৱ চেত্ৰী, ইউপিপিএলৰ নেতা ক্ৰমে নিৰ্মল কুমাৰ ব্ৰহ্ম, খগেন বৈশ্য, নজৰুল ইছলাম, সত্যজিৎ বড়ো, বিখন গয়াৰী, সদাগৰ বাদছাহ, মোজাম্মিল হক চৌধুৰী, হানিফ আলী আহমেদৰ লগতে কে'বাগৰাকীও দলীয় নেতৃবৃন্দই অতিথিৰূপে উপস্থিত থাকে। উল্লেখ্য যে ইউপিপিএলৰ চুণবাৰী প্ৰাথমিক সমিতিৰ উদ্যোগত অনুষ্ঠিত, ইউপিপিএলৰ শালবাৰী জিলা সমিতিৰ সাধাৰণ সম্পাদক সুৰেশ সৰকাৰ আৰু চুণবাৰী ভিচিডিচিৰ অধ্যক্ষ ছাহিনুৰ ইছলামে আঁত ধৰা দলীয় সভাখনত ২১৬৮ গৰাকী বিপিএফ আৰু অবড়ো সংগঠনৰ কৰ্মী-সমৰ্থকে আনুষ্ঠানিকভাৱে ইউপিপিএলত যোগদান কৰে। নতুনকৈ যোগদান কৰা এই কৰ্মীসকলক সভাত উপস্থিত ইউপিপিএলৰ নেতৃবৃন্দই উষ্ণ আদৰণি জনায়।

হোজাইত ছাত্ৰী জিৰণিচ'ৰাৰ

তিনি পৃষ্ঠাৰ পৰা কৰিব বুলি বিধায়কৰ সূচীত আছিল কিন্তু বিধায়কজনে ৰাইজৰ প্ৰতিক্ৰিয়াৰ উমান পাই দিনৰ কাৰ্যসূচী বাতিল কৰি নিশা আহি উদ্বোধন কৰিলে ছাত্ৰী জিৰণি কোঠা। পৰিতাপৰ কথা যে ১০ লাখ টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰা সৰু ভৱনটিত অধিক ধন আবণ্টিত কৰি আত্মসাৎ কৰাৰ অভিযোগ উঠিছে। এই ক্ষেত্ৰত স্থানীয় লোকে তদন্তৰ দাবী তুলিছে যদিও কলেজৰ অধ্যক্ষ আৰু কলেজ পৰিচালনা সমিতিৰ মৌনতাই ৰহস্যৰ সৃষ্টি কৰিছে। ইপিনে কলেজৰ শিৱপুৰস্থিত ভূমিত সমূহীয়া ভৱনটো পূৰ্বৰ বিধায়ক পুঁজিৰ দ্বাৰা নিৰ্মাণ কৰা হৈছে যদিও আজিও ব্যৱহাৰ উপযোগী হৈ উঠা নাই। তাতো একে অনিয়ম সংগঠিত হৈছে বুলি অভিযোগ কৰিছে সচেতন ৰাইজে।

ছয়গাঁও ঔদ্যোগিক বিকাশ

তিনি পৃষ্ঠাৰ পৰা কৰিছে, ইয়াৰ সমান্তৰালভাৱে স্থানীয় ৰাইজৰ নিদ্ৰা হৰণ কৰিছে। বিভিন্ন অনৈতিক কাৰ্য সংঘটিত হৈছে বৃহত্তৰ অঞ্চলটোত। চিলনী চোৰৰ সংখ্যা বাঢ়ি গৈছে আৰু হাতৰ ম'বাইল কাঢ়ি নিয়াটো নিত্য-নৈমিত্তিক ঘটনাত পৰিণত হৈছে। চোৰৰ সংখ্যাও যথেষ্ট বাঢ়িছে। আনহাতে, শ্মশানত মৃত গৰু কটা কাৰ্যই হিন্দু ধৰ্মাৱলম্বী অঞ্চলটোত কালিকা সনা বুলিও ৰাইজে ক্ষোভ উজাৰে। গাঁওবাসীয়ে গাৰো লোক কেইজনক দ্বিতীয় বাৰ এনে কাৰ্য সংঘটিত নকৰিবলৈ সকীয়াই দিয়ে। লগতে ৰাজহুৱা শ্মশানত মৃত গৰুটো পেলাই যোৱা দুৰ্বৃত্তক অনাগত দিনৰ বাবে সকীয়াই দিয়ে। মন কৰিবলগীয়া যে বৃহত্তৰ দক্ষিণ কামৰূপৰ লগতে ৰাজ্যখনৰ বিভিন্ন প্ৰান্তৰ শিক্ষিত নিবনুৱা সকলৰ সমস্যা সমাধানৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছে। বিকাশ কেন্দ্ৰৰ সমীপৰ গাঁওসমূহত ৰাজ্যৰ লগতে বহিঃৰাজ্যৰ বিভিন্ন প্ৰান্তৰ কৰ্মৰত একাংশ বিষয়া-কৰ্মচাৰী ভাড়াঘৰত থাকে। বিভিন্ন জাতি-জনগোষ্ঠীৰ লোকেৰে ভৰি পৰিছে বৃহত্তৰ ছাটাবাৰী অঞ্চল। ফলত বৃহত্তৰ অঞ্চলটোত বিভিন্ন অনৈতিক ঘটনা সংঘটিত হৈ আহিছে।

পূৱ শিমলুগুৰি গাঁওৰক্ষী বাহিনীৰ নতুন সমিতি গঠন

অগ্ৰদূত বাৰ্তা

বেবেজীয়া, ১৬ অক্টোবৰ ঃ নগাঁও জিলাৰ শিমলুগুৰি নৱজ্যোতি ক্লাৱত শতাধিক ৰাইজৰ উপস্থিতিত আজি গাঁওখনৰ বিশিষ্ট ব্যক্তি চাহাবউদ্দিন আহমেদৰ সভাপতিত্বত অনুষ্ঠিত হোৱা ৰাজহুৱা সভাত পূৱ শিমলুগুৰি গাঁওৰক্ষী বাহিনীৰ পুৰণা সমিতি ভংগ কৰি নতুন সমিতি গঠন কৰা হয়। ৰাইজৰ সিদ্ধান্তমৰ্মে পূৰ্বৰ সভাপতি তমিৰ উদ্দিনৰ ঠাইত নতুন সভাপতিৰূপে আছাদুল ইছলামক আৰু পূৰ্বৰ সম্পাদক আব্দুল বাৰেকৰ ঠাইত নজমুল ইছলামক মনোনীত কৰা হয়। উল্লেখ্য যে নৱ প্ৰজন্মৰ দুই যুৱকৰ নেতৃত্বত গাঁওখনৰ পৰা অসামাজিক কাৰ্যকলাপৰ লগতে নিচাজাতীয় দ্ৰব্যৰ প্ৰচলন ৰোধ হ'ব বুলি ৰাইজে আশা কৰিছে।

হোজাই জিলা প্ৰাক্তন ছাত্ৰ সন্থাৰ সতীৰ্থ সন্মিলনত জিলা সমিতি গঠন

অগ্ৰদূত বাৰ্তা

হোজাই, ১৬ অক্টোবৰ ঃ আজি হোজাইৰ সাহিত্যৰথী বেজবৰুৱা ভৱনত হোজাই জিলাৰ প্ৰাক্তন ছাত্ৰ সন্থাৰ কৰ্মীসকলক লৈ এখন সতীৰ্থ সন্মিলন অনুষ্ঠিত হয়। জিলাখনৰ প্ৰাক্তন ছাত্ৰ নেতা তগৰ শৰ্মাৰ সভাপতিত্বত অনুষ্ঠিত সভাখনত উদ্দেশ্য ব্যাখ্যা কৰে প্ৰাক্তন ছাত্ৰ নেতা ভাস্কৰজ্যোতি শইকীয়াই। প্ৰাক্তন ছাত্ৰ নেতা মোহন নাথে পৰিচালনা কৰা সভাখনত সদৌ অসম ছাত্ৰ সন্থাৰ প্ৰাক্তন সভাপতি শংকৰ প্ৰসাদ ৰায়, প্ৰাক্তন ছাত্ৰ নেতা তৰুণ দাস, প্ৰাক্তন ছাত্ৰ নেতা ৰূপজ্যোতি ৰাজবংশীৰ উপৰিও প্ৰস্তাৱিত প্ৰাক্তন ছাত্ৰ সন্থাৰ সতীৰ্থ সন্মিলনৰ আহ্বায়ক কমলেশ্বৰ ডেকাই যোগদান কৰি প্ৰস্তাৱিত এই সংগঠনৰ প্ৰয়োজন সন্দৰ্ভত বহলাই আলোচনা কৰে। এই সভাৰ অন্তত সৰ্বসন্মতিক্ৰমে হোজাই জিলা সমিতিখন গঠন কৰা হয়। সভাই মোহন নাথক সভাপতি, কিশলয় ডি গোস্বামী কাৰ্যকৰী সভাপতি, লুটফুৰ ৰহমান, জয়ন্ত লস্কৰ আৰু প্ৰণৱ নাথক সাধাৰণ সম্পাদক হিচাপে লৈ ১৪ জনীয়া হোজাই জিলা সমিতিখন গঠন কৰা হয়।

নগাঁও ছোৱালী মহাবিদ্যালয়ত ৰাষ্ট্ৰীয়

তিনি পৃষ্ঠাৰ পৰা গাম্ভীৰ্যপূৰ্ণ উদ্বোধনী সভাখনত মহাবিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি ড° তোযেশ্বৰ নাথ, আভ্যন্তৰীণ মান নিৰ্ণায়ক কোষৰ সমন্বয়ক ৰঞ্জিত বৰুৱাৰ লগতে মহাবিদ্যালয়খনৰ সমূহ অধ্যাপক-অধ্যাপিকা, ছাত্ৰীৰ লগতে অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ বিভিন্ন ঠাইৰ গৱেষক ছাত্ৰ, অধ্যাপক-অধ্যাপিকা উপস্থিত থাকে। দুদিনীয়া আলোচনাচক্ৰখনত পৰিৱেশ, জীৱিকা আৰু আত্মনিৰ্ভৰশীলতা সম্পৰ্কীয় সৰ্বমুঠ ৬৪খন গৱেষণাপত্ৰৰ উপস্থাপন কৰা হয়। দ্বিতীয়দিনাৰ উদ্বোধনী সভাত উপস্থিত থাকে অসম বিশ্ববিদ্যালয়ৰ সহযোগী অধ্যাপক ড° চি প্ৰকাশমে নদীবান্ধৰ পানী এৰাৰ ক্ষেত্ৰত ৰাষ্ট্ৰীয় সেউজ প্ৰাধিকৰণৰ নিৰ্দেশনাৱলী অনুকৰণ কৰাৰ পৰামৰ্শ দিয়ে। দুদিনীয়াকৈ অনুষ্ঠিত এই আলোচনাচক্ৰখনে উত্তৰ-পূৰ্বাঞ্চলৰ পৰিৱেশ সম্পৰ্কীয় সমস্যাসমূহ উপস্থাপনৰ এক ভাল মঞ্চ প্ৰদান কৰা বুলি স্বীকাৰ কৰাৰ লগতে অনাগত দিনত পৰিৱেশীয় গৱেষণাৰ প্ৰতি নতুন গৱেষকসকলক অনুপ্ৰানিত কৰিব বুলি সকলোৱে আশা প্ৰকাশ কৰে।

টংলাত পৃথ্বীৰাজ নাৰায়ণ দেৱ মেছৰ

তিনি পৃষ্ঠাৰ পৰা কাৰ্যসূচীৰ জৰিয়তে সকীয়াই দিয়ে। অন্যথা অনাগত দিনত অধিক তীব্ৰতৰ গণ আন্দোলন গঢ়ি তুলিবলৈ বাধ্য হ'ব বুলি উল্লেখ কৰে। টংলা আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি প্ৰাঞ্জল ডেকা আৰু সম্পাদক ৰিংকু ডেকাৰ নেতৃত্বত অনুষ্ঠিত উক্ত প্ৰতিবাদী কাৰ্যসূচীত আছুই বিতৰ্কিত স্বয়ম্ভু নেতাজনৰ ওপৰত বিটিচি চৰকাৰক বিহিত ব্যৱস্থা ল'বলৈ দাবী জনায়। আনহাতে, এক প্ৰেছ বিবৃতিত ওদালগুৰি জিলা আক্ৰাছুৰ সভাপতি মিণ্টু বৰুৱা, অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ সভাপতি কণ্ঠ কুমাৰ দাস, আটছাৰ সভাপতি দ্বীপ তান্তী আৰু আছাৰ সভাপতি টিংকু ওৰাঙে ক্ষোভ প্ৰকাশ কৰি তীব্ৰ গৰিহণা দিয়াৰ লগতে অজনজাতি লোকসকলৰ মাজত ভৱিষ্যতে সাম্প্ৰদায়িক মন্তব্য কৰি সংঘাত সৃষ্টি নকৰিবলৈ সকীয়াই দিয়ে।

ইপিনে, চিৰাঙত সংবাদমেল অনুষ্ঠিত কৰি পৃথ্বিৰাজ নাৰায়ণ মেছক অবড়োসকলৰ ওচৰত ক্ষমা খোজাৰ দাবী জনোৱাৰ লগতে সকীয়নি সংগঠনসমূহৰ সমন্বয়ৰক্ষী সমিতিৰ। চিৰাঙৰ বৰতালোৱাত আজি বিয়লি দুই বজাত সংগঠনসমূহৰ সমন্বয়ৰক্ষী সমিতিৰ সংবাদমেল। যুদ্ধবিৰতি উগ্ৰপন্থী সংগঠন এনএলএফবিৰ প্ৰতিষ্ঠা দিৱসত পৃথ্বিৰাজ নাৰায়ণ দেৱ মেছ নামৰ লোকজনে কৰা বিৰূপ মন্তব্যৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰে। বিটিচিত বাস কৰা অবড়োসকল ভাড়াতীয়া হিচাপে থাকিব লাগিব। এই ধৰণৰ স্বয়ম্ভু নেতাৰ মন্তব্যক তীব্ৰ নিন্দা জনোৱাৰ লগতে জাতি-জনগোষ্ঠীৰ মাজত এনে মন্তব্যৰে ভাতৃত্ববোধ বিনষ্ট নকৰিবলৈ সকীয়াই দিয়ে। ট্ৰাইবেল বেল্ট ব্লকত চৰকাৰে সুৰক্ষিত জনগোষ্ঠীৰ মৰ্যাদা প্ৰদানৰ পাছতো তেওঁলোকক সাঙুৰি এনে মন্তব্য দিয়া ব্যক্তিক কঠোৰ হাতেৰে দমন কৰিবলৈ বিটিআৰ প্ৰশাসনক দাবী জনায় সংগঠনসমূহৰ সমন্বয়ৰক্ষী সমিতিৰ মুখপাত্ৰ নাৰায়ণ উপাধ্যায়ে। মেছক নিজে কোন জাতি বা জনগোষ্ঠীৰ তাক স্পষ্ট কৰিবলৈ দাবী জনোৱাৰ লগতে কয় যে এই ধৰণৰ বিৰূপ মন্তব্য কৰি থাকিলে তেওঁৰ বিৰুদ্ধে সংগঠনসমূহৰ সমন্বয়ৰক্ষী সমিতিয়ে আইনী ব্যৱস্থা গ্ৰহণ কৰাৰো ভাবুকি প্ৰদান কৰে সংবাদমেলৰ জৰিয়তে। উক্ত মন্তব্যৰ তীব্ৰ বিৰোধিতা কৰাৰ লগতে অবড়ো জনগোষ্ঠীৰ লোকৰ ওচৰত ক্ষমা খোজাৰ দাবীত আজি সমন্বয়ৰক্ষী সমিতি চিৰাং জিলা সমিতিৰ উদ্যোগত আয়োজিত সংবাদমেলৰ জৰিয়তে। সংবাদমেলত আছা, আক্ৰাছু, আগছু, আমছু, এবিএমছু, নেমছু, বেংগলী যুৱ ছাত্ৰ ফেডাৰেছন আৰু সদৌ চাওতাল ছাত্ৰ সন্থাৰ নেতৃবৃন্দও উপস্থিত থাকে।

প্ৰাথমিক শিক্ষা মাতৃভাষা মাধ্যমৰ

তিনি পৃষ্ঠাৰ পৰা আৰু সমাধান' শীৰ্ষক এখন গুৰুত্বপূৰ্ণ আলোচনাচক্ৰ। তেজপুৰৰ গৰিষ্ঠসংখ্যক বিশিষ্ট লোকে অংশগ্ৰহণ কৰা আজিৰ এই আলোচনাচক্ৰত আলোচকৰূপে অংশগ্ৰহণ কৰি বিশিষ্ট বিজ্ঞান লেখক ড° গোস্বামীয়ে আৰম্ভণিতে চৰকাৰে এনেকুৱা এটা হঠকাৰী সিদ্ধান্ত গ্ৰহণ কৰাৰ প্ৰয়াস কৰোতেই ৰাজ্যখনৰ সৰ্বস্তৰৰ লোক জাঙুৰ খাই উঠিব লাগিছিল বুলি মন্তব্য কৰে। লগতে ন্যস্ত স্বাৰ্থ সিদ্ধিৰ বাবে এই ভয়ানক সিদ্ধান্তত নিশ্চুপ হৈ থাকিলেও সমাজখনে ভিতৰৰ পৰা এই সিদ্ধান্ত কেতিয়াও গ্ৰহণ কৰা নাই বুলি কৈ তেজপুৰৰ 'তৰুণ অসম সংঘ' এই ক্ষেত্ৰত আগবাঢ়ি অহাত প্ৰশংসা কৰে। ড° গোস্বামীয়ে এই গুৰুত্বপূৰ্ণ বিষয়টোৰ জেৰ টানি কয় যে চৰকাৰখনে শেহতীয়াকৈ অধিক ইংৰাজী মাধ্যমৰ প্ৰতি গদগদ হৈ পৰা আচৰণৰ বাবে বহুতে সন্দেহ কৰিছে যে অচিৰেই সকলো বিদ্যালয় ইংৰাজী মাধ্যমৰ কৰা হ'ব আৰু এটা সময়ত এই মাধ্যম অতি কঠিন বুলি দাবী উঠিব আৰু তেতিয়া সকলো হিন্দী মাধ্যমৰ বিদ্যালয় কৰি ইয়াৰ শিক্ষকসকল উত্তৰ ভাৰতৰ পৰা আমদানি কৰিব পাৰিব। চৰকাৰৰ শেহতীয়া এই সিদ্ধান্ত অপৰিণামদৰ্শী আৰু অবিজ্ঞানসন্মত বুলি মন্তব্য কৰি ড° গোস্বামীয়ে সমগ্ৰ বিশ্বৰ লগতে আনকি ব্ৰিটিছ কাউন্সিলেও মাতৃভাষা মাধ্যমৰ প্ৰাথমিক শিক্ষাত অত্যধিক গুৰুত্ব দিছে যদিও কি যুক্তিত অসম চৰকাৰে এনে সিদ্ধান্তত নাচোৰ বান্দা হৈ আছে বুলি প্ৰশ্ন উত্থাপন কৰি এপিজে আব্দুল কালাম, ৰাধা কৃষ্ণণৰ দৰে মণিষী ইংৰাজী মাধ্যমৰ আছিল নেকি বুলিও কয়। প্ৰাথমিক শিক্ষাত ইংৰাজী মাধ্যম প্ৰয়োগ হ'লে আমাৰ প্ৰজন্মৰ নিজস্ব কৃষ্টি-সংস্কৃতি, ভাষা-সাহিত্যৰ প্ৰতি এক ছিন্নমূল ধাৰণাৰ সৃষ্টি হ'ব বুলি কৈ তেওঁ এই সিদ্ধান্তৰ ফলত প্ৰাথমিক বিদ্যালয়তেই স্কুল এৰি যোৱা শিক্ষাৰ্থীৰ সংখ্যা অধিক বৃদ্ধি পোৱাটো নিশ্চিত হ'ব বুলিও মন্তব্য কৰে। আনহাতে, ৰাজ্যখনৰ পৰা গুণোৎসৱ তৎকালীনভাৱে বন্ধ কৰিব লাগে বুলি দাবী উত্থাপন কৰি ড° গোস্বামীয়ে ইয়াত গুণোৎসৱ পতা হৈছে কিন্তু বিদ্যালয় পৰিদৰ্শনৰ কোনো ব্যৱস্থা নাই। এতিয়াও বহু বিদ্যালয়ত শিক্ষকৰ পদ খালী হৈ আছে। তাৰ মাজতে আকৌ শিক্ষকক লগোৱা হৈছে এনআৰচি, বিভিন্ন ধৰণৰ জৰীপ আদি কামত। বিদ্যালয় একত্ৰিকৰণৰ সলনি শব্দটো সংলগ্নকৰণহে হ'ব লাগিছিল বুলি কৈ ড° গোস্বামীয়ে কয়, 'আমি নিজৰ ভাষাটোক ৰক্ষা কৰি থাকিবৰ বাবে সদায় সজাগ হৈ থাকিব লাগিব।' ড° গোস্বামীয়ে এই নিৰ্দিষ্ট বিষয়ত সাৰগৰ্ভ ভাষণ প্ৰদান কৰি চৰকাৰক এনে অদৰকাৰী সমস্যা সৃষ্টি কৰাৰ সলনি আগৰ দৰেই থাকিবলৈ দাবী উত্থাপন কৰি আগৰ সমস্যাসমূহ সমাধানত গুৰুত্ব দিবলৈ আহ্বান জনায়। তেওঁ কয় যে ৰাজ্যখনত গণিত, বিজ্ঞান, সুখ, দুখ মাতৃ ভাষাতেই হ'ব লাগিব। উল্লেখ্য যে তৰুণ অসম সংঘৰ সভাপতি ৰবীন্দ্ৰ নাথ শৰ্মাৰ সঞ্চালনাত আৰু উপ-সভাপতি ড° ভুবনেশ্বৰ চহৰীয়াৰ সহ সঞ্চালনাত অধ্যাপিকা ড° স্বপ্নালী কাকতিয়ে আঁতধৰা এই আলোচনাচক্ৰৰ আন এজন আলোচক তথা বিশিষ্ট বিজ্ঞান লেখক, বিশ্বনাথ মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক ড° ক্ষীৰধৰ বৰুৱাই অতি তাৎপৰ্যপূৰ্ণভাৱে বিষয়টোৰ সন্দৰ্ভত বিশ্বনাথ জিলাৰ ৪২ খনকৈ বিদ্যালয়ৰ ক্ষেত্ৰ অধ্যয়নৰ জৰিয়তে তথ্যসহ আজি আলোকপাত কৰি উপস্থিত ৰাইজক আশ্বস্ত কৰে নিজৰ মনোজ্ঞ ভাষণত। আৰম্ভণিতে জনপ্ৰিয় বিজ্ঞান লেখক বৰুৱাই চৰকাৰৰ শেহতীয়া সিদ্ধান্ত অবিজ্ঞানসন্মত আৰু অপ্ৰাকৃতিক বুলি মন্তব্য কৰি তেওঁ ক্ষেত্ৰ অধ্যয়ন কৰা অধিকাংশ বিদ্যালয়েই চৰকাৰৰ এই ব্যৱস্থাৰ বিৰোধী বুলি কৈ সকলোৱে অসমীয়া মাধ্যমহে বিচাৰিছে বুলি মন্তব্য কৰে। আনকি নিজে বিভিন্ন শিশু অনুষ্ঠানত কোনো বিষয়লৈ ভাষণ দিব লগা হ'লে ইংৰাজী মাধ্যমৰ শিক্ষাৰ্থীয়েও অসমীয়াত ক'লেহে আমি ভালকৈ বুজি পাম বুলি কোৱাৰ প্ৰসংগও উত্থাপন কৰে। বৰুৱাই ভাষণ প্ৰসংগত অসমৰ মাতৃভাষা মাধ্যমৰ বিদ্যালয় বুলিলে বিশেষকৈ অসমীয়া, বঙালী, বড়ো আৰু হিন্দী ভাষাৰ চৰকাৰী বিদ্যালয়সমূহকেই বুজোৱা হয় বুলি উল্লেখ কৰি এই বিদ্যালয়সমূহৰ সমস্যা মূলতঃ একেধৰণৰ আৰু তাৰ সমাধান বিশেষকৈ চৰকাৰে নীতি অনুসৰি আগবঢ়োৱা অনুদান আৰু সা-সুবিধাত নিৰ্ভৰশীল যদিও শিক্ষক-শিক্ষয়িত্ৰী, শিক্ষাৰ্থী-অভিভাৱকসকলৰ দায়িত্বও এই ক্ষেত্ৰত গুৰুত্বপূৰ্ণ বুলি মন্তব্য কৰে। সমস্যাবোৰ বুনিয়াদী সুবিধামূলক আৰু বিদ্যায়তনিক সুবিধামূলক বুলি ভাগ কৰি ১৩ টা মূল প্ৰশ্নৰে চলোৱা এই ক্ষেত্ৰ অধ্যয়নত বিদ্যালয়সমূহৰ মুৰব্বী তথা সহকৰ্মী শিক্ষকসকলৰ উত্তৰসমূহৰ তথ্য, বিশ্লেষণ আৰু মন্তব্যৰ ওপৰত গুৰুত্ব প্ৰদান কৰা হৈছিল বুলি কৈ প্ৰাথমিক স্তৰত শিক্ষাৰ্থীক যিকোনো বিষয়ৰ শিক্ষাদান মাতৃভাষাত কৰিলেহে যে বিষয়টোৰ সাধাৰণ তথা বুনিয়াদী জ্ঞান লাভ কৰাত সুবিধা হয়, সেই কথা প্ৰতিয়মান হোৱাৰ কথা এই ক্ষেত্ৰ অধ্যয়নৰ তথ্যসহ সদৰী কৰে। উল্লেখ্য যে এই ক্ষেত্ৰ অধ্যয়নৰ সময়ছোৱাত বিজ্ঞান লেখক বৰুৱাই জিলাখনৰ পূব প্ৰান্তৰ লোহিতমুখৰ পৰা পশ্চিম প্ৰান্তৰ দিকৰাই নৈ লৈকে ৪২ খন বিদ্যালয় বাছি লৈছিল। ইয়াৰে নিম্ন বুনিয়াদী আৰু মধ্য ইংৰাজী বিদ্যালয় আছিল ১২ খন, উচ্চ মাধ্যমিক আৰু একত্ৰিত নিম্ন বুনিয়াদী ২৩ খন, উচ্চতৰ মাধ্যমিক সাতখন, বড়ো মাধ্যমৰ উচ্চ মাধ্যমিক এখন আৰু চাহ বাগিচা আদৰ্শ বিদ্যালয় দুখন আছিল বুলি মন্তব্য কৰে। আনহাতে, এই আলোচনাচক্ৰখনৰ আৰু এজন আলোচক বিশিষ্ট ভূগোল বিজ্ঞানী, প্ৰাবন্ধিক ড° অৱনী কুমাৰ ভাগৱতীয়েও চৰকাৰে গ্ৰহণ কৰা শেহতীয়া সিদ্ধান্ত অবিজ্ঞানসন্মত বুলি মন্তব্য কৰি ইউনেস্ক', জাপানকে ধৰি সমগ্ৰ বিশ্বতে মাতৃভাষা মাধ্যমৰ উপকাৰিতাৰ প্ৰসংগ সজোৰে উত্থাপিত হৈ অহাৰ পাছত অসমত তাৰ বিপৰীতে সিদ্ধান্ত কি যুক্তিত হ'ব পাৰিব বুলি মন্তব্য কৰি মাতৃভাষাক উলাই কৰি কেনেকৈ বিশ্ব মানৱৰ কথা আহিব পাৰে বুলি প্ৰশ্ন উত্থাপন কৰে। অসম, অসমীয়াকে যদি নেজানে বিশ্ব মানৱৰ গৰাকী আকৌ কেনেকৈ হ'ব পাৰিব? মাতৃভাষাত যদি এটা বিষয়বস্তু স্বতঃস্ফূৰ্তভাৱে শিকি ল'ব পাৰে তেতিয়া বিজ্ঞান, গণিত যিয়েই নহওঁক সোনকালে আয়ত্ত কৰিব পাৰে বুলি মন্তব্য কৰি ড° ভাগৱতীয়ে লগতে চৰকাৰে ক'লৈই নহ'ব, সত্যটোক আমি দাঙি ধৰিব লাগিব বুলি কয়। তেওঁ কয় যে সমগ্ৰ পৃথিৱী স্বীকৃত কথাবোৰ আমি হীন-দেঢ়ি হ'বলৈ কেতিয়াও নেলাগিব। অৱশ্যে ইংৰাজীও ভালকৈ জানিব লাগিব বুলি কৈ ড° ভাগৱতীয়ে মাতৃভাষা জানিলেহে ক্ৰিটিকেল থিংকিঙত সহায় হ'ব বুলিও দেশৰ গ্ৰহণযোগ্য সকলো মানুহেই মাতৃভাষা মাধ্যমৰ বুলি মন্তব্য কৰে। আনহাতে, আলোচনাচক্ৰখনৰ আহ্বায়ক ড° ভূপেন শইকীয়াই আটাইকেইজন আলোচকৰ জীৱন পৰিচিতি দাঙি ধৰা আলোচনাচক্ৰখনৰ আন এগৰাকী আলোচক যোৰহাটৰ দেৱীচৰণ কন্যা মহাবিদ্যালয়ৰ অৰ্থনীতি বিভাগৰ অধ্যাপিকা তথা বিশিষ্ট লেখিকা ড° সুস্মিতা প্ৰিয়দৰ্শিনীয়ে নিৰ্দিষ্ট বিষয়ত আলোকপাত কৰি কয় যে অসমত মাতৃভাষা মাধ্যমৰ বিদ্যালয়ৰ ওপৰত সম্পূৰ্ণ তথ্য আজিলৈকে চৰকাৰীভাৱে পোৱাৰ ব্যৱস্থাই নাই। চৰকাৰীভাৱে মাত্ৰ চৰকাৰী-বেচৰকাৰী বিদ্যালয়ৰ তথ্যহে পাব পাৰি। সাম্প্ৰতিক সময়ত মাতৃভাষা মাধ্যমৰ বিদ্যালয়ত ছাত্ৰ-ছাত্ৰীৰ সংখ্যা বৃদ্ধি পাবলৈ ধৰিছে আৰু সেইখিনি সময়তে চৰকাৰে ইংৰাজী মাধ্যমৰ পোষকতা কৰিছে। আনহাতে, ৰাষ্ট্ৰীয় শিক্ষানীতিৰ ৪.১৪ দফাত মাতৃভাষা মাধ্যমৰ গুৰুত্ব উল্লেখ কৰা হৈছে আৰু সেইখিনি সময়তে চৰকাৰে তৃতীয়ৰ পৰা অষ্টম শ্ৰেণীলৈ গণিত আৰু বিজ্ঞান ইংৰাজী মাধ্যমৰ পোষকতা কৰাৰ কাৰণ কি হ'ব পাৰে বুলি তেওঁ প্ৰশ্ন কৰে। তেওঁ কয় যে অসমৰ ৮২.৫ শতাংশ শিক্ষাৰ্থীৰ অভিভাৱক প্ৰথমৰ পৰা মাথোঁ ষষ্ঠ শ্ৰেণী উত্তীৰ্ণ। সেইসকল অভিভাৱকৰ সন্তানক হঠাৎ ইংৰাজী মাধ্যমত পঢ়োৱাৰ ব্যৱস্থা কৰিলে হিতে বিপৰীত হৈ স্কুল এৰা শিক্ষাৰ্থীৰ সংখ্যা বৃদ্ধিহে পাব বুলি আশংকা ব্যক্ত কৰি ড° প্ৰিয়দৰ্শিনীয়ে এই সিদ্ধান্ত প্ৰত্যাহাৰ কৰা উচিত বুলি মন্তব্য কৰে। উল্লেখ্য যে এই আলোচনাচক্ৰৰ বাবে তৰুণ অসম সংঘয়ো নিজাববীয়াকৈ চলোৱা ক্ষেত্ৰভিত্তিক অধ্যয়নৰ প্ৰতিবেদনতো মাতৃভাষা মাধ্যমৰ বিদ্যালয়সমূহৰ এশ এবুৰি সমস্যা দেখা পোৱাৰ পাছত আজি আলোচনাচক্ৰৰ অন্তত সেই প্ৰতিবেদনো দাখিল কৰে সভাপতি শৰ্মাই।

কংগ্রেছৰে মৰ্চাৰ প্ৰস্তাৱ

জীতন ৰামৰ হিন্দুস্তানী অৱাম মৰ্চা দলে প্ৰতিদ্বন্দ্বিতা কৰিব গুজৰাটৰ নিৰ্বাচনত

নিউজ ব্যুৰ' পাটনা, ১৬ অক্টোবৰ ঃ বিহাৰৰ প্ৰাক্তন মুখ্যমন্ত্ৰী আৰু হিন্দুস্তানী অৱাম মৰ্চাৰ প্ৰতিষ্ঠাপক জীতন ৰাম মাঁঝীয়ে আজি ঘোষণা কৰি কয় যে তেওঁৰ দলে গুজৰাটৰ বিধানসভাৰ আসন্ন নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰিব। আজি মাঁঝীয়ে এই কথা ঘোষণা কৰি কয়, 'গুজৰাটত অনুষ্ঠিত হ'বলগীয়া বিধানসভাৰ নিৰ্বাচনত আমাৰ দলে প্ৰতিদ্বন্দ্বিতা কৰিব পাৰে। আমি গুজৰাট ভ্ৰমণ কৰিছিলো। গুজৰাটত আমাৰ সংগঠনে কাম-কাজ অব্যাহত ৰাখিছে। যদি কংগ্ৰেছে গুজৰাট বিধানসভাত মৰ্চা গঠন কৰি প্ৰতিদ্বন্দ্বিতা কৰে, আমি উক্ত মৰ্চাৰ স'তে নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰিম। কংগ্ৰেছে যদি এই প্ৰস্তাৱ প্ৰত্যাখ্যান কৰে, তেন্তে আমি অকলে গুজৰাটত প্ৰাৰ্থী প্ৰক্ষেপ কৰিম।'

মাত্ৰ এঘণ্টাতে কেদাৰনাথ মন্দিৰত উপস্থিত হ'ব পাৰিব তীৰ্থযাত্ৰীয়ে, ৰ'পৱে প্ৰকল্পত জনালে অনুমোদন

নিউজ ব্যুৰ', ডেৰাডুন, ১৬ অক্টোবৰ ঃ উত্তৰাখণ্ডত ধৰ্মীয় পৰ্যটনক উৎসাহিত কৰিবলৈ চৰকাৰে বিশেষ তৎপৰতা প্ৰদৰ্শন কৰিছে। এইবাৰ নেচনেল ব'ৰ্ড ফৰ ৱাইল্ড লাইফ-এ ৰুদ্ৰপ্ৰয়াগৰ সোনপ্ৰয়াগৰ পৰা কেদাৰনাথ মন্দিৰৰ মাজত এক ৰ'পৱে (ৰজ্জুপথ) প্ৰকল্পত অনুমোদন জনালে। সোনপ্ৰয়াগ আৰু কেদাৰনাথৰ মাজত ৰ'পৱে সেৱা আৰম্ভ হ'লে প্ৰতি বছৰে বৰ্তমানৰ তুলনাত অধিক সংখ্যক তীৰ্থযাত্ৰীয়ে কেদাৰনাথ মন্দিৰ দৰ্শন কৰিব পাৰিব। উত্তৰাখণ্ড প্ৰশাসনৰ সূত্ৰই এই কথা প্ৰকাশ কৰি জনোৱা অনুসৰি বৰ্তমানে তীৰ্থযাত্ৰীসকলে গৌৰীকুণ্ডৰ পৰা কেদাৰনাথ মন্দিৰত উপস্থিত হোৱাৰ বাবে ১৬ কিলোমিটাৰ পথ খোজ কাঢ়িব লাগে। ইয়াৰ বাবে এটা দিনৰ প্ৰয়োজন হয়। ৰ'পৱে সেৱা আৰম্ভ হ'লে মাত্ৰ এঘণ্টাৰ ভিতৰতে সোনপ্ৰয়াগৰ পৰা কেদাৰনাথ মন্দিৰত তীৰ্থযাত্ৰী উপস্থিত হ'ব পাৰিব। ১৩ কিলোমিটাৰ দৈৰ্ঘৰ ৰ'পৱেৰ বাবে প্ৰায় ১২০০ কোটি টকা ব্যয় হ'ব।

পেৰিছ বৈঠকতে এফ এ টি এফৰ ধূসৰ তালিকামুক্ত হ'বলৈ তৎপৰ পাকিস্তান

নিউজ ব্যুৰ', ইছলামাবাদ, ১৬ অক্টোবৰ ঃ ফাইনেন্সিয়েল একচন টাস্ক ফৰ্চ (এফ এ টি এফ)ৰ 'ধূসৰ তালিকা'ৰ পৰা মুক্ত হ'বলৈ তৎপৰ হৈছে পাকিস্তান। অহা ১৮ৰ পৰা ২১ অক্টোবৰত পেৰিছত সন্ত্ৰাসবাদৰ প্ৰতি বিশেষ নিৰীক্ষণ ৰখা সংস্থা এফ এ টি এফৰ বৈঠক অনুষ্ঠিত হ'ব। এই বৈঠকতে এফ এ টি এফে পাকিস্তানক 'ধূসৰ তালিকা' পৰা অব্যাহতি দিয়াৰ সম্ভাৱনা আছে। সূত্ৰৰ বাতৰি অনুসৰি, সন্ত্ৰাসবাদত আৰ্থিক আৰু অন্যান্য পৃষ্ঠপোষকতা বন্ধ কৰিবলৈ সংস্থাটোৱে পাকিস্তানক ৩৪ টা চৰ্ত আৰোপ কৰিছিল। এইসমূহ চৰ্তৰ সকলোবোৰ ইছলামাবাদে পূৰণ কৰা বুলি দাবী কৰিছে। যোৱা ২৯ আগষ্টৰ পৰা দুই ছেপ্টেম্বৰলৈকে পাকিস্তানত থাকি এফ এ টি এফৰ ১৫ জনীয়া সদস্যৰ এটা দলে এই বিষয়ত প্ৰয়োজনীয় তথ্যপাতি আহৰণ কৰিছিল। ইছলামাবাদৰ আশা যে এফ এ টি এফৰ পেৰিছ বৈঠকতে দেশখন 'ধূসৰ তালিকা'ৰ পৰা মুক্ত হ'ব। এফ এ টি এফৰ উক্ত তালিকাৰ পৰা পাকিস্তানৰ নাম প্ৰত্যাহাৰ কৰিলে ইছলামাবাদে আন্তৰ্জাতিক সাহায্য লাভৰ ক্ষেত্ৰত সুবিধা লাভ কৰিব।'

টেলিভিছনৰ অভিনেত্ৰী বৈশালীৰ আত্মহত্যা

নিউজ ব্যুৰ', মুম্বাই, ১৬ অক্টোবৰ ঃ 'য়হ ৰিস্তা কিয়্যা কহলাতা হে' খ্যাত টেলিভিছনৰ অভিনেত্ৰী বৈশালী থক্কৰে আত্মহত্যা কৰিলে। প্ৰকাশিত বাতৰি অনুসৰি, অভিনেত্ৰীগৰাকীয়ে ইন্দোৰত থকা তেওঁৰ বাসগৃহত আত্মহনন কৰে আৰু ঘটনাস্থলীৰ পৰা আৰক্ষীয়ে অভিনেত্ৰীগৰাকীয়ে মৃত্যুৰ পূৰ্বে লিখি থৈ যোৱা এখন পত্ৰও উদ্ধাৰ কৰে। আৰক্ষীৰ সূত্ৰই প্ৰকাশ কৰা অনুসৰি, বিগত এবছৰ ধৰি বৈশালীয়ে ইন্দোৰত বসবাস কৰি আহিছে আৰু বাসগৃহতে তেওঁ চিপ লৈ আত্মহত্যা কৰে। আৰক্ষীয়ে লগতে জনোৱা অনুসৰি প্ৰেমজনিত কাৰণত বৈশালীয়ে আত্মহনন কৰিলে। ঘটনা সন্দৰ্ভত আৰক্ষীয়ে তদন্ত আৰম্ভ কৰিছে।

পুনৰ মেক্সিকোত বন্দুকধাৰীৰ আক্ৰমণত নিহত কমেও ১২ জন

নিউজ ব্যুৰ', মেক্সিকো, ১৬ অক্টোবৰ ঃ আমেৰিকাৰ মেক্সিকোত বন্দুকধাৰীয়ে পুনৰ ভয়াৱহ আক্ৰমণ সংঘটিত কৰিলে। মেক্সিকোৰ স্থানীয় সময় অনুসৰি শনিবাৰে সন্ধিয়া গুৱানাজুৱা চহৰত এখন পানশালাত এদল বন্দুকধাৰীয়ে প্ৰৱেশ কৰি জধে-মধে গুলিবৰ্ষণ কৰাত কমেও ১২ জন লোকৰ মৃত্যু হোৱাৰ লগতে আন তিনিজন লোক গুলিবিদ্ধ হ'ল। মধ্য মেক্সিকোৰ এই অঞ্চলত শেহতীয়াভাৱে মাফিয়াৰ দপ্দপনি বৃদ্ধি পাইছে। বন্দুকধাৰীয়ে শনিবাৰে চলোৱা আক্ৰমণত নিহতৰ মাজত ছয়গৰাকী মহিলাও আছে। উল্লেখ্য যে যোৱা পাঁচ অক্টোবৰত মেক্সিকোত বন্দুকধাৰীৰ আক্ৰমণত চহৰখনৰ মেয়ৰসহ ১৮ জন লোকৰ মৃত্যু হৈছিল।

শান্তিপূৰ্ণভাৱে চীন-টাইৱান একত্ৰীকৰণ নহ'লে সেনা প্ৰেৰণৰ ধমক

সেনা প্ৰেৰণৰে টাইৱান দখল? জিনপিঙৰ ভাবুকিত বৃদ্ধি যুদ্ধৰ উত্তেজনা

নিউজ ব্যুৰ' টাইপে, ১৬ অক্টোবৰ ঃ এইবাৰ টাইৱানক আক্ৰমণৰ ভাবুকি দিলে চীনে। চীনৰ ৰাষ্ট্ৰপতি জি জিনপিঙে চীনা কমিউনিষ্ট পাৰ্টি (চিপিচি)ৰ ২০ সংখ্যক দলীয় কংগ্ৰেছত ভাষণ দি পৰোক্ষভাৱে টাইৱানৰ বিৰুদ্ধে সামৰিক অভিযানৰ ধমক দিলে। সেনা প্ৰেৰণৰে চীনে দখল কৰিব পাৰে দক্ষিণ চীন সাগৰৰ দ্বীপ ৰাষ্ট্ৰখনত। জিনপিঙে দিয়া ভাষণত এনে ইংগিত থকা বুলি দাবী কৰিলে আন্তৰ্জাতিক সম্পৰ্ক বিশেষজ্ঞই। আজি বেইজিঙৰ গ্ৰেট হলৰ মঞ্চত ভাষণ দি জিনপিঙে কয়, 'টাইৱানৰ বিৰুদ্ধে শক্তি প্ৰয়োগ কৰা নহ'ব, এনে প্ৰতিশ্ৰুতি চীনে কেতিয়াও দিয়া নাই। চীন-টাইৱানৰ শান্তিপূৰ্ণ পুনৰ সংযুক্তিকৰণৰ বাবে বেইজিঙে প্ৰচেষ্টা অব্যাহত ৰাখিছে। কিন্তু ইয়াৰ অৰ্থ এইটো নহয় যে শক্তি প্ৰয়োগ কৰা নহ'ব। এই ধৰণৰ কোনো প্ৰতিশ্ৰুতি বেইজিঙে দিয়া নাই।' টাইৱানৰ সমস্যা চীনে দূৰ কৰা উচিত আৰু দূৰ কৰা হ'ব বুলিও জিনপিঙে এই বৈঠকতে হুংকাৰ দিয়ে। উল্লেখ্য যে টাইৱান



সমস্যাৰ সন্দৰ্ভত চিপিচিৰ এই অধিবেশন আৰম্ভ হোৱাৰ পূৰ্বে চিপিচিৰ মুখপাত্ৰ চান য়েলিয়ে কালি টাইৱানক এক প্ৰকাৰ ধমক দি কৈছিল, 'শান্তিপূৰ্ণভাৱে চীন-টাইৱান একত্ৰীকৰণ সম্পূৰ্ণ হোৱাটো বেইজিঙে বিচাৰে। এয়া নহ'লে অন্তিম বিকল্প হিচাপে সেনা প্ৰেৰণৰ কথা চিন্তা কৰা হ'ব।' আজি জিনপিঙে পুনৰ টাইৱানক হুংকাৰ দি কয় যে চীনৰ কথা মানি নল'লে টাইৱানে কঠিন পৰিণতিৰ সন্মুখীন হ'ব লাগিব। চিপিচিৰ ২০ সংখ্যক দলীয় কংগ্ৰেছক চীনা ৰাষ্ট্ৰপতিয়ে টাইৱানৰ বিৰুদ্ধে সামৰিক অভিযান চলোৱাৰ ইংগিত দি কয় যে মাতৃভূমিৰ পুনৰ সংযুক্তিকৰণ হ'বই লাগিব আৰু এই লক্ষ্যত বেইজিং অচিৰে উপস্থিত হ'ব। জিনপিঙৰ এই ঘোষণাৰ পাছতে টাইৱান প্ৰণালীত যুদ্ধৰ উত্তেজনা বৃদ্ধি পালে।'

স্বাধীনতা-গণতন্ত্ৰক বিসৰ্জন নিদিও, চীনৰ বিৰুদ্ধে গৰজি উঠিল টাইৱান

নিউজ ব্যুৰ', টাইপে, ১৬ অক্টোবৰ ঃ কোনো পৰিস্থিতিতে স্বাধীনতা আৰু গণতন্ত্ৰক বিসৰ্জন দিয়াটো সম্ভৱ নহ'ব। চীনৰ ৰাষ্ট্ৰপতি জি জিনপিঙে সামৰিক অভিযান চলোৱাৰ ভাবুকি দিয়াৰ পাছতে গৰজি উঠিল টাইৱান। বেইজিঙৰ 'এক দেশ দুই ব্যৱস্থা' নীতি কোনোপধ্যে স্বীকাৰ কৰা নহ'ব বুলি আজি স্পষ্ট কৰি দিলে টাইপেয়ে। আজি বেইজিঙৰ গ্ৰেট হলত ভাষণ দি চীনা কমিউনিষ্ট পাৰ্টিৰ ২০ সংখ্যক দলীয় অধিবেশনত ভাষণ দি জিনপিঙে টাইৱানৰ বিৰুদ্ধে শক্তি প্ৰয়োগৰ ভাবুকি দিছিল। চীনা ৰাষ্ট্ৰপতিৰ ধমক ভৰা ভাষণৰ পাছতে টাইৱানে প্ৰতিক্ৰিয়া প্ৰকাশ কৰি ক'লে যে দেশৰ সাৰ্বভৌমত্বৰ স'তে আপোচ কৰাটো সম্ভৱ নহয়। ভৱিষ্যতে দক্ষিণ চীন নগৰ অঞ্চলৰ শান্তি বেইজিঙৰ ভূমিকাত নিৰ্ভৰ কৰিব বুলি টাইৱানে আজি মন্তব্য কৰে। অৱশ্যে যুদ্ধ কোনো সমস্যা সমাধানৰ পথ নহয় বুলিও টাইৱানৰ ৰাষ্ট্ৰপতি চাই ইং-ৱেনে স্পষ্ট কৰি দিয়ে। ৰাষ্ট্ৰপতিয়ে কয়, 'চীন-টাইৱানৰ মাজত যুদ্ধৰ কোনো বিকল্প নহয়। কিন্তু আগ্ৰাসী মনোভাৱ প্ৰদৰ্শনৰে বেইজিঙে যদি যুদ্ধৰ দিশলৈ আমাক ঠেলি দিয়ে, তেন্তে স্বাধীনতাৰ ৰক্ষাত সৰ্বশক্তিৰে জঁপিয়াই পৰিব টাইৱানৰ প্ৰতিজন নাগৰিক।' বিগত কে'বা বছৰ ধৰি প্ৰতিৰক্ষাৰ শিতানত টাইৱানে ব্যয় বৃদ্ধি কৰিছে। উল্লেখ্য যে ৰাছিয়াই ইউক্ৰেইনত আক্ৰমণ চলোৱাৰ পাছৰে পৰা চীনে সঘনে টাইৱানক আক্ৰমণৰ ভাবুকি দি আহিছে।

দেশত প্ৰথমবাৰ হিন্দীত প্ৰৱৰ্তিত হ'ব চিকিৎসা বিজ্ঞানৰ পাঠ্যক্ৰম, পাঠ্যপুথি উন্মোচন শ্বাহৰ

নিউজ ব্যুৰ', ভূপাল, ১৬ অক্টোবৰ ঃ হিন্দীত ৰচনা কৰা পাঠ্যপুথিৰে চিকিৎসা বিজ্ঞানৰ শিক্ষাদান কৰা হ'ব। প্ৰথমবাৰৰ বাবে ভাৰতত চিকিৎসা বিজ্ঞানৰ পাঠ্যক্ৰম শিক্ষাৰ্থীয়ে হিন্দীতো অধ্যয়ন কৰিব পাৰিব। মধ্যপ্ৰদেশত চিকিৎসা বিজ্ঞানৰ প্ৰথম বৰ্ষৰ শিক্ষাৰ্থীৰ বাবে প্ৰকাশ কৰা উক্ত পাঠ্যপুথি আজি উন্মোচন কৰিলে কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে। ভূপালৰ উক্ত অনুষ্ঠানত শ্বাহৰ লগতে উপস্থিত আছিল মধ্যপ্ৰদেশৰ মুখ্যমন্ত্ৰী শিৱৰাজ সিং চৌহান আৰু ৰাজ্যখনৰ চিকিৎসা শিক্ষা মন্ত্ৰী বিশ্বাস কৈলাস সাৰঙে। চিকিৎসা বিজ্ঞানৰ হিন্দী পাঠ্যক্ৰম মুকলি কৰি শ্বাহে কয়, 'আজি দেশৰ শিক্ষাক্ষেত্ৰৰ এক গুৰুত্বপূৰ্ণ দিন। আগন্তুক দিনত যেতিয়া ইতিহাস লিখা হ'ব, আজিৰ দিনটো স্বৰ্ণাক্ষৰত লিখা থাকিব। বিজেপিৰ শিৱৰাজ সিং চৌহানে দেশত প্ৰথমবাৰ চিকিৎসা বিজ্ঞানৰ পাঠ্যক্ৰম হিন্দীত প্ৰৱৰ্তন কৰি প্ৰধানমন্ত্ৰীৰ ইচ্ছাক মান্যতা দিলে। ৰাষ্ট্ৰীয় শিক্ষানীতিৰ মাধ্যমৰে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে মাতৃভাষাত শিক্ষাদানত বিশেষ গুৰুত্ব দিছে। এয়া এক ঐতিহাসিক সিদ্ধান্ত।'

টকাৰ মূল্য কমা নাই, ডলাৰ অধিক শক্তিশালী হৈছে ঃ নিৰ্মলাৰ মন্তব্য

নিউজ ব্যুৰ', নতুন দিল্লী, ১৬ অক্টোবৰ ঃ বিগত কিছুদিন ধৰি ভাৰতীয় মুদ্ৰা ডলাৰৰ বিপৰীতে যথেষ্ট দুৰ্বল হৈছে। ডলাৰৰ অনুপাতত মূল্য হ্ৰাস পাইছে ভাৰতীয় মুদ্ৰাৰ। প্ৰায় প্ৰতিদিনে সৰ্বনিম্ন পৰ্যায়লৈ অৱনমিত হৈ নতুন অভিলেখ ৰচিছে ভাৰতীয় মুদ্ৰাই। এই সন্দৰ্ভত সাংবাদিকে প্ৰশ্ন কৰাত কেন্দ্ৰীয় বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমণে মন্তব্য কৰি কয়, 'ভাৰতীয় মুদ্ৰাৰ মূল্য হ্ৰাস পোৱা নাই, মোৰ মতে ডলাৰৰ মূল্য বৃদ্ধি পাইছে। ডলাৰ প্ৰতিদিনে শক্তিশালী হৈছে। সেয়েহে স্পষ্টভাৱে অন্যান্য সকলো মুদ্ৰাৰ মূল্য ডলাৰৰ অনুপাততে আছে। মই ভাবো যে ভাৰতীয় মুদ্ৰাই অন্যান্য দেশৰ মুদ্ৰাৰ তুলনাত যথেষ্ট ভাল পাৰদৰ্শিতা প্ৰদৰ্শন কৰিছে। ভাৰতীয় মুদ্ৰাৰ মূল্য নিৰ্ধাৰণত বজাৰত হস্তক্ষেপ কৰা নহ'ব। কেৱল অস্থিৰতা হ্ৰাসৰ বাবে ৰিজাৰ্ভ বেংকে পদক্ষেপ ল'ব।' উল্লেখ্য যে যোৱা সপ্তাহৰ আৰম্ভণিতে ডলাৰৰ তুলনাত টকাৰ মূল্য সৰ্বনিম্ন ৮২.৬৮ টকা হৈছিল।

নাটো-ৰাছিয়াৰ সংঘাতত বিশ্বৰ বিপৰ্যয় হ'ব ঃ সকীয়নি পুটিনৰ

নিউজ ব্যুৰ', মস্কো, ১৬ অক্টোবৰ ঃ কেতিয়াবা নৰম, কেতিয়াবা আকৌ গৰম! কালি কাজাখস্তানত এখন সন্মিলনত অংশ লৈ ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভ্লাডিমীৰ পুটিনে কৈছিল যে তেওঁ ইউক্ৰেইনত নতুনকৈ আক্ৰমণৰ প্ৰয়োজনীয়তা প্ৰত্যক্ষ কৰা নাই। সংৰক্ষিত বাহিনীৰ অতিৰিক্ত সেনা

প্ৰেৰণৰো কোনো পৰিকল্পনা নাই বুলি ৰুছ ৰাষ্ট্ৰপতিয়ে কালি দাবী কৰিছিল। আনকি ইউক্ৰেইনৰ স'তে আলোচনাত বহিবলৈও পুটিনে আগ্ৰহ প্ৰকাশ কৰিছিল। অৱশ্যে ইয়াৰ লগতে ৰুছ ৰাষ্ট্ৰপতিয়ে স্পষ্ট কৰি কৈছিল যে এই আলোচনাত তেওঁ আমেৰিকাক কেতিয়াও প্ৰৱেশ কৰিব নিদিয়ে। পাছত এই প্ৰসংগত পুটিনে কয় যে উত্তৰ আটলাণ্টিক চুক্তি সংস্থা (নাটো)ৰ স'তে ৰাছিয়াৰ সেনা বাহিনীৰ যদি কোনো প্ৰত্যক্ষ সংঘৰ্ষ হয়, তেন্তে ইয়াৰ পৰিণতি অতি ভয়ানক হ'ব আৰু সমগ্ৰ বিশ্বলৈ বিপৰ্যয় নামিব। কাজাখাস্তানৰ ৰাজধানী আস্তানাত সাংবাদিকৰ আগত পুটিনে কয়, 'কেনেবাকৈ যদি নাটো আৰু ৰুছ বাহিনী, এই দুই পক্ষ মুখামুখি হয়, প্ৰত্যক্ষ সংঘৰ্ষ হয়, তেন্তে ইয়াৰ পৰিণতি হ'ব ভয়াৱহ। সমগ্ৰ বিশ্বলৈ বিপৰ্যয় নামি আহিব। যিসকলে যুদ্ধৰ কথা কৈছে, আশা কৰো তেওঁলোকৰ যথেষ্ট বুদ্ধিমত্তা আছে আৰু এই ধৰণৰ কোনো পদক্ষেপ গ্ৰহণ নকৰিব।'

গুজৰাটত আপৰ পঞ্চমখন প্ৰাৰ্থী তালিকা ঘোষণা

নিউজ ব্যুৰ' আহমেদাবাদ, ১৬ অক্টোবৰ ঃ গুজৰাটৰ আসন্ন বিধানসভা নিৰ্বাচনৰ বাবে আম আদমী পাৰ্টি (আপ)য়ে পঞ্চমখন প্ৰাৰ্থীৰ তালিকাত আজি ঘোষণা কৰিলে। পঞ্চম তালিকাত অৰবিন্দ কেজৰিৱাল নেতৃত্বাধীন দলটোৱে ১২ জন প্ৰাৰ্থীৰ নাম ঘোষণা কৰিলে। বৰ্তমানলৈকে আপে গুজৰাট বিধানসভা নিৰ্বাচনৰ বাবে ৫৩ জন প্ৰাৰ্থীৰ নাম ঘোষণা কৰিলে। উল্লেখ্য যে গুজৰাট বিধানসভাৰ নিৰ্বাচনৰ বাবে ৰাজ্যখনত আপে বিশেষ সক্ৰিয়তা প্ৰদৰ্শন কৰিছে। আপৰ গুজৰাটৰ সভাপতি গোপাল ইটালিয়াই প্ৰাৰ্থীৰ তালিকা ঘোষণা কৰি কয় যে তেওঁলোকে সোনকালে দলৰ প্ৰাৰ্থীৰ নাম ঘোষণা কৰিছে যাতে সেই সকল প্ৰাৰ্থীয়ে ৰাইজৰ স'তে যোগাযোগৰ বাবে প্ৰয়োজনীয় সময় লাভ কৰে।

পুটিনৰ বিৰুদ্ধে ক্ষোভ, ৰুছ সামৰিক প্ৰশিক্ষণ কেন্দ্ৰত বন্দুকধাৰীৰ গুলিত নিহত ১১ জন

নিউজ ব্যুৰ', মস্কো, ১৬ অক্টোবৰ ঃ ইউক্ৰেইন সীমান্তৱৰ্তী বেলগ'ৰুড অঞ্চলত ৰাছিয়াৰ এটা সামৰিক প্ৰশিক্ষণ কেন্দ্ৰত সন্ত্ৰাসবাদীৰ আক্ৰমণত কমেও ১১ জন লোক নিহত হোৱাৰ লগতে আন ১৫ জন গুলিবিদ্ধ হ'ল। ৰাছিয়াৰ প্ৰতিৰক্ষা মন্ত্ৰণালয়ৰ এক বিবৃতিত এই কথা প্ৰকাশ কৰি জনোৱা অনুসৰি পূৰ্বৰ ছোভিয়েটভুক্ত এখন দেশৰ দুজন নাগৰিকে প্ৰশিক্ষণ চলি থকাৰ সময়তে উক্ত কেন্দ্ৰটোত জধে-মধে গুলিবৰ্ষণ কৰিছিল। অৱশ্যে লগে লগে সেনাই গুলিবৰ্ষণ কৰাত দুই আক্ৰমণকাৰী ধৰাশায়ী হয়। ৰুছ ৰাষ্ট্ৰপতি ভ্লাডিমীৰ পুটিনৰ আগ্ৰাসী আচৰণত ক্ষুব্ধ হৈয়ে দুই সন্ত্ৰাসবাদীয়ে সামৰিক প্ৰশিক্ষণ কেন্দ্ৰত আক্ৰমণ চলোৱা বুলি সন্দেহ কৰা হৈছে।

ব্ৰিটেইনত লিজক অপসাৰণৰ প্ৰস্তুতি, কোন হ'ব পৰৱৰ্তী প্ৰধানমন্ত্ৰী?

নিউজ ব্যুৰ', লণ্ডন, ১৬ অক্টোবৰ ঃ পুনৰ ব্ৰিটেইনত সলনি হ'ব পাৰে প্ৰধানমন্ত্ৰী। ব্ৰিটিছ সংবাদ মাধ্যমৰ বাতৰি অনুসৰি, আগন্তুক কিছুদিন বা সপ্তাহৰ ভিতৰতে বৰ্তমানৰ প্ৰধানমন্ত্ৰী লিজ ট্ৰাছক অপসাৰণ কৰা হ'ব পাৰে। ব্ৰিটেইনৰ শাসকীয় কনজাৰভেটিভ দলৰ একাংশ নেতাই লিজক শীঘ্ৰে অপসাৰণৰ দাবী জনাইছে। এইসকল শাসকীয় নেতাই ব্ৰিটেইনক নেতৃত্ব দানৰ ক্ষেত্ৰত ইতিমধ্যে ট্ৰাছ ব্যৰ্থ হোৱা বুলি দাবী কৰি তেওঁৰ বিৰুদ্ধে থিয় দিছে। ব্ৰিটেইনৰ সংবাদ মাধ্যমত প্ৰকাশ পোৱা বাতৰিত উল্লেখ কৰা মতে, লিজক ব্ৰিটিছ প্ৰধানমন্ত্ৰী পদৰ পৰা অপসাৰণ কৰিলে ভাৰতীয় মূলৰ ঋষি ছুনক বা পেনি মৰ্ডুৰেণ্টক প্ৰধানমন্ত্ৰী নিযুক্ত কৰা হ'ব পাৰে। ইউ গভৰ শেহতীয়া এক সমীক্ষাত অংশ লোৱা ৬২ শতাংশ কনজাৰভেটিভ

দলৰ ভোটদাতাই মন্তব্য কৰি কয় যে ব্ৰিটিছ প্ৰধানমন্ত্ৰী হিচাপে লিজ ট্ৰাছক নিৰ্বাচন কৰাটো ভুল সিদ্ধান্ত আছিল। মাত্ৰ ১৬ শতাংশ ভোটাদাতাইহে লিজৰ নিৰ্বাচনৰ সিদ্ধান্ত সঠিক আছিল বুলি মত প্ৰকাশ কৰে।



সুৰা কেলেংকাৰিত ছিছ'দিয়াক জেৰালৈ মাতিলে চিবিআয়ে

নিউজ ব্যুৰ', নতুন দিল্লী, ১৬ অক্টোবৰ ঃ দিল্লীৰ বহুচৰ্চিত সুৰা কেলেংকাৰিৰ গোচৰত সোমবাৰে ১১ বজাত দিল্লীৰ উপমুখ্যমন্ত্ৰী মনীষ ছিছ'দিয়াক সোধা-পোছাৰ বাবে চমন জাৰি কৰিলে কেন্দ্ৰীয় তদন্তকাৰী সংস্থা চিবিআয়ে। চিবিআইৰ পৰা চমন লাভৰ পাছতে ছিছ'দিয়াই টুইট কৰি কয়, 'চিবিআয়ে কাইলৈ ১৭ অক্টোবৰত মোক সদৰ কাৰ্যালয়ত সোধা-পোছাৰ বাবে মাতিছে। সদৰ কাৰ্যালয়ত হাজিৰ হৈ চিবিআইক তদন্তত সম্পূৰ্ণ সহযোগিতা কৰিম।' উল্লেখ্য যে পূৰ্বে সুৰা কেলেংকাৰিৰ গোচৰত ছিছ'দিয়াক বাসগৃহটো চিবিআয়ে তালাচী চলাইছিল।

হিজাব বিৰোধী বিক্ষোভৰ মাজতে ইৰানৰ কাৰাগাৰত গুলিবৰ্ষণ-অগ্নিকাণ্ড

নিউজ ব্যুৰ', তেহৰান, ১৬ অক্টোবৰ ঃ শনিবাৰে নিশা নতুনকৈ উত্তেজনা বৃদ্ধি পালে ইৰানৰ ৰাজধানী তেহৰানত। ৰাজধানী চহৰখনৰ ইভিন কাৰাগাৰত যোৱা নিশা অগ্নিকাণ্ড আৰু সংঘৰ্ষৰ ভয়াৱহ ঘটনা সংঘটিত হ'ল। হিজাব পৰিধান নকৰাৰ অভিযোগত আৰক্ষীৰ জিম্মাত মৃত্যু হোৱা মহচা অ'মিনিৰ বাবে ন্যায় বিচাৰি ইৰানত একাংশ লোকে ব্যাপক বিক্ষোভ অব্যাহত ৰাখিছে। হিজাব বিৰোধী এনে বিক্ষোভৰ মাজতে যোৱা নিশা দেশখনৰ কাৰাগাৰত গুলীয়াগুলি আৰু অগ্নিকাণ্ডৰ ঘটনা সংঘটিত হ'ল। উত্তৰ তেহৰানৰ এই কাৰাগাৰখনত ৰাজনৈতিক বন্দী আৰু বিদেশীক ৰখা হৈছে। কাৰাগাৰৰ ভিতৰত নিশা গুলীয়াগুলিৰ শব্দ আৰু অগ্নিকাণ্ডৰ ঘটনাৰ পাছত ইৰানৰ পৰিস্থিতি পুনৰ উত্তপ্ত হৈ উঠিছে। কাৰাগাৰত গুলীয়াগুলি আৰু অগ্নিকাণ্ডৰ ঘটনাৰ পাছতে উক্ত কাৰাগাৰত বন্দী হৈ থকা লোকসকলৰ পৰিয়ালৰ মাজত উদ্বেগ বৃদ্ধি পাইছে।

হিমাচলত পুনৰ ক্ষমতা দখলৰ বাবে তৎপৰ হৈছে বিজেপি

নিউজ ব্যুৰ', ছিমলা, ১৬ অক্টোবৰ ঃ হিমাচল প্ৰদেশ বিধানসভাৰ নিৰ্বাচনক লৈ বিজেপিয়ে বিশেষ তৎপৰতা আৰম্ভ কৰিছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ আৰু বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি জে পি নড্ডাই একেৰাহে হিমাচল প্ৰদেশত ৰেলী কৰি বিজেপিৰ প্ৰচাৰ ইতিমধ্যে ব্যাপক কৰি তুলিছে। ৰাজ্যখনৰ মুখ্যমন্ত্ৰী জয়ৰাম ঠাকুৰেও আসন্ন নিৰ্বাচনৰ বাবে দলৰ হৈ প্ৰচাৰ অব্যাহত ৰাখিছে। দৰাচলতে পাহাৰীয়া হিমাচল প্ৰদেশত ১৯৯০ৰ পাছৰে পৰা কোনো এখন চৰকাৰে একেৰাহে দ্বিতীয়বাৰৰ বাবে চৰকাৰ গঠন

কৰিবলৈ সক্ষম হোৱা নাই। হিমাচল প্ৰদেশত প্ৰতি পাঁচ বছৰত চৰকাৰ সলনি হৈ আহিছে। ৰাজ্যখনৰ ৰাজনীতিৰ এই দিশটোৰ প্ৰতি লক্ষ্য ৰাখি বিজেপিয়ে আসন্ন বিধানসভাৰ নিৰ্বাচনৰ বাবে বিশেষ সতৰ্কতা অৱলম্বন কৰিছে। বিজেপিয়ে সেয়েহে হিমাচল প্ৰদেশবাসীক এইবাৰ চৰকাৰ সলনি নহয়, পৰম্পৰা সলনি কৰিবলৈ আহ্বান জনাইছে। শেহতীয়াভাৱে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়েও হিমাচল প্ৰদেশত একাধিক উন্নয়নমূলক প্ৰকল্পৰ আধাৰশিলা আৰু মুকলি কৰি ৰাজ্যবাসীক পুনৰ বিজেপিক ভোট দিবলৈ আহ্বান জনাইছে।

কলেজক দ্ৰুত স্বায়ত্ত শাসন প্ৰদানৰ বাবে সাজু ইউজিচি

নিউজ ব্যুৰ', নতুন দিল্লী, ১৬ অক্টোবৰ ঃ ২০২০ বৰ্ষৰ ৰাষ্ট্ৰীয় শিক্ষানীতিৰ স'তে সংগতি ৰাখি দেশৰ কলেজ অৰ্থাৎ মহাবিদ্যালয়সমূহক স্বায়ত্ত শাসন প্ৰদানৰ বাবে সাজু হৈছে বিশ্ববিদ্যালয় অনুদান আয়োগ (ইউজিচি)। ইউজিচিৰ অধ্যক্ষ এম জগদেশ কুমাৰে এই কথা প্ৰকাশ কৰি জনোৱা অনুসৰি ইতিমধ্যে ইয়াৰ বাবে খচৰা নীতিত অনুমোদন জনোৱা হৈছে। ইয়াৰ পাছত সকলো পক্ষৰ মতামত গ্ৰহণ কৰি এই বিষয়ত প্ৰয়োজনীয় সিদ্ধান্ত ইউজিচিয়ে গ্ৰহণ কৰিব। প্ৰস্তাৱিত পৰিৱৰ্তনৰ লক্ষ্য হৈছে কলেজসমূহক দ্ৰুত স্বায়ত্ত শাসন প্ৰদান আৰু এই প্ৰক্ৰিয়াক নাকৰ মূল্যায়নৰ স'তে সংযুক্ত কৰা। ইতিমধ্যে স্বায়ত্ত শাসন বিচাৰি যি সমূহ প্ৰস্তাৱ ইউজিচিয়ে লাভ কৰিছে, সেয়া বিশেষজ্ঞ সমিতিয়ে পৰীক্ষা কৰিব। প্ৰথমে ১০ বছৰৰ বাবে সংশ্লিষ্ট কলেজক স্বায়ত্ত শাসন প্ৰদান কৰা হ'ব। কোনো কলেজে নাকৰ 'এ' গ্ৰেড লাভ কৰিলে উক্ত সময়সীমা পুনৰ ১০ বছৰ বৃদ্ধি পাব। কাৰিকৰী শিক্ষাৰ কলেজৰ ক্ষেত্ৰত কমেও তিনিটা পাঠ্যক্ৰমৰ ন্যূনতম ৬৭৫ স্ক'ৰসহ এন বি এৰ অনুমোদন লাগিব। যিসমূহ কলেজে একেৰাহে ১৫ বছৰ ধৰি স্বায়ত্ত শাসন অব্যাহত ৰাখিব, নতুন নিয়মত তেনে কলেজক স্থায়ীভাৱে এই ক্ষমতা দিয়া হ'ব।

নামতি প্ৰেছ গীল্ডৰ নতুন সমিতি গঠন

অগ্ৰদূত বাৰ্তা

নামতি, ১৬ অক্টোবৰ ঃ শিৱসাগৰ জিলাৰ নামতি প্ৰেছ গীল্ডৰ অস্থায়ী কাৰ্যালয়ত আজি এক ৰাজহুৱা সভা অনুষ্ঠিত হৈ যায়। প্ৰেছ গীল্ডৰ সভাপতি বিমল বিভূতি গগৈৰ সভাপতিত্বত অনুষ্ঠিত সভাখনৰ উদ্দেশ্য ব্যাখ্যা কৰে সম্পাদক মনোজ কুমাৰ বৰুৱাই। সভাত প্ৰেছ গীল্ডৰ পূৰ্বৰ সমিতিখন ভংগ কৰি সৰ্বসন্মতি ক্ৰমে এখন নতুন সমিতি গঠন কৰা হয়। বিমল বিভূতি গগৈক সভাপতি, মনোজ কুমাৰ বৰুৱাক উপ-সভাপতি, তৰুণ গগৈক সম্পাদক, চাবৰি ইছলামক সহকাৰী সম্পাদক, সদস্য ক্ৰমে ৰফিউল হুছেইন, জিতু গগৈ, সুৰজিৎ হাতীমূৰীয়া আৰু জিতু তপন হাতীবৰুৱা। উপদেষ্টাৰূপে নৃপেন নেওগ, চন্দ্ৰ বৰুৱা আৰু ভাৰত চেতিয়াক নিৰ্বাচন কৰা হয়।

পশ্চিম গোৱালপাৰাৰ মাৰকুলাত বিজেপি নেতাৰ ছত্ৰছায়াত অবৈধভাৱে ৰঙামাটি খননৰ অভিযোগ

অগ্ৰদূত বাৰ্তা

মাটিয়া, ১৬ অক্টোবৰ ঃ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ দুৰ্নীতি বিৰোধী স্থিতিক অংগুষ্ঠ প্ৰদৰ্শন কৰি পশ্চিম গোৱালপাৰাৰ মাৰকুলাত এগৰাকী স্থানীয় বিতৰ্কিত বিজেপি নেতাৰ ছত্ৰছায়াত অবৈধভাৱে দিনে-নিশাই ৰঙা মাটি খনন কৰি ৰমৰমীয়া ব্যৱসায় চলাই থকা বুলি ৰাজহুৱা অভিযোগ উত্থাপিত হৈছে। লক্ষীপুৰ আঞ্চলিক বন বিভাগৰ অন্তৰ্গত মাৰকুলাৰ টিলাৰ পৰা দিনে-নিশাই ৰঙা মাটি খনন কৰি মুকলিকৈ ট্ৰেক্টৰেৰে সৰবৰাহ কৰি থকাত টিলাৰ ওপৰত থকা আৰু কাষত থকা ঘৰ যিকোনো সময়ত খহি পৰাৰো আশংকা প্ৰকাশ কৰা হৈছে। স্থানীয় একাংশ লোকে অভিযোগ কৰা মতে, লক্ষীপুৰ আঞ্চলিক বন বিষয়াৰ লগত গোপন বুজা-বুজিৰে বিতৰ্কিত বিজেপি নেতাজনে এইদৰে দিনে-নিশাই ৰঙা মাটিৰ ৰমৰমীয়া ব্যৱসায় চলাই আছে। এইদৰে নিজৰ চৰকাৰক লাখ লাখ টকা কৰ ফাঁকিৰে ব্যৱসায় চলাই থকা এইজন বিজেপি নেতাৰ বিৰুদ্ধে চৰকাৰ তথা বন সংমণ্ডল প্ৰাধিকাৰী বিষয়াই কি ব্যৱস্থা গ্ৰহণ কৰে সেয়া লক্ষ্যণীয় হ'ব। উল্লেখ্য যে কেৱল মাৰকুলাতে নহয় জিলাখনৰ বিভিন্ন প্ৰান্তত অসাধু চক্ৰই ৰঙা মাটিৰ লগতে নৈপৰীয়া মাটি অবৈধভাৱে খনন কৰি ৰমৰমীয়া ব্যৱসায় চলাই থকা বুলি দীৰ্ঘদিনৰ পৰাই ৰাজহুৱা অভিযোগ উত্থাপিত হৈ আহিছে। ফলত এফালে চৰকাৰে লাখ লাখ টকাৰ ৰাজহ হেৰুৱাবলগীয়া হোৱাৰ বিপৰীতে আনফালে, একাংশ বিভাগীয় বিষয়া-কৰ্মচাৰীয়ে নিজৰ নিজৰ পকেট গৰম কৰিবলৈ সক্ষম হোৱা বুলিও অভিযোগ উত্থাপন হৈছে।

লাহৰীঘাটৰ দৰিদ্ৰ পৰিয়ালৰ গৃহত অগ্নিসংযোগ দুৰ্বৃত্তৰ

অগ্ৰদূত বাৰ্তা

লাহৰীঘাট, ১৬ অক্টোবৰ ঃ মৰিগাঁও জিলাৰ লাহৰীঘাটত আজি পুৱতি নিশা দুৰ্বৃত্তই এটি দৰিদ্ৰ পৰিয়ালৰ গৃহত অগ্নিসংযোগ কৰে। লাহৰীঘাট আৰক্ষী থানাৰ অন্তৰ্গত দক্ষিণ চেনিমাৰী গাঁৱৰ আব্দুল মন্নাছৰ ঘৰত অগ্নি সংযোগ কৰে দুৰ্বৃত্তৰ দলে। ভিক্ষা বৃত্তিৰে জীৱন নিৰ্বাহ কৰা মন্নাছৰ ঘৰত পুৱতি নিশা প্ৰায় তিনি বজাত দুৰ্বৃত্তৰ অগ্নিসযোগত ঘৰৰ সকলো সা-সামগ্ৰী আৰু প্ৰয়োজনীয় নথি-পত্ৰ সমূহ সম্পূৰ্ণৰূপে ভস্মীভূত হয়। দৰিদ্ৰতাৰ সুযোগ লৈ মাটি-বাৰী দখল কৰাৰ বাবে নিশা অগ্নিসংযোগৰ দৰে নিকৃষ্ট কাৰ্য সম্পন্ন কৰে বুলি মন্নাছে গুৰুতৰ অভিযোগ উত্থাপন কৰে। ইতিমধ্যে লাহৰীঘাট আৰক্ষী ঘটনাস্থলীত উপস্থিত হৈ পৰিদৰ্শন কৰি ঘটনাৰ তদন্ত আৰম্ভ কৰিছে।

যোৰহাট কেন্দুগুৰিত বিনামূলীয়া চিকিৎসা শিবিৰ-শতাধিক ৰোগীক ঔষধ প্ৰদান

আপুনিও বচাব পাৰে আপোনাক
কেন্দ্ৰ

অগ্ৰদূত বাৰ্তা

চিনামৰা, ১৬ অক্টোবৰ ঃ যোৰহাটৰ অগ্ৰণী বেচৰকাৰী সংস্থা দোকমোকালি ফাউণ্ডেছনৰ সৌজন্যত কেন্দুগুৰিস্থিত আয়ুৰজীৱন হেলথ কেয়াৰত আজি এক বিনামূলীয়া চিকিৎসা শিবিৰ সম্পন্ন হয়। বাহনা মহাবিদ্যালয়ৰ ইংৰাজী বিভাগৰ অৱসৰপ্ৰাপ্ত অধ্যাপক নিৰেন বৰুৱাই উদ্বোধন কৰা চিকিৎসা শিবিৰটোত জিলাখনৰ শতাধিক ব্যক্তিৰ স্বাস্থ্য পৰীক্ষা কৰাৰ লগতে বিনামূলীয়া ঔষধ বিতৰণ কৰা হয়। বিশিষ্ট চিকিৎসক ডাক্তৰ কৃষ্ণকান্ত নাথে আঁতধৰা শিবিৰত চিকিৎসা প্ৰদান কৰে গুৱাহাটীৰ বিশিষ্ট চিকিৎসক ডাঃ এছ আহমেদে। দোকমোকালি ফাউণ্ডেছনৰ বিষয়ববীয়া কীৰ্তি বৰদলৈ আৰু পাৰ্থজিত দেউৰীকে মুখ্য কৰি ভালেকেইজন ব্যক্তিয়ে সহযোগিতা আগবঢ়ায়।

বেতবাৰী হাইস্কুলত অৱসৰপ্ৰাপ্ত শিক্ষকক বিদায় সম্বৰ্ধনা

অগ্ৰদূত বাৰ্তা

জালাহ, ১৬ অক্টোবৰ ঃ বাগ্‌সা জিলাৰ বেতবাৰী-ফুলগুৰিত থকা নৰ্থ কামৰূপ বেতবাৰী হাইস্কুলত সহকাৰী শিক্ষক আৰু ভাৰপ্ৰাপ্ত প্ৰধান শিক্ষকৰূপে কৰ্মৰত হৈ ৩১ আগষ্টত অৱসৰগ্ৰহণ কৰা অমায়িক, জনপ্ৰিয় আৰু কৃতী শিক্ষক থানেশ্বৰ ব্ৰহ্মক বিদ্যালয়ৰ এছ এম ডি চিৰ সদস্য, শিক্ষক-শিক্ষয়িত্ৰী আৰু ছাত্ৰ-ছাত্ৰীসকলে যোৱা ১৪ অক্টোবৰত বিদায় সম্বৰ্ধনা জনায়। ১৯৮৬ৰ পৰা ২০১২ৰ ডিচেম্বৰলৈ প্ৰায় সুদীৰ্ঘ ২৬ বছৰ কাল তেওঁ বিনা বেতনে অপ্ৰাদেশিকীকৃত বিদ্যালয়ৰ সহকাৰী শিক্ষকৰূপে কৰ্তব্য সম্পাদন কৰে। শাৰীৰিক অসুস্থতাৰ বাবে ২০২১ৰ মে'ৰ পৰা প্ৰধান শিক্ষকৰ দায়িত্বৰ পৰা অব্যাহতি লৈ তেওঁ সহকাৰী শিক্ষকৰূপে কাম কৰে আৰু ২০২২ৰ আগষ্টত অৱসৰ গ্ৰহণ কৰে। যোৱা ১৪ অক্টোবৰত বিদ্যালয়ত ভাৰপ্ৰাপ্ত প্ৰধান শিক্ষক আগৌমা ব্ৰহ্মৰ সভাপতিত্বত এখন বিদায় সম্বৰ্ধনা সভা অনুষ্ঠিত হয়। এই সভাত বিদায়ী প্ৰাক্তন ভাৰপ্ৰাপ্ত প্ৰধান শিক্ষক ব্ৰহ্মই তেওঁৰ কাৰ্যকালৰ বিভিন্ন অভিজ্ঞতাৰ ওপৰত বক্তব্য আগবঢ়ায়। সভাত প্ৰাক্তন প্ৰধান শিক্ষক ফুলেন বৰা, প্ৰাক্তন সহকাৰী প্ৰধান শিক্ষক মতিন্দ্ৰ দৈমাৰী আৰু প্ৰাক্তন শিক্ষক উদ্ধৱ তালুকদাৰে বিদায়ী শিক্ষকজনৰ গুণানুকীৰ্তন কৰি বক্তব্য আগবঢ়ায়।

হেদায়েৎপুৰত পুথিভঁৰাল উদ্বোধন

অগ্ৰদূত বাৰ্তা

মাটিয়া, ১৬ অক্টোবৰ ঃ গোৱালপাৰা চহৰৰ হেদায়েৎপুৰত আজি 'মোল্লা ষ্টাডী চেণ্টাৰ' নামৰ এটি পুথিভঁৰাল উদ্বোধন কৰা হয়। উক্ত পুথিভঁৰালটো উদ্বোধন কৰে অধ্যাপক মুজাম্মেল হকে। এই উপলক্ষে ডাঃ আব্দুল কাদিৰৰ পৌৰোহিত্যত অনুষ্ঠিত সভাৰ উদ্দেশ্য ব্যাখ্যা কৰি কৃতী শিক্ষক ছজিমুদ্দিন আহমেদে কয় যে এই পুথিভঁৰালটোৱে মানুহৰ মাজত কিতাপ পঢ়াৰ আগ্ৰহ বৃদ্ধি কৰিব। মুখ্য অতিথিৰূপে উপস্থিত থাকি অধ্যাপক মুজাম্মেল হকে কয় যে মোল্লা ষ্টাডী চেণ্টাৰ নামৰ পুথিভঁৰালটোৱে বৰ্তমানৰ ইণ্টাৰনেটৰ যুগত পুথি অধ্যয়নৰ পৰা আঁতৰি যোৱা লোকসকলক বহুখিনি উপকৃত কৰিব। সভাত 'ষ্টাডী চেণ্টাৰ আৰু কোৰানৰ পিনে উভতি আহক' শীৰ্ষক বিষয়ৰ ওপৰত ভাষণ প্ৰদান কৰে ড° দেৱান নজৰুল কাদিৰ, নুৰুল ইছলাম চৌধুৰী আৰু জেড আই মোল্লাই। ইপিনে, জেড আই মোল্লাই সম্বৰ্ধনা পৰ্ব পৰিচালনা কৰা সভাত উপস্থিত থাকি ড° আব্দুল বাতেন আহমেদ, অধ্যাপক আছিৰুদ্দিন, ড° আব্দুল বাতেন, ডাঃ মীৰ্জা হানিফ উল্লাহ, অধ্যাপক নজৰুল ইছলাম, অধ্যাপক আব্দুছ ছামাদ, মহম্মদ ইছমাইল আদিকে ধৰি ভালেসংখ্যক বিশিষ্ট লোকে পুথিভঁৰালটোৱে চহৰবাসী ৰাইজক উপকৃত কৰিব বুলি আশা প্ৰকাশ কৰে।

বিশ্বনাথত বিহু শিল্পীৰ উদ্যোগত ভাওনা প্ৰদৰ্শন

অগ্ৰদূত বাৰ্তা

বিশ্বনাথ চাৰিআলি, ১৬ অক্টোবৰ ঃ পোন প্ৰথমবাৰৰ বাবে সদৌ অসম বিহু শিল্পী সমাজৰ দ্বাৰা বিশ্বনাথৰ গড়েহাগী সমীপৰ কমলাকান্ত নাট্য সমাজৰ প্ৰেক্ষাগৃহত প্ৰদৰ্শন কৰা হ'ল 'পৰশুৰামৰ মাতৃ-হত্যা' ভাওনা। পুৱা চাৰি বজাতে প্ৰভাত ফেৰীৰ দ্বাৰা আৰম্ভ কৰা কাৰ্যসূচীত পুৱা ন বজাত পতাকা উত্তোলন কৰা হয়। সদৌ অসম বিহু শিল্পী সন্থাৰ কেন্দ্ৰীয় সমিতিৰ সহকাৰী সম্পাদক পংকজ দাসৰ সহযোগত পতাকা উত্তোলন কৰে বিহু শিল্পী সন্থাৰ কেন্দ্ৰীয় সমিতিৰ উপ-সভাপতি প্ৰশান্ত বৰাই। তাৰ পাছত ছহিদ তৰ্পণ কৰে বিহু শিল্পী সন্থাৰ কেন্দ্ৰীয় সমিতিৰ সাংগঠনিক সম্পাদক কবীন দাসে। বিহু শিল্পী সন্থাৰ বিশ্বনাথ জিলা সমিতিৰ সভাপতি সঞ্জীৱ বৰুৱা আৰু সম্পাদক ৰিপুন বৰাৰ নেতৃত্বত সন্ধিয়া অনুষ্ঠিত কৰা হয় এক সম্বৰ্ধনা অনুষ্ঠানৰ। তাৰ পাছতে আজিৰ ভাওনা ভাগ উদ্বোধন কৰে বিশ্বনাথৰ বিশিষ্ট সমাজসেৱক তথা উদ্যোগপতি ননী শৰ্মাই। বিহু শিল্পী সন্থাই প্ৰথমবাৰৰ বাবে এই ভওনাভাগ অনুষ্ঠিত কৰাৰ উদ্দেশ্য হ'ল যে নৱ প্ৰজন্মৰ মাজত গুৰুজনাৰ সৃষ্টিৰাজি প্ৰসাৰ আৰু প্ৰচাৰ কৰা।

কলিয়াবৰ প্ৰেছ ক্লাবৰ সদৌ ভূপেন্দ্ৰ সংগীত প্ৰতিযোগিতাৰ আয়োজন

অগ্ৰদূত বাৰ্তা

কলিয়াবৰ, ১৬ অক্টোবৰ ঃ কলিয়াবৰ প্ৰেছ ক্লাবৰ বছৰজোৰা কাৰ্যসূচীৰে অনুষ্ঠিত ৰূপালী জয়ন্তী বৰ্ষৰ লগত সংগতি ৰাখি অহা পাঁচ নৱেম্বৰত সদৌ অসম ভিত্তিত ভূপেন্দ্ৰ সংগীত প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে বুলি উদ্যোক্তাসকলে জনাইছে। দুটা শাখাত অনুষ্ঠিত হ'বলগীয়া প্ৰতিযোগিতাত 'ক' শাখাত দশম শ্ৰেণীৰ পৰা বিশ্ববিদ্যালয় পৰ্যায় আৰু 'খ' শাখাত পঞ্চমৰ পৰা নৱম শ্ৰেণী পৰ্যায়ৰ ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰিব পাৰিব। হাটবৰ কেন্দ্ৰীয় নাট্য সমাজৰ প্ৰেক্ষাগৃহত সেইদিনা পুৱা ন বজাৰ পৰা আৰম্ভ হ'ব লগা প্ৰতিযোগিতাত ক শাখাৰ প্ৰথম, দ্বিতীয়, তৃতীয় বিজয়ী প্ৰতিযোগীসকলক ক্ৰমে নগদ ১২০০০, ৮০০০ আৰু ৬০০০ টকা আৰু খ শাখাৰ প্ৰথম, দ্বিতীয় আৰু তৃতীয় প্ৰতিযোগীক ১০,০০০, ৭০০০ আৰু ৫০০০ নগদ ধন, বঁটা আৰু মানপত্ৰৰে পুৰস্কৃত কৰা হ'ব। লগতে প্ৰথম স্থানপ্ৰাপ্ত প্ৰতিযোগীক কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান ভ্ৰমণৰ বিশেষ সুবিধা প্ৰদান কৰা হ'ব বুলি উদ্যোক্তাসকলে জনাইছে। ইচ্ছুক প্ৰতিযোগীসকলক আগতীয়াকৈ ৭০০২৫০১৪২৬ আৰু ৭০০২৮০০৭০১ নম্বৰত যোগাযোগ কৰিবলৈ আহ্বান জনাইছে।

লালমাটি-দুৰামাৰীৰ গণেশ মন্দিৰৰ নতুন পৰিচালনা সমিতি গঠন

অগ্ৰদূত বাৰ্তা

অভয়াপুৰী, ১৬ অক্টোবৰ ঃ নামনি অসমৰ অন্যতম পুতঃপবিত্ৰ স্থান তথা বঙাইগাঁও জিলাৰ অভয়াপুৰীৰ নিকটৱৰ্তী লালমাটি-দুৰামাৰীৰ গণেশ মন্দিৰৰ নতুন পৰিচালনা সমিতিখন আজি গঠন কৰা হয়। পৰিচালনা সমিতিৰ সভাপতি অনুকল নাথৰ সভাপতিত্বত বিভিন্ন প্ৰান্তৰ পৰা অহা নেতৃস্থানীয় লোকৰ উপস্থিতিত মন্দিৰ প্ৰাংগণত অনুষ্ঠিত সভাখনত অনুকুল নাথক সভাপতি, কমল কুমাৰ মেধিক কাৰ্যকৰী সভাপতি, ক্ষীৰোদ চন্দ্ৰ ৰায়, মাণিক চন্দ্ৰ নাথক উপ-সভাপতি, বাসুদেৱ নাথক সাধাৰণ সম্পাদক, ডিম্বেশ্বৰ নাথক যুটীয়া সম্পাদক, ৰবীন নাথ, কমলেশ্বৰ নাথক সহকাৰী সম্পাদক, ধ্ৰুৱজ্যোতি নাথক কোষাধ্যক্ষ, বাণীকান্ত নাথ, ডিম্বু মেধিক প্ৰচাৰ সম্পাদক আৰু কন্দৰ্প নাথক নৱগঠিত কৰ্ণধাৰ সমিতিখনৰ সম্পাদকৰূপে লৈ নতুন সমিতিখন গঠন কৰে। উল্লেখ্য যে অনুকুল নাথে ১৯৯৯ৰ পৰাই একেৰাহে সভাপতিৰূপে কাৰ্যনিৰ্বাহ কৰি আহিছে।

অৱসৰপ্ৰাপ্ত শিক্ষক প্ৰভাত শইকীয়াৰ মৃত্যু

অগ্ৰদূত বাৰ্তা

গৌৰীসাগৰ, ১৬ অক্টোবৰ ঃ গৌৰীসাগৰ অঞ্চলৰ দিছিয়াল গাঁৱৰ নিৱাসী তথা অৱসৰপ্ৰাপ্ত শিক্ষক প্ৰভাত শইকীয়া (গাঠিয়া)ৰ যোৱা নিশা প্ৰায় ১২-৩০ বজাত উচ্চ ৰক্ত চাপজনিত ৰোগত ডিব্ৰুগড়স্থিত এখন নাৰ্চিংহোমত চিকিৎসাধীন অৱস্থাত মৃত্যু হয়। কিশোৰ অৱস্থাৰ পৰাই দিছিয়াল গাঁৱৰ উপৰি অঞ্চলটোৰ প্ৰতিটো সামাজিক, সাংস্কৃতিক আৰু ধৰ্মীয় অনুষ্ঠানৰ লগত দেহে-কেহে জড়িত থাকি প্ৰয়াত শইকীয়াই সমাজলৈ অনবদ্য অৰিহণা আগবঢ়াই আহিছিল। তদুপৰি দুখীয়া-দৰিদ্ৰজনৰ বিপদ কালত আৰ্থিক আৰু কায়িকভাৱে সহায় কৰি ভালপোৱা শইকীয়াৰ মৃত্যুত সমগ্ৰ অঞ্চলটোত শোকৰ ছাঁ পৰিছে। প্ৰয়াত শইকীয়াৰ মৃত্যুৰ সময়ত বয়স আছিল ৬২ বছৰ। পত্নীসহ এটি পুত্ৰ, দুগৰাকী কন্যা, জ্যেষ্ঠ ভ্ৰাতৃ-ভগ্নী, জোঁৱাই, নাতি-নাতিনীকে এৰি যায়। শইকীয়াৰ মৃত্যুত দিছিয়াল গাঁৱৰ গাঁও উন্নয়ন সমিতি, ৰাস সমিতি, খনাখোকোৰা উচ্চ মাধ্যমিক বিদ্যালয়, দিছিয়াল প্ৰাথমিক বিদ্যালয়, মিলনজ্যোতি ক্লাবকে ধৰি বহু অনুষ্ঠান-প্ৰতিষ্ঠানে তেওঁৰ মৃত্যুত শোক প্ৰকাশ কৰে।

মানুহক ভাল পোৱাটো প্ৰকৃত ধৰ্ম

হিন্দু-মুছলমানৰ মিলনভূমি পুৰণিগুদাম চলচলিত অনুষ্ঠিত হোৱা ফাতেহা-ই-দোৱাজ-দহমত সাহিত্যিক ফণীন্দ্ৰ নাথ গায়ন

অগ্ৰদূত বাৰ্তা

পুৰণিগুদাম, ১৬ অক্টোবৰ ঃ নগাঁও জিলাৰ পুৰণিগুদামৰ চলচলি মুছলিম গাঁৱৰ আঁহতৰ তলত আজি পালন কৰা হয় মুছলিম ধৰ্মাৱলম্বী লোকৰ পবিত্ৰ অনুষ্ঠান ফাতেহা-ই-দোৱাজ-দহম। এই উপলক্ষে অনুষ্ঠিত মুকলি সভাত সভাপতিত্ব কৰে হাফিজুৰ ৰহমানে। হিন্দু-মুছলমানৰ মিলনভূমি হিচাপে পৰিচিত চলচলিত অনুষ্ঠিত অনুষ্ঠানত আজি বিশিষ্ট অতিথিৰূপে উপস্থিত থাকে বৰ্ষীয়ান সমাজকৰ্মী তথা সাহিত্যিক পেঞ্চনাৰ ফণীন্দ্ৰ নাথ গায়ন। বিশিষ্ট অতিথিৰ ভাষণত সাহিত্যিকজনে কয়, 'মানুহক ভাল পাব লাগে। মানুহক ভাল পোৱাটো প্ৰকৃত ধৰ্ম। সংস্কৃতিৰ ক্ষেত্ৰত আমি এক, সেই সময়ত আমি মানুহ। ভোটৰ সময়ত ৰাজনৈতিক নেতাই বিভেদৰ সৃষ্টি কৰিলে তাত আমি ভোল যাব নালাগে। অসমৰ বুৰঞ্জীত মুছলমানৰ নাম সোণালী আখৰেৰে জিলিকি আছে। লাচিত বৰফুনৰ লগত মুছলীম সেনাপতিয়ে সহযোগিতাৰে যুঁজ দি সফল হৈছিল। অসম সাহিত্য সভাৰ সভাপতিৰ আসনো মুছলমানে অলংকৃত কৰিছিল', বুলি কৈ তেওঁ কয়, 'শংকৰ দেৱৰ ওপৰত প্ৰথম উপন্যাস লিখিছে চৈয়দ আব্দুল মালিকে। মুছলমানসকল প্ৰথম শ্ৰেণীৰ নাগৰিক। ভাষণ প্ৰসংগত তেওঁ কয় যে নগাঁৱৰ নুৰুল আমিন ষ্টেডিয়ামখন এজন স্বনামধন্য মুছলীম লোকৰ নামত নামাকৰণ কৰা হৈছে। অসমত হিন্দু-মুছলমানৰ পাৰ্থক্য নাই। এৰা- ধৰাৰ মাজেৰে সমাজখন চলে। সমাজত কিছুমান নিয়মৰ পৰিৱৰ্তন কৰিব লাগিব বুলি উল্লেখ কৰি গায়নে আমাৰ একতা শান্তি সম্প্ৰীতি সদায় সজীৱ হৈ থাকিব' বুলি উল্লেখ কৰে। প্ৰায় দুই শতাধিক হিন্দু-মুছলমান লোক উপস্থিত থকা সভাত বিশিষ্ট সমাজকৰ্মী গোলাপ সুত, প্ৰাক্তন জিলা পৰিষদ সদস্য অমল গায়ন, নিজ চলচলি গাঁও পঞ্চায়তৰ প্ৰাক্তন সভাপতি আব্দুৰ ৰৌফ, তাজউদ্দিন আহমেদ আদি বহুকেইজন গণ্য-মান্য ব্যক্তি উপস্থিত থকাৰ উপৰি, বঢ়মপুৰ মণ্ডল বিজেপি যুৱ মৰ্চাৰ সম্পাদক প্ৰশান্ত বৰা, অ'বিচি মৰ্চা বঢ়মপুৰৰ সম্পাদক অভিজিৎ বৰাকে ধৰি কে'বাগৰাকী বিশিষ্ট লোক উপস্থিত থাকে।

সামাজিক-সাংস্কৃতিক অনুষ্ঠানলৈ বিধায়ক উন্নয়ন পুঁজিৰ চেক বিতৰণ

বিশেষ সংবাদদাতা

নগাঁও, ১৬ অক্টোবৰ ঃ নগাঁও সদৰ সমষ্টিৰ কে'বাটাও সামাজিক-সাংস্কৃতিক অনুষ্ঠান-প্ৰতিষ্ঠানক আজি বিধায়ক উন্নয়ন পুঁজিৰ চেক বিতৰণ কৰা হয়। আজিৰ চেক বিতৰণ কৰা অনুষ্ঠানসমূহ ক্ৰমে- ৰণথলী ৰজাভেটী মুকলি মঞ্চ, নৱ জেউতি পুথিভঁৰাল, হৰিহৰ কৃষ্টি বিকাশ সমিতি, উপাসনা শাখা সাহিত্য সমিতি, পূব বৰক'লা তিৱা নামঘৰ, মিলনপুৰ যুৱ মঞ্চ, খাটগুৰি বেবেজীয়া কৃষ্টি বিকাশ কেন্দ্ৰ নামঘৰৰ, অনুষ্ঠানসমূহক চেক বিতৰণ কৰি বিধায়কজনে কয় যে বিধায়ক পুঁজিৰ জৰিয়তে আবন্টিত ধনেৰে এই অনুষ্ঠানসমূহৰ আন্তঃগাঁথনিৰ উন্নয়ন হোৱাৰ লগতে আৰু অধিক আটকধুনীয়া হৈ উঠাৰ উপৰি ৰাইজ উপকৃত হ'ব।

অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ পহুচুঙী দেউধাই - বগৰীগুৰি শাখা গঠন

অগ্ৰদূত বাৰ্তা

নামতি, ১৬ অক্টোবৰ ঃ আজি অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ শিৱসাগৰ জিলাৰ শিমলুগুৰি আঞ্চলিক সমিতিৰ অন্তৰ্গত পহুচুঙী দেউধাই শাখা আৰু বগৰীগুৰি শাখা সমিতিখন পুনৰ গঠন কৰা হয়। অভিজিত গগৈৰ সভাপতিত্বত অনুষ্ঠিত হোৱা সভাখনত সৰ্বসন্মতি মৰ্মে পহুচুঙী দেউধাই শাখাৰ সভাপতি উজ্জ্বল গগৈ আৰু বিকল্প হাজৰিকাক সাধাৰণ সম্পাদকৰূপে লৈ এখন শক্তিশালী শাখা সমিতি গঠন কৰা হয়। লগতে সভাপতি অমনজ্যোতি লিকচন আৰু মিন্টু বৰ্মনক সাধাৰণ সম্পাদকৰূপে লৈ বগৰীগুৰি শাখা সমিতিখন গঠন কৰা হয়। শিমলুগুৰি পাহিতা মজলীয়া বিদ্যালয়ত অনুষ্ঠিত হোৱা উক্ত সভাত উপস্থিত থাকে অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ শিৱসাগৰ জিলা সমিতিৰ সাংগঠনিক সম্পাদক অভিজিত গগৈ, জিলা সমিতিৰ সমাজসেৱা সম্পাদক ভাস্কৰজ্যোতি মহন্ত, শিমলুগুৰি আঞ্চলিক সমিতিৰ ভাৰপ্ৰাপ্ত সভাপতি প্ৰণৱজ্যোতি সন্দিকৈ, প্ৰাক্তন সভাপতি সম্পাদক ৰূপম শইকীয়া, কাৰ্যনিৰ্বাহক সদস্য মিন্টু মেছ আদি।

হিন্দু-মুছলমান মহিলাৰ জিকিৰৰ ধ্বনিয়ে মুখৰিত কৰিলে মৈৰাবাৰী

অগ্ৰদূত বাৰ্তা

ভূৰাগাঁও, ১৬ অক্টোবৰ ঃ মৰিগাঁও জিলা দিৱস উপলক্ষে সমগ্ৰ জিলাবাসী ব্যস্ত হৈ পৰে ১৪ আৰু ১৫ অক্টোবৰ দিন দুটা। মৰিগাঁও সদৰত জিলা দিৱস উদ্‌যাপন কৰাৰ লগতে জিলাখনৰ ভূৰাগাঁও, লাহৰীঘাট আৰু মৈৰাবাৰীতো দিৱসটো জাকজমকতাৰে উদ্‌যাপন কৰা হয়। মৰিগাঁও নৱ নিযুক্ত উপায়ুক্ত দেৱাশীষ শৰ্মাৰ তত্ত্বাৱধানত কোনো সমিতি নোহোৱাকৈয়ে প্ৰান্তে প্ৰান্তে উদ্‌যাপিত হ'ল মৰিগাঁও জিলা দিৱস। উপায়ুক্তৰ প্ৰত্যক্ষ সহযোগত জিলাখনৰ প্ৰতিজন চক্ৰ বিষয়াৰ তত্ত্বাৱধানত উদ্‌যাপিত হয় জিলা দিৱস। সেই অনুসৰি, ভূৰাগাঁও ৰাজহ চক্ৰ বিষয়া প্ৰিয়ংকা বণিয়া আৰু লাহৰীঘাট ৰাজহ চক্ৰ বিষয়া স্বৰাজ ভাৰত লাগাছুৰ তত্ত্বাৱধানত ভূৰাগাঁও, লাহৰীঘাট আৰু মৈৰাবাৰীত বৰ্ণাঢ্য কাৰ্যসূচীৰে উদ্‌যাপিত হয় জিলা দিৱস। সেই উপলক্ষে ভূৰাগাঁও, লাহৰীঘাট আৰু মৈৰাবাৰীত উত্তোলন কৰা হয় ৩৪খনকৈ পতাকা। ভূৰাগাঁও ৰাজহ চক্ৰ বিষয়া প্ৰিয়ংকা বণিয়াৰ তত্ত্বাৱধানত ভূৰাগাঁও হৰিচৰণ সৰকাৰ উচ্চতৰ মাধ্যমিক বিদ্যালয় প্ৰাংগণত অন্যান্য সাংস্কৃতিক কাৰ্যসূচী ৰূপায়ণ কৰা লগতে ১৫ অক্টোবৰৰ সামৰণি অনুষ্ঠানত সন্মুখত তিনি শিশুক ক্ৰমে শংকৰদেৱ, মাধৱদেৱ আৰু মহাত্মা গান্ধীৰ প্ৰতিকীৰূপত সজাই সন্মুখত লৈ উলিয়াই এক বৰ্ণিল সাংস্কৃতিক শোভাযাত্ৰা। কে'বা সহস্ৰাধিক লোকৰ শোভাযাত্ৰাটোত বিভিন্ন সাংস্কৃতিক দলেও অংশগ্ৰহণ কৰে। ইফালে, মৈৰাবাৰী অঞ্চলৰ ৰাইজেও মৰিগাঁও দিৱস উপলক্ষে হাতত লয় বাৰেৰহণীয়া কাৰ্যসূচী। মৈৰাবাৰীবাসী ৰাইজে কোনো কমিটী নোহোৱাকৈ গ্ৰহণ কৰা বৰ্ণিল কাৰ্যসূচীয়ে সকলোকে মুগ্ধ কৰে। সেই উপলক্ষে মৈৰাবাৰীবাসী ৰাইজে সমগ্ৰ মৈৰাবাৰী টাউনখন নানাৰঙী পতাকাৰে সজাই তোলাৰ লগতে সমগ্ৰ টাউনৰ দোকান-বজাৰসমূহো বেলুন আৰু পোহৰৰ মেলাৰে সজাই তোলে। মৈৰাবাৰী প্ৰেছ ক্লাবৰ সন্মুখত সু-সজ্জিত পৰিৱেশত উত্তোলন কৰা হয় ৩৪ খন পতাকা। মৈৰাবাৰীবাসী ৰাইজে উলিওৱা শোভাযাত্ৰাত সাত সহস্ৰাধিক লোকৰ সমাগম হয়। শোভাযাত্ৰাত হাতীক আগত লৈ মন্দিৰ-মছজিদ, গায়ন-বায়নক ধৰি নানা সত্ৰীয়া কৃষ্টি দল, বিহু, বিয়ানামৰ দল, জিকিৰৰ দল, তিৱা, বড়ো, বঙালি, চৰুৱা সংস্কৃতি, ড্ৰাগছ বিৰোধী সজাগতাকে ধৰি বিভিন্ন বিষয় উপস্থাপন কৰি প্ৰায় ৭০ টা দলে অংশগ্ৰহণ কৰে। তাৰ পাছতে মৈৰাবাৰী পাতেকিবড়ী সত্ৰত সম্পন্ন হয় ছাত্ৰ-ছাত্ৰীৰ মাজত নানা সুকুমাৰ কলাৰ প্ৰতিযোগিতা, জ্যেষ্ঠ নাগৰিকৰ মাজত টেকেলিভাঙা, ৰচি টনা খেল আদি নানা কাৰ্যসূচী। ইয়াৰ সমান্তৰালকৈ পাতেকিবড়ী সত্ৰ প্ৰাংগণৰ সাংস্কৃতিক মঞ্চত গুৰু বৰ্ণনাৰে আৰম্ভ হয় সাংস্কৃতিক সন্ধিয়া। তদুপৰি সাংস্কৃতিক মঞ্চত দিনৰ ভাগৰ পৰা পৰিৱেশন কৰা হয় খোল বাদন, দিহানাম, বিহু নৃত্য, তিৱা নৃত্য, বড়ো নৃত্যৰ লগতে চৰুৱা শিল্পীয়ে পৰিৱেশন কৰে নৌকা নৃত্য, জাৰি নৃত্য আদি। মুঠতে অসমীয়া জাতিৰ সকলো লোক নৃত্য লোক গীতৰ সমাহাৰ ঘটে সাংস্কৃতিক মঞ্চটোত। ৩৪ গৰাকী হিন্দু-মুছলমান মহিলাই সমৱেত কণ্ঠৰ এটি বৈশিষ্ট্যপূৰ্ণ সমৱেত সংগীতেৰে উপায়ুক্তই মৈৰাবাৰীবাসীৰ আদৰণি গ্ৰহণ কৰে। সমান্তৰালকৈ হিন্দু-মুছলমান মহিলাই মিলি সাৱলীল ৰূপত পৰিৱেশন কৰা 'মোৰ মনত ভিন পৰ নাই অ আল্লা' শীৰ্ষক জিকিৰৰ ধ্বনিত মুখৰিত হোৱা সন্ধিয়া আমন্ত্ৰিত কণ্ঠ শিল্পী অলংকিতা, ৰূপাংকিতায়ো গীতৰ শৰাই আগবঢ়াই অনুষ্ঠানৰ সুকীয়া মাত্ৰা প্ৰদান কৰে। এনেদৰেই অঞ্চলবাসীৰ বিপুল সহযোগত সমগ্ৰ জিলাখনৰ লগতে মৈৰাবাৰী, ভূৰাগাঁও আদি অঞ্চলতো ১৫ অক্টোবৰত সফল সমাপ্তি ঘটে মৰিগাঁও জিলা দিৱসৰ কাৰ্যসূচী।

ৰঙিয়াত ছাত্ৰীক যৌন নিৰ্যাতন চলাই শিক্ষক নিলম্বিত

অগ্ৰদূত বাৰ্তা

ৰঙিয়া, ১৬ অক্টোবৰ ঃ ছাত্ৰী আৰু শিক্ষকৰ পবিত্ৰ সম্পৰ্কত কালিমা সানি সমগ্ৰ শিক্ষক সমাজক লজ্জানত কৰা এজন শিক্ষক অৱশেষত চাকৰিৰ পৰা নিলম্বিত হ'ল। ছাত্ৰীক যৌন নিৰ্যাতন চলোৱাৰ অভিযোগত উক্ত শিক্ষকজনক কামৰূপ জিলা শিক্ষা বিষয়া তথা বিদ্যালয় সমূহৰ পৰিদৰ্শকে তৎকালীনভাৱে বলবৎ হোৱাকৈ নিলম্বিত কৰে। নিলম্বিত হোৱা শিক্ষকজন ৰঙিয়া পদুম কুঁৱৰী কলেজিয়েট হাইস্কুলৰ সহকাৰী শিক্ষক বিনোদ গোস্বামী বুলি বিদ্যালয় সূত্ৰই জনাইছে। প্ৰাপ্ত অভিযোগ, অনুসৰি বিদ্যালয়খনৰ সহকাৰী শিক্ষক গোস্বামীয়ে দীৰ্ঘদিন ধৰি ছেগ বুজি এগৰাকী সপ্তম শ্ৰেণীৰ ছাত্ৰীৰ শৰীৰ স্পৰ্শ কৰি আহিছিল। অলপতে শিক্ষকজনে বিদ্যালয়ৰ প্ৰধান শিক্ষয়িত্ৰীৰ অনুপস্থিতিৰ সুযোগ লৈ মধ্যাহ্ন ভোজন খোৱাৰ সময়ত ছাত্ৰীগৰাকীক স্পৰ্শ কৰে। ইচ্ছাকৃতভাৱে স্পৰ্শ কৰাৰ সময়ত সম্পৰ্কীয় ভ্ৰাতৃ এজনে এই ঘটনা প্ৰত্যক্ষ কৰি ছাত্ৰী গৰাকীৰ পিতৃ-মাতৃক খবৰ দিয়ে। লগে লগে বিদ্যালয়ত এক উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হয়। ঘটনাৰ খবৰ পোৱাৰ লগে লগে স্থানীয় মহিলা সকলে বিদ্যালয় চৌহদত উপস্থিত হৈ এক হুলস্থূলীয়া পৰিস্থিতিৰ সৃষ্টি কৰে। অৱশ্যে ইয়াৰ মাজতে অভিযোগ উত্থাপিত হোৱা শিক্ষকজনে পলাই পত্ৰং দিয়ে। ইতিমধ্যে ছাত্ৰীগৰাকীৰ অভিভাৱকে ৰঙিয়া আৰক্ষী থানাত শিক্ষকজনৰ বিৰুদ্ধে এজাহাৰ দাখিল কৰে। আৰক্ষীয়ে তেওঁৰ এজাহাৰৰ ভিত্তিত ভাৰতীয় দণ্ড বিধিৰ ৩৫৪ (এ), আৰ ডব্লিউ ধাৰা আঠ পক্স' আইনত ৬৩৫/২২ নম্বৰত গোচৰ ৰুজু কৰিছে।

প্ৰাক্তন ছাত্ৰনেতা পংকজ শৰ্মাৰ আত্মাৰ সদগতিৰ বাবে মৰিগাঁও জিলা দিৱসত মৌন প্ৰাৰ্থনা

অগ্ৰদূত বাৰ্তা

মৰিগাঁও, ১৬ অক্টোবৰ ঃ মৰিগাঁও জিলা দিৱসৰ অন্তিম দিনটোত কালি অকাল মৃত্যুক সাৱটি লোৱা মৰিগাঁও সামাজিক-সাংস্কৃতিক ক্ষেত্ৰৰ অগ্ৰণী সৰবৰহী যুৱক, মৰিগাঁও সদৰ ছাত্ৰ সন্থাৰ প্ৰাক্তন সভাপতি তথা সমগ্ৰ শিক্ষা অভিযানৰ মৰিগাঁও কাৰ্যালয়ৰ কনিষ্ঠ অভিযন্তা পংকজ শৰ্মাৰ আত্মাৰ সদগতিৰ কাৰণে ভগৱানৰ ওচৰত মৌন প্ৰাৰ্থনা কৰে দুই সহস্ৰাধিকে। উল্লেখযোগ্য যে মৰিগাঁৱৰ সৰবৰহী সামাজিক যুৱকজনৰ মাথো ৪৮ বছৰ বয়সতে কালি দুপৰীয়া ১.১৬ মিনিটত গুৱাহাটীৰ নেমকেয়াৰ চিকিৎসালয়ত চিকিৎসাধীন অৱস্থাত পৰলোকপ্ৰাপ্তি হয়। সেই সময়ত মৰিগাঁও চহৰৰ স্কুল খেলপথাৰত মৰিগাঁও জিলা প্ৰশাসনৰ সৌজন্যত আৰু জিলা সাহিত্য সভাৰ উদ্যোগত অনুষ্ঠিত হৈ আছিল 'সাহিত্যত সামাজিক দায়বদ্ধতা আৰু যুৱ প্ৰজন্মৰ ভূমিকা' শীৰ্ষক আলোচনাচক্ৰ। মৰিগাঁও সামাজিক ক্ষেত্ৰৰ অগ্ৰণী সৰবৰহী যুৱকজনৰ মৃত্যুৰ বাতৰি সদৰী হোৱা লগে লগে উক্ত আলোচনাচক্ৰখনৰ সঞ্চালক তথা মৰিগাঁও জিলা সাহিত্য সভাৰ সভাপতি প্ৰতাপ হাজৰিকাৰ আহ্বান ক্ৰমে উপস্থিত দুই সহস্ৰাধিকে প্ৰাক্তন ছাত্ৰনেতা তথা সৰবৰহী যুৱক পংকজ শৰ্মাৰ বিদেহ আত্মাৰ সদগতিৰ বাবে ভগৱানৰ ওচৰত মৌন প্ৰাৰ্থনাৰ জৰিয়তে ৰাজহুৱা শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। উক্ত শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত মৰিগাঁও জিলাৰ অতিৰিক্ত উপায়ুক্ত গৰ্গমোহন দাস, মৰিগাঁও জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি হৰেন্দ্ৰ বৰা, মৈৰাবাৰী মহাবিদ্যালয়ৰ অধ্যাপক ড° অংশুমান দাস, মৰিগাঁও মহাবিদ্যালয়ৰ অধ্যাপক ড° অজিত কোঁৱৰ, জাগীৰোড মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক ড° খগেন শৰ্মা, মৰিগাঁও বালিকা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত বিষয় শিক্ষক ড° হাতেম আলি, মৰিগাঁও জিলা সাহিত্য সভাৰ উপসভাপতি মিহিৰ হাজৰিকা, কেন্দ্ৰীয় কাৰ্যনিৰ্বাহ সদস্য অজিত শৰ্মা, মহেন্দ্ৰ শইকীয়া, মৰিগাঁও জিলা সাহিত্য সভাৰ সম্পাদক পিনাকী ভূষণ মহন্ত আদিয়ে অংশগ্ৰহণ কৰে।

গৰিয়া-মৰিয়া-দেশী জাতীয় পৰিষদৰ তামুলপুৰ জিলা সমিতি

অগ্ৰদূত বাৰ্তা

গোৰেশ্বৰ, ১৬ অক্টোবৰ ঃ তামুলপুৰ জিলাৰ বাঙালীপাৰাস্থিত কনকলতা প্ৰাথমিক বিদ্যালয় প্ৰাংগণত বিশিষ্ট সমাজকৰ্মী ড° চামনুৰুদ্দিন আহমেদৰ সভাপতিত্বত কালি দিনৰ দুই বজাৰ পৰা অনুষ্ঠিত হয় সদৌ অসম গৰিয়া-মৰিয়া-দেশী জাতীয় পৰিষদৰ তামুলপুৰ জিলা সমিতিৰ প্ৰতিনিধিত্বমূলক সাধাৰণ সভা। সভাত তামুলপুৰ জিলাৰ অন্তৰ্গত গোৰেশ্বৰ, উলুবাৰী, ধেপাৰগাঁও, কাউৰবাহা, কুমাৰীকাটা, নাগ্ৰীজুলী আৰু বাঙালীপাৰা আদি অঞ্চলৰ প্ৰায় দুই শতাধিক প্ৰতিনিধি উপস্থিত থাকে। সদৌ অসম গৰিয়া-মৰিয়া-দেশী জাতীয় পৰিষদৰ কেন্দ্ৰীয় সমিতিৰ সহকাৰী সাধাৰণ সম্পাদক জালালুদ্দিন আহমেদে আঁতধৰা সভাত কাৰ্যকৰী সভাপতি নুৰুল হক (ৰিন্টু), যুটীয়া সাধাৰণ সম্পাদক চহিদ আলী আহমেদ, ক্ৰীড়া সম্পাদক আলাউদ্দিন আহমেদ, শিক্ষা সম্পাদক ফৰমান আলী, ফখৰুদ্দিন উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ ছাহজাহান ছিদ্দিকি উপস্থিত থাকে। কাৰ্যকৰী সভাপতি নুৰুল হকে তেওঁৰ ভাষণত অসমীয়া জাতীয় জীৱনৰ অবিচ্ছেদ্য অংগ গৰিয়া-মৰিয়া-দেশী লোকসকলে সাম্প্ৰতিক সময়ত সাহিত্য, সংস্কৃতি, শৈক্ষিক, ক্ৰিয়াৰ ক্ষেত্ৰত উল্লেখনীয় অৱদান আগবঢ়াই যাবলৈ আহ্বান জনায়। স্বনিৰ্ভৰশীল হৈ দেশ, ৰাজ্যৰ অৰ্থনৈতিক বুনিয়াদ তৈয়াৰ কৰাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰাৰ মতপোষণ কৰে। শেহতীয়াকৈ অসম চৰকাৰে গৰিয়া-মৰিয়া-দেশী ভূমিপুত্ৰ লোকসকলক খিলঞ্জীয়াৰ স্বীকৃতি প্ৰদান কৰা কাৰ্যক আদৰণি জনোৱাৰ লগতে অতি শীঘ্ৰে চৰকাৰী তত্ত্বাৱধানত সুকীয়া জৰীপৰ ব্যৱস্থা কৰিবলৈ চৰকাৰক দাবী জনায়। যুটীয়া সাধাৰণ সম্পাদক চহিদ আলী আহমেদে এই জনগোষ্ঠীসমূহক প্ৰতিনিধিত্ব কৰি অসমীয়া সাহিত্য-সংস্কৃতিৰ ভঁৰাল চহকী কৰি যোৱা পুৰোধা ব্যক্তি ড° ময়দুল ইছলাম বড়া, মফিজুদ্দিন আহমদ হাজৰিকা, চৈয়দ আব্দুল মালিক বৰ্তমানো আমাৰ মাজত বিৰাজমান বুলি দোহাৰি ইমৰান শ্বাহৰ কৰ্মৰাজিক স্মৰণ কৰে। উল্লেখ্য যে প্ৰতিনিধি সভাই মোবাৰক আলীক সভাপতি, চোলেমান আলীক কাৰ্যকৰী সভাপতি, চৈয়দ জাহিদুল ইছলামক সাধাৰণ সম্পাদক, আমিনুল আলীক শিক্ষা সম্পাদকৰূপে লৈ সৰ্বসন্মতিক্ৰমে ৪১ জনীয়া পূৰ্ণাংগ সমিতি গঠন কৰে।

নগাঁৱৰ শ্ৰীমন্ত শংকৰ মিছনৰ দ্বাৰা অত্যাধুনিক চকু চিকিৎসালয় স্থাপনৰ সিদ্ধান্ত

বিশেষ সংবাদদাতা

নগাঁও, ১৬ অক্টোবৰ ঃ উত্তৰ-পূব ভাৰতৰ অন্যতম আগশাৰীৰ মানৱ সেৱাৰ স্বেচ্ছাসেৱী সংগঠন শ্ৰীমন্ত শংকৰ মিছনৰ দ্বাৰা এখন অত্যাধুনিক চকু চিকিৎসালয় স্থাপনৰ বাবে সিদ্ধান্ত গ্ৰহণ কৰিছে। প্ৰায় ১০ কোটি টকাৰো অধিক ধন ব্যয় সাপেক্ষে নিৰ্মাণ হ'বলগীয়া চিকিৎসালয়খন স্থাপন কৰাৰ বাবে সিদ্ধান্ত গ্ৰহণ কৰা বুলি জানিবলৈ দিয়ে শ্ৰীমন্ত শংকৰ মিছনৰ সাধাৰণ সম্পাদক বল্লদেৱ শৰ্মাই। তেওঁ এই সন্দৰ্ভত জানিবলৈ দি আৰু কয়, ইতিমধ্যে চকু চিকিৎসালয়খনৰ বাবে স্থান নিৰ্বাচন কৰাৰ উপৰি মাটি পৰীক্ষণ, ড্ৰোণ ছাৰ্ভে কাৰ্য সম্পন্ন হৈছে আৰু প্ৰস্তাৱিত চিকিৎসালয়খনৰ আঁচনি যুগুত কৰাৰ লগতে যুদ্ধকালীন গতিত ডিপিআৰ প্ৰস্তুতৰ দায়িত্ব অৰ্পণ কৰা হৈছে। তদুপৰি এই সন্দৰ্ভত নগাঁৱৰ বিধায়ক ৰূপক শৰ্মাৰ বিশেষ তৎপৰতাত স্থাপন হ'বলগীয়া উক্ত চিকিৎসালয়খনৰ নিৰ্মাণৰ বাবে ইতিমধ্যে অসম চৰকাৰৰ স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী কেশৱ মহন্তৰ লগত এক প্ৰাৰম্ভিক আলোচনা অনুষ্ঠিত হৈ ৰূপৰেখা তৈয়াৰ কৰা হৈছে যদিও চিকিৎসালয়খন প্ৰতিষ্ঠাৰ বাবে চূড়ান্ত অনুমোদনৰ বাবে অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ লগত এক আলোচনা প্ৰক্ৰিয়াৰ জৰিয়তেহে সম্পূৰ্ণ হ'ব বুলি শ্ৰীমন্ত শংকৰ মিছনৰ সাধাৰণ সম্পাদকজনে প্ৰকাশ কৰে। এই ক্ষেত্ৰত নগাঁওবাসী তথা অসমবাসীৰ সহযোগিতা কামনা কৰিছে মিছনৰ সভাপতি প্ৰেমেশ্বৰ দাস আৰু সাধাৰণ সম্পাদক বল্লদেৱ শৰ্মাই। উল্লেখযোগ্য যে নগাঁও চহৰৰ পানীগাঁও চাৰিআলিস্থিত শ্ৰীমন্ত শংকৰ মিছনৰ মুখ্য কাৰ্যালয় একাষে প্ৰায় দুই বিঘা মাটি ব্যাপী চাৰিমহলীয়া গৃহত নিৰ্মাণ হ'ব লগা উক্ত চিকিৎসালয়খনত চকুৰ ৰোগ তথা অস্ত্ৰোপচাৰৰ বাবে অত্যাধুনিক প্ৰযুক্তি তথা মেচিনসমূহ থাকিব। সমাজৰ সকলো শ্ৰেণীৰ নাগৰিকক অতি নিম্ন মূল্যৰ বিনিময়ত চকুৰ ৰোগ নিৰাময় আৰু অস্ত্ৰোপ্ৰচাৰ কৰা হ'ব। স্মৰ্তব্য যে বিগত ৫০ৰ দশকত লোকসেৱক হলধৰ ভূঞা, ডাঃ ললিত চন্দ্ৰ বৰুৱাকে ধৰি একাংশ সমাজ হিতৈষী ব্যক্তিৰ একান্ত প্ৰচেষ্টাত প্ৰতিষ্ঠা লাভ কৰা শ্ৰীমন্ত শংকৰ মিছনৰ এক সুকীয়া পৰিচয় আৰু ঐতিহ্য আছে। চকু চিকিৎসা, কুষ্ঠ ৰোগ নিৰাময় কৰাৰ ক্ষেত্ৰত সমগ্ৰ উত্তৰ-পূব ভাৰতৰ অন্যতম আগশাৰীৰ স্বেচ্ছাসেৱী অনুষ্ঠানটোৰ আজিও সুকীয়া গৰিমা আছে। আজিৰ চকু চিকিৎসালয়ত আৰ্থিকভাৱে দুৰ্বল লোকৰ চিকিৎসা সেৱা, বঢ়মপুৰৰ অন্ধ বিদ্যালয়ৰ বিশেষভাৱে সক্ষম শিক্ষাৰ্থীসকলক শিক্ষাদান, বাল ভৱনত অনাথ শিশুৰ ভৰসা, নৈশ আৱাস গৃহ আদিৰ জৰিয়তে শ্ৰীমন্ত শংকৰ মিছনে সমাজ জীৱনলৈ অনবদ্য সেৱা আগবঢ়ায় আহিছে।

গুণোৎসৱত চি-ডি গ্ৰেড পোৱা বিদ্যালয়ৰ প্ৰধান শিক্ষক লৈ বৈঠক

বিশেষ সংবাদদাতা

নগাঁও, ১৬ অক্টোবৰ ঃ নগাঁও জিলা পুথিভঁৰালত কালি অতিৰিক্ত উপায়ুক্ত (শিক্ষা) প্ৰশান্ত বৰুৱাৰ অধ্যক্ষতাত হৈ যোৱা গুণোৎসৱ-২২ত জিলাখনত চি আৰু ডি গ্ৰেড প্ৰদৰ্শনকাৰী বিদ্যালয়ৰ প্ৰধান শিক্ষকসকলৰ লগত এক বিশেষ বৈঠক অনুষ্ঠিত হয়। বৈঠকত অতিৰিক্ত উপায়ুক্ত বৰুৱাই প্ৰতিকাৰমূলক শ্ৰেণী, বেচ লাইন জৰীপ, দৰিদ্ৰ শিক্ষাৰ্থীৰ ওপৰত বিশেষ গুৰুত্ব আৰু সংশ্লিষ্ট বিদ্যালয়সমূহৰ শৈক্ষিক প্ৰদৰ্শন উন্নত কৰাৰ ওপৰত গুৰুত্ব প্ৰদান কৰি ভাষণ প্ৰদান কৰে। বৈঠকত বিদ্যালয়সমূহৰ দুৰ্বল প্ৰদৰ্শনৰ কাৰণ আৰু গ্ৰেড উন্নত কৰাৰ বাবে বিদ্যালয়ে গ্ৰহণ কৰা পদক্ষেপৰ ওপৰত আলোচনো কৰা হয়। কালিৰ বৈঠকতে সৰ্বশ্ৰেষ্ঠ প্ৰদৰ্শন কৰা বিদ্যালয়ক সম্বৰ্ধনা জনোৱা হয়। বৈঠকত এডিপি কলেজৰ সহযোগী অধ্যাপক আৰিন্দম বৰকটকীয়ে এক অনুপ্ৰেৰণামূলক ভাষণ প্ৰদান কৰে। বৈঠকত সহকাৰী আয়ুক্ত বিদ্যাশ্ৰী লাংথাছা, ডিইইঅ', ডিআই, ডিপিঅ', বিইইঅ'সকল, এছআইসকল, চিআৰচিচিসকল উপস্থিত থাকে।

নামতি দ'লত লাচিত দিৱস-ছ্যুকাফা দিৱস উদ্‌যাপনৰ প্ৰস্তুতি

অগ্ৰদূত বাৰ্তা

নামতি, ১৬ অক্টোবৰ ঃ নামতি দল তাই শিক্ষা সংস্কৃতি বিকাশ কেন্দ্ৰ আৰু সদৌ অসম আহোম সভা নামতি আঞ্চলিক সমিতিৰ উদ্যোগত আৰু নামতি দল প্ৰাচীন কাৰ্তি চিহ্ন সংৰক্ষণ সমিতিৰ সহযোগত ঐতিহাসিক নামতি দ'ল পুখুৰী পাৰত ২৪ নৱেম্বৰ আৰু দুই ডিচেম্বৰত বিস্তৃত কাৰ্যসূচীৰে লাচিত দিৱস আৰু ছ্যুকাফা দিৱস উদ্‌যাপনৰ প্ৰস্তুতি চলোৱা হৈছে বুলি মুখ্য উদ্যোক্তা তৰুণ গগৈয়ে সদৰী কৰিছে। এই উদ্দেশ্যে পুৰোহিত প্ৰফুল্ল গগৈৰ সভাপতিত্বত নামতি দ'ল নিউ লাইব্ৰেৰীত অলপতে এখন ৰাজহুৱা সভা অনুষ্ঠিত হয়। সভাত দুয়োটা অনুষ্ঠান সুচাৰুৰূপে উদ্‌যাপন কৰাৰ অৰ্থে অজিত চন্দ্ৰ চেতিয়াক সভাপতি, তৰুণ গগৈক কাৰ্যকৰী সভাপতি, ভাৰত চেতিয়া, পদ্মলোচন গগৈ, হেম গগৈ, অজিত বৰুৱা আৰু টুটুমণি গগৈক উপ-সভাপতি, বিনোদ গগৈ আৰু মানবেন্দ্ৰ গগৈক মুখ্য সম্পাদক আৰু ৰূপম গগৈক সম্পাদকৰূপে লৈ এখন উদ্‌যাপন সমিতি গঠন কৰা হয়। দুয়োটা অনুষ্ঠানতে পৰিৱেশ নিকাকৰণ, পতাকা উত্তোলন, মৈদাম তৰ্পণ, মাংগলিক কাৰ্যসূচী ফুৰালুং, বান্‌ফি, আলোচনা সভা, ফলমূল বিতৰণ, বন্তি প্ৰজ্বলনৰ উপৰি সাংস্কৃতিক কাৰ্যসূচী ৰূপায়ণ কৰা হ'ব। উদ্যোক্তাসকলে ৰাইজৰ সহযোগিতা কামনা কৰিছে।

শিৱসাগৰত সদৌ অসম লেখিকা সমাৰোহৰ অধিৱেশনত গ্ৰন্থ উন্মোচন

বিশেষ সংবাদদাতা

শিৱসাগৰ, ১৬ অক্টোবৰ ঃ শিৱসাগৰ বৰ্ডিং খেলপথাৰৰ সৰস্বতী নিৰ্মলপ্ৰভা বৰদলৈ সোঁৱৰণী ক্ষেত্ৰত অনুষ্ঠিত হোৱা সদৌ অসম লেখিকা সমাৰোহৰ ঊনবিংশতিতম দ্বি-বাৰ্ষিক শিৱসাগৰ অধিৱেশনৰ কালি তৃতীয় দিনা লেখিকা সমাৰোহৰ বাৰ্ষিক মুখপত্ৰ লেখিকা আনুষ্ঠানিকভাৱে উন্মোচন কৰে অসম সাহিত্য সভাৰ উপ-সভানেত্ৰী মৃণালিনী দেৱীয়ে। সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ সভানেত্ৰী ড° চাৰু চহৰীয়া নাথে সঞ্চালনা কৰা আৰু প্ৰধান সম্পাদিকা ড° থুনু কলিতাই আঁত ধৰা গ্ৰন্থ উন্মোচনী সভাখন উদ্বোধন কৰে চৰাইদেউ জিলাৰ উপায়ুক্ত পল বৰুৱাই। গ্ৰন্থ উন্মোচনী অনুষ্ঠানত স্নিগ্ধাৰাণী গগৈৰ সম্পাদনাৰ স্মৃতিগ্ৰন্থ ৰংপুৰ আনুষ্ঠানিকভাৱে উন্মোচন কৰে বিশিষ্ট বিজ্ঞান লেখিকা ড° অদিতি বেজবৰুৱাই। একেটা অনুষ্ঠানতেই উল্লেখিত গ্ৰন্থসমূহৰ উপৰি বহুকেইখন গ্ৰন্থ উন্মোচন কৰা হয়। গ্ৰন্থ উন্মোচনী অনুষ্ঠানৰ পাছতেই তিনিখনকৈ বিভিন্ন বিষয়ৰ বক্তৃতানুষ্ঠানত কে'বাগৰাকী বক্তাই সুন্দৰ বিশ্লেষণৰে অনুষ্ঠানৰ সৌষ্ঠৱ বৃদ্ধি কৰে। ইয়াৰ পাছতেই বিয়লি সদৌ অসম ভিত্তিত আয়োজিত সাহিত্য প্ৰতিযোগিতাৰ বিজয়ীসকলক পুৰস্কৃত কৰাৰ উপৰি বহুকেইগৰাকী বিশিষ্ট লেখিকাক সদস্যাৰত্ন উপাধিৰে সন্মানিত কৰা হয়। সন্ধিয়া বাছনি সভাৰ পাছতেই নিশা সাংস্কৃতিক সন্ধিয়া অনুষ্ঠিত হোৱাৰ পাছতেই তৃতীয় দিনাৰ কাৰ্যসূচী অন্ত পৰে।

অসম ভিত্তিত আয়োজিত প্ৰতিযোগিতাৰ বিজয়ীসকলক পুৰস্কাৰ প্ৰদান

নগাৰ এটা ভাবুকিত ১৭ দিনে বন্ধ অমৃত সৰোবৰৰ আঁচনিৰ কাম

বিশেষ সংবাদদাতা

নগাবাট, ১৬ অক্টোবৰ ঃ নগাৰ লগত হোৱা সামান্য এটা খেলিমেলিৰ পাছতে তিতাবৰ মহকুমাৰ পানীখেতি সীমান্তত যোৱা ১৭ দিন ধৰি অমৃত সৰোবৰ খননৰ কাম বন্ধ হৈ থকা ঘটনাক লৈ বৰ্তমান সীমান্তৱৰ্তী ৰাইজৰ মাজত সৰব চৰ্চা আৰম্ভ হৈছে। বৰ্তমান নগাৰ ভয়তে সীমান্তৰ উক্ত ভূমিত অসমৰ প্ৰশাসনে খনন বন্ধ ৰাখিছে নেকি বুলি পানীখেতি সীমান্তৰ ৰাইজে প্ৰশ্ন উত্থাপন কৰিছে। উল্লেখ্য যে তিতাবৰৰ অসম-নগালেণ্ড সীমান্তৰ পানীখেতিত কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা অনুমোদিত অমৃত সৰোবৰ আঁচনিৰ খননৰ কাম ২৯ ছেপ্টেম্বৰত ঠিকাদাৰসকলে পূৰ্ণোদ্যমে আৰম্ভ কৰিছিল। কিন্তু খনন আৰম্ভ হোৱা ক্ষন্তেক পাছতে নগা আৰক্ষী আহি খননৰ কাম সম্পূৰ্ণৰূপে বন্ধ কৰি দিছিল। আনকি অসমৰ কে'বাগৰাকী উচ্চপদস্থ প্ৰশাসনিক বিষয়াৰ উপস্থিতিতে খননৰ কাম আৰম্ভণিতে সামৰি এক্সকেভেটৰ পৰ্যন্ত ঘূৰাই আনিবলগীয়া এক পৰিৱেশৰ সূচনা হৈছিল। উক্ত স্থানতে তিতাবৰৰ চক্ৰ বিষয়াজনে সংবাদ মাধ্যমৰ আগত কৈছিল যে পিছদিনাৰ পৰা পুখুৰী খননৰ কাম পুনৰ আৰম্ভ হ'ব। আজি সন্ধিয়া হ'ল বাবেহে ঘূৰাই অনা হৈছে। কিন্তু দুৰ্ভাগ্যজনক কথা যে আজি ১৭ দিন পাৰ হোৱাৰ পাছতো পুনৰ সেই স্থানত আৰম্ভ নহ'ল পুখুৰী খননৰ কাম। যি ঘটনাক কেন্দ্ৰ কৰি সীমান্তৰ সচেতন মহলৰ মাজত বৰ্তমান প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। সীমান্তৰ কেঁবাজনো সচেতন লোকৰ প্ৰশ্ন যে অমৃত সৰোবৰ খনন কাম পুনৰ আৰম্ভ নোহোৱাৰ কাৰণ কি ? নগাৰ প্ৰতি অসমৰ প্ৰশাসনৰ ভয় আছে নেকি ? উক্ত ভূমি অসমৰ ভূমি। সামান্য এটা খেলিমেলিৰ বাবেই যদি পুখুৰী খননৰ কাম বন্ধ কৰিবলগীয়া হয় নগাই আগন্তুক দিনৰ আৰু অধিক ভূমি আগ্ৰাসন কৰিবলৈ সাহস কৰিব বুলি প্ৰকাশ কৰে সীমান্তৰ সচেতন ৰাইজে। ইফালে, খননৰ কাম পুনৰ আৰম্ভ নোহোৱাৰ সন্দৰ্ভত জানিবলৈ তিতাবৰৰ চক্ৰ বিষয়াজনৰ স'তে ফোনযোগে যোগাযোগ কৰাত জনায় যে কাম পুনৰ আৰম্ভ হ'ব। কিন্তু তাৰ পূৰ্বে অসম চৰকাৰ আৰু নগালেণ্ড চৰকাৰৰ মাজত এক আলোচনা হ'ব লাগিব। কাৰণ উক্ত অঞ্চলটো নগালেণ্ডে তেওঁলোকৰ বুলি ভাবিছে। আমি নগালেণ্ডক বুজাই দিব লাগিব যে সেইদখৰ অসমৰ মাটি হয়। দুয়োপক্ষৰ সভা হ'ব, যেনেদৰে অসম-অৰুণাচলৰ মাজত চৰকাৰে সভা কৰিছে। আমি বেলেগ ঠায়ো চাই আছো। যিহেতু সেইদখনৰ বিবদমান হৈছে এতিয়া। তাত চৰকাৰে বেলেগ আঁচনি ল'ব। আমি ওচৰতে বেলেগ ঠাই ল'ম। য'ত কোনো বিবাদ নাই। এতিয়া সেই অঞ্চল নগালেণ্ডে কৈছে তেওঁলোকৰ বুলি। আমি কৈছো আমাৰ বুলি। কিবা এটাটো মীমাংসা হ'ব। আমি তেতিয়ালৈকে আমি বৈ নাথাকো। বেলেগ ঠাইতে কামটো আৰম্ভ কৰিম বুলিও প্ৰকাশ কৰে চক্ৰ বিষয়াজনে।

সীমান্তৰ আন ঠাইতো হ'ব পাৰে পুখুৰী খনন

খাৰখোৱাত কাঠফুলা খেতিৰ প্ৰশিক্ষণ

অগ্ৰদূত বাৰ্তা

মেলামাটি, ১৬ অক্টোবৰ ঃ তিতাবৰ সমষ্টিৰ অন্তৰ্গত মেলামাটি গাঁও পঞ্চায়ত অঞ্চলৰ খাৰখোৱা বালিজানত কালি এদিনীয়া কাৰ্যসূচীৰে কাঠফুলা খেতি সন্দৰ্ভত প্ৰশিক্ষণ শিবিৰ অনুষ্ঠিত হয়। খাৰখোৱা বালিজান গাঁৱৰ নৱজ্যোতি ক্ষুদ্ৰ চাহ খেতিয়ক সমবায় সমিতিৰ উদ্যোগত অনুষ্ঠিত প্ৰশিক্ষণ শিবিৰত যোৰহাটৰ অসম কৃষি বিশ্ববিদ্যালয়ৰ অধীনত টীয়ক কলিয়াপানীস্থিত কৃষি গৱেষণা কেন্দ্ৰৰ বিষয়া তৃষ্ণালি শইকীয়াই কৃষি অৰ্থনীতিৰ আধাৰত কাঠফুলা খেতিৰ প্ৰশিক্ষণ প্ৰদান কৰে। শিবিৰ উদ্বোধন কৰে জীৱনজ্যোতি ইয়েনে। প্ৰায় ৪০জনকৈ পুৰুষ আৰু মহিলাই অংশগ্ৰহণ কৰা প্ৰশিক্ষণৰ আঁত ধৰে নৱজ্যোতি ক্ষুদ্ৰ চাহ খেতিয়ক সমবায় সমিতিৰ সম্পাদক উমাকান্ত কুৰ্মীয়ে। অনুষ্ঠান পৰিচালনা কৰে সমিতিৰ সভাপতি ডিচেশ্বৰ মাহাতুৰে। কাঠফুলাৰ ব্যৱসায়িক দিশ আৰু স্বাৱলম্বিতাৰ প্ৰসংগত প্ৰশিক্ষকে বিশেষভাৱে গুৰুত্ব প্ৰদান কৰে। এই প্ৰশিক্ষণৰ বাবে অংশগ্ৰহণকাৰীসকলে সন্তুষ্টি প্ৰকাশ কৰিছে।

শিৱসাগৰ জিলা ভিত্তিত মহিলা দিহানাম প্ৰতিযোগিতা

অগ্ৰদূত বাৰ্তা

গৌৰীসাগৰ, ১৬ অক্টোবৰ ঃ ঐতিহ্যমণ্ডিত চাৰিং অঞ্চলৰ হাফলুটিং তেলিয়াল উন্নয়ন সমিতি, তেলিয়াল সাংস্কৃতিক সমিতি আৰু তেলিয়াল মহিলা সমিতিৰ যৌথ উদ্যোগত অহা ৩০ অক্টোবৰত অবিভক্ত শিৱসাগৰ জিলা ভিত্তিত এলানি মহিলা দিহানাম প্ৰতিযোগিতা অনুষ্ঠিত কৰিবৰ বাবে প্ৰস্তুতি চলিছে। তেলিয়াল গাঁৱৰ অঞ্জনজ্যোতি স্মৃতি মঞ্চত অনুষ্ঠিত হ'ব লগা দিহানাম প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিব বিচৰা ইচ্ছুক দলে ৬৯০০৫৯৪২৬৮, ৮৬৩৮৬৫৯৮৫৪ বা ৯৭০৭৪১৭২৪০ আদি ম'বাইল নম্বৰত যোগাযোগ কৰিব পাৰিব।

সোণতলীৰ পানীখাইতিত খহনীয়া অঞ্চল পৰিদৰ্শন বিধায়িকা নন্দিতা দাসৰ

অগ্ৰদূত বাৰ্তা

সোণতলী, ১৬ অক্টোবৰ ঃ কামৰূপ জিলাৰ বকো সমষ্টিৰ সোণতলী পানীখাইতি অঞ্চলত ব্ৰহ্মপুত্ৰ নদীৰ খহনীয়াই তীব্ৰ ৰূপ ধাৰণ কৰিছে। বিগত কিছুদিন ধৰি নেপালীয়া অঞ্চলত অব্যাহত থকা এই তীব্ৰ খহনীয়াই নৈপৰীয়া ৰাইজৰ নিদ্ৰা হৰণ কৰে। ব্ৰহ্মপুত্ৰৰ খহনীয়াৰ কবলত পৰি ইতিমধ্যে নদীৰ বুকুত জাহ গৈছে শ শ বিঘা কৃষি ভূমিকে ধৰি বহু পৰিয়ালৰ ভেটিৰ মাটি। ইয়াৰ উপৰি নাবাৰ্ডৰ ছয় কোটি ৩০ লাখ টকীয়া আঁচনি এখনো ইতিমধ্যে খহনীয়াৰ কবলত পৰিছে। এনে পৰিস্থিতিত কালি বকো সমষ্টিৰ বিধায়িকা নন্দিতা দাসে খহনীয়াগ্ৰস্ত অঞ্চল পৰিদৰ্শন কৰি নৈপৰীয়া খহনীয়াগ্ৰস্ত লোকৰ পৰিস্থিতিৰ বুজ লয়। সোণতলী পানীখাইতিৰ খহনীয়াগ্ৰস্ত অঞ্চল পৰিদৰ্শন কৰি বিধায়িকাগৰাকীয়ে অচিৰেই খহনীয়াগ্ৰস্ত অঞ্চল খহনীয়াৰ পৰা ৰক্ষা কৰিবলৈ ব্যৱস্থা গ্ৰহণ কৰিব বুলি আশ্বাস প্ৰদান কৰে। ইফালে, এই পৰিদৰ্শন কালত জলসম্পদ বিভাগৰ বিষয়া-কৰ্মচাৰীও উপস্থিত থাকি গৰাখহনীয়া প্ৰতিৰোধৰ আশ্বাস প্ৰদান কৰে খহনীয়াৰ কবলত পৰা ৰাইজক।

দৌলাশালাত বিৰিণা গোষ্ঠীৰ লক্ষ্মীনাথ বেজবৰুৱাক স্মৰণ

মুকালমুৱা, ১৬ অক্টোবৰ ঃ নলবাৰী জিলাৰ দৌলাশালস্থিত জলসম্পদ বিভাগৰ পৰিদৰ্শন বঙলাত যোৱা ১৪ অক্টোবৰত সন্ধিয়া অনুষ্ঠিত হয় সাহিত্য-সাংস্কৃতিক অনুষ্ঠান 'বিৰিণা গোষ্ঠী অসম'ৰ প্ৰতিমহীয়া সাহিত্য আলাপ 'বিৰিণা বৈভৱ' আৰু ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱাৰ জন্মদিন উপলক্ষে এখন বক্তৃতা অনুষ্ঠান। গোষ্ঠীটোৰ সভাপতি লীলাধৰ পাঠকৰ সভাপতিত্বত অনুষ্ঠিত সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে গোষ্ঠীটোৰ সম্পাদক তফিকুৰ ৰহমানে। অনুষ্ঠানত বন্তি প্ৰজ্বলন কৰে গোষ্ঠীটোৰ সভাপতি লীলাধৰ পাঠকে। ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱাৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ কৰে গোষ্ঠীৰ উপ-সভাপতি তথা লেখক, কবি জিয়াউৰ ৰহমানে। শ্ৰদ্ধাঞ্জলি অনুষ্ঠান মুকলি কৰে সহযোগী সম্পাদক তথা কবি-গল্পকাৰ ৰমণী নাথে। অনুষ্ঠানত চেলিম মালিককে ধৰি প্ৰায় ২০ জন সদস্যই কথা-কবিতাৰে অনুষ্ঠান জীপাল কৰি তোলে। অনুষ্ঠানত ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱাৰ জীৱন দৰ্শন, সাহিত্য কৰ্মৰ ওপৰত বিশেষভাৱে চৰ্চা কৰা হয়। লেখক জিয়াউৰ ৰহমানে অসমীয়া ভাষা-সাহিত্যৰ উজ্জ্বল নক্ষত্ৰ লক্ষ্মীনাথ বেজবৰুৱাক সৰ্বকালৰ শ্ৰেষ্ঠ অসমীয়াসকলৰ অন্যতম বুলি কোৱাৰ লগতে তেওঁৰ অতুলনীয় অৱদান সম্পৰ্কত ব্যাখ্যা আগবঢ়ায়। সভাপতি লীলাধৰ পাঠকে জাত্যভিমানী বেজবৰুৱাক অসমীয়া জাতীয়তাবাদৰ প্ৰবক্তা বুলি দোহাৰি বেজবৰুৱাৰ আদৰ্শ নতুনসকলৰ মাজলৈ লৈ যোৱাৰ বাবে সকলো পক্ষক আহ্বান জনায়। পাঠকে বিৰিণা বৈভৱ অহা ১৮ নৱেম্বৰত বিহগী কবি ৰঘুনাথ চৌধাৰীৰ মৃত্যু দিনটোত গুৱাহাটী প্ৰেছ ক্লাবত অনুষ্ঠিত কৰা হ'ব বুলি কৈ ৰঘুনাথ চৌধাৰী সোঁৱৰণী বিশেষ বঁটাৰ বাবে লেখক তথা গুৱাহাটী কেন্দ্ৰীয় কাৰাগাৰৰ অধীক্ষক গোবিন্দ মালাকাৰক প্ৰদান কৰা হ'ব বুলি ঘোষণা কৰে। উল্লেখ্য যে বিৰিণা গোষ্ঠী অসমে প্ৰতি বছৰে ৰঘুনাথ চৌধাৰী স্মৃতি দিৱস ৰাজ্যৰ বিভিন্ন প্ৰান্তত অনুষ্ঠিত কৰি আহিছে আৰু উক্ত অনুষ্ঠানতে প্ৰদান কৰি আহিছে ৰঘুনাথ চৌধাৰী সোঁৱৰণী বিশেষ বঁটা।

বৃহত্তৰ অসমীয়া যুৱ মঞ্চৰ গোলাঘাট জিলা সমিতি গঠন

বিশেষ সংবাদদাতা

গোলঘাট, ১৬ অক্টোবৰ ঃ গোলাঘাট নগৰত কালি অনুষ্ঠিত সভাত বৃহত্তৰ অসমীয়া যুৱ মঞ্চৰ গোলাঘাট জিলা সমিতি গঠন কৰা হয়। মঞ্চৰ কেন্দ্ৰীয় সমিতিৰ কাৰ্যকৰী সভাপতি ৰাহুল গগৈৰ উপস্থিতিত ইউচিফ আলীৰ সভাপতিত্বত সাহিত্যাচাৰ্য চৈয়দ আব্দুল মালিক ভৱনত অনুষ্ঠিত সভাত সংগঠনটোৰ সাংগঠনিক দিশৰ ওপৰত বিস্তৃতভাৱে আলোচনা কৰে। উক্ত সভাতেই শশী তামুলীক সভাপতি, ৰিংকু খাউণ্ডক কাৰ্যকৰী সভাপতি, কুশল শইকীয়াক সচিব প্ৰধান, দেৱজিৎ শইকীয়াক সহকাৰী সচিব হিচাপে লৈ বৃহত্তৰ অসমীয়া যুৱ মঞ্চৰ ৩১ জনীয়া গোলাঘাট জিলা সমিতি গঠন কৰে।

ভাওৰাগুৰি, চৌতাৰা ৰেলগেটত অবৈধ তীৰ খেলৰ ৰমৰমীয়া বেহা

অগ্ৰদূত বাৰ্তা

দোতমা, ১৬ অক্টোবৰ ঃ যি সময়ত চৰকাৰে দুৰ্নীতিমুক্ত অসম গঢ়াৰ পৰিকল্পনা কৰি আছে, ঠিক সেই সময়তে ভাওৰাগুৰি, চৌতাৰা ৰেলগেটত অবৈধ তীৰ খেলৰ ৰমৰমীয়া বেহা চলা পৰিলক্ষিত হৈছে। ভাওৰাগুৰি, চৌতাৰা ৰেলগেট বজাৰত স্থানীয় কেইজনমান লোকে দীৰ্ঘদিনৰ পৰা চলাই আছে অবৈধ তীৰ খেলৰ ৰমৰমীয়া বেহা। এই ক্ষেত্ৰত চকু মুদা কুলিৰ ভাও ধৰি আছে ভাওৰাগুৰিৰ আৰক্ষীয়ে। আৰক্ষীয়ে অবৈধ তীৰ খেল বন্ধ নকৰাত আৰক্ষীৰ ভূমিকাত সন্দেহ উপজিছে সমাজ সচেতন ৰাইজৰ। প্ৰাপ্ত তথ্য অনুসৰি ভাওৰাগুৰিৰ আৰক্ষীয়ে মোটা অংকৰ ধন লৈ অবৈধ তীৰ খেলৰ অনুমতি দিয়াৰ গুৰুতৰ অভিযোগ উত্থাপন হৈছে।

সঠামৌৰ পূৱ বনভাগ এমই স্কুল সংযোগী পথৰ ওপৰত প্ৰকাণ্ড গাঁত

অগ্ৰদূত বাৰ্তা

ঘগ্ৰাপাৰ, ১৬ অক্টোবৰ ঃ নলবাৰী জিলাৰ ঘগ্ৰাপাৰ ৰাজহ চক্ৰৰ অন্তৰ্গত ঘগ্ৰাপাৰ-তামুলপুৰ লোকনিৰ্মাণ বিভাগৰ সংযোগী পথছোৱাৰ সঠামৌ চ'কৰ সচিব পৰেশ কলিতাৰ ঘৰৰ সন্মুখৰ পৰা সঠামৌ প্ৰাথমিক বিদ্যালয় হৈ পূৱ বনভাগ এমই স্কুল (সঠামৌ) সংযোগী পথছোৱা দীৰ্ঘ বছৰ ধৰি মেৰামতিৰ বাবে ৰাইজে বিভিন্ন সময়ত দাবী উত্থাপন কৰি আহিছে যদিও জনপ্ৰতিনিধি আৰু বিভাগে কোনো ধৰণৰ গুৰুত্ব নিদিয়াৰ অভিযোগ কৰিছে ৰাইজে। সম্প্ৰতি পথছোৱাৰ সঠামৌৰ বড়ো চুবুৰিত থকা এখন পকী দলঙৰ কাষ খহি যোৱাত পথছোৱাৰ ওপৰত উক্ত স্থানত প্ৰকাণ্ড গাঁতৰ সৃষ্টি হৈছে যদিও নীৰৱ নিৰ্বিকাৰ জনপ্ৰতিনিধি আৰু নলবাৰী লোকনিৰ্মাণ বিভাগ। তদুপৰি স্থানীয় জনপ্ৰতিনিধি আৰু শাসকীয় দলৰ জিলা আৰু মণ্ডল পৰ্যায়ৰ নেতাই বিভিন্ন দলীয় কাম-কাজৰ বাবে এই পথটোৰ অহা-যোৱা কৰে যদিও মেৰামতিৰ ক্ষেত্ৰত আজি পৰ্যন্ত কোনো ব্যৱস্থা হাতত লোৱা নাই। যাৰ বাবে কেৱল নিৰ্বাচনী অংকত মনোনিৱেশ কৰি থকা নলবাৰীৰ বিধায়ক তথা মন্ত্ৰী জয়ন্ত মল্ল বৰুৱাৰ তীব্ৰ সমালোচনা কৰিছে বৰাজোল আঞ্চলিক ছাত্ৰ সন্থাই। লগতে বৰাজোল আঞ্চলিক ছাত্ৰ সন্থাই কেৱল মাত্ৰ শ্লʼগানতহে যেন আবদ্ধ ৰাজ্য চৰকাৰৰ উন্নয়ন বুলি প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে। উল্লেখ্য যে উক্ত প্ৰায় ডেৰ কিলোমিটাৰ দৈৰ্ঘ্যৰ পথছোৱা দীৰ্ঘ বছৰ ধৰি মেৰামতি নকৰাৰ ফলত বৰ্তমানে জৰাজীৰ্ণ ৰূপ ধাৰণ কৰা পথটোৱে জ্বলা-কলা খুৱাইছে কণ কণ ছাত্ৰ-ছাত্ৰী, পথচাৰী আৰু সৰ্বসাধাৰণ ৰাইজক। স্থানীয় জনপ্ৰতিনিধিৰ অমনোযোগিতা, বিভাগীয় চৰকাৰী বৰমূৰীয়াৰ হেমাহিৰ বাবে অতি ব্যস্ত পথটোৱে ক্ৰমাৎ বিধ্বস্ত ৰূপ ল'বলৈ আৰম্ভ কৰিছে। সঠামৌ গাঁৱৰ বড়ো চুবুৰিৰ সংশ্লিষ্ট প্ৰকাণ্ড গাঁতে যিকোনো মুহূৰ্ততে যে পথচাৰীয়ে দুৰ্ঘটনাত পতিত হ'ব সেয়া নুই কৰিব নোৱাৰি। ইফালে স্থানীয় আছু আৰু যুৱ-ছাত্ৰ পৰিষদে উক্ত পথছোৱাৰ বিধ্বস্ত ৰূপ শীঘ্ৰে দূৰ কৰিবলৈ নলবাৰী বিধায়ক তথা মন্ত্ৰী বৰুৱা, জিলা উপায়ুক্ত আৰু চৰকাৰক দাবী জনাইছে।

নীৰৱ নিৰ্বিকাৰ জনপ্ৰতিনিধি

ৰাজনীতিৰ মেৰপেচত সদৌ অসম কোচ ৰাজবংশী সন্মিলন

ষ্টাফ ৰিপʼৰ্টাৰ

যোৰহাট, ১৬ অক্টোবৰ ঃ অসম কোচ ৰাজবংশী সন্মিলনৰ যোৰহাট জিলা সমিতি এখন থকাৰ পাছতো নতুনকৈ সমিতি গঠন কৰি বিভাজন আনিছে ৰাজ্যিক সন্মিলনৰ সভাপতি প্ৰণৱ নাৰায়ণে। যোৰহাটত কালি সংবাদ মেল অনুষ্ঠিত কৰি অভিযোগ কৰিছে জিলাৰ স্থায়ী সমিতিখনে। উল্লেখ্য যে পূৰ্বৰ জিলা সমিতিৰ সভাপতি প্ৰবীণ বৰা, সাধাৰণ সম্পাদক প্ৰবীৰ বৰা সহ কে'বাজনো বিষয়ববীয়াই সংবাদ মেলত কয় যে যোৱা ১৩ অক্টোবৰত যোৰহাট জিলা মুক্তি যুঁজাৰু ভৱনত যুৱ সন্মিলনীৰ একাংশৰ দ্বাৰা আয়োজিত সভাত ম্যাদ চলি থকা এখন সমিতিক একাষৰীয়া কৰি জিলা সমিতিখন ভংগ হোৱা বুলি কৈ নতুন এখন সমিতি গঠন কৰা হয়। এই কাৰ্যৰ তীব্ৰ প্ৰতিবাদ কৰিছে জিলা স্থায়ী সমিতিখনে। উল্লেখ্য যে ছয় জনগোষ্ঠী জনজাতিকৰণৰ দাবীত বিভিন্ন সময়ত যি প্ৰতিবাদ অব্যাহত আছে চৰকাৰেও জনজাতিকৰণ কৰাৰ আশ্বাস প্ৰদান কৰিছে, ঠিক তেনে সময়ত নিজৰ সুবিধা আদায় কৰিবৰ বাবে জিলাই জিলাই ৰাজ্যিক সভাপতি প্ৰণৱ নাৰায়ণে নিজৰ পছন্দ মতে সমিতি গঠন কৰি ৰাজনীতিৰ এক খেল খেলিছে বুলি পূৰ্বৰ সমিতিখনে অভিযোগ কৰে। যোৰহাটৰ কোচ ৰাজবংশী ৰাইজক বিপথে পৰিচালিত কৰা কাৰ্যক তীব্ৰ গৰিহণা দি উদ্বেগ প্ৰকাশ কৰিছে জিলা সভাপতি প্ৰবীণ বৰা আৰু সাধাৰণ সম্পাদক প্ৰবীৰ বৰাই ।

প্ৰণৱ নাৰায়ণৰ উদ্যোগত নতুন সমিতি গঠনক লৈ প্ৰতিক্ৰিয়া

মাজুলীত দুটাকৈ গঁড়ৰ মুক্ত বিচৰণ ভীতিগ্ৰস্ত মাজুলীৰ কৃষক

অগ্ৰদূত বাৰ্তা

কমলাবাৰী, ১৬ অক্টোবৰ ঃ মাজুলীত দুটাকৈ গঁড়ৰ মুক্ত বিচৰণে আতংকিত কৰি তুলিছে জনগণক। আজি কিছু দিনৰ পৰা দুটাকৈ গঁড়ে মাজুলীৰ চৰ-চাপৰিত বিচৰণ কৰি থকা পত্যক্ষ কৰিছে চৰ-চাপৰি অঞ্চলত বসবাস কৰা লোকসকলে। যাৰ ফলত আতংকিত হৈ পৰিছে লোকসকল। কালি পুৱা গঁড় দুটাক মাজুলীৰ ভকত চাপৰি অঞ্চলত প্ৰত্যক্ষ কৰে স্থানীয় লোকে। জানিব পৰা মতে ভকত চাপৰিৰ ব্ৰহ্মপুত্ৰ কাষত গঁড় দুটাই বিচৰণ কৰি থকা দেখা পাই কৃষিকৰ্মৰ বাবে ওলাই যোৱা লোকে চাপৰিটোত কুঁহিয়াৰকে আদি কৰি শাক-পাচলি খাই কিছু অনিষ্ট কৰিছে। চাপৰিটোত গঁড় দুটা অৱস্থান কৰাত বসবাস কৰা লোকসকল আতংকিত হৈ পৰিছে। যিহেতু সকলো লোকেই কৃষি কৰ্মৰ লগত জড়িত। কৃষি কৰ্মৰ যোগেদি লোকসকলে জীৱন নিৰ্বাহ কৰি আহিছে। পুৱা পথাৰলৈ কৃষি কৰ্মৰ বাবে যাবলৈ ভয় কৰিছে কৃষিজীৱী লোকসকলে। গঁড় দুটাই ক'ত কেতিয়া অৱস্থান কৰিব পাৰে ঠিক নাই। সন্ধিয়া হোৱাৰ পূৰ্বেই ঘৰৰ ভিতৰত সোমাব লগা পৰিৱেশ সূচনা হৈছে। কাজিৰঙাৰ পৰা ওলাই অহা গঁড় দুটাক পুনৰ কাজিৰঙালৈ উভতাই পঠাবলৈ বন বিভাগে চেষ্টা অব্যাহত ৰাখিছে যদিও বিফল হৈছে। মাজুলীৰ চৰ-চাপৰিসমূহত বিচৰণ কৰিছে গঁড় দুটাই।

জুৰীয়াত দুদিনীয়াকৈ অনুষ্ঠিত হৈছে অসম ভাওনা সমাৰোহ

অসম ভাওনা সমাৰোহ, ২০২২
সমাজকৰ্মী ঊষা কাকতি সোঁৱৰণী
বৰগীত, শংকৰী নৃত্য প্ৰতিযোগিতা

অগ্ৰদূত বাৰ্তা

জুৰীয়া, ১৬ অক্টোবৰ ঃ অসম শিল্পী কাননৰ উদ্যোগত আৰু বৃহত্তৰ জুৰীয়াবাসী ৰাইজৰ সহযোগত কালিৰে পৰা জুৰীয়াৰ জ্যোতি ভৱন প্ৰাংগণত আৰম্ভ হৈছে অসম ভাওনা সমাৰোহ। দুদিনীয়াকৈ অনুষ্ঠিত হ'বলগীয়া ভাওনা সমাৰোহৰ প্ৰথম কাৰ্যসূচী পৰিৱেশ নিকাকৰণেৰে আৰম্ভ হয় । ইয়াৰ পাছতে অনুষ্ঠিত হয় বৃক্ষৰোপণ কাৰ্যসূচী। পুৱা ন বজাত ভাওনা সমাৰোহ স্থলীতে স্থাপন কৰা গুৰুগৃহত গুৰু আসন প্ৰতিষ্ঠা কৰাৰ পাছতেই অনুষ্ঠিত হয় নাম-কীৰ্তন আৰু প্ৰসাদ বিতৰণ কাৰ্যসূচী। বিয়লি চাৰি বজাৰ পৰা অনুষ্ঠিত হয় ঊষা কাকতি সোঁৱৰণী দিহানাম, বৰগীত আৰু শংকৰী নৃত্য প্ৰতিযোগিতা। উক্ত প্ৰতিযোগিতাখন উদ্বোধন কৰে জুৰীয়া আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া অদিথ বড়োৱে। সাংস্কৃতিক অনুষ্ঠান উদ্বোধন কৰি বড়োৱে শংকৰী কলা-কৃষ্টিৰ চৰ্চাই সমাজ সুন্দৰ আৰু সু-সংগঠিত কৰাত যথেষ্ট সহায় কৰে বুলি ভাষণ প্ৰসংগত উল্লেখ কৰে। সন্ধিয়া আঠ বজাত শংকৰী সংস্কৃতিৰ সাধক কেহোঁৰাম বৰাৰ পৰিচালনাত অনুষ্ঠিত হয় মাধৱদেৱৰ অনবদ্য সৃষ্টি অংকীয়া নাট 'চোৰ ধৰা'। অংকীয়া নাটখন উদ্বোধন কৰে । শ্ৰীমন্ত শংকৰদেৱ সংঘৰ প্ৰধান সম্পাদক বাবুল বৰাই ।

গোৱালপাৰা মহাবিদ্যালয়ত 'চিৰাজ' নাটকৰ মহুৰত সম্পন্ন

অগ্ৰদূত বাৰ্তা

মাটিয়া, ১৬ অক্টোবৰ ঃ গোৱালপাৰা মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত যোৱা ১৩ অক্টোবৰত নটসূৰ্য ফণী শৰ্মাৰ 'চিৰাজ' নাটকৰ শুভ মহুৰত সম্পন্ন কৰা হয়। গোৱালপাৰা মহাবিদ্যালয়ৰ পৰিৱেশ কলা কেন্দ্ৰৰ উদ্যোগত অনুষ্ঠিত শুভ মহুৰত অনুষ্ঠানত মহাবিদ্যালয়খনৰ অধ্যাপক-অধ্যাপিকা সমন্বিতে অধ্যয়নৰত ছাত্ৰ-ছাত্ৰী তথা প্ৰাক্তন ছাত্ৰ-ছাত্ৰীসহ গোৱালপাৰা চহৰৰ বৰেণ্য নাট্যশিল্পীসকল উপস্থিত থাকে। নাটকৰ শুভ মহুৰত মহাবিদ্যালয়ৰ অধ্যক্ষ ড° সুভাষ বৰ্মনে উদ্বোধন কৰে। উদ্বোধনী অনুষ্ঠানত ভাষণ প্ৰসংগত গোৱালপাৰা মহাবিদ্যালয়ৰ অধ্যক্ষ ড° বৰ্মনে গোৱালপাৰা মহাবিদ্যালয়ক কেন্দ্ৰ কৰি বৃহত্তৰ গোৱালপাৰা অঞ্চলত নাট্যচৰ্চা আৰু নাট্যাভিনয়ৰ এক স্থায়ী বুনিয়াদ গঢ়ি তোলাৰ ক্ষেত্ৰত বিশেষ গুৰুত্ব দিয়ে। গোৱালপাৰা মহাবিদ্যালয় সাংস্কৃতিক দিশত, বিশেষভাৱে নাট্যচৰ্চা আৰু নাট্যাভিনয়ৰ ক্ষেত্ৰত বিশেষ অগ্ৰণী ভূমিকা লোৱা শিক্ষানুষ্ঠান বুলি অভিমত ব্যক্ত কৰি গোৱালপাৰা মহাবিদ্যালয়ত অধ্যয়নৰত অৱস্থাতে বিভিন্ন নাটকত কৰা বলিষ্ঠ অভিনয়ৰ জৰিয়তেই পৰৱৰ্তী সময়ত আদিল হুছেইনে হলিউড-বলিউডত নিগাজী স্থান দখলেৰে অসম তথা ভাৰতলৈ গৌৰৱ কঢ়িয়াই আনিবলৈ সক্ষম হোৱাৰ কথাও ব্যক্ত কৰে। অনুষ্ঠানত গোৱালপাৰা মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ তথা সুদক্ষ অভিনেতা ক্ৰমে প্ৰয়াত আশ্ৰাফুল হক, বাদুংদুপ্পা কলা কেন্দ্ৰৰ প্ৰাক্তন সঞ্চালক প্ৰয়াত শুক্ৰাচাৰ্য ৰাভাই অসমীয়া নাট্যজগতলৈ আগবঢ়োৱা বৰঙণিৰ বিষয়েও বিস্তৃতভাৱে উপস্থাপন কৰে। ড° বৰ্মনে বৰ্তমান সময়তো চিৰাজ নাটকখনৰ মঞ্চায়ন অত্যন্ত প্ৰাসংগিক বুলি উল্লেখ কৰি ইয়াৰ জৰিয়তে এক সমন্বয়ৰ দৃঢ় সাঁকো নিৰ্মাণ হোৱাৰ আশা ব্যক্ত কৰি সমন্বয়ৰ বাৰ্তা সমগ্ৰ অসমতে বিয়পি পৰিব বুলিও দৃঢ় মত প্ৰকাশ কৰে। গোৱালপাৰা মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ অধ্যাপক তথা সক্ৰিয় নাট্যকৰ্মী শৈলেনজিৎ শৰ্মাই চিৰাজ নাটকখনৰ মঞ্চায়নৰ ক্ষেত্ৰত লোৱা বিশেষ ভূমিকাক মহুৰত অনুষ্ঠানত উপস্থিত থকা জ্যেষ্ঠ অধ্যাপক ক্ৰমে আবুল হুছেইন, ড° সন্তোষ কুমাৰ মিশ্ৰ, ড° হেমন্ত কলিতাই একেমুখে স্বীকাৰ কৰি অধ্যক্ষ ড° বৰ্মনৰ উদ্যোগৰো বিশেষ শলাগ লয়। গোৱালপাৰা মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ তথা সুদক্ষ অভিনেতা জয়ন্ত মেধি, বৰ্ষীয়ান নাট্যকৰ্মী ক্ষীতিশ দাস, পাৰ্থপ্ৰতিম দাস, মনৎ নাথ, হীৰকজ্যোতি দাস আদিয়েও অধ্যক্ষ ড° বৰ্মনৰ উদ্যোগ আৰু শৈলেনজিৎ শৰ্মাৰ পৰিকল্পনাক প্ৰশংসনীয় বুলি উল্লেখ কৰি সকলোৱে সম্পূৰ্ণ সহযোগিতা আগবঢ়োৱাৰ প্ৰতিশ্ৰুতি দিয়ে। গোৱালপাৰা মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ তথা বিশিষ্ট নাট্যকাৰ, পৰিচালক উদয় শংকৰ দেই চিৰাজ নাটকখন পৰিচালনা কৰিব আৰু সামগ্ৰিক পৰিচালনাত থাকিব গোৱালপাৰা মহাবিদ্যালয় পৰিৱেশ কলা কেন্দ্ৰৰ সমন্বয়ক শৈলেনজিৎ শৰ্মা। মহুৰত অনুষ্ঠানত কণ্ঠশিল্পী বৰ্ষা দাসে চিৰাজ নাটকৰ এটি গীত পৰিৱেশন কৰি সমজুৱাক বিশেষভাৱে আপ্লুত কৰে। মহুৰত অনুষ্ঠানত চিৰাজ নাটকৰ এটি দৃশ্যাংশ উপভোগ কৰি সমবেত ৰাইজে আপ্লুত হৈ পৰে আৰু নাটকখনৰ মঞ্চায়নৰ সাফল্য কামনা কৰে।

হিন্দু সমাজত হ্ৰাস পাইছে জন্মহাৰ

এক পৃষ্ঠাৰ পৰা কৰিছিল সেইসমূহ যাতে আগন্তুক দিনত ৰূপায়ণ সম্ভৱপৰ হৈ হয় তাকে লৈ বৈঠকত মূলতঃ আলোচনা হ'ব। তদুপৰি ২০২৫ত দলৰ এশ বছৰীয়া বৰ্ষপূৰ্তি অনুষ্ঠান উদযাপনৰ সিদ্ধান্ত লৈছে দলে। অতি সোনকালে ইয়াৰ প্ৰস্তুতিৰ আৰম্ভণিৰ সিদ্ধান্ত লৈছে। তদুপৰি বৰ্তমান সংঘৰ শাখাসমূহৰ প্ৰায় ৫৫ হেজাৰ বিভাগ আছে। ইয়াৰ বৃদ্ধি কৰি এক লক্ষ কৰাৰ সিদ্ধান্ত লোৱা হৈছে।

মন কৰিবলগীয়া যে ধৰ্মৰ ভিত্তিত জনসংখ্যাৰ ভাৰসাম্যতাৰ ওপৰত জোৰ দি ভাগৱতে কৈছিল যে ধৰ্মৰ ভিত্তিত জনসংখ্যাৰ ভাৰসাম্যৰ অসমতাই ভৌগোলিক সীমাৰ পৰিৱৰ্তনৰ দিশলৈ লৈ যায়। জনসংখ্যাৰ ভাৰসাম্যতা নাথাকিলে দেশৰ খাদ্য সামগ্ৰী আদিৰ ওপৰতো চাপৰ সৃষ্টি হয়। সেয়েহে জনসংখ্যা নিয়ন্ত্ৰণক সংঘ পৰিয়ালে দীৰ্ঘদিন ধৰি আইনৰ পক্ষত থিয় দিলেও কিছুদিন পূৰ্বে কেন্দ্ৰীয় চৰকাৰে জনাইছিল যে জন্ম নিয়ন্ত্ৰণে ভাল ফল দিয়াত চৰকাৰে উক্ত বিধেয়ক উত্থাপনৰ কথা ভৱা নাই।

চৰকাৰৰ দাবী অনুসৰি ২০২৫ত দেশত ৰাষ্ট্ৰীয় গৰ্ভধাৰণৰ বাবে চৰকাৰে স্থিৰ কৰা হাৰ নিৰ্দিষ্ট সময়ৰ পূৰ্বে স্পৰ্শ কৰা সম্ভৱ হ'ব। চৰকাৰে এই দাবী কৰিলেও আগন্তুক দিনত আইন প্ৰৱৰ্তন কৰি জনসংখ্যা নিয়ন্ত্ৰণৰ পথত থিয় দিছে সংঘ পৰিয়াল। তেওঁলোকৰ যুক্তি এয়ে যে হিন্দু সমাজতে হ্ৰাস পাইছে জন্মৰ হাৰ। মুছলমান সমাজত জন্মৰ হাৰ হ্ৰাস, হিন্দুৰ তুলনাত নগণ্য। এই গতিত চলি থাকিলে জনসংখ্যা বিস্ফোৰণৰ জৰিয়তে আগন্তুক দিনত দেশত সংখ্যাগৰিষ্ঠ হ'ব মুছলমান। সেয়ে জনসংখ্যা নিয়ন্ত্ৰণৰ আইন বলৱৎ কৰাৰ পক্ষত থিয় দিছে সংঘই। সেয়ে আগন্তুক চাৰিদিনীয়া বৈঠকত জনসংখ্যা নিয়ন্ত্ৰণত আইনৰ ব্যৱহাৰৰ বিষয়টোক লৈ আলোচনা হ'ব।

আগষ্টতে বন্ধ হ'ল কৰ্মচাৰীৰ পদোন্নতি

এক পৃষ্ঠাৰ পৰা বিভিন্ন বিভাগৰ কৰ্মচাৰীয়ে আপত্তি দৰ্শাই আহিছিল। শেহতীয়াকৈ অসম সচিবালয়ৰো ২৯ জনকৈ কৰ্মচাৰীয়ে যোৱা আগষ্টত অসম বিধানসভাৰ অনুসূচিত জাতি আৰু জনজাতি কল্যাণ কমিটীৰ ওচৰত এক আবেদন দাখিল কৰি এই দুয়োটা ধাৰা প্ৰত্যাহাৰৰ অনুৰোধ জনাইছিল। সেই মৰ্মে বিধানসভাৰ এই কমিটীখনে অফিচ মেম'ৰেণ্ডাম সংশোধন নকৰা পৰ্যন্ত চৰকাৰী বিভাগসমূহত পদোন্নতি বন্ধ ৰাখিবলৈ পৰামৰ্শ দিছিল। এই পৰামৰ্শৰ ভিত্তিত জনজাতি কল্যাণ বিভাগে যোৱা ১৯ আগষ্টত সকলো চৰকাৰী বিভাগলৈ বিধানসভাৰ এই কমিটীৰ উদ্ধৃতি দি এখন পত্ৰ প্ৰেৰণ কৰে আৰু পৰৱৰ্তী নিৰ্দেশ নিদিয়ালৈকে সংশ্লিষ্ট বিভাগসমূহত পদোন্নতি বন্ধ ৰাখিবলৈ অনুৰোধ জনায়। জনজাতি কল্যাণ বিভাগৰ এই পত্ৰৰ ভিত্তিতে সম্প্ৰতি ৰাজ্য চৰকাৰৰ প্ৰায় সকলো বিভাগতে বন্ধ কৰি ৰখা হৈছে কৰ্মচাৰীসকলৰ পদোন্নতি। প্ৰাৰম্ভিক অৱস্থাত পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগ, ভূমি সংৰক্ষণ বিভাগ আৰু উদ্যোগ তথা বাণিজ্য বিভাগে নিজ বিভাগত কিছু পদোন্নতিৰ নিৰ্দেশনা জাৰি কৰে যদিও পৰৱৰ্তী সময়ত সংশ্লিষ্ট বিভাগসমূহে এই নিৰ্দেশনাৰ সন্দৰ্ভত অজ্ঞতা প্ৰকাশ কৰিহে পদোন্নতি দিয়া হৈছিল বুলি ব্যক্ত কৰে। উল্লেখ্য যে এই নিৰ্দেশনাৰ সূত্ৰে অসম আৰক্ষীতো বন্ধ হৈ আছে পদোন্নতি। স্বাভাৱিকতে গৃহ বিভাগত এই নিৰ্দেশনাক লৈ সৃষ্টি হৈছে অসন্তুষ্টিৰ। ইফালে, সচিবালয়ত কৰ্মৰত কৰ্মচাৰীসকলৰ ক্ষেত্ৰতো এই নিৰ্দেশনা প্ৰযোজ্য কৰাত ক্ষুণ্ণ হৈ পৰিছে কৰ্মচাৰীসকল। নাম প্ৰকাশত অনিচ্ছুক সচিবালয় সেৱা সন্থাৰ এজন বিষয়ববীয়াই কয় যে অসম সচিবালয়তে এনে কিছু সংখ্যক কৰ্মচাৰী আছে যিসকলৰ চাকৰি কাল অন্ত পৰিবলৈ মাজতে আৰু কেইটামান মাহহে বাকী আছে। নিয়ম অনুসৰি তেওঁলোকে এই সময়ছোৱাতে পদোন্নতি লাভ কৰিব লাগিছিল যদিও চৰকাৰী নিৰ্দেশনাৰ পৰিপ্ৰেক্ষিতত পদোন্নতিৰ পৰা বঞ্চিত হ'বলগীয়া হৈছে। এই কৰ্মচাৰীসকলে অৱসৰ গ্ৰহণৰ পাছত পদোন্নতিৰ পৰা বঞ্চিত হোৱাৰ সূত্ৰে ভালেমান বিত্তীয় লাভালাভৰ পৰা বঞ্চিত হোৱাটো নিশ্চিত। ইফালে অসম সচিবালয়ত 'বিভাগীয় পদোন্নতি কমিটী'ৰ বাবে কৰ্মচাৰীৰ তালিকা চূড়ান্ত কৰাৰ পাছতো এই নিৰ্দেশনাৰ বাবে যোৱা আগষ্টৰ পৰা এই পৰ্যন্ত পদোন্নতি সম্ভৱ হোৱা নাই। কেৱল সচিবালয় প্ৰশাসনতে প্ৰায় ডেৰশ কৰ্মচাৰীয়ে পদোন্নতিৰ পৰা বঞ্চিত হৈ থাকিবলগীয়া হৈছে বুলি সূত্ৰটোৱে সদৰী কৰে। উল্লেখ্য যে ৰাজ্য চৰকাৰৰ বিভিন্ন বিভাগত তৃতীয় আৰু চতুৰ্থ বৰ্গত কৰ্মৰত বহু সংখ্যক কৰ্মচাৰীয়ে ১৮ৰ পৰা ২০ বছৰ পৰ্যন্ত একেটা পদত কাৰ্যনিৰ্বাহ কৰাৰ পাছতহে পদোন্নতিৰ সুবিধা লাভ কৰে। যিহেতু সাম্প্ৰতিক পটভূমিত অৰাজপত্ৰিত পদত কৰ্মৰত কৰ্মচাৰীসকলৰ দৰমহাৰ নিৰিখ যথেষ্ট কম, সেয়েহে যথা সময়ত পদোন্নতি লাভ কৰিলে কৰ্মচাৰীসকলে ৰাজপত্ৰিত বিষয়া হিচাপে আৰ্থিক দিশেৰে লাভান্বিত হোৱাৰ পথ প্ৰশস্ত হয়; কিন্তু ৰাজ্য চৰকাৰৰ জনজাতি কল্যাণ বিভাগৰ অদূৰদৰ্শিতাৰ বাবে এতিয়া সমগ্ৰ চৰকাৰী বিভাগসমূহৰে কৰ্মচাৰী সমাজৰ পদোন্নতি বন্ধ হৈ পৰিছে।

দুৰ্গাপুৰৰ ৰডে বিপদ আনিছে অসমলৈ

এক পৃষ্ঠাৰ পৰা তুলনাত সংখ্যা অধিক লাভৰ আশাৰে দুৰ্গাপুৰৰ ৰড ক্ৰয় কৰিছে। সবাতোকৈ চিন্তনীয় বিষয়টো হ'ল সৰ্বাধিক ভূকম্পন প্ৰৱণ অঞ্চলৰ ফ্লেট-এপাৰ্টমেণ্ট আদি নিৰ্মাণতো একাংশ বিল্ডাৰে ব্যৱহাৰ কৰিবলৈ লৈছে দুৰ্গাপুৰত উৎপাদিত তুলনামূলকভাৱে সস্তীয়া ৰড। লক্ষ্যণীয়ভাৱে চুবুৰীয়া ৰাজ্যখনত উৎপাদিত এনে অসংখ্য টি এম টি বাৰ উৎপাদনকাৰী প্ৰতিষ্ঠানে গ্ৰাহকক আকৰ্ষণ কৰিবলৈ আঠ, ১০, ১২, ১৬ এম এম ৰডৰ প্ৰকৃত ওজন হ্ৰাস কৰি উৎপাদন কৰিবলৈ আৰম্ভ কৰাত এই অনিয়ম ধৰা পেলাই পশ্চিমবংগ চৰকাৰে প্ৰায় ছমাহ পূৰ্বে এক অভিযান চলাইছিল। পশ্চিমবংগত সাময়িকভাৱে বন্ধ কৰি দিয়া হৈছিল চৰকাৰ নিৰ্ধাৰিত ৰডৰ প্ৰকৃত ওজন আৰু পৰিসৰৰ স'তে মিল নথকা কোম্পানীসমূহৰ উৎপাদন। পশ্চিমবংগ চৰকাৰে গ্ৰহণ কৰা এই কঠোৰ স্থিতিৰ পাছতে সংশ্লিষ্ট প্ৰতিষ্ঠানসমূহে ৰাজ্যখনত পুনৰ নিৰ্ধাৰিত ওজন আৰু পৰিসৰৰ ৰড উৎপাদন আৰম্ভ কৰে যদিও ৰহস্যজনকভাৱে অসমকে ধৰি উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যকেইখনলৈ নিৰ্ধাৰিত পৰিসৰতকৈ কম পৰিসৰৰ অৰ্থাৎ প্ৰতিষ্ঠিত ব্ৰেণ্ডতকৈ কম মূল্যত ৰড যোগান ধৰাৰ এই ভয়ংকৰ অনিয়ম অব্যাহত ৰাখে। স্বাভাৱিকতে এই বিষয়টোৱে এতিয়া শংকিত কৰি তুলিছে অসমকে ধৰি উত্তৰ-পূৰ্বাঞ্চলৰ সচেতন মহলক। এজন লোকে নিজৰ থকা ঘৰটো যিমান মজবুতকৈ নিৰ্মাণ কৰা বুলি ভাবিব সেই অনুপাতে পিছে মজবুত নহ'ব সংশ্লিষ্ট ঘৰটো। পশ্চিমবংগৰ প্ৰতিষ্ঠানসমূহৰ এনে আঁভুৱা ভাঁৰা কাৰ্যই এতিয়া ভাবুকি কঢ়িয়াই আনিছে ৰাজ্যখনত নিৰ্মাণ হৈ থকা বহু গৃহ তথা অন্যান্য আন্তঃগাঁথনিলৈ। উল্লেখ্য যে টি এম টি বাৰৰ ওপৰত আৰোপ কৰা জি এছ টিৰ উচ্চ নিৰিখৰ বাবে গৃহ নিৰ্মাণৰ অন্যতম প্ৰয়োজনীয় এই সামগ্ৰীবিধৰ দাম বৃদ্ধি পায়। দেশৰ প্ৰতিষ্ঠিত টি এম টি বাৰ উৎপাদনকাৰী প্ৰতিষ্ঠানসমূহে জিএছটিসহ সামগ্ৰীৰ বিক্ৰী আৰম্ভ কৰাৰ লগে লগে ৰডৰ দাম ঊৰ্ধ্বমুখী হয় যদিও লগে লগে পশ্চিমবংগৰ দুৰ্গাপুৰৰ ৰড নিৰ্মাতা প্ৰতিষ্ঠানসমূহে অতি কৌশলেৰে লোহাৰ ৰডৰ প্ৰকৃত পৰিসৰ লুকুৱাবলৈ আৰম্ভ কৰে। গ্ৰাহকে বজাৰৰ পৰা ১৬ এম এম ৰড ক্ৰয় কৰিবলৈ গৈ প্ৰকৃততে ১৬ এম এম বুলি লিখা থকা ৰডৰ নামত ঘৰ বন্ধাৰ কামত নিজৰ অজ্ঞাতে ব্যৱহাৰ কৰে ১৪ অথবা তাতকৈ কম এম এম ৰডহে। গ্ৰাহকে যিহেতু ৰড ক্ৰয় কৰিবলৈ গৈ পৰিসৰ হিচাপ কৰি চোৱাৰ প্ৰয়োজনবোধ নকৰে সেয়েহে ১৬ এম এমৰ নামত ১৩ বা ১৪ এম এম ৰড ক্ৰয় কৰিবলৈ বাধ্য হয়। ইয়াৰ ফলত গ্ৰাহকে প্ৰতিষ্ঠিত ব্ৰেণ্ডতকৈ কম দামতে ৰড লাভ কৰি লাভান্বিত হোৱা বুলি আত্মবিভোৰ হয় যদিও এই কৌশলে প্ৰকৃততে দুৰ্বল কৰি তুলিছে ৰাজ্যখনত নিৰ্মিত গৃহসমূহ। উল্লেখ্য যে সৰ্বসাধাৰণ ৰাইজৰ অজ্ঞাতে দুৰ্গাপুৰৰ প্ৰতিষ্ঠানসমূহে অসমবাসীক প্ৰৱঞ্চনা কৰি থকাৰ বিপৰীতে এই সমস্ত দুষ্কাৰ্য ভালদৰে জানিও দুৰ্গাপুৰত নিৰ্মিত ৰড ব্যৱহাৰ কৰি গুৱাহাটীকে ধৰি ৰাজ্যৰ বিভিন্ন প্ৰান্তত ফ্লেট-এপাৰ্টমেণ্টকে ধৰি ভিন্ন আন্তঃগাঁথনি দুৰ্বল কৰি তোলাত অৰিহণা যোগাইছে একাংশ বিল্ডাৰ আৰু ঠিকাদাৰে। এনে বিল্ডাৰ আৰু ঠিকাদাৰৰ বাবে লাভজনক হৈ পৰিছে দুৰ্গাপুৰত উৎপাদিত ৰড ব্যৱহাৰ কৰাটো। কিছুদিন পূৰ্বে ত্ৰিপুৰা চৰকাৰেও দুৰ্গাপুৰত উৎপাদিত ৰডৰ প্ৰকৃত ওজন হ্ৰাস পোৱাৰ বিষয়টোক লৈ উদ্বিগ্নতা প্ৰকাশ কৰি কোনো ধৰণৰ চৰকাৰী আন্তগাঁথনিত এনেবোৰ সস্তীয়া ব্ৰেণ্ডৰ ৰড ব্যৱহাৰ নকৰিবলৈ নিৰ্দেশনা জাৰি কৰিছিল। পিছে অসমত দীৰ্ঘদিন ধৰি এনেদৰে কৌশলপূৰ্ণভাৱে কম শক্তিসম্পন্ন ৰড বিক্ৰী কৰি থকাৰ পাছতো এই পৰ্যন্ত ব্যৱস্থা গ্ৰহণৰ অৱকাশ পোৱা নাই অসম চৰকাৰে। এই ধাৰা অব্যাহত থাকিলে চৰকাৰী-বেচৰকাৰী আন্তঃগাঁথনিসমূহ দুৰ্বল হৈ পৰাৰ আশংকা ঘনীভূত হৈছে।

লোক সংস্কৃতিৰ গৱেষক পণ্ডিত ড° নবীন

এক পৃষ্ঠাৰ পৰা চিন্তা-চৰ্চা সম্বলিত গ্ৰন্থ সম্ভাৰৰ ৰচয়িতা ড° শৰ্মাৰ মৃত্যু ৰাজ্যৰ বৌদ্ধিক তথা সামাজিক ক্ষেত্ৰখনৰ বাবে এক বৃহৎ ক্ষতিৰূপে চিহ্নিত হৈছে। বৰেণ্য গৱেষকজনৰ মৃত্যুত সমগ্ৰ ৰাজ্যজুৰি গভীৰ শোকৰ ছাঁ পৰিছে। অসম সাহিত্য সভাৰ সদস্য মহীয়ান সন্মানৰে বিভূষিত ড° শৰ্মাৰ জন্ম হৈছিল দৰং জিলাৰ হাজৰিকাপাৰাত। ১৯৩৮ৰ ২১ জুনত জন্ম গ্ৰহণ কৰা ড° শৰ্মাই ১৯৫২ত এম ই পৰীক্ষাত প্ৰথম বিভাগত উত্তীৰ্ণ হোৱাৰ পাছত ১৯৫৭ত তেজপুৰ চৰকাৰী হাইস্কুলৰ পৰা দ্বিতীয় বিভাগত মেট্ৰিক পৰীক্ষাত উত্তীৰ্ণ হয়। গুৱাহাটীৰ আৰ্য বিদ্যাপীঠ মহাবিদ্যালয়ৰ পৰা ১৯৬১ত আই এ পৰীক্ষাত উত্তীৰ্ণ হোৱা ড° শৰ্মাই ১৯৬৫ত গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰে। পৰৱৰ্তী সময়ত ১৯৭৭ত গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা ড° সত্যেন্দ্ৰ নাথ শৰ্মাৰ তত্বাৱধানত 'অনন্ত কন্দলী এণ্ড হিজ ৱৰ্কছ ঃ এ ক্ৰিটিকেল ষ্টাডী' বিষয়ত পি এইছ ডি লাভ কৰে। ১৯৫৬ৰ পৰা ১৯৫৯ লৈ চতিয়া নৰ্মাল স্কুলত অধ্যয়ন আৰু শিক্ষকতাৰে কৰ্মজীৱন আৰম্ভ কৰা ড° শৰ্মাই ১৯৫৯-৬৫লৈ গুৱাহাটী আৰ্য বিদ্যাপীঠ স্কুলত বিষয় শিক্ষকৰূপে চাকৰি কৰাৰ পাছত ১৯৮১ লৈ প্ৰাগজ্যোতিষ মহাবিদ্যালয়ত অসমীয়া বিভাগৰ প্ৰৱক্তাৰূপে কাৰ্যনিৰ্বাহ কৰিছিল। ১৯৮১ত গুৱাহাটী বিশ্ববিদ্যালয়ৰ লোক সংস্কৃতি বিভাগত অধ্যাপকৰূপে চাকৰিকাল আৰম্ভ কৰা ড° শৰ্মাই ১৯৯৫-৯৮ লৈকে গুৱাহাটী বিশ্ববিদ্যালয়ৰ লোক সংস্কৃতি বিভাগৰ প্ৰফেছৰৰূপে দায়িত্বভাৰ পালন কৰিছিল। জীৱন কালত নানান সন্মান, বঁটা, স্বীকৃতিৰে মহীয়ান ড° শৰ্মাৰ উল্লেখযোগ্য গ্ৰন্থসমূহৰ ভিতৰত আছে অসমীয়া সাহিত্যৰ আলোকৰেখা, পুৰণি অসমীয়া সাহিত্যৰ আলোকৰেখা, পশ্চিমৰ পৰা পূবলৈ, গল্প সংকলন মাউত মৈষাল মাঝি ইত্যাদি, উভতি চাবলৈ যে মন, অসমৰ ওজাপালি, লোক সংস্কৃতি, অসমৰ সাংস্কৃতিক ইতিহাস, উত্তৰ-পূব ভাৰতৰ পৰিৱেশ তোলা ইত্যাদি অন্যতম। ইয়াৰ উপৰি আধ্যাত্মিক ক্ষেত্ৰখনত তেওঁ সম্পাদিত ৰূপত প্ৰকাশ কৰিছে ৩০ খনতকৈও অধিক মূল্যৱান গ্ৰন্থ।

অভিভাৱকহীন হ'ল দৰঙৰ লোক সংস্কৃতি

দৰং জিলাৰ গৌৰৱ সুপণ্ডিত ড° শৰ্মাৰ প্ৰয়াণত আজি ৰাজ্যৰ লগতে গভীৰ শোকৰ ছাঁ পৰিছে তেওঁৰ গৃহ জিলা দৰং আৰু ওপজা গাঁও হাজৰিকাপাৰাত। প্ৰয়াত ইন্দ্ৰকান্ত শৰ্মাৰ ঔৰসত আৰু যমুনা দেৱীৰ গৰ্ভত জন্ম হোৱা পণ্ডিতপ্ৰৱৰ ড° শৰ্মাৰ মৃত্যুত আজিৰে পৰা কাৰ্যতঃ অভিভাৱকহীন হ'ল দৰঙৰ লোক সংস্কৃতিৰ ক্ষেত্ৰখন। দৰং গৌৰৱ ড° শৰ্মাৰ মৃত্যুৰ খবৰে আজি ম্ৰিয়মান কৰি তুলিছে দৰং জিলাবাসীক। দৰং জিলা সাহিত্য সভা, দৰঙী লোক কলাকৃষ্টি উন্নয়ন সংঘ, ছিপাঝাৰ সাহিত্য সভা, বৰদৌলগুৰি সাহিত্য সভা, হাজৰিকাপাৰা সাহিত্য সভা, হাজৰিকাপাৰাৰ গান্ধী স্মৃতি উচ্চতৰ মাধ্যমিক বিদ্যালয়, ছিপাঝাৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়, ছিপাঝাৰ জনতা মহাবিদ্যালয়, ছিপাঝাৰ মহাবিদ্যালয়, হাজৰিকাপাৰাৰ ৰাইজিং ক্লাব, স্থানীয় বিধায়ক ড° পৰমানন্দ ৰাজবংশী, প্ৰাক্তন বিধায়ক বিনন্দ কুমাৰ শইকীয়া, ড° ৰামচন্দ্ৰ ডেকা, নান্দনিক সাহিত্য চ'ৰা-পথৰুঘাট, পথৰু সমন্বয় গোষ্ঠী, উদাস, ঐক্যতান গোষ্ঠী, মঙলদৈ মিডিয়া চাৰ্কোল, ছিপাঝাৰ প্ৰেছ গীল্ড আদিয়ে গভীৰ শোক প্ৰকাশ কৰিছে। মৃত্যুৰ সময়ত ড° শৰ্মাই পত্নী বাসন্তী দেৱী, জ্যেষ্ঠ পুত্ৰ কন্দৰ্প শৰ্মা, কনিষ্ঠ পুত্ৰ উদয়ন শৰ্মাকে ধৰি বহু আত্মীয়-স্বজন আৰু গুণমুগ্ধক ইহসংসাৰত এৰি যায়।

ৰাজ্যৰ ভিন্ন দল-সংগঠনৰ শোক প্ৰকাশ

অসমৰ লোক সংস্কৃতিৰ একনিষ্ঠ সাধক গুৱাহাটী বিশ্ববিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক ড° নবীন চন্দ্ৰ শৰ্মাৰ বিয়োগত মহাপুৰুষ শ্ৰীমৎ দেৱদামোদৰ সংঘই গভীৰ শোক প্ৰকাশ কৰিছে। সংঘৰ কেন্দ্ৰীয় সংঘাধিকাৰ প্ৰণৱ কুমাৰ শৰ্মা আৰু সংঘাধিকৰ্তা হৰ্ষবৰ্ধন কাশ্যপে আজি এক প্ৰেছ বিজ্ঞপ্তিযোগে ড° শৰ্মাৰ মৃত্যুত অসমৰ লোক সংস্কৃতিৰ জগতখন উকা হৈ পৰা বুলি মন্তব্য কৰে। সংঘৰ তৰফৰ পৰা পৰিয়াললৈ সমবেদনা জ্ঞাপন কৰে।

ইফালে, লোক সংস্কৃতিৰ সাধকজনৰ মৃত্যুত বাৰ্তা পখিলীৰ সম্পাদক ব্ৰজেন্দ্ৰ নাথ ডেকা আৰু কাৰ্যবাহী সম্পাদক গোপাল জালানে গভীৰ শোক প্ৰকাশ কৰি শোক সন্তপ্ত পৰিয়াললৈ সমবেদনা জনাইছে।

বিশিষ্ট লোক সংস্কৃতিৰ গৱেষক, পণ্ডিত ড° নবীন চন্দ্ৰ শৰ্মাৰ মৃত্যুত খিলঞ্জীয়া জনজাতীয় সাহিত্য সভা, অসম (ইটছা) -এ গভীৰ শোক প্ৰকাশ কৰিছে। এক বিবৃতিযোগে ইটছাৰ সম্পাদকপ্ৰধান কমলাকান্ত মুছাহাৰীয়ে ড° শৰ্মাৰ মৃত্যুই অসমৰ লোক সংস্কৃতিৰ গৱেষণাৰ ক্ষেত্ৰখন উকা কৰিলে বুলি মন্তব্য কৰে।

হাজোৰ অগ্ৰদূত বাৰ্তা ঃ বৰেণ্য সাহিত্যিক তথা গৱেষক ড° নবীন চন্দ্ৰ শৰ্মাৰ মৃত্যুত বৃহত্তৰ হাজো অঞ্চলত আজি গভীৰ শোকৰ ছাঁ পৰিছে। দমদমা সাহিত্য সভা, হাজো সাংবাদিক সন্থা, মণিকূট সাহিত্য সমাজ, হাজো আঞ্চলিক কবি সমাজ, দমদমা আঞ্চলিক ছাত্ৰ সন্থাকে ধৰি ভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানে তেওঁৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰি পৰিয়াললৈ সমবেদনা জ্ঞাপন কৰিছে।

নলবাৰীৰ অগ্ৰদূত বাৰ্তা ঃ প্ৰথিতযশা সাহিত্যিক, লোক সংস্কৃতিৰ গৱেষক, গুৱাহাটী বিশ্ববিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক, অসম সাহিত্য সভাৰ 'সদস্য মহীয়ান' ড° শৰ্মাৰ দেহাৱসানত নলবাৰী জিলা সাহিত্য সভাই গভীৰ শেক প্ৰকাশ কৰিছে। নলবাৰী জিলা সাহিত্য সভাৰ সভাপতি ধ্ৰুৱজ্যোতি শৰ্মা আৰু সম্পাদক পংকজ বেজবৰুৱাই এটি শোকবাৰ্তাত কয় যে প্ৰফেছৰ অৰ এমেৰিটাছ অধ্যাপক ড° শৰ্মা আছিল লোক সংস্কৃতিৰ বিশিষ্ট গৱেষক। বহুমুখী পাণ্ডিত্যবাৰিধিৰে অতুলনীয় অৱদান আগবঢ়োৱা এইগৰাকী ব্যক্তিৰ অৱৰ্তমানত লোক সংস্কৃতি বিষয়ৰ গৱেষণা ক্ষেত্ৰত বাৰুকৈয়ে শূন্যতাই বিৰাজ কৰিব। পণ্ডিতগৰাকীৰ সমগ্ৰ পুথি চৰকাৰক একত্ৰে প্ৰকাশৰ বাবে যাৱতীয় ব্যৱস্থা ল'বলৈও নলবাৰী জিলা সাহিত্য সভাৰ সভাপতি আৰু সম্পাদকে দাবী জনাইছে।

বিজ্ঞাপন-সাক্ষাৎকাৰ অবিহনে এএছটিচিত পাঁচ শতাধিকক নিযুক্তি

এক পৃষ্ঠাৰ পৰা ইয়াকে লৈ এএছটিচিত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। কাৰণ প্ৰতিষ্ঠানটোত বেআইনীভাৱে কে'বাশ লোকে বিভিন্ন সময়ত নিযুক্তি লাভ কৰাটো তদন্তত স্পষ্ট হৈছে। তৃতীয় আৰু চতুৰ্থ বৰ্গৰ পদতেই ইয়াৰে বেছিভাগ নিযুক্তি হৈছিল বুলি প্ৰতিবেদনত উল্লেখ কৰা হৈছে। এএছটিচিত এনে কে'বাশ কৰ্মচাৰী আছে যিসকলৰ নিযুক্তিৰ ক্ষেত্ৰত কোনো নিয়মেই পালন কৰা নহ'ল। সাক্ষাৎকাৰ বাদেই, বিজ্ঞাপনো প্ৰকাশ কৰা হোৱা নাই এনে নিযুক্তিত। কোনো প্ৰভাৱশালী পক্ষৰ মুখৰ কথাতে এই ধৰণৰ নিযুক্তিবোৰ সম্পন্ন হৈছিল। এইবোৰৰ উপৰি এনে বহু ঠিকাভিত্তিক কৰ্মচাৰীৰ তথ্য পোহৰলৈ আহিছে, যিবোৰে বাছনি পৰীক্ষাত ভাল ফলাফল প্ৰদৰ্শন কৰিব নোৱাৰাকৈয়ে নিযুক্তি লাভ কৰে। পৰিবহণ বিভাগৰ সূত্ৰই সদৰী কৰে যে কোনো নীতি-নিয়ম নমনাকৈ হকে-বিহকে দিয়া নিযুক্তিবোৰৰ বাবেই এএছটিচিৰ কে'বাটাও শাখাত প্ৰয়োজনতকৈ অধিক কৰ্মচাৰী নিযুক্ত হৈ আছে। অতিৰিক্ত কৰ্মচাৰীৰ এনে ভিৰৰ বিপৰীতে এএছটিচিৰ লোকচানৰ পৰিমাণ দিনে দিনে বৃদ্ধি পাইছে। একেবাৰে শীৰ্ষৰ পৰা তললৈ কৰ্মৰত হৈ একাংশ বিষয়া-কৰ্মচাৰীৰ বাবে এএছটিচি সোণৰ কণী পৰা হাঁহসদৃশ হৈ আহিছে। তাৰ পৰিণতি সামগ্ৰিকভাৱে ভোগ কৰিবলগীয়া হৈছে বৃহৎ অনুষ্ঠানটোৱে।

বেআইনী নিযুক্তিৰ সন্দৰ্ভত এএছটিচি কৰ্মচাৰী সন্থাৰ সাধাৰণ সম্পাদক দ্বিজেন লহকৰে কয় যে প্ৰতিষ্ঠানটোত বৰ্তমান থকা ঠিকাভিত্তিক কৰ্মচাৰীসকল বিগত ২০১১ৰ পৰা বিভিন্ন সময়ত নিযুক্তিপ্ৰাপ্ত। তেওঁ দাবী কৰে যে এইসকল কৰ্মচাৰীৰ বেছিভাগেই নিয়মৰ মাজেৰে নিযুক্তি লাভ কৰিছে। লহকৰে লগতে কয়, 'ঠিকাভিত্তিক কৰ্মচাৰীসকলৰ ভিতৰত প্ৰায় পাঁচশ এনে কৰ্মচাৰী আছে যিসকলক বিভিন্ন সময়ত ৰাজনৈতিক প্ৰভাৱ খটুৱাই একাংশ নেতাই নিযুক্তি দিছে। তেনে কৰ্মচাৰীসকলৰ ক্ষেত্ৰত নিযুক্তিৰ নিয়ম পালিত হোৱা নাই।'

আজি কংগ্ৰেছৰ সভাপতি পদৰ

এক পৃষ্ঠাৰ পৰা পক্ষৰ দাবীৰ পৰিপ্ৰেক্ষিতত কাইলৈ অনুষ্ঠিত হ'বলগীয়া সভাপতি পদৰ নিৰ্বাচনত অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ ২৮৯ জন প্ৰতিনিধিয়ে ভোটদান কৰিব। এই উপলক্ষে গুৱাহাটীৰ ৰাজীৱ ভৱনত স্থাপন কৰা হৈছে ৰাজ্যখনৰ একমাত্ৰ ভোটগ্ৰহণ কেন্দ্ৰটো। কাইলৈ পুৱা ১০ বজাৰ পৰা বিয়লি চাৰি বজালৈ ৰাজীৱ ভৱনত ৰাজ্যৰ ভোটাধিকাৰ লাভ কৰা কংগ্ৰেছৰ প্ৰতিনিধিসকলে ভোটদান কৰিব পাৰিব। সভাপতি পদৰ নিৰ্বাচনৰ ভোটগ্ৰহণৰ বাবে ইতিমধ্যে আজি আহি গুৱাহাটীত উপস্থিত হৈছে নিখিল ভাৰত কংগ্ৰেছ কমিটীৰ নিৰ্বাচনী সমিতিৰ এটা তিনিজনীয়া দল। বেলট বাকচ লৈ দিল্লীৰ পৰা অহা এই প্ৰতিনিধিৰ দলটোৱে কাইলৈ নিৰ্ধাৰিত সময়ত ভোটগ্ৰহণৰ অন্তত ছীল কৰা বেলট বাকচ লৈ দিল্লীলৈ উভতি যাব। উল্লেখ্য যে কংগ্ৰেছৰ সভাপতি পদৰ বাবে এইবাৰ প্ৰতিদ্বন্দ্বিতাত অৱতীৰ্ণ হোৱা মল্লিকাৰ্জুন খাৰ্গে আৰু ড° শশী থাৰুৰৰ ভিতৰত খাৰ্গেৰ পক্ষত অসম প্ৰদেশ কংগ্ৰেছৰ অধিকাংশ নেতা আছে বুলি সূত্ৰত প্ৰকাশ। খাৰ্গে গান্ধী পৰিয়ালৰ দ্বাৰা প্ৰক্ষেপিত প্ৰাৰ্থীৰূপে প্ৰচাৰ হোৱা হেতুকে তেওঁক ভোট দি সভাপতি পাতিবলৈ তৎপৰ হৈ পৰিছে প্ৰদেশ কংগ্ৰেছৰ গৰিষ্ঠসংখ্যক নেতা। কালি গুৱাহাটীলৈ প্ৰচাৰ চলাবলৈ অহা সভাপতি পদৰ পৰা আনজন প্ৰাৰ্থী থাৰুৰক সংগ দিছিল মাথোঁ সাংসদ প্ৰদ্যুৎ বৰদলৈয়েহে। স্বাভাৱিকতে কংগ্ৰেছৰ সভাপতি পদৰ নিৰ্বাচনত প্ৰদেশ কংগ্ৰেছৰ অধিকাংশ নেতাৰে স্থিতি কি হ'ব সেয়া নিৰ্বাচনৰ পূৰ্বে স্পষ্ট হৈ উঠিছে। কাইলৈ পুৱা ১০ বজাৰ পৰা বিয়লি চাৰি বজাৰ ভিতৰত ভোটদান কৰিবলৈ অহা প্ৰতিনিধিসকলে ইতিমধ্যে লাভ কৰা তেওঁলোকৰ বাৰকোডযুক্ত পৰিচয়পত্ৰ প্ৰদৰ্শন কৰি ভোট দিব পাৰিব। লক্ষ্যণীয় যে সমগ্ৰ ৰাজ্যত কংগ্ৰেছৰ ভোটাধিকাৰ থকা মুঠ ভোটাৰৰ ভিতৰত দুই-এজনৰ ভোটাধিকাৰ কৰ্তন কৰা হৈছে। উত্থাপিত অভিযোগ মতে, একাংশ কংগ্ৰেছ প্ৰতিনিধিয়ে ধনৰ বিনিময়ত তেওঁলোকৰ প্ৰতিনিধিত্ব আন কোনো ব্যক্তিক বিক্ৰী কৰিছে। এই অভিযোগৰ ভিত্তিত ইতিমধ্যে প্ৰদেশ কংগ্ৰেছে সংশ্লিষ্ট ভোটাৰৰ ভোটাধিকাৰ বাতিল কৰা বুলি প্ৰদেশ কংগ্ৰেছৰ সভাপতিয়ে আজি সদৰী কৰিছে। বৰপেটা জিলাৰ মন্দিয়া ব্লকতো এনে এজন নিৰ্বাচিত প্ৰতিনিধিয়ে ধনৰ বিনিময়ত ভোটাধিকাৰ বিক্ৰীৰ অভিযোগ লাভ কৰা বুলি সভাপতি বৰাই সদৰী কৰিছে। উল্লেখ্য যে সমগ্ৰ দেশজুৰি কাইলৈ মুঠতে ন হেজাৰ তিনিশজন ভোটাৰে ভোটদান কৰি কংগ্ৰেছৰ পৰৱৰ্তী সভাপতি নিৰ্বাচিত কৰিব। অহা ১৯ অক্টোবৰত ভোটগণনা অনুষ্ঠিত হ'ব আৰু সেইদিনাই ঘোষিত হ'ব দলৰ নতুন সভাপতিৰ নাম।

মৰিগাঁৱত জুবিন গাৰ্গৰ

এক পৃষ্ঠাৰ পৰা সংগীতানুষ্ঠানটো প্ৰথম অৱস্থাত সকলো ঠিকেই আছিল যদিও নিশা অধিক হৈ অহাৰ লগে লগে এচাম সুৰামত্ত দৰ্শকে ষ্টেডিয়ামত আৰম্ভ কৰে উদ্ভণ্ডালি। সংগীতানুষ্ঠান সুচাৰুৰূপে পৰিচালনা কৰিবলৈ নিৰ্মাণ কৰা বেৰিকেড ভাঙি একাংশ মদমত্ত দৰ্শক তথা উদণ্ড যুৱকে বেৰিকেডৰ ভিতৰত প্ৰৱেশ কৰিবলৈ চেষ্টা কৰাৰ লগতে ষ্টেডিয়ামৰ ভিতৰত নিৰ্মাণৰত ক্ৰিকেট খেলৰ পিটচ্‌খনৰো ক্ষতিসাধন কৰে। আৰক্ষীয়ে সুৰামত্ত দৰ্শকক বেৰিকেডৰ ভিতৰলৈ অহাত বাধা দিবলৈ চেষ্টা কৰে যদিও আৰক্ষীৰ বাধা আওকাণ কৰি এক হুলস্থূলীয়া পৰিৱেশ সৃষ্টিৰে বেৰিকেড ভাঙি ভিতৰলৈ প্ৰৱেশ কৰে। তদুপৰি একাংশ উদণ্ড যুৱকে বেৰিকেডৰ ভিতৰত থকা সাংবাদিকসকলকো লক্ষ্য কৰি ইটা, পানী বটল, ভঙা চকী দলিয়াই পৰিৱেশ আৰু অধিক জটিল কৰি তোলে। এনে জটিল পৰিস্থিতিত কে'বাজনো আৰক্ষী, ১০জনকৈ সাংবাদিকৰ লগতে এগৰাকী যুৱতীয়ে মূৰত গুৰুতৰভাৱে আঘাত পায়। পাছত আৰক্ষীয়ে পৰিস্থিতি নিয়ন্ত্ৰণ কৰিবলৈ সক্ষম হয় যদিও এই পৰিৱেশ ইমানেই ভয়াবহ আছিল যে এচাম উতনুৱা নিচাসক্ত যুৱকৰ উদ্ভণ্ডালিত ভীতিগ্ৰস্ত হৈ পৃথক বাটেৰে একাংশ মহিলা দৰ্শক ঘৰমুৱা হ'বলৈ বাধ্য হৈ পৰে। ইফালে, জনপ্ৰিয় কণ্ঠশিল্পী জুবিন গাৰ্গৰ সংগীতানুষ্ঠানত সংঘটিত হোৱা এনে অপ্ৰীতিকৰ পৰিস্থিতিক লৈ উদ্বেগ প্ৰকাশ কৰিছে মৰিগাঁও জিলা সাংবাদিক সংস্থাই। জিলা সাংবাদিক সংস্থাৰ সভাপতি বিৰিঞ্চি কুমাৰ শৰ্মা আৰু সম্পাদক জিতুমণি নাথে প্ৰেৰণ কৰা এক বিবৃতিত নিজৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰি কয় কণ্ঠশিল্পী জুবিন গাৰ্গ আগতেও মৰিগাঁৱলৈ বহুবাৰ আহিছিল; কিন্তু এনে ধৰণৰ অপ্ৰীতিকৰ পৰিস্থিতি সৃষ্টি হোৱা নাছিল। সুপৰিকল্পিত আৰু শৃংখলাবদ্ধ চিন্তা-চৰ্চাৰে জিলা প্ৰশাসনে কাম-কাজ নকৰা বাবেই সাধাৰণ নাগৰিক, মহিলা-যুৱতীৰ লগতে বাতৰি সংগ্ৰহ কৰিবলৈ যোৱা ১০জনকৈ সাংবাদিক এচাম উদণ্ড যুৱকৰ আক্ৰমণৰ বলি হ'বলগীয়াত পৰিল বুলি আক্ষেপ প্ৰকাশ কৰে। এনে ধৰণৰ ঘটনাই অনাগত দিনত মৰিগাঁৱৰ সমাজ জীৱনলৈ অশনি সংকেত কঢ়িয়াই আনিব। সেয়ে সমাজৰ শান্তি-শৃংখলা বৰ্তাই ৰখাত সহায়-সহযোগিতা কৰিবলৈ সকলো পক্ষকে সংস্থাটোৱে আহ্বান জনায়। এই অবাঞ্চিত ঘটনাক গৰিহণা দি সদৌ মৰিগাঁও জিলা ছাত্ৰ সন্থাৰ সম্পাদক ৰূপজ্যোতি মেধিয়ে একাংশ উদণ্ড যুৱকৰ এনে আক্ৰমণ নিন্দনীয় বুলি মন্তব্য কৰে। জিলা ছাত্ৰ সন্থাই ভৱিষ্যতে এনেধৰণৰ ঘটনাৰ পুনৰাবৃত্তি হ'বলৈ দিয়া নহ'ব বুলি সকীয়াই দিয়াৰ লগতে এনেধৰণৰ পৰিৱেশৰ বাবে সকলোকে সজাগ-সচেতন হৈ থাকিবলৈ আহ্বান জনায়। আনহাতে, জুবিন গাৰ্গৰ সংগীতানুষ্ঠানত সংঘটিত হোৱা এনে অবাঞ্চিত ঘটনাত দুখ প্ৰকাশ কৰে জিলা উপায়ুক্ত দেৱাশীষ শৰ্মাই। উপযুক্তজনে এনে ঘটনা আশা কৰা নাছিলো বুলি মন্তব্য কৰি এই অবাঞ্চিত ঘটনাৰ বাবে সকলোৰে ওচৰত দুখ প্ৰকাশ কৰে। ইফালে, সংগীতানুষ্ঠানৰ মাজতে কণ্ঠশিল্পী জুবিন গাৰ্গে অসমীয়া চিনেমা চাবলৈ ৰাইজক আহ্বান জনাই কয়, 'মৰিগাঁৱৰ ষ্টেডিয়ামখন বহু সুন্দৰ। ইয়াত মই অতি সোনকালেই ফুটবল খেলিবলৈ আহিম।'

দেউৰী স্বায়ত্ত পৰিষদ দখলৰ

এক পৃষ্ঠাৰ পৰা অৱলম্বন কৰি তৎপৰতা বৃদ্ধি কৰিছে শাসক বিৰোধীয়ে। সম্প্ৰতি নিজৰ দখলত থকা স্বায়ত্তশাসিত পৰিষদখনৰ আগন্তুক নিৰ্বাচনক কেন্দ্ৰ কৰি শাসকীয় বিজেপিয়ে ২০জনকৈ বিধায়কসহ এজন সাংসদক সমষ্টি বিশেষে দায়িত্ব অৰ্পণ কৰিছে। তাৰ মাজতে আজি এই নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰিবলগীয়া প্ৰথমখন প্ৰাৰ্থীৰ তালিকা কংগ্ৰেছে ঘোষণা কৰিছে কংগ্ৰেছে। উল্লেখ্য যে আঠখন জিলাক সামৰি ২২টা সমষ্টিৰে গঠিত দেউৰী স্বায়ত্তশাসিত পৰিষদৰ আগন্তুক নিৰ্বাচনত শাসকীয় বিজেপিয়ে দায়িত্ব অৰ্পণ কৰিছে বিধায়ক তথা প্ৰাক্তন মন্ত্ৰী নৱ কুমাৰ দলেক। ৰাজ্যিক বিজেপিৰ উপ-সভাপতিৰো দায়িত্বত থকা দলেক সভাপতি ভৱেশ কলিতাই দেউৰী পৰিষদীয় নিৰ্বাচনৰ ভাৰপ্ৰাপ্ত নিযুক্তি দিয়াৰ সমান্তৰালভাৱে ২২টা সমষ্টিত ১৯জন বিধায়ক আৰু এজন সাংসদক ভাৰপ্ৰাপ্ত হিচাপে নিযুক্তি প্ৰদান কৰিছে। সেই অনুসৰি, তিনিচুকীয়াত এক নম্বৰ শদিয়া আৰু দুই নম্বৰ কুণ্ডিল সমষ্টিত বিধায়ক বলিন চেতিয়া, তিনি নম্বৰ মাৰ্ঘেৰিটা সমষ্টিত বিধায়ক ভাস্কৰ শৰ্মা, চাৰি নম্বৰ ডিব্ৰুগড় সমষ্টিত বিধায়ক বিনোদ হাজৰিকাক দায়িত্ব অৰ্পণ কৰা হৈছে। একেদৰে শিৱসাগৰৰ পাঁচ নম্বৰ টেঙাপানীত বিধায়ক সুশান্ত বৰগোহাঁই, ছয় নম্বৰ কটিয়ৰীত বিধায়ক চক্ৰধৰ গগৈ, সাত নম্বৰ ৰাজাবাৰীত বিধায়ক ধৰ্মেশ্বৰ কোঁৱৰ, আঠ নম্বৰ যোৰহাটত বিধায়ক হিতেন্দ্ৰ নাথ গোস্বামী, ন নম্বৰ মাজুলী আৰু ১০ নম্বৰ চিচিবৰগাঁৱত বিধায়ক ভূৱন গাম, ১১ নম্বৰ শ্ৰীপানীত বিধায়ক মৃণাল শইকীয়া, ১২ নম্বৰ জোনাইত বিধায়ক বিশ্বজিৎ ফুকন, ১৩ নম্বৰ বৰদলনিত বিধায়ক সুৰেণ ফুকন, ১৪ নম্বৰ গোগামুখত বিধায়ক তৰংগ গগৈ, ১৫ নম্বৰ বৰদেউৰীত বিধায়ক কৃষ্ণকমল তাঁতী, ১৬ নম্বৰ বাঁহগড়া আৰু ১৭ নম্বৰ কাচিকটাত বিধায়ক ড° অমিয় কুমাৰ ভূঞা, ১৮ নম্বৰ পিছলাত বিধায়ক গণেশ কুমাৰ লিম্বু, ১৯ নম্বৰ কিনাপথাৰত বিধায়ক প্ৰমোদ বৰঠাকুৰ, ২০ নম্বৰ বঙালমৰাত সাংসদ প্ৰদান বৰুৱা, ২১ নম্বৰ গাভৰু টুনীজানত বিধায়ক মানৱ ডেকা আৰু ২২ নম্বৰ গহপুৰ সমষ্টিত বিধায়ক উৎপল বৰাক ভাৰপ্ৰাপ্ত নিযুক্তি দিয়া হৈছে।

ইফালে, আগন্তুক দেউৰী স্বায়ত্তশাসিত পৰিষদৰ নিৰ্বাচনৰ প্ৰথমখন প্ৰাৰ্থী তালিকা আজি ঘোষণা কৰিছে অসম প্ৰদেশ কংগ্ৰেছে। সেই অনুসৰি, এক নম্বৰ শদিয়াত সোণটো দেউৰী, দুই নম্বৰ কুণ্ডিলত ৰণজিৎ দেউৰী, তিনি নম্বৰ মাৰ্ঘেৰিটাত খগেশ্বৰ দেউৰী, পাঁচ নম্বৰ টেঙাপানীত সোণেশ্বৰ দেউৰী, ছয় নম্বৰ কটিয়ৰীত বসন্ত দেউৰী, আঠ নম্বৰ যোৰহাটত কেশৱ দেউৰী, ১০ নম্বৰ চিচিবৰগাঁৱত থানেশ্বৰ দেউৰী, ১৩ নম্বৰ বৰদলনিত ৰয়েল দেউৰী, ১৯ নম্বৰ কিনাপথাৰত হৰিপ্ৰসাদ দেউৰী, ১৬ নম্বৰ বাঁহগড়াত মিনু দেউৰী, ১৪ নম্বৰ গোগামুখত লক্ষীপ্ৰসাদ দেউৰী আৰু ১২ নম্বৰ জোনাই সমষ্টিত সৰুমণি দেউৰীক প্ৰাৰ্থিত্ব প্ৰদান কৰিছে কংগ্ৰেছে।

মানুহৰ সন্ত্ৰাসত জীৱকূলে হেৰুৱাইছে

এক পৃষ্ঠাৰ পৰা বিনাশকৰণৰ পৰ্যায়ৰ মাজেৰে গৈছে। ই হৈছে বিশ্বত ডাইন'চৰৰ সময়ৰ পৰা হোৱা জীৱকুল ধ্বংসৰ সৰ্ববৃহৎ পৰ্যায়। ব্ৰিটেইনৰ ডব্লিউ ডব্লিউ এফৰ মুখ্য কাৰ্যবাহী তানিয়া ষ্টিলে কয়, 'এই প্ৰতিবেদন অনুসৰি, সৰ্বাধিক নিশ্চিহ্নকৰণ হৈছে লেটিন আমেৰিকা অঞ্চলত। এই অঞ্চলতে আছে এমাজনৰ দৰে বিশ্বৰ সৰ্ববৃহৎ বৰ্ষাৰণ্য। বন ধ্বংসৰ হাৰ বৃদ্ধি পোৱাৰ ফলত ইয়াৰ দ্বাৰা আমাৰ বনাঞ্চল পৰিৱেশতন্ত্ৰৰ স্বকীয়তা ক্ষতিগ্ৰস্ত হোৱাতে সীমাবদ্ধ থকা নাই বন্যপ্ৰাণীকো বিপদৰ মুখলৈ ঠেলি দিছে; কিয়নো এই পৰিৱেশতন্ত্ৰৰ ওপৰত নিৰ্ভৰশীল বন্যপ্ৰাণী। বতৰৰ পৰিৱৰ্তনৰ স'তে আমাৰ যুঁজখনৰ অন্যতম সহযোগী এমাজনৰ সামৰ্থও হ্ৰাস কৰিছে বনধ্বংসযজ্ঞই।' গৱেষকসকলৰ মতে, আফ্ৰিকাত দ্বিতীয় সৰ্ববৃহৎ ক্ষতিসাধন হৈছে বন্যপ্ৰাণীৰ। এই অঞ্চলটোত ৬৬ শতাংশ বন্যপ্ৰাণী পৃথিৱীৰ বুকুৰ পৰাই চিৰকালৰ বাবে হেৰাই গ'ল। ইয়াৰ পাছতে আছে এছিয়া আৰু প্ৰশান্ত মহাসাগৰীয় অঞ্চলসমূহ আৰু তাৰ পাছত আছে নৰ্থ আমেৰিকা। এছিয়া আৰু প্ৰশান্ত মহাসাগৰীয় অঞ্চলসমূহত ৫৫ শতাংশ আৰু নৰ্থ আমেৰিকাত ২০ শতাংশ, ইউৰোপ আৰু মধ্য এছিয়াত ১৮ শতাংশ জীৱ-জন্তুৰ চিৰকালৰ বাবে বিনাশ ঘটিল। চলিত বৰ্ষৰ ডিচেম্বৰত কানাডাত অনুষ্ঠিত হ'বলগীয়া জৈৱ বৈচিত্ৰ্যৰ সন্মিলনত বিশ্ব নেতৃত্বক এই বিষয়ে সম্ভাৱনাপুষ্ট চুক্তিত উপনীত হ'বলৈ আহ্বান জনাইছে গৱেষকসকলে। এই দশকটোত বিশ্ব উষ্ণতাৰ পৰিমাণ ১.৫ ছেলছিয়াছৰ তলত সীমাবদ্ধ ৰাখিবলৈ কাৰ্বন নিৰ্গমন হ্ৰাসৰ বাবেও সিদ্ধান্তত উপনীত হ'ব লাগিব বুলি তেওঁলোকে কয়। এই পৰিঘটনাৰ ফলতে প্ৰকৃতিৰ ভয়াবহ ৰূপত প্ৰকৃতিৰ ধ্বংসযজ্ঞ হ'বলৈ ধৰিছে। ষ্টিলে কয় যে তাপমাত্ৰাৰ অভিলেখ পৰিমাণৰ বৃদ্ধি, বনজুইৰ ঘটনাত আৰু লক্ষ লক্ষ লোক গৃহহাৰা হোৱাৰ পাছতো আমাৰ বিশ্ব নেতাসকল মৌন হৈ হাত সাবটি আছে আৰু চকুৰ সন্মুখতে আমাৰ পৃথিৱীখন জ্বলি পুৰি যোৱাটো চাই আছে। বতৰ আৰু প্ৰকৃতিৰ এই সংকট আমাৰ পৰৱৰ্তী প্ৰজন্মই নতুন প্ৰযুক্তি উদ্ভাৱন কৰি সমাধান কৰাৰ আশাৰে চাই থাকিবলগীয়া সুদূৰৰ বিপদ নহয়। এই কথাও মনত ৰাখিব লাগিব বুলি তেওঁ কয়। তদুপৰি প্ৰতিবেদনত কোৱা হৈছে ভূমিৰ ব্যৱহাৰৰ পৰিৱৰ্তনে বিশ্বজুৰি জৈৱ বৈচিত্ৰ্য ক্ষতিগ্ৰস্ত হোৱাৰ অন্যতম গুৰুত্বপূৰ্ণ কাৰক।

দেশে দেশে 'বিগ ব্ৰাদাৰ'

এক পৃষ্ঠাৰ পৰা শাসকে যি বিচাৰে, যেনে ধৰণে বিচাৰে, নাগৰিকে তাকেই অনুসৰণ কৰিবলৈ বাধ্য; কিয়নো তাৰ অন্যথা বিগ ব্ৰাদাৰে সকলো গম পাই থাকে আৰু তাৰ পৰিণাম হয় ভয়াবহ।

কিছুদিনৰ আগলৈ আমেৰিকাকে আন্তৰ্জাতিক প্ৰেক্ষাপটত বিগ ব্ৰাদাৰৰূপে অন্যান্য দেশসমূহে গণ্য কৰিছিল। আন দেশৰ কাৰ্যকলাপৰ ওপৰত আমেৰিকাই সততে এনেদৰে চোৰাংচোৱাগিৰি কৰি আহিছে। সমগ্ৰ বিশ্বক দমন কৰাৰ লক্ষ্যৰেই যে মাৰ্কিন চৰকাৰে এই ভূমিকা গ্ৰহণ কৰি আহিছে, তাৰ ব্যাখ্যা নিষ্প্ৰয়োজন। বিবাদপূৰ্ণ পৰিস্থিতিৰ উদ্ভৱ হওক বা নহওক, যিকোনো পৰিস্থিতিত নাক গলাই নিজৰ প্ৰভুত্ব বিস্তাৰৰ লগতে ব্যৱসায়ৰ সুৰুঙা উলিয়াই মুনাফা অৰ্জন কৰাটোৱে আমেৰিকাৰ লক্ষ্য। অৱশ্যে এই কথাও স্বীকাৰ কৰিব লাগিব যে আন দেশৰ স'তে তেনে ব্যৱহাৰ কৰিলেও আমেৰিকাত নাগৰিকৰ স্বাধীনতা অপৰিসীম। আমেৰিকাৰ দৰে মুক্ত সমাজ আৰু অবাধ স্বাধীনতা বিশ্বৰ খুব কম দেশৰ নাগৰিকে উপভোগ কৰিব পাৰে। বিভিন্ন স্তৰৰ মাৰ্কিন নাগৰিকে চৰকাৰী নীতি বাদেই, স্বয়ং ৰাষ্ট্ৰপতিকো কঠোৰ আৰু মুকলিভাৱে সমালোচনা কৰা দেখিছিলো আমেৰিকা ভ্ৰমণ কালত। তাৰ বাবে কোনো চৰকাৰী বিষয়া, সাংবাদিক অথবা নাগৰিক সমাজৰ নেতৃস্থানীয় ব্যক্তি জেল-জৰিমনাৰ দৰে শাস্তিৰ সন্মুখীন হ'বলগীয়া হোৱাৰ দৃষ্টান্ত বিৰল।

সংবিধান সংশোধন কৰি তৃতীয়টো কাৰ্যকালৰ বাবে ক্ষমতা হস্তগত কৰিবলৈ উদ্যত হোৱা চীনৰ ৰাষ্ট্ৰপতি জি জিনপিঙৰ বিগত এক দশকজোৰা কাৰ্যকালৰ ঘটনাৱলীলৈ লক্ষ্য কৰিলে ওলাই পৰে এনে এজন বিগ ব্ৰাদাৰৰ ভয়াবহ ৰূপ। এই সময়ছোৱাত স্বেচ্ছাচাৰী কাৰ্যকলাপ এনেদৰে বৃদ্ধি পায় যে চীনত চৰকাৰৰ বাহিৰে আন যিকোনো কণ্ঠক ৰুদ্ধ কৰি পেলোৱা হৈছে। নাগৰিক সমাজৰ দ্বাৰা গঠিত আৰু পৰিচালিত সংস্থাসমূহ এনেদৰে বন্ধ কৰি দিয়া হৈছে যে ভৱিষ্যতে এইবোৰৰ পুনৰ গঠনৰ সম্ভাৱনাও মষিমূৰ হৈছে। সমাজৰ বিভিন্ন স্তৰৰ লোকক বিভিন্ন ধৰণে সহায়-সহযোগ আগবঢ়োৱা এনেবোৰ সংস্থা এৰি এইবোৰত জড়িতসকলে পৃষ্ঠভংগ দিবলৈ বাধ্য হৈছে; অথচ এইসকলৰ অধিকাংশই চৰকাৰ বিৰোধী স্থিতি প্ৰকাশ কৰা নাছিল। জিনপিঙে নাগৰিক সমাজৰ সৰু-বৰ আন্দোলন, স্বাধীন সংবাদ মাধ্যম আৰু আনকি শৈক্ষিক স্বাধীনতাও ধ্বংস কৰিছে। চীনা কমিউনিষ্ট পাৰ্টিৰ প্ৰতি যিকোনো ধৰণৰ ভাবুকি নিৰ্মূলৰ অজুহাতত এই সময়ছোৱাত বহু স্বেচ্ছাসেৱী সংস্থা, অধিকাৰ কৰ্মী আদিক ভাবুকি দি কণ্ঠৰোধ কৰা হৈছে অন্যথা কাৰাবাস অথবা নিৰ্বাসন দিয়া হৈছে। পৰিস্থিতি বেগতিক দেখি আন বহুতে স্বেচ্ছাই দেশ এৰি পলায়ন কৰিবলৈ বাধ্য হৈছে। এই সময়ছোৱাতে আৰক্ষীক ব্যাপক কৰ্তৃত্ব প্ৰদান কৰা হৈছে, যাৰ দ্বাৰা সামাজিক কৰ্মী অথবা অধিবক্তা আদিৰ ওপৰত বিভিন্ন ধৰণে চাপ সৃষ্টি কৰা হৈছে। সামান্য অজুহাততে শ শ এনে লোকক গ্ৰেপ্তাৰ কৰা হৈছে। বিদেশী স্বেচ্ছাসেৱী সংস্থাসমূহৰ ওপৰতো বহু বাধা-নিষেধ আৰোপ কৰা হৈছে। প্ৰতিটো পদক্ষেপৰ পূৰ্বে সংশ্লিষ্ট আৰক্ষী-প্ৰশাসনক অৱগত কৰাটো বাধ্যতামূলক কৰা হৈছে। চৰকাৰী বিভাগৰ সহযোগতহে এনেবোৰ সংস্থাই যিকোনো কাম হাতত ল'ব পাৰে। ফলস্বৰূপে এনে সামাজিক প্ৰচেষ্টাসমূহ একপ্ৰকাৰ ব্যৰ্থতালৈ পৰ্যবসিত হৈছে। অৱশ্যে তাৰ মাজতো সকলো ধৰণৰ ভাবুকি সত্বেও মুষ্টিমেয় একাংশই নিজৰ কাম কৰি যাবলৈ দৃঢ়প্ৰতিজ্ঞ হৈ ৰৈছে। আনকি বেইজিঙত এই দেওবাৰে আৰম্ভ হোৱা চীনা কমিউনিষ্ট পাৰ্টিৰ ২০ সংখ্যক কংগ্ৰেছৰ দুদিন পূৰ্বে ৰাজধানী চহৰখনত হঠাতে ৰাষ্ট্ৰপতি জিনপিং বিৰোধী শ্ল'গান সম্বলিত বেনাৰৰ আত্মপ্ৰকাশে বিশ্বজুৰি চৰ্চা লাভ কৰে। 'একনায়ক শাসক নালাগে, মুক্তি লাগে' আদি শ্ল'গান লিখা বেনাৰ অৱশ্যে ততাতৈয়াকৈ আৰক্ষীয়ে আঁতৰাই নিয়ে যদিও ইতিমধ্যে ই ব্যাপকভাৱে প্ৰচাৰিত হয়। সামাজিক মাধ্যমতো ইয়াকে লৈ বিভিন্ন মতামত প্ৰকাশিত হয় যদিও চৰকাৰে তাৎক্ষণিকভাৱে সেইবোৰ বন্ধ কৰি দিয়ে আৰু কোনো ধৰণৰ প্ৰতিবাদৰ কথা অস্বীকাৰ কৰে।

লক্ষ্যণীয় যে চীন আৰু কমিউনিষ্ট পাৰ্টিৰ সুৰক্ষাৰ অজুহাত দেখুৱালেও এনে স্বেচ্ছাচাৰিতাৰ আঁৰত দৰাচলতে জিনপিঙৰ ক্ষমতা সুনিশ্চিত কৰাৰ উদ্দেশ্যহে লুকাই আছে। সেই বাবেই দল আৰু চৰকাৰৰ শীৰ্ষ পদত সৰ্বাধিক দুটা কাৰ্যকাল অৰ্থাৎ ১০ বছৰ অধিষ্ঠিত হোৱাৰ নীতিৰ সংবিধান সংশোধন কৰি তেওঁ আজীৱন সেই পদ অধিকাৰ কৰাৰ সুবিধা কৰি লৈছে। সম্প্ৰতি তিনিটাকৈ সৰ্বোচ্চ পদ তেওঁ অধিকাৰ কৰি আছে। সেয়া হৈছে ক্ৰমে— সাধাৰণ সম্পাদকৰূপে চীনা কমিউনিষ্ট পাৰ্টিৰ মুৰব্বী, ৰাষ্ট্ৰপতিৰূপে দেশৰ মুৰব্বী আৰু চীনা কেন্দ্ৰীয় সামৰিক কমিছনৰ অধ্যক্ষৰূপে দেশৰ সামৰিক বাহিনীৰ কমাণ্ডাৰ ইন চিফ অৰ্থাৎ মুৰব্বী। বিগত এক দশকত জিনপিঙে এনেদৰে নিজকে চীনৰ সৰ্বশক্তিমান নেতাৰূপে প্ৰতিষ্ঠা কৰি লৈছে যে কোনো ধৰণৰ বাদ-প্ৰতিবাদ অথবা বিৰোধৰ তেওঁ ধৰা-ছোৱাৰ বাহিৰত। ইয়াৰ লগে লগে মাও চে তুঙৰ পাছত চীনৰ সবাতোকৈ শক্তিশালী নেতাৰূপে পৰিগণিত হৈছে জিনপিং। বহুতে অৱশ্যে চেয়াৰমেন মাওতকৈও জিনপিঙক অধিক স্বেচ্ছাচাৰী আখ্যা দি আহিছে। প্ৰত্যাশা অনুসৰি তৃতীয়টো কাৰ্যকাল লাভ কৰিলে জিনপিঙে যে চীনক অধিক একনায়কত্ববাদী শাসনৰ দিশে টানি নিব তাৰ উল্লেখ নিষ্প্ৰয়োজন।

জিনপিঙৰ পূৰ্বৰ ৰাষ্ট্ৰপতি হু জিনটাওৰ কাৰ্যকালত অৱশ্যে পৰিৱেশ বৰ্তমানৰ দৰে শ্বাসৰুদ্ধকৰ নাছিল আৰু সামাজিক কৰ্মীসকলে যথেষ্ট উন্নত পৰিৱেশত কাম কৰাৰ সুযোগ লাভ কৰিছিল। বিশেষকৈ ২০১৫ৰ পৰা চৰকাৰৰ কঠোৰতা দিনে দিনে বৃদ্ধি পাবলৈ ধৰে। পূৰ্বতে অনুমতি প্ৰদান কৰা কাৰ্যকলাপসমূহ নিষিদ্ধ কৰাতে ক্ষান্ত নাথাকি শৈক্ষিক ক্ষেত্ৰতো হস্তক্ষেপ বৃদ্ধি কৰা হয়। আনকি কৰ্মক্ষেত্ৰত নাৰীক হাৰাশাস্তিৰ বিৰুদ্ধে বিশ্বজুৰি আৰম্ভ হোৱা 'মী টু' আন্দোলন অথবা সমকামীৰ অধিকাৰ সম্পৰ্কীয় সজাগতা আন্দোলনো নিষিদ্ধ কৰি বহু কৰ্মী-সমৰ্থকক গ্ৰেপ্তাৰ কৰা হয়। লগতে বন্ধ কৰি দিয়া হয় সামাজিক মাধ্যমৰ বহু একাউণ্ট। অৱশ্যে জিনপিঙে মুৰব্বী পদত অধিষ্ঠিত হোৱাৰ পাছতে এনে কঠোৰতাৰ আগজাননী দিছিল। তেওঁৰ নেতৃত্বতে ২০১৩ত কমিউনিষ্ট পাৰ্টিয়ে সাংবিধানিক গণতন্ত্ৰ আৰু সংবাদ মাধ্যমৰ স্বাধীনতাক পশ্চিমীয়া উদাৰবাদী মূল্যবোধ আখ্যা দি এইবোৰক নিষিদ্ধ কৰাৰ পোষকতা কৰিছিল। এখন স্বাভাৱিক সমাজত বুদ্ধিজীৱীয়ে চৰকাৰৰ ভুল সিদ্ধান্তক লৈ প্ৰশ্ন উত্থাপন কৰাটো তেনেই স্বাভাৱিক ঘটনা যদিও সাম্প্ৰতিক চীনত সেয়া একপ্ৰকাৰ অকল্পনীয়। ৮০ৰ দশকত এনেবোৰ বিষয়ক লৈ চৰ্চা অথবা কিতাপ-পত্ৰ লিখাটো সম্ভৱ আছিল যদিও শেহতীয়া সময়ছোৱাত ইয়াক শত্ৰুভাবাপন্ন মতাদৰ্শৰূপেই গণ্য কৰা হৈ আহিছে। ইয়াৰ ফলশ্ৰুতিত চীনা বৌদ্ধিক ক্ষেত্ৰতো এনে হতাশাজনক পৰিবেশৰ সৃষ্টি হৈছে। জিনপিঙৰ চৰকাৰে ক্ষুদ্ৰ তথা নিম্নমানৰ সক্ৰিয়তা প্ৰদৰ্শন কৰা সকলকো লক্ষ্য কৰি লৈছে আৰু নিশ্চিত কৰিব বিচাৰিছে যাতে কোনো নতুন প্ৰজন্মৰ সামাজিক কৰ্মীৰ জন্মই নহয়। ২০২০ত ৰাষ্ট্ৰীয় সুৰক্ষা আইন গৃহীত কৰি চীনত যিকোনো ধৰণৰ গণতন্ত্ৰৰ সমৰ্থনকাৰী আন্দোলন অথবা বিৰোধ আদিক সম্পূৰ্ণৰূপে নিষিদ্ধ কৰা হয়। এই আইনৰ অধীনত এনে ধৰণৰ যিকোনো কাৰ্যকলাপত জড়িতসকলক বিচ্ছিন্নতাবাদ, হিংসা তথা বিদেশী শক্তিৰ স'তে জড়িত বুলি গণ্য কৰি যাৱজ্জীৱন কাৰাদণ্ড পৰ্যন্ত শাস্তি বিহাৰ ব্যৱস্থা কৰা হয়। এনেদৰেই বিগ ব্ৰাদাৰ জিনপিঙে বিশ্বৰ সৰ্ববৃহৎ জনসংখ্যাৰ দেশখনক অনায়াসে কুক্ষিগত কৰি ল'বলৈ সক্ষম হৈছে।

জিনপিঙৰ এনেদৰে দ্ৰুত ক্ষমতা সঞ্চয়ৰ মূল চাবিকাঠি আছিল তেওঁৰ দুৰ্নীতি বিৰোধী অভিযান। এক দশক পূৰ্বে ৰাষ্ট্ৰপতি পদত অধিষ্ঠিত হোৱাৰ সময়তে তেওঁ ঘোষণা কৰিছিল যে দল আৰু চৰকাৰৰ অসৎ বিষয়া-কৰ্মচাৰীসকল, লাগিলে জ্যেষ্ঠ বাঘেই হওক অথবা নিম্ন পৰ্যায়ৰ মাখিয়েই হওক—সকলোকে তেওঁ উৎখাত কৰিব। চৰকাৰী তথ্য অনুসৰি তেতিয়াৰে পৰা প্ৰায় ১৫ লাখ বিষয়া-কৰ্মচাৰীক দুৰ্নীতিৰ অপৰাধত শাস্তি প্ৰদান কৰা হৈছে। ইয়াৰে বহুতেই বাকীছোৱা জীৱনকাল কাৰাগাৰতে কটাবলগীয়া হৈছে। লক্ষ্যণীয় যে এনে দুৰ্নীতিবিৰোধী অভিযানক জিনপিঙে এক ৰাজনৈতিক অস্ত্ৰৰূপে ব্যৱহাৰ কৰি তেওঁৰ ৰাজনৈতিক প্ৰতিদ্বন্দ্বীসকলকো মষিমূৰ কৰিছে। আনকি ৰাজনৈতিক উচ্চাকাংক্ষাৰ উমান পালে নিজৰ অতি ঘনিষ্ঠ নেতা অথবা বিষয়াকো জিনপিঙে ধৰাশায়ী কৰিবলৈ সামান্যও কুণ্ঠাবোধ কৰা নাই। তদুপৰি এই সময়ছোৱাত দেশৰ সংখ্যালঘুসকলৰ ওপৰত চলা নিৰ্যাতনৰ কথা নক'লোৱেই বা!

অৱশ্যে এই কথাও ঠিক যে এক দশক পূৰ্বে ২০১২ত অনুষ্ঠিত চীনা কমিউনিষ্ট পাৰ্টিৰ ১৮ সংখ্যক কংগ্ৰেছত জিনপিঙে পাৰ্টিৰ সাধাৰণ সম্পাদক তথা দেশৰ ৰাষ্ট্ৰপতি পদৰ বাঘজৰী হাতত লোৱাৰ সময়ত ৰাজনৈতিক দুৰ্নীতিয়ে এক লজ্জাজনক পৰিৱেশৰ সৃষ্টি কৰিছিল। তেনে পৰিৱেশে জিনপিঙলৈ অধিক সুযোগ আনি দিছিল; কিয়নো পৰিস্থিতি নিয়ন্ত্ৰণৰ বাবে দলৰ জ্যেষ্ঠ নেতাসকলে তেওঁক পূৰ্ণ ক্ষমতা প্ৰদান কৰিবলৈ বাধ্য হৈছিল। ক্ষমতাত আৰোহণৰ লগে লগে দুৰ্নীতিবিৰোধী অভিযান আৰম্ভ কৰি কমিউনিষ্ট পাৰ্টিৰ সদস্যসকলৰ বাবে কঠোৰ নীতি-নিয়ম নিৰ্ধাৰণ কৰি দিয়াত দেশৰ জনসাধাৰণে তাক আদৰণি জনাইছিল। দীৰ্ঘদিন ধৰি পাৰ্টিৰ একাংশ দুৰ্নীতিগ্ৰস্ত বিষয়ববীয়াই আহৰণ কৰা ধন-সম্পত্তিৰ পৰিমাণ দেখি সাধাৰণ জনতা হতাশ আৰু ক্ষুণ্ণ হৈ আছিল। দুৰ্নীতিবিৰোধী অভিযানে সমগ্ৰ বিশ্বজুৰি সদায়ে সাধাৰণ জনতাৰ সমৰ্থন লাভ কৰি আহিছে আৰু চীনো ইয়াৰ ব্যতিক্ৰম নহয়, লাগিলে তাৰ অন্তৰ্নিহিত উদ্দেশ্য যিয়েই নহওক।

ইয়াৰ সুযোগ লৈ জিনপিঙে এক গুলিত একাধিক চিকাৰ ধৰাশায়ী কৰাৰ কৌশল ৰূপায়ণ কৰি আহিছে। সেইবাবেই নিজৰ শাসনৰ কালছোৱাক এক নতুন যুগৰূপে প্ৰতিষ্ঠা কৰিবলৈ জিনপিঙে চেষ্টাৰ কোনো ত্ৰুটি কৰা নাই। তাৰ বাবে মূল চহৰসমূহত চীনৰ উন্নয়নৰ এক নতুন যুগৰ ব্যাপক প্ৰচাৰ চলোৱা হৈছে। আনকি যোৱা বছৰ কমিউনিষ্ট পাৰ্টিয়ে গ্ৰহণ কৰা এক 'ঐতিহাসিক প্ৰস্তাৱ'তো ইয়াৰ ইংগিত দিয়া হয়। তাত স্পষ্টভাৱেই কোৱা হয় যে জিনপিঙে দায়িত্ব গ্ৰহণৰ সময়ত দুৰ্বল আৰু শিথিল পৰিচালনাই কমিউনিষ্ট পাৰ্টিত নিষ্ক্ৰিয়তাৰ সমান্তৰালভাৱে দুৰ্নীতিয়ে গা কৰি উঠাত অৰিহণা যোগাইছিল। ফলস্বৰূপে ই ৰাজনৈতিক ক্ষেত্ৰত সমস্যাৰ সৃষ্টি কৰাই নহয়, পাৰ্টি আৰু জনসাধাৰণৰ মাজৰ সম্পৰ্কও বিনষ্ট কৰি পেলাইছিল। তাৰ উপৰি পাৰ্টিত সৃষ্টিশীলতা, সংহতি আৰু সামৰ্থক দুৰ্বল কৰি দেশৰ শাসন ব্যৱস্থাত বিৰূপ প্ৰভাৱ পেলাইছিল। জিনপিঙৰ 'নতুন যুগ'ৰ দাবীক অধিক শক্তিশালী কৰাৰ লক্ষ্যৰে উল্লিখিত প্ৰস্তাৱত ঘোষণা কৰা হয় যে দীৰ্ঘদিন ধৰি কৰ্মসূচীত থকা বহু কঠিন সমস্যা তেওঁ সমাধান কৰিছে, যিবোৰ কেতিয়াও সম্ভৱ হোৱা নাছিল আৰু বহুতো নতুন কাম তেওঁ সফলতাৰে সম্পন্ন কৰিছে, যিবোৰ কৰিব বিচৰা হৈছিল; কিন্তু কেতিয়াও কৰা হোৱা নাছিল। গতিকে পূৰ্বতে চীনা কমিউনিষ্ট পাৰ্টিৰ ৰাজনীতিত যি বাওঁপন্থী-সোঁপন্থী বিভাজন আছিল অথবা কোনো ধৰণৰ মতাদৰ্শগত বিভ্ৰান্তি আছিল, সেই সকলোবোৰ যেন এই এটা দশকতে নাইকিয়া হৈছে। তেওঁৰ এই তথাকথিত 'নতুন যুগ'ত সকলো কথাৰ আৰম্ভ আৰু শেষ হৈছে জিনপিঙতেই।

এনেদৰে আজি দেশে দেশে, ঘৰে ঘৰে বিগ ব্ৰাদাৰৰ দৌৰাত্ম্য পদে পদে অনুভৱ কৰিবলগীয়া হৈছে নাগৰিকে। চীন-ৰাছিয়া আদিৰ কথা বাদেই, ভাৰতৰ দৰে গণতান্ত্ৰিক দেশতো আজিৰ পৰিৱেশ চিন্তনীয়। কঠোৰ আইন বলবৎ কৰি হওক, কৰ-কাটলৰ হেঁচাৰে হওক, অথবা শক্তি প্ৰয়োগ কৰিয়ে হওক, নাগৰিক সমাজ আৰু স্বাধীন সংবাদ মাধ্যমক শক্তিহীন কৰি পেলোৱাৰ চেষ্টা চলোৱা হৈছে। বিগ ব্ৰাদাৰৰ ইচ্ছাৰ বিৰুদ্ধে যোৱা যিকোনো শক্তিক কৌশলেৰে মষিমূৰ কৰি শাসন ক্ষমতা এদনীয়া কৰিব বিচৰা হৈছে। অৱশ্যে পূৰ্বৰ দৰে অভ্যুত্থান ঘটাই একনায়কত্ববাদী শাসন প্ৰতিষ্ঠাৰ বিপৰীতে সম্প্ৰতি আপাত দৃষ্টিত গণতান্ত্ৰিক প্ৰক্ৰিয়াৰেই নিৰ্বাচিত হৈছে চৰকাৰ; কিন্তু এনে গণতান্ত্ৰিক ব্যৱস্থাত জনগণৰ মতামত মূল্যহীন। তেওঁলোকক কেৱল ভোটদান কৰা ৰ'ব'টত পৰিণত কৰা হৈছে। ফলস্বৰূপে দেশৰ পৰিস্থিতি যিয়েই নহওক, শাসন ক্ষমতা বিগ ব্ৰাদাৰেই বাৰে বাৰে হস্তগত কৰিছে। ইতিমধ্যে ইউৰোপৰ কে'বাখনো দেশত উগ্ৰ সোঁপন্থী দলে ক্ষমতা হস্তগত কৰিছে। দুৰ্ভাগ্যজনকভাৱে এনে বিপজ্জনক প্ৰৱণতা অধিক সংখ্যক দেশলৈ বিস্তাৰিত হ'বলৈ ধৰিছে।

ফোন ঃ ৯৪৩৫০১০৬৭৩

গৌৰীসাগৰৰ দলবদ্ধ ধৰ্ষণ কাৰ্যত জড়িত পাঁচ অভিযুক্তক জেললৈ প্ৰেৰণ

অগ্ৰদূত বাৰ্তা

গৌৰীসাগৰ, ১৬ অক্টোবৰ ঃ শিৱসাগৰ জিলাৰ ভটিয়াপাৰত সংঘটিত জঘন্য দলবদ্ধ ধৰ্ষণ কাৰ্যৰ স'তে জড়িত পাঁচজন অভিযুক্তক ইতিমধ্যে আৰক্ষীয়ে জেললৈ প্ৰেৰণ কৰিছে। যোৱা ১০ অক্টোবৰৰ নিশা প্ৰায় ৯.৩০ বজাত গৌৰীসাগৰৰ এগৰাকী অসহায় মহিলাক ভোজ খোৱাৰ প্ৰলোভনেৰে নিজয়সাগৰ আৰক্ষী থানাৰ অন্তৰ্গত জিজিএছ চাৰিআলিৰ ৰাতুল দাস নামৰ লোকজনৰ ঘৰত পাঁচজনকৈ নৰ পিশাচে দলবদ্ধভাৱে ধৰ্ষণ কৰিছিল। ভুক্তভোগী মহিলাগৰাকীয়ে আৰক্ষীক দিয়া ভাষ্য আৰু দাখিল কৰা এজাহাৰ অনুসৰি গৌৰীসাগৰ আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া বিশ্বজ্যোতি দুৱৰীৰ তৎপৰতাত প্ৰথমে ইমৰান হুছেইন আৰু ৰাতুল দাস নামৰ ধৰ্ষণকাণ্ডত জড়িত দুটা নৰপিশাচক কৰায়ত্ত কৰিবলৈ সক্ষম হৈছিল। তাৰ পাছতে আৰক্ষীয়ে ক্ষিপ্ৰতাৰে অচিন্ত্য গায়ন আৰু প্ৰশান্ত গায়ন নামৰ আন দুজন অভিযুক্তকো আটক কৰিবলৈ সক্ষম হয়। পাঁচ দুৰ্বৃত্তৰ নিগনি ওৰফে ধীৰেন দাসক জয়সাগৰ আৰক্ষীয়ে তৎপৰতাৰে আটক কৰে। মহিলাগৰাকীৰ স'তে পূৰ্বৰে পৰাই চিনাকি ইমৰান হুছেইন নামৰ যুৱকজনে জঘন্য কাণ্ডটোৰ পৰিকল্পনা কৰিছিল বুলি আৰক্ষী সূত্ৰত প্ৰকাশ। ইতিমধ্যে আৰক্ষীৰ জেৰাত পাঁচজন অভিযুক্তই সমগ্ৰ ঘটনাৰ বিষয়ে স্বীকাৰ কৰিছে। আৰক্ষীৰ জেৰাত পোহৰলৈ অহা খবৰ মতে ইমৰান হুছেইন (৩৩) নামৰ গৌৰীসাগৰৰ বিবাহিত যুৱকজনৰ স'তে মহিলাগৰাকীৰ গোপন প্ৰেমৰ সম্পৰ্ক আছিল। ঘটনাৰ নিশা ইমৰান হুছেইনে ভটিয়াপাৰ জিজিএছ চাৰিআলিস্থিত ৰাতুল দাসৰ বাসগৃহত ভোজ খোৱাৰ লগতে বিবাহৰ প্ৰলোভন দিছিল মহিলাগৰাকীক। ঘটনাৰ স'তে আনকেইজন ধৰ্ষণকাৰী ক্ৰমে ৰাতুল দাস (৪৮), অচিন্ত্য গায়ন (৩২), প্ৰশান্ত গায়নে (২৭) দিনে-নিশাই মহিলাগৰাকীক ধৰ্ষণ কৰাৰ পাছত ১১ অক্টোবৰৰ নিশা মহিলাগৰাকী মুমূৰ্ষু অৱস্থাত পলাই আহি জাঁজীত উপস্থিত হয়। পাছত পথৰ দাঁতিত অচেতন অৱস্থাত আৰক্ষীয়ে মহিলাগৰাকীক উদ্ধাৰ কৰে আৰু চিকিৎসালয়লৈ নি চিকিৎসা প্ৰদান কৰাৰ অন্তত ঘৰলৈ পঠাই দিছিল। কিন্তু ১৩ অক্টোবৰত মহিলাগৰাকীয়ে পুনৰ গৌৰীসাগৰ আৰক্ষী থানাত উপস্থিত হৈ আৰক্ষীক সমগ্ৰ ঘটনা বিৱৰি কোৱাৰ লগতে এজাহাৰ দাখিল কৰে। আনহাতে, আৰক্ষীয়ে প্ৰাথমিক তদন্তৰ ভিত্তিত মহিলাগৰাকীৰ স্বাস্থ্য পৰীক্ষা সম্পন্ন কৰিছে।

প'ৰ্টেল সাংবাদিক আক্ৰমণকাৰী অংকুৰ গুপ্তাক কঠোৰ শাস্তি প্ৰদানৰ দাবী

ষ্টাফ ৰিপ'ৰ্টাৰ

যোৰহাট, ১৬ অক্টোবৰ ঃ বিজেপিৰ পালিনেতা তথা পৌৰসভাৰ প্ৰাক্তন সদস্য অংকুৰ গুপ্তাই এগৰাকী মহিলা সাংবাদিকক শাৰীৰিক আক্ৰমণ কৰা ঘটনাক চিপিআই(এম)ৰ যোৰহাট জিলা সমিতিয়ে তীব্ৰ ভাষাৰে গৰিহণা দিছে। উল্লেখ্য, গুপ্তাই আগন্তুক দীপাৱলীৰ প্ৰস্তুতি সন্দৰ্ভত বাতৰি সংগ্ৰহ কৰিবলৈ যোৱা প্ৰিয়ংকা সেনাপতি নামৰ প'ৰ্টেলৰ এগৰাকী সাংবাদিকক শাৰীৰিকভাৱে অপদস্থ কৰে। আনহাতে, সাংবাদিকজনৰ এখন হাতত গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত হয়। ইয়াৰ উপৰি আন দুজন সাংবাদিকৰ ম'বাইলো গুপ্তাই জোৰজবৰদস্তি কৰি কাঢ়ি নিয়াৰ অভিযোগ উঠিছে। চহৰৰ মাজমজিয়াত হোৱা সাংবাদিক আক্ৰমণৰ এই ঘটনাত চিপিআই(এম)এ গভীৰ উদ্বেগ প্ৰকাশ কৰিছে আৰু অনতিপলমে দোষী গুপ্তাক কঠোৰ শাস্তি প্ৰদান কৰিবলৈ দাবী জনাইছে।

হাপজান শিক্ষা খণ্ডত প্ৰাচীৰ পত্ৰিকা উন্মোচন

অগ্ৰদূত বাৰ্তা

ডুমডুমা, ১৬ অক্টোবৰ ঃ তিনিচুকীয়া জিলাৰ হাপজান প্ৰাথমিক শিক্ষা খণ্ডৰ উদ্যোগত প্ৰকাশ কৰা 'ৰূপান্তৰ' শীৰ্ষক প্ৰাচীৰ পত্ৰিকাখন কালি শিক্ষা খণ্ডৰ কাৰ্যালয়ত উন্মোচন কৰা হয়। পত্ৰিকাখন উন্মোচন কৰে জিলা প্ৰাথমিক শিক্ষা বিষয়া তথা জিলা মিছন সমন্বয়ক বিন্তী শৰ্মাই। তিনিচুকীয়া জিলাৰ সমগ্ৰ শিক্ষা অভিযানৰ বিষয়ববীয়া আৰু শিক্ষক-শিক্ষয়িত্ৰীসকলৰ বিভিন্ন লেখাৰে সমৃদ্ধ এই পত্ৰিকাখনৰ উন্মোচনী অনুষ্ঠানত বিশিষ্ট অতিথিৰূপে উপস্থিত থাকে তিনিচুকীয়া জিলাৰ সমগ্ৰ শিক্ষা মিছনৰ জিলা আঁচনি বিষয়া ক্ৰমে দীপক বৰগোহাঁই, ত্ৰিদীব শৰ্মা তামুলী আৰু ৰমেন বৰাইক। 'ৰূপান্তৰ'ৰ সম্পাদক তথা হাপজান শিক্ষা খণ্ডৰ খণ্ড সমল ব্যক্তি দিতুল চেতিয়াই আঁত ধৰা অনুষ্ঠানত হাপজান প্ৰাথমিক শিক্ষা খণ্ডৰ শিক্ষা বিষয়া পৰেশ গগৈ প্ৰমুখ্যে কৰি খণ্ডটোৰ সকলো কৰ্মকৰ্তা, খণ্ড সমল ব্যক্তি বনদীপ সিংহ, জাহ্নৱী ফুকন, কে'বাটাও মণ্ডলৰ মণ্ডল সমল কেন্দ্ৰ সমন্বয়কসকলৰ লগতে খণ্ডটোৰ ভালে সংখ্যক শিক্ষক-শিক্ষয়িত্ৰী উপস্থিত থাকে। উল্লেখ্য যে, প্ৰাচীৰ পত্ৰিকাখনৰ ই-সংস্কৰণ এটিও প্ৰকাশ কৰা হৈছে। এই প্ৰাচীৰ পত্ৰিকাখনে খণ্ডটোৰ বিদ্যালয়সমূহতো ইতিবাচক প্ৰভাৱ পেলাব বুলি তিনিচুকীয়া জিলাৰ সচেতন মহলে আশা প্ৰকাশ কৰিছে।

বলমা শংকৰদেৱ সংঘৰ শংকৰ জন্মোৎসৱ উদ্‌যাপন

অগ্ৰদূত বাৰ্তা

কাকজান, ১৬ অক্টোবৰ ঃ যুগস্ৰষ্টা মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ ৫৭৩ সংখ্যক জন্মোৎসৱৰ লগত সংগতি ৰাখি শ্ৰীমন্ত শংকৰদেৱ সংঘ টীয়কৰ বলমা আঞ্চলিকৰ উদ্যোগত তথা দোলাখৰীয়া নবোদয় প্ৰাথমিক আৰু টিপমীয়া প্ৰাথমিক শাখাৰ সহযোগত দোলাখৰীয়া নবোদয় প্ৰাথমিক শাখাৰ নামঘৰত কালিৰে পৰা দুদিনীয়াকৈ মহাপুৰুষজনাৰ জন্মজয়ন্তী ভাগ উলহ-মালহেৰে উদ্‌যাপন কৰা হৈছে। এই লৈ কালি প্ৰথম দিনাৰ কাৰ্যসূচী হিচাপে পুৱা ভাগৰত ভ্ৰমণ আৰু সাংস্কৃতিক শোভাযাত্ৰা উলিয়াই উদ্যোক্তাসকলে। বাৰেৰহণীয়া শোভাযাত্ৰাত বৰ অসমৰ ভাষা-সংস্কৃতিৰ সমাহাৰ হোৱাৰ লগতে ভকত-বৈষ্ণৱ তথা আইমাতৃসকলৰ মহাপুৰুষজনাৰ অমৰ সৃষ্টি ভাওনা, নাম কীৰ্তন তথা দিহানাম পৰিৱেশনে সমগ্ৰ পৰিৱেশ ভক্তিময় কৰি তোলে। ইপিনে, কালি বিভিন্ন সাংস্কৃতিক কাৰ্যসূচী ৰূপায়ণৰ পাছত কাইলৈ নামঘৰ প্ৰাংগণতে নিৰ্দিষ্ট বিষয়ত নিৰ্দিষ্ট বক্তাৰ উপস্থিতিত এখন মূল সভা অনুষ্ঠিত হোৱাৰ লগতে নিশালৈ গুৰুজনাৰ অমৰ সৃষ্টি এভাগি ভাওনা প্ৰদৰ্শনৰো ব্যৱস্থা কৰা হৈছে বুলি জানিবলৈ দিছে উদ্যোক্তাসকলে। লগতে এই সকলো কাৰ্যসূচীতে সকলোৰে উপস্থিতি তথা সজ দিহা পৰামৰ্শ কামনা কৰিছে।

■ কৰ্ণধাৰ সমিতি-পৰিচালনা সমিতিৰ বিষয়ববীয়াৰ মৌখিক আলোচনা

উচ্চ ন্যায়ালয়ৰ ৰায়ে অন্ত পেলাব আঠখেলীয়া নামঘৰৰ দীৰ্ঘদিনীয়া বিতৰ্ক

বিশেষ সংবাদদাতা

নগাবাট, ১৬ অক্টোবৰ ঃ ঐতিহ্যমণ্ডিত আঠখেলীয়া নামঘৰ পৰিচালনাক লৈ কৰ্ণধাৰ সমিতি আৰু পৰিচালনা সমিতিৰ মাজত থকা সংঘাতৰ বিতৰ্ক বৰ্তমানেও অব্যাহত আছে। ইয়াৰ মাজতে আজি দুয়োপক্ষৰ মাজত হোৱা এক মৌখিক আলোচনাত উচ্চ ন্যায়ালয়ৰ ৰায়কে দুয়োখন সমিতিয়ে মানি ল'ব বুলি এক ইতিবাচক বাৰ্তা দিছে। কিয়নো উচ্চ ন্যায়ালয়ৰ ৰায়ক দুয়োপক্ষই শান্তিপূৰ্ণ আৰু সন্মান সহকাৰে মানি ল'লে নামঘৰ পৰিচালনাক লৈ অব্যাহত থকা দীৰ্ঘদিনীয়া বিতৰ্কৰ সম্পূৰ্ণ ৰূপে অন্ত পৰিব। উল্লেখ্য যে আজি পুৱাতে কাৰ্যালয়ত সোমোৱাৰ উদ্দেশ্যে নামঘৰত উপস্থিত হয় নৱগঠিত পৰিচালনা সমিতিৰ বিষয়ববীয়াসকল। একে সময়তে কৰ্ণধাৰ সমিতিৰ বিষয়ববীয়া সকলো নামঘৰত উপস্থিত হয়। নামঘৰত প্ৰথমে দুয়োখন সমিতিৰ বিষয়ববীয়াসকল শান্তিপূৰ্ণভাৱে এক মৌখিক আলোচনাত মিলিত হয়। আলোচনাৰ অন্তত কৰ্ণধাৰ সমিতিয়ে পৰিচালনা সমিতিক আজি কাৰ্যালয়ত নোসোমাবলৈ ৰাজহুৱাভাৱে আহ্বান জনোৱাৰ লগতে ২১ অক্টোবৰত উচ্চ ন্যায়ালয়ে নামঘৰ পৰিচালনা সন্দৰ্ভত যি ৰায় দিব সেই ৰায়কে মানি ল'ব বুলি প্ৰকাশ কৰে। ইফালে, পৰিচালনা সমিতিৰ বিষয়ববীয়াসকলেও কৰ্ণধাৰ সমিতিৰ এই আহ্বানক সন্মান জনাই ২১ অক্টোবৰলৈ অপেক্ষা কৰিব বুলি সিদ্ধান্ত লয়। উল্লেখ্য যে, ছেপ্টেম্বৰত এখন সাধাৰণ সভাৰ জৰিয়তে আঠখেলীয়া নামঘৰৰ এখন নতুন পৰিচালনা সমিতি গঠন হৈছিল। ১৯ ছেপ্টেম্বৰত উক্ত নৱ গঠিত সমিতিখনে কাৰ্যভাৰ গ্ৰহণ কৰিবলৈ আহিছিল যদিও নামঘৰৰ কৰ্ণধাৰ সমিতিয়ে নৱগঠিত পৰিচালনা সমিতিক অবৈধ আখ্যা দি তলা লগাই প্ৰৱেশত বাধা প্ৰদান কৰিছিল। উক্ত ঘটনাৰ পাছতে ৰাজ্যজুৰি জনসাধাৰণৰ মাজত তুমুল প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছিল। অৱশ্যে আজি দুয়োপক্ষৰ শান্তিপূৰ্ণ মীমাংসাত এক ইতিবাচক দিশ কঢ়িয়াই আনিছে। সম্প্ৰতি ২১ অক্টোবৰত উচ্চ ন্যায়ালয়ৰ ৰায়লৈ অপেক্ষাৰত দুয়োখন সমিতি।

নকছাৰিত চলিছে চোৰাং বালিৰ ৰমৰমীয়া ব্যৱসায় ঃ আছুৰ ক্ষোভ

অগ্ৰদূত বাৰ্তা

মৰিয়নি, ১৬ অক্টোবৰ ঃ মৰিয়নিৰ বনাঞ্চলিক বিষয়া কাৰ্যালয়ৰ অন্তৰ্গত নকছাৰিত কাঠফুলাৰ দৰে গঢ় লৈ উঠিছে চোৰাং বালিৰ মহল। মৰিয়নি বিধানসভা সমষ্টিৰ অন্তৰ্গত নাগিনীজান, ৰজাবাৰী, চামতল ইত্যাদি অঞ্চলত পুঠিনদীৰ বুকু উদং কৰি অবৈধ বালি খননৰ জৰিয়তে গঢ় লৈ উঠিছে এই বালি মহলসমূহ। বিভাগীয় অনুমতি আৰু যাৱতীয় নথিপত্ৰ অবিহনে বালি খনন কৰি স্থানীয় অঞ্চলৰ লগতে নকছাৰিৰ সমীপৰ নগালেণ্ডলৈ চোৰাং বালি সৰবৰাহ কৰি আহিছে একাংশ অবৈধ বালি ব্যৱসায়ীয়ে। এই কথা শেহতীয়াকৈ পোহৰলৈ আহিছে। নকছাৰি আঞ্চলিক ছাত্ৰ সন্থাই এই গুৰুতৰ অভিযোগ উত্থাপন কৰিছে। বাতৰি কাকতলৈ প্ৰেৰণ কৰা এক বিবৃতিত এই বিষয়ে উল্লেখ কৰাৰ লগতে এই সন্দৰ্ভত চোৰাং বালিমাফিয়াক আজি পৰ্যন্ত নাকী লগোৱাত বন বিভাগ আৰু প্ৰশাসন ব্যৰ্থ হোৱাৰ অভিযোগ তুলি ক্ষোভ প্ৰকাশ কৰিছে নকছাৰি আঞ্চলিক ছাত্ৰ সন্থাই। বিবৃতিটোত নকছাৰি আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি মাধুৰ্য গগৈ আৰু সাধাৰণ সম্পাদক আশিস ভূষণ গগৈয়ে কয় এচাম স্বাৰ্থলোভীয়ে বন বিভাগ, প্ৰশাসন, বন্যপ্ৰাণী সুৰক্ষা আইন, বন সুৰক্ষা আইন আদিক কেৰেপ নকৰি অবৈধ আৰু অনৈতিকভাৱে অজ্ঞাত শক্তিৰ বলত বলীয়ান হৈ নকছাৰি অঞ্চলৰ পুঠিনদীৰ বিভিন্ন স্থানত অবৈধভাৱে বালি খান্দি আহিছে। ফলত নদীৰ বুকু উদং হোৱাৰ লগতে জৈৱ বৈচিত্ৰ্যলৈ চৰম ভাবুকি নামি আহিছে বুলিও বিবৃতিটোত দুয়ো উল্লেখ কৰে। ইফালে, নকছাৰি অঞ্চলত বহুতো অবৈধ বালিৰ মহল গঢ় লৈ উঠা কাৰ্যত ছাত্ৰ সন্থাই গভীৰ উদ্বেগ প্ৰকাশ কৰিছে। বন বিভাগৰ জ্ঞাতসাৰেই নাগিনীজান, চামতল, গন্ধিয়া, ৰজাবাৰী আদি অঞ্চলত পুঠিনদীৰ বুকু বিদাৰি বালিমাফিয়াই দিনে-ৰাতিয়ে চোৰাংকৈ বালি খনন অব্যাহত ৰাখিছে। ছাত্ৰ নেতাদ্বয়ে বিবৃতিটোত উল্লেখ কৰি কয়- ৰাইজৰ অভিযোগ অনুসৰি এই বালিমাফিয়া চক্ৰই বৃহৎ পৰিমাণৰ চোৰাং বালি মজুত কৰি ৰখাৰ লগতে নিতৌ ৫০-৬০ খনকৈ সৰু-ডাঙৰ গাড়ীৰ জৰিয়তে এইসমূহ চোৰাং বালি নগালেণ্ডত অবৈধভাৱে বিক্ৰী কৰি আহিছে । এই ক্ষেত্ৰত জিলা প্ৰশাসনৰ লগতে জিলা বন বিষয়াক বিহিত ব্যৱস্থা গ্ৰহণৰ দাবী জনাইছে নকছাৰি আঞ্চলিক ছাত্ৰ সন্থাই। জিলা প্ৰশাসন আৰু জিলা বন বিষয়াই এই ক্ষেত্ৰত শীঘ্ৰেই বিহিত ব্যৱস্থা গ্ৰহণ নকৰিলে ছাত্ৰ সন্থাই আন্দোলনৰ কাৰ্যসূচী গ্ৰহণ কৰিবলৈ বাধ্য হ'ব বুলিও বিবৃতিটোত লগতে ব্যক্ত কৰিছে ।

শিক্ষক-শিক্ষাৰ্থীয়ে শ্ৰেণীকোঠাত সমানে শিকিব লাগিব

■ যোৰহাট জিলা মজলীয়া বিদ্যালয় শিক্ষক সন্থাৰ দ্বি-বাৰ্ষিক অধিবেশন সম্পন্ন

ষ্টাফ ৰিপৰ্টাৰ

যোৰহাট, ১৬ অক্টোবৰ ঃ 'বৰ্তমানৰ শিক্ষা ব্যৱস্থাত শিক্ষক-শিক্ষাৰ্থীয়ে সমানে শ্ৰেণীকোঠাত শিকিলেহে ২০৪৫-৫০ত ভাৰতবৰ্ষ বিশ্বৰ শ্ৰেষ্ঠ দেশ হ'ব। তাৰ বাবে অভিভাৱক, শুভাকাংক্ষীসকলেও সহযোগিতা কৰিব লাগিব।' যোৰহাট জিলা মজলীয়া বিদ্যালয় শিক্ষক সন্থাৰ ৫৬সংখ্যক দ্বি-বাৰ্ষিক অধিবেশন উদ্বোধন কৰি সৰ্বাত্মক শিক্ষাৰ যোৰহাট জিলাৰ আঁচনি বিষয়া পৰশ গোস্বামীয়ে পৰ্বতীয়া গাঁৱৰ ৰংগমঞ্চত অনুষ্ঠিত মুকলি সভাত এনেদৰে কয়। সন্থাৰ সম্পাদক জীৱকান্ত বৰাই আঁত ধৰা আৰু উদ্দেশ্য ব্যাখ্যা কৰা সভাখনত সভাপতিত্ব কৰে সন্থাৰ সভাপতি ডম্বৰুধৰ বৰাই। বিশিষ্ট অতিথিৰ ভাষণ আগবঢ়ায় স্থানীয় বিধায়ক ভৱেন্দ্ৰনাথ ভৰালীয়ে। ইপিনে, সন্থাৰ ৰাজ্যিক সভাপতি তেজপুৰৰ ৰঞ্জিত বৰঠাকুৰ, মধ্য ইংৰাজী শিক্ষক সংস্থাৰ জিলা সভাপতি ৰঞ্জিত কুমাৰ বৰা, সন্মিলিত শিক্ষক ঐক্য মঞ্চৰ সভাপতি প্ৰণৱ বৰুৱা, হাইস্কুল শিক্ষক সন্থা, যোৰহাটৰ সম্পাদক ৰাতুল গগৈ, যোৰহাট জিলা কৰ্মচাৰী পৰিষদৰ হৰিশ কুমাৰ শইকীয়াই ভাষণ ৰাখে। সদ্য অৱসৰপ্ৰাপ্ত শিক্ষক কৈলাশ বৰদলৈ, বিজু দত্ত, মুনীন্দ্ৰ নাথ সৰকাৰ, খুলু বৰা, যদু ঘোষ, প্ৰফুল্ল পেগু, বিদ্যাধৰ পেগু, বীৰেন হাজৰিকা, দিলীপ ভৰালী, ইন্দ্ৰ মহত', যোগমায়া শইকীয়া, তৰুণ দত্ত, অসীম বৈৰাগী, ৰণ্টু দত্ত, অৰূপ দাস, গোলোক দাস, জীতেন চন্দ্ৰ বৰবৰুৱা, অসীম বৰুৱা, বলোৰাম দাস, কমল শইকীয়া, অজিত চন্দ্ৰ বৰা আৰু কৰ্মচাৰী মহেন্দ্ৰ কোচক সন্থাই চেলেং, কীৰ্তন-ঘোষা, একোখনকৈ সম্বৰ্ধনা-পত্ৰ প্ৰদান কৰে। পুৱাবেলা পৰ্বতীয়া আদৰ্শ মজলীয়া বিদ্যালয়ত প্ৰতিনিধি সভা অনুষ্ঠিত হয়। সভাতে আগন্তুক দুবছৰৰ বাবে জীৱকান্ত বৰাক সভাপতি, ৰাজীৱ গায়নক সম্পাদকৰূপে লৈ যোৰহাট জিলা মজলীয়া বিদ্যালয় শিক্ষক সন্থাৰ নতুন সমিতিখন গঠন কৰে। তাৰ পূৰ্বে সন্থাৰ পতাকা উত্তোলন কৰে ডম্বৰুধৰ বৰাই, বিদ্যালয়খনৰ পতাকা উত্তোলন কৰে কমল দত্তই। অৱসৰপ্ৰাপ্ত শিক্ষক বীৰেন্দ্ৰ নাথ দত্তই মুখ্য তৰ্পকৰূপে অংশগ্ৰহণ কৰা স্মৃতি তৰ্পণত উপস্থিতসকলে ১৯৪৯ৰ পৰা বৰ্তমানলৈকে সন্থাৰ স'তে জড়িত থাকি চিৰ বিদায় লোৱা সকলৰ আত্মাৰ সদগতিৰ অৰ্থে পুষ্পাঞ্জলি অৰ্পণ কৰে। মুকলি সভাত শিক্ষাৰ্থীসকলে সাংস্কৃতিক অনুষ্ঠান প্ৰদৰ্শন কৰাৰ লগতে আদৰণি ভাষণ আগবঢ়ায় কমল দত্তই।

নদুৱাৰত অখণ্ড হৰি কীৰ্তনৰ লাইখুটা স্থাপন মুহূৰ্ত।

২৯ অক্টোবৰত বিনামূলীয়া চকু ৰোগৰ অস্ত্ৰোপচাৰৰ শিবিৰ

অগ্ৰদূত বাৰ্তা

লাহদৈগড়, ১৬ অক্টোবৰ ঃ অহা ২৯ অক্টোবৰত পুৱা ন বজাৰ পৰা লায়ন্স ক্লাবৰ চকু চিকিৎসালয়ৰ সহযোগত শ্ৰীমন্ত শংকৰদেৱ স্বাস্থ্য, শিক্ষা, সাহিত্য, সংস্কৃতি সন্থা আৰু শ্ৰীমন্ত শংকৰদেৱ সংঘ, যোৰহাট জিলা শাখাৰ চিকিৎসা উপ-সমিতিৰ উদ্যোগত জিলা শাখাৰ নামঘৰত ৫০ বছৰৰ ঊৰ্দ্ধৰ পুৰুষ-মহিলাৰ চকুৰ ছানি পৰা ৰোগৰ বিনামূলীয়া অস্ত্ৰপচাৰ শিবিৰ অনুষ্ঠিত হ'ব। ইতিমধ্যে ৫৫ গৰাকীয়ে নাম পঞ্জীয়ন কৰিছে আৰু যদি কোনো লোকে বিনামূলীয়া চকুৰ ছানি পৰা ৰোগৰ চিকিৎসা কৰিব বিচাৰে সেই সকল ৰোগীয়ে বেদান্ত কুমাৰ বৰা ৯৪০১৬১৫৮৭৫ আৰু সৌৰভ হাজৰিকা ৮৮১১৯৫৪৪১৪ নম্বৰত যোগাযোগ কৰিবলৈ আহ্বান জনাইছে।

কঠিয়াতলিত অবৈধ ভৰ্তি ডাম্পাৰ জব্দ

অগ্ৰদূত বাৰ্তা

কঠিয়াতলি, ১৬ অক্টোবৰ ঃ নগাঁও জিলাৰ কঠিয়াতলিত কঠিয়াতলি বন বিভাগে কালি তিনিখনকৈ বালি ভৰ্তি ডাম্পাৰ জব্দ কৰে। প্ৰাপ্ত তথ্য অনুসৰি, কপিলী, বৰপানী আৰু নিশাৰী নৈৰ পৰা বৈধ চালান অবিহনে বালি ভৰ্তি কঢ়িয়াই আনিছিল বাহন তিনিখনে। কঠিয়াতলি খণ্ড বন বিভাগৰ এটি দলে অবৈধ বালি কঢ়িয়াই অনা তিনিখনকৈ ডাম্পাৰ জব্দ কৰি কঠিয়াতলিস্থিত বন বিভাগৰ কাৰ্যালয়লৈ লৈ আহে। উল্লেখ্য যে বিগত সময়ত কঠিয়াতলি কামপুৰ পথেৰে বহু সংখ্যক ডাম্পাৰেৰে অবৈধভাৱে বালি কঢ়িয়াই আনিছিল। অবৈধ বালি কঢ়িওৱা ডাম্পাৰ তিনিখন ক্ৰমে এএছ-০৯ এচি-১৫১৮, এএছ-০২ এচি-৭৬১৫ আৰু এএছ-০২ চিচি-২৬৫৭ বুলি আৰক্ষীয়ে জনাইছে।

তিনিচুকীয়া জিলাত ১৪৪

তিনিচুকীয়া, ১৬ অক্টোবৰ ঃ তিনিচুকীয়া জিলাত শান্তি শৃংখলা বৰ্তাই ৰখাৰ বাবে তিনিচুকীয়াত ১৪৪ ধাৰা জাৰি জিলা প্ৰশাসনৰ। এতিয়াৰে পৰা জিলা প্ৰশাসনৰ অনুমতি অবিহনে পাঁচজনতকৈ অধিক লোক সমবেত হোৱা, জিলা প্ৰশাসনৰ অনুমতি অবিহনে ৰাজহুৱা স্থানত সভা অনুষ্ঠিত কৰাৰ ক্ষেত্ৰত নিষেধাজ্ঞা প্ৰশাসনৰ। ইফালে ৰাজহুৱা স্থানত উচ্চ স্বৰত মাইক বজোৱা, ৰাজহুৱা স্থানত লাঠি, অস্ত্ৰ লৈ থকা, জোঁৰ সমদল বাহিৰ কৰা বলপূৰ্বক চাণ্ডা সংগ্ৰহ কৰা আদিৰ ক্ষেত্ৰতো নিষেধাজ্ঞা প্ৰশাসনৰ। হেলমেট অবিহনে দুচকীয়া বাহন চলোৱা, মটৰ চাইকেলত দুজন বহা, চিটবেল্ট অবিহনে গাড়ী চলোৱা আদিৰ ক্ষেত্ৰতো নিষেধাজ্ঞা প্ৰশাসনৰ। ১৪৪ ধাৰা জাৰি থকাৰ সময়ত কোনো লোকে ভংগ কৰিলে ভাৰতীয় দণ্ডবিধি অনুসৰি ১৮৮ ধাৰাৰে দণ্ডিত হ'ব বুলিও স্পষ্টকৈ জনাইছে জিলা উপায়ুক্ত তথা জিলা কাৰ্যবাহী দণ্ডাধীশ নৰসিং পৱাৰৰ দ্বাৰা স্বাক্ষৰিত নিৰ্দেশনা পত্ৰখনত। উল্লেখ্য যে তিনিচুকীয়া জিলাৰ বিভিন্ন ঠাইত জোৰ জুলুম ধন বৰঙণি সংগ্ৰহ অভিযান চলি থকাৰ লগতে কেতবোৰ নীতি বিৰুদ্ধ কাম চলি আছে।

ফৰকাটিঙত পথৰ শোচনীয় ৰূপত অতিষ্ঠ পথচাৰী

অগ্ৰদূত বাৰ্তা

ফৰকাটিং, ১৬ অক্টোবৰ ঃ গোলাঘাট বিধানসভা সমষ্টিৰ অন্তৰ্গত ফৰকাটিং চাৰিআলিৰ পৰা আঠগাঁও চাৰিআলিলৈ প্ৰায় ৪.৫০ কিলোমিটাৰ দৈৰ্ঘ্যৰ গড়কাপ্তানী পথছোৱা দীৰ্ঘদিন ধৰি শোচনীয় হৈ পৰাত বৃহত্তৰ অঞ্চলটোৰ ৰাইজ যাতায়াতত অতিষ্ঠ হৈ পৰিছে। তথ্য মতে, বিগত দিনত স্থানীয় অঞ্চলটোৰ ৰাইজৰ আবেদন-নিবেদনৰ ভিত্তিত পথটো পকীকৰণ হৈ যাতায়াত-যোগাযোগৰ উপযোগী হৈ উঠিছিল। কিন্তু বিগত চৰকাৰসমূহৰ কাৰ্যকালত সংশ্লিষ্ট পথছোৱা পকীকৰণ হয় যদিও বছৰৰ পাছত বছৰ পাৰ হৈ যোৱাৰ পাছতো পুনৰ মেৰামতিৰ কোনো ব্যৱস্থা গ্ৰহণ নকৰাত পথটো ঠায়ে ঠায়ে প্ৰকাণ্ড প্ৰকাণ্ড পুখুৰী সদৃশ গাঁতলৈ উপনীত হৈ যাতায়াত-যোগাযোগৰ অনুপযোগী হৈ পৰিছে। অতি ব্যস্ততম মূল পথটোৱেদি গোলাঘাটৰ দেৱৰাজ ৰয় মহাবিদ্যালয়, গোলাঘাট বাণিজ্য মহাবিদ্যালয়, ফৰকাটিং মহাবিদ্যালয়, ফৰকাটিং ছিনিয়ৰ ছেকেণ্ডাৰী, ফৰকাটিং বয়জ হাইস্কুল, ফৰকাটিং গজানন্দ বালিকা উচ্চ ইংৰাজী বিদ্যালয় তথা ফৰকাটিঙৰ ব্যক্তিগত খণ্ডৰ শিক্ষানুষ্ঠান আৰু চৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠানলৈ দৈনিক অহা-যোৱা কৰা ছাত্ৰ-ছাত্ৰীৰ উপৰি যান-বাহন, চাইকেল-মটৰ চাইকেল, বা ব্যক্তিগত বাহনেৰে বিভিন্ন স্থানলৈ যাতায়াত কৰা ৰাইজে যমৰ যাতনা ভুগি আহিছে। উল্লেখ্য যে দীৰ্ঘদিন ধৰি ঘাই পথছোৱাৰ এনে শোচনীয় অৱস্থাৰ প্ৰতি বিভাগীয় কৰ্তৃপক্ষই তৎকালীনভাৱে পুনৰ উন্নয়নৰ পদক্ষেপ গ্ৰহণ নকৰিলে পৰৱৰ্তী সময়ত পথটো অতি জৰাজীৰ্ণ হৈ যাতায়াতৰ একেবাৰে অনুপযোগী হৈ পৰিব। সেয়েহে স্থানীয় অঞ্চলটোৰ সচেতন ৰাইজে চৰকাৰৰ বিভাগীয় কৰ্তৃপক্ষক পথছোৱা পুনৰ মেৰামতি কৰিবলৈ দাবী জনাইছে।

চিনামৰা মহাবিদ্যালয়ত বিশ্ব মানসিক স্বাস্থ্য দিৱস পালন

In Collaboration with
Monjyoti Foundation, Jorhat and
Education Department, Cinnamara College

অগ্ৰদূত বাৰ্তা

মৰিয়নি, ১৬ অক্টোবৰ ঃ চিনামৰা মহাবিদ্যালয় মহিলা কোষৰ উদ্যোগত আৰু স্বেচ্ছাসেৱী সংগঠন মনজ্যোতি ফাউণ্ডেছন, যোৰহাটৰ লগতে চিনামৰা মহাবিদ্যালয়ৰ শিক্ষাতত্ত্ব বিভাগৰ সহযোগত বিশ্ব মানসিক স্বাস্থ্য দিৱস উপলক্ষে কালি এক অনুষ্ঠানৰ আয়োজন কৰা হয়। উক্ত দিৱসৰ লগত সংগতি ৰাখি 'শিক্ষানুষ্ঠানত হিংসাত্মকতা আৰু শিক্ষাৰ্থীৰ মানসিক স্বাস্থ্য ওপৰত ইয়াৰ প্ৰভাৱ' সম্পৰ্কীয় এক সজাগতামূলক সভা অনুষ্ঠিত হয়। সভাখনত সজাগতামূলক বক্তৃতা প্ৰদান কৰে বিশিষ্ট মনোৰোগ বিশেষজ্ঞ তথা যোৰহাট নিউৰ'চাইকিয়াত্ৰি ক্লিনিকৰ চিকিৎসক ডাঃ দীপজ্যোতি বৰাই। বিষয়টোৰ ওপৰত তেওঁ বিভিন্ন দিশ সামৰি ছাত্ৰ-ছাত্ৰীসকলৰ লগতে শিক্ষক-শিক্ষয়িত্ৰীসকলো উপকৃত হোৱাকৈ বক্তব্য প্ৰদান কৰে। চিনামৰা মহাবিদ্যালয়ৰ মহিলা কোষৰ যুটীয়া সম্পাদিকা অধ্যাপিকা ৰুণু বৰা শইকীয়াই আঁত ধৰা সভাখনত সভাপতিত্ব কৰে মহিলা কোষৰ স্থায়ী সভানেত্ৰী অধ্যাপিকা দীপশিখা দত্তই। উক্ত সভাখন উদ্বোধন কৰি মহাবিদ্যালয়ৰ অধ্যক্ষ ড° অঞ্জন শইকীয়াই এক সাৱলীল বক্তব্য দাঙি ধৰে। সভাখনত মহাবিদ্যালয়ৰ শৈক্ষিক তত্ত্বাৱধায়ক অধ্যাপক ৰঞ্জু কুমাৰ ভৰালীয়ে শিক্ষাৰ্থীসকলক উদ্দেশি বক্তব্য আগবঢ়ায়। মহাবিদ্যালয়ৰ সকলো শিক্ষক-শিক্ষয়িত্ৰী, কৰ্মচাৰী আৰু শিক্ষাৰ্থী উপস্থিত থকা সভাখনতে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ সদ্যঘোষিত স্নাতক পৰীক্ষাত যোৰহাট আইন মহাবিদ্যালয়ৰ পৰা ডিষ্টিংছনসহ প্ৰথম শ্ৰেণীৰ প্ৰথম স্থান লাভ কৰিবলৈ সক্ষম হোৱা কৃতী শিক্ষাৰ্থী অনিন্দিতা বৰাক সম্বৰ্ধনা জনোৱা হয়। উক্ত সভাত শলাগ জ্ঞাপন কৰে মহিলা কোষৰ সদস্যা শেৱালী শইকীয়া বৰদলৈয়ে।

যোৰহাট সংমণ্ডলৰ বিদ্যালয় পৰিদৰ্শকৰ মিথ্যাচাৰ মুকলি হ'ল

সলনি হ'ল দশম শ্ৰেণীৰ বিজ্ঞানৰ প্ৰশ্নকাকত

তিতাবৰ, ১৬ অক্টোবৰ ঃ যোৰহাট আৰু মাজুলী জিলাত বহু পলমকৈ অনুষ্ঠিত হোৱা দশম শ্ৰেণীৰ ছমহীয়া পৰীক্ষাৰ বিজ্ঞান বিষয়ৰ পৰীক্ষা স্থগিত ৰখাক কেন্দ্ৰ কৰি জিলাখনৰ শৈক্ষিক মহলত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছিল। যোৱা ১৩ তাৰিখে পিছবেলা অনুষ্ঠিত হ'বলগীয়া বিজ্ঞান পৰীক্ষা হঠাতে পুৱাৰ ভাগতে বিদ্যালয় পৰিদৰ্শকৰ তৰফৰ পৰা স্থগিত ৰাখিবলৈ বিদ্যালয় প্ৰধানসকলক নিৰ্দেশ দিয়ে। হোৱাটচ আপ মেছেজৰ জৰিয়তে প্ৰেৰণ কৰা একেটা নিৰ্দেশতে স্থগিত ৰখা বিশেষ বিষয়ৰ পৰীক্ষাটো অহা ১৭ অক্টোবৰত অনুষ্ঠিত কৰিবলৈ নিৰ্দেশ দিয়ে। পুৱাৰ ভাগত আচম্বিতে পৰীক্ষাটো স্থগিত ৰখাক কেন্দ্ৰ কৰি ছাত্ৰ-ছাত্ৰীসকলৰ লগতে অভিভাৱকসকলৰ মাজতো বিভিন্ন প্ৰতিক্ৰিয়াৰ সৃষ্টি হয়। এই বিষয়ত মাজুলী আৰু যোৰহাট সংমণ্ডলৰ বিদ্যালয়সমূহৰ পৰিদৰ্শক ড° শুভলক্ষ্মী ৰাজকুমাৰীয়ে পৰীক্ষা স্থগিতক কেন্দ্ৰ কৰি সৃষ্টি হোৱা বিতৰ্কৰ সন্দৰ্ভত ব্ৰহ্মপুত্ৰৰ জলপৃষ্ঠ বৃদ্ধি পোৱাৰ বাবে মাজুলীলৈ প্ৰশ্নকাকত প্ৰেৰণ কৰিব নোৱাৰিলে বুলি আত্মপক্ষ সমৰ্থন কৰিব বিচাৰে। ইতিমধ্যে পৰীক্ষা পৰিচালনাৰ দায়িত্বত থকা অধিবিদ্যা পৰিষদৰ ভুলৰ বাবে দশম শ্ৰেণীৰ বিজ্ঞানৰ প্ৰশ্নকাকতখন আগতীয়াকৈ ফাদিল হোৱা বিষয়টোক পৰিষদৰ সচিবৰ দায়িত্বত থকা পৰিদৰ্শকগৰাকীয়ে গাপ দিব বিচাৰে। পৰীক্ষা স্থগিত ৰখাৰ সম্পৰ্কত কোনো বক্তব্য নাৰাখিবলৈও বিদ্যালয় প্ৰধানসকলক মৌখিকভাৱে নিৰ্দেশো দিয়ে। কিন্তু শেহতীয়াকৈ পোৱা তথ্য অনুসৰি বিগত ১৩ অক্টোবৰত অনুষ্ঠিত কৰিবৰ বাবে দশম শ্ৰেণীৰ বিজ্ঞান বিষয়ৰ যিটো প্ৰশ্নকাকতৰ টোপোলা আছিল সেই টোপোলাসমূহ বিদ্যালয় পৰিদৰ্শকৰ কাৰ্যালয়ে আজি ওভোতাই নি পুনৰ নতুন প্ৰশ্নকাকতৰ টোপোলা অহা সোমবাৰে পৰীক্ষা অনুষ্ঠিত কৰিব পৰাকৈ পৰীক্ষা কেন্দ্ৰসমূহলৈ প্ৰেৰণ কৰিছে। এটা সাধাৰণ ছমহীয়া পৰীক্ষাও সুকলমে অনুষ্ঠিত কৰিব নোৱাৰি ছাত্ৰ-ছাত্ৰীক মানসিক হাৰাশাস্তি দিয়া এইগৰাকী বিষয়াৰ বিৰুদ্ধে শিক্ষাবিভাগক বিভাগীয়ভাৱে জবাবদিহি কৰিব লাগে বুলি শৈক্ষিক মহলে দাবী জনাইছে।

সমাজ সচেতন যোগ্য পুৰুষক নিযুক্তিৰ দাবী ৰাইজৰ

টেপৰখণ্ডৰ নতুন গাঁও প্ৰধান নিযুক্তিৰ যো-জা

অগ্ৰদূত বাৰ্তা

গৌৰীসাগৰ, ১৬ অক্টোবৰ ঃ গৌৰীসাগৰ আৰক্ষী থানাৰ অন্তৰ্গত ম'ৰাবজাৰ মৌজাৰ টেপৰ খণ্ডৰ পূৰ্বৰ গাঁও প্ৰধানজনে অৱসৰ গ্ৰহণ কৰাৰ পাছত ৰাইজৰ বিপুল দাবীত জিলা প্ৰশাসনে ইতিমধ্যে নতুন গাঁও প্ৰধান নিযুক্তিৰ বাবে সকলো ধৰণৰ পৰিকল্পনা সাজু কৰি তুলিছে। জিলা প্ৰশাসনৰ উদ্যোগত গাঁও প্ৰধানৰ বাবে ইচ্ছুক ব্যক্তিৰ পৰা আবেদন পত্ৰ সংগ্ৰহ কৰি সাক্ষাৎকাৰ পৰ্যন্ত অনুষ্ঠিত কৰাৰ পাছত ফলাফলৰ বাবে গভীৰ অপেক্ষাত আছে সাক্ষাৎকাৰত অৱতীৰ্ণ হোৱা প্ৰাৰ্থীসকলৰ লগতে অঞ্চলটোৰ জনসাধাৰণ। তথ্য মতে, গাঁও প্ৰধানৰ বাবে এইবাৰ টেপৰ খণ্ডৰ প্ৰায় পাঁচজন পুৰুষ-মহিলাই সাক্ষাৎকাৰত অৱতীৰ্ণ হোৱাৰ বিপৰীতে উত্তৰাধিকাৰীৰ সূত্ৰে পূৰ্বৰ গাঁও প্ৰধানৰ এগৰাকী বোৱাৰীও অৱতীৰ্ণ হৈছে। বিষয়টো ইতিমধ্যে চৰ্চাৰ কেন্দ্ৰ বিন্দু হৈ পৰিছে বিভিন্ন মহলত। উল্লেখ্য যে গড়কাষৰীয়া, টেপৰ, ম'হছাল, মাজগাঁও, খনিকৰ গাঁও, দুই নম্বৰ গড়কাষৰীয়া, কৈৱৰ্ত গাঁও, থেকেৰাতলীয়া, দুলীয়া, পুৰণিমেলীয়া, মলখুবচা, খামোন, ন-পাম আদি প্ৰায় ১৩খন গাঁও অন্তৰ্ভুক্ত হৈ আছে টেপৰ খণ্ডত। সেয়ে জিলা প্ৰশাসনে প্ৰায় চাৰি হেজাৰৰো অধিক পৰিয়ালৰ বসতিস্থল অঞ্চলটোত নেতৃত্ব দিব পৰা এজন সমাজ সচেতন, শিক্ষিত পুৰুষক নিযুক্তি দিয়াৰ দাবী জনাইছে সচেতন মহলে।

■ ১৮ অক্টোবৰত ফুলগুৰি ধেৱাৰ স্মৃতি দিৱসৰ আয়োজন

ঐতিহাসিক কৃষক বিদ্ৰোহৰ ১৬১ বছৰ

বিশেষ সংবাদদাতা

নগাঁও, ১৬ অক্টোবৰ ঃ ব্ৰিটিছ শাসনৰ বিৰুদ্ধে ঐতিহাসিক কৃষক বিদ্ৰোহে চলিত বৰ্ষত ১৬১ বছৰত ভৰি দিছে। উল্লেখ্য যে ১৮৬১ত নগাঁও জিলাৰ ফুলগুৰিত এই বিদ্ৰোহ হৈছিল। এই বিদ্ৰোহক ফুলগুৰি ধেৱা নামেৰে জনাজাত। প্ৰতিবছৰে ১৮ অক্টোবৰৰ দিনটো ফুলগুৰি ধেৱাৰ স্মৃতি দিৱস হিচাপে পালন কৰি অহা হৈছে। এইবাৰো ১৮ অক্টোবৰত অসম জাতীয় পৰিষদ আৰু ফুলগুৰি ধেৱা স্মৃতি ৰক্ষা সমিতিৰ উদ্যোগত ফুলগুৰি ধেৱাৰ ১৬১ সংখ্যক স্মৃতি দিৱস ফুলগুৰি ধেৱাৰ ৰাইজ মেল ভৱনত উদযাপনৰ পদক্ষেপ গ্ৰহণ কৰা হৈছে। সেই অনুসৰি পুৱা ৯ বজাত অসম জাতীয় পৰিষদৰ পতাকা পৰিষদৰ নগাঁও জিলা সমিতিৰ সভাপতি পুলিন হাজৰিকা আৰু ফুলগুৰি ধেৱা স্মৃতি ৰক্ষা সমিতিৰ পতাকা সমিতিৰ সভাপতি প্ৰবীণ হাজৰিকাই উত্তোলন কৰিব। ইয়াৰ পাছতে বন্তি প্ৰজ্বলন, স্মৃতি তৰ্পণ আদি অনুষ্ঠান অনুষ্ঠিত হ'ব। স্মৃতি তৰ্পণ অনুষ্ঠান মুকলি কৰিব অসম জাতীয় পৰিষদৰ উপ-সভাপতি চন্দ্ৰহে সিং আৰু ফুলগুৰি ধেৱা স্মৃতি ৰক্ষা সমিতিৰ সভাপতি নিত্যানন্দজিৎ নাথ চন্দনগিৰিয়ে। ফুলগুৰি ধেৱাৰ অন্যতম স্মাৰক 'মানুহ পোৰা বিলত' বন্তি প্ৰজ্বলন কৰিব অসম জাতীয় পৰিষদৰ সাধাৰণ সম্পাদক জগদীশ ভুঞা আৰু যোৰহাট কলেজৰ অধ্যক্ষ ড° দেৱব্ৰত শৰ্মাই। দিনৰ ১১ বজাৰ পৰা অনুষ্ঠিত হ'ব লগা মুকলি সভাত মুখ্য অতিথিৰূপে অংশগ্ৰহণ কৰিব অসম জাতীয় পৰিষদৰ সভাপতি লুৰীণজ্যোতি গগৈয়ে। বিশিষ্ট অতিথিৰূপে প্ৰাক্তন মন্ত্ৰী গুণীন হাজৰিকাকে ধৰি কে'বাগৰাকী বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰিব। সভাতেই ছহিদ পৰিয়াল আৰু নিৰ্যাতিত পৰিয়ালবৰ্গৰ লগতে ফুলগুৰি অঞ্চলৰ অগ্ৰণী পাঁচগৰাকী কৃষকক সম্বৰ্ধনা জনোৱা হ'ব। এই দিৱসৰ সমূহ কাৰ্যসূচী সফল কৰি তুলিবলৈ উদযাপন সমিতিৰ সভাপতি পুলিন হাজৰিকা, কাৰ্যকৰী সভাপতি প্ৰবীণ হাজৰিকা, সম্পাদক উৎপল বণিয়া, প্ৰদীপ ডেকা আৰু সহকাৰী সম্পাদক জীৱন শইকীয়া, পল্লৱজ্যোতি শৰ্মাই সকলোকে আহ্বান জনাইছে।

তীব্ৰ গতিৰ ৰেলে বিভীষিকা নমাইছে গিবনৰ হাতীজাককৈ

বোকাখাতত 'স্বাগতম সতীৰ্থ অভিযান' অনুষ্ঠানত ঝুমুৰ নাচিলে কৃষিমন্ত্ৰী অতুল বৰাই, দেওবাৰে।

বিগত এটা দশকত ৰেলৰ খুন্দাত মৃত্যু ১০টাৰো অধিক বন্যহস্তীৰ

অগ্ৰদূত বাৰ্তা

মৰিয়নি, ১৬ অক্টোবৰ ঃ যোৰহাট জিলাৰ একমাত্ৰ অভয়াৰণ্য মৰিয়নিৰ হোলোঙাপাৰ গিবন অভয়াৰণ্যৰ হাতীজাকৰ বাবে যেন মৃত্যুদূতত পৰিণত হৈছে উত্তৰ-পূব সীমান্ত ৰেল। গিবন অভয়াৰণ্যৰ মাজেৰে পাৰ হৈ যোৱা তিনিচুকীয়া- ডিব্ৰুগড়ৰ পৰা গুৱাহাটী অভিমুখী এই ৰেলপথ এতিয়া অভয়াৰণ্যখনৰ হাতীজাকৰ বাবে কাল স্বৰূপ হৈ পৰিছে। বিশেষকৈ নকছাৰীৰ পৰা তিতাবৰলৈকে এইচোৱা অঞ্চল অধিক স্পৰ্শকাতৰ হৈ পৰিছে। ৰেলৰ খুন্দাত বিগত প্ৰায় এটা দশকত এই অঞ্চলত ১০টাৰো অধিক হাতীৰ মৃত্যু হ'ল।

উল্লেখ্য যে প্ৰায় ২১ বৰ্গ কিলোমিটাৰ মাটিকালিৰ হোলোঙাপাৰ গিবন অভয়াৰণ্যত সম্প্ৰতি প্ৰায় ৭০টা বনৰীয়া হাতী আছে। বন বিভাগৰ এজন বিষয়াই সদৰী কৰা মতে, দুদিনমানৰ পূৰ্বে তেওঁলোকে পোৱালিসহ একেলগে ৬২টা হাতী প্ৰত্যক্ষ কৰিছিল। অভয়াৰণ্যখনৰ পৰা খাদ্যৰ সন্ধানত নিতৌ জনাঞ্চললৈ ওলাই আহে হাতীৰ জাকটো। কেতিয়াবা হাতীজাকটো কে'বাটাও ভাগত ভাগ হৈ পৰে। এইদৰে খাদ্যৰ সন্ধানত ওলাই অহা হাতীজাকে প্ৰায়েই ৰেলপথ পাৰ হবলগীয়া হয়। কাটনীবাৰী, পুখুৰীয়া, ডকলংগীয়া আদি অঞ্চলত মৰিয়নি- যোৰহাট শাখা ৰেলপথ পাৰ হোৱাৰ বিপৰীতে ডিব্ৰুগড়-গুৱাহাটী ৰেলপথ একাধিক স্থানত পাৰ হয়। গিবন অভয়াৰণ্যৰ ভিতৰৰ অংশৰ লগতে নকছাৰী, ভেলেউগুৰি, ভেলাগুৰি, কঁঠালগুৰি, খৰিকটীয়া, নগাধুলি, হাতীপটি, লেটেকুজান, তিতাবৰ আদি অঞ্চলত হাতীজাকে ৰেলপথ পাৰ হয়। এই নকছাৰীৰ পৰা তিতাবৰলৈকে সমগ্ৰ পথছোৱা এতিয়া বনৰীয়া হাতী পাৰ হোৱা অঞ্চল হিচাপে চিহ্নিত হৈছে। বিগত দশকটোত নকছাৰীৰ পৰা তিতাবৰলৈকে ১০টাৰো অধিক হাতীক ৰেলে খুন্দিয়াই নিহত কৰিছে।

১৩ পৃষ্ঠাত চাওক

শিৱসাগৰত অসম বিধানসভাৰ ৰাজহুৱা হিচাপ পৰীক্ষণ সমিতিৰ পৰ্যালোচনা সভা

বিশেষ সংবাদদাতা

শিৱসাগৰ, ১৬ অক্টোবৰ ঃ অসম বিধানসভাৰ ৰাজহুৱা হিচাপ পৰীক্ষণ সমিতিৰ অধ্যক্ষ তথা বিধায়ক ৰাজেদ আলী চৌধুৰীৰ নেতৃত্বত এটি দলে দিনজোৰা কাৰ্যসূচীৰে কালি শিৱসাগৰ জিলাৰ অন্তৰ্গত বিভিন্ন বিভাগৰ উন্নয়নমূলক কাম-কাজৰ তদাৰক কৰে। এই উপলক্ষে জিলা উপায়ুক্ত কাৰ্যালয়ৰ ছ্যুকাফা সভাকক্ষত অধ্যক্ষ ৰাজেদ আলী চৌধুৰীৰ সভাপতিত্বত তথা সমিতিৰ সদস্য তথা বিধায়কসকল ক্ৰমে কৰিমউদ্দিন বৰভূঞা, হাফিজ বছিৰ আহমেদ, উৎপল বৰা, ৰমেন্দ্ৰ নাৰায়ণ কলিতা, গোবিন্দ বসুমতাৰী, চক্ৰধৰ গগৈ, বসন্ত দাস, কমলাক্ষ দে পুৰকায়স্থ, ভৱেন্দ্ৰ নাথ ভৰালী আৰু বিধানসভা সমিতিৰ বিষয়ববীয়াসকলৰ অংশগ্ৰহণত জিলাখনত কৃষি, জলসিঞ্চন, জলসম্পদ, লোকনিৰ্মাণ, স্বাস্থ্য, খাদ্য আৰু অসামৰিক যোগান, পঞ্চায়ত আৰু গ্ৰামোন্নয়ন, সমাজ কল্যাণ, জনস্বাস্থ্য আৰু কাৰিকৰী, শিক্ষা আদি বিভিন্ন বিভাগসমূহৰ উন্নয়নমূলক কামৰ

১৩ পৃষ্ঠাত চাওক

কুৰুৱাত ৰাস মহোৎসৱৰ লাইখুঁটা স্থাপন

অগ্ৰদূত বাৰ্তা

দুমুনিচকী, ১৬ অক্টোবৰ ঃ দৰং জিলাৰ কুৰুৱা খলি হৈ বাজানাপথাৰ আৰু কামৰূপ জিলাৰ লেঙা, দীৰ্ঘেশ্বৰী, সাতগাঁও, ফুলুং আদি অঞ্চলৰ ৰাইজক সামৰি এইবেলি বৰুৱাবাৰীত প্ৰথম বাৰ্ষিক শ্ৰীশ্ৰী ৰাস মহোৎসৱ অনুষ্ঠিত হ'ব। ইতিমধ্যে ৰাস মহোৎসৱৰ কাৰ্যকৰী সভাপতি ৰুদ্ৰনীল বৰা আৰু মুখ্য সম্পাদক বসন্ত কাকতিৰ নেতৃত্বত ৰাস উদ্‌যাপনৰ ব্যাপক প্ৰস্তুতি আৰম্ভ হৈছে। প্ৰস্তুতিৰ অংশ হিচাপে আজি দৰং-কামৰূপ সীমান্তৱৰ্তী পশ্চিম কুৰুৱাত শ্ৰীশ্ৰীকৃষ্ণ ৰাস মহোৎসৱৰ লাইখুঁটা স্থাপন কৰে স্থানীয় বিধায়ক ড° পৰমানন্দ ৰাজবংশীয়ে। লাইখুঁটা স্থাপন অনুষ্ঠানত কামৰূপ-দৰঙৰ কে'বাগৰাকীও গণ্যমান্য ব্যক্তি উপস্থিত থাকে।

নেহৰু যুৱ কেন্দ্ৰ সংগঠনৰ উদ্যোগত তেজপুৰত জিলা পৰ্যায়ৰ যুৱ উৎসৱ

ষ্টাফ ৰিপ'ৰ্টাৰ

তেজপুৰ, ১৬ অক্টোবৰ ঃ নেহৰু যুৱ কেন্দ্ৰ সংগঠন, শোণিতপুৰৰ উদ্যোগত আৰু গোটলং আদৰ্শ যুৱ সংঘৰ সহযোগত গোটলংস্থিত সূৰ্যোদয় উচ্চ ইংৰাজী বিদ্যালয়ত দিনজোৰা কাৰ্যসূচীৰে জিলা পৰ্যায়ৰ যুৱ উৎসৱ অনুষ্ঠিত হয়। জিলা পৰ্যায়ৰ যুৱ উৎসৱ উপলক্ষে জিলাখনৰ বিদ্যালয়-মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ মাজত যুৱ শিল্পী শিবিৰ-চিত্ৰকলা প্ৰতিযোগিতা, যুৱ লেখক শিবিৰ-কবিতা প্ৰতিযোগিতা, ফটোগ্ৰাফী শিবিৰ ফটোগ্ৰাফী প্ৰতিযোগিতা, ঘোষণা প্ৰতিযোগিতা, সাংস্কৃতিক উৎসৱ জিলা যুৱ সন্মিলন আদি প্ৰতিযোগিতা অনুষ্ঠিত হয়। প্ৰতিটো প্ৰতিযোগিতাত শোণিতপুৰ জিলাৰ বিভিন্ন তেজপুৰ মহাবিদ্যালয়, অসম ভেলী ছিনিয়ৰ ছেকেণ্ডাৰী স্কুল, ৰঙাপাৰা মহাবিদ্যালয়, তেজপুৰ আইন মহাবিদ্যালয়, পাঁচমাইল কন্যা উচ্চ মাধ্যমিক বিদ্যালয়, আল-কাউছাৰ মডেল একাডেমী, সূৰ্যোদয় উচ্চ ইংৰাজী বিদ্যালয়ৰ লগতে বিভিন্ন বিদ্যালয়-মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰে। এই প্ৰতিযোগিতাৰ অধীনত জিলাৰ পৰা ৰাজ্যিক আৰু ৰাজ্যিকৰ পৰা ৰাষ্ট্ৰীয় পৰ্যায়লৈ অগ্ৰগতি নিশ্চিত কৰিবলৈ একেধৰণৰ আৰ্হিৰে জিলা, ৰাজ্য আৰু ৰাষ্ট্ৰীয় পৰ্যায়ত যুৱ উৎসৱ আয়োজন কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে ভাৰত চৰকাৰৰ যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰণালয়ে। নাগৰিকৰ কৰ্তব্যবোধৰ বিষয়বস্তুত আয়োজিত জিলা পৰ্যায়ৰ যুৱ উৎসৱত প্ৰতিযোগিতাসমূহ নিয়াৰিকৈ অনুষ্ঠিত হোৱাৰ পাছত বিয়লি দুই বজাৰ পৰা সূৰ্যোদয় উচ্চ ইংৰাজী বিদ্যালয়ৰ শংকৰ-আজান প্ৰেক্ষাগৃহত অনুষ্ঠিত হয় যুৱ সন্মিলন। উক্ত যুৱ সন্মিলনত মুখ্য অতিথিৰূপে শোণিতপুৰ জিলাৰ জিলাৰ অতিৰিক্ত উপায়ুক্ত ৰাজ বৰা, নেহৰু যুৱ কেন্দ্ৰ, শোণিতপুৰৰ জিলা যুৱ বিষয়া বিকাশ চন্দ্ৰ প্ৰধান, গাণনিক বিষয়া বিশ্বজিৎ দাস, বিশিষ্ট সাহিত্যিক সাংবাদিক, লিখক চিৰাজ খান, অসম জাতীয়তাবাদী যুৱ সন্মিলনৰ সভাপতি ৰাজীৱ দাস, সাংস্কৃতিককৰ্মী উত্তম কুমাৰ দাস, সূৰ্যোদয় উচ্চ ইংৰাজী বিদ্যালয়ৰ প্ৰধান শিক্ষক অতুল চন্দ্ৰ বৰুৱা, সহকাৰী শিক্ষক মনচুৰ আলী, ইয়াকুব

১৩ পৃষ্ঠাত চাওক

হাউলীত বিত্তীয় সজাগৰ ওপৰত ভাৰতীয় ষ্টেট বেংকৰ সজাগতামূলক সভা

অগ্ৰদূত বাৰ্তা

হাউলী, ১৬ অক্টোবৰ ঃ বিত্তীয় সেৱা বিভাগে ভাৰতবৰ্ষত গাঁও পঞ্চায়ত পৰ্যায়ত 'বিত্তীয় অন্তৰ্ভুক্তিৰ দ্বাৰা সৱলীকৰণ' শীৰ্ষক এক অভিযান আৰম্ভ কৰিছে। এই অভিযান বেংকৰ জৰিয়তে ভাৰত চৰকাৰৰ বিত্ত বিভাগে দেশৰ জনতাক আৰ্থিক দিশত সজাগতা, সৰলীকৰণ আৰু সুৰক্ষিত কৰি তোলাৰ প্ৰয়াস চলাইছে। এই অভিযান পোন প্ৰথমবাৰৰ

১৩ পৃষ্ঠাত চাওক

ৰঙাপৰাত চাহ বাগিচাৰ মাজত এগৰাকী মহিলাৰ মৃতদেহ উদ্ধাৰ

বিশেষ সংবাদদাতা

ৰঙাপৰা, ১৬ অক্টোবৰ ঃ শোণিতপুৰ জিলাৰ ৰঙাপৰাত আজি এটা অচিনাক্ত মৃতদেহ উদ্ধাৰ হয়। বৰজুলি চাহ বাগিচাৰ অন্তৰ্গত ৰঙাপৰা শাখাৰ দুই বি চেকছনৰ মাজত অৰ্ধগলিত মৃতদেহটো উদ্ধাৰ হয়। উক্ত ঘটনাই তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰে ৰঙাপৰা অঞ্চলত। ঘটনাৰ বিৱৰণী অনুসৰি, দিনৰ প্ৰায় এক মান বজাত চাহ বাগিচাখনত কাম কৰিবলৈ যোৱা একাংশ শ্ৰমিকে দুৰ্গন্ধই আগুৰি ধৰা মৃতদেহটো পৰি থকা প্ৰত্যক্ষ কৰে। পাছত চাহ বাগিচাখনৰ মহৰী বিকল কুমাৰে ঘটনাৰ

১৩ পৃষ্ঠাত চাওক

টংলা আঞ্চলিক জ্যেষ্ঠ নাগৰিক সন্মিলনৰ অধিবেশন

অগ্ৰদূত বাৰ্তা

টংলা, ১৬ অক্টোবৰ ঃ অসম জ্যেষ্ঠ নাগৰিক সন্মিলনৰ অন্তৰ্গত টংলা আঞ্চলিক জ্যেষ্ঠ নাগৰিক সন্মিলনৰ কাৰ্যকৰী সভাপতি ধৰণীধৰ মেধিয়ে পুৰা পতাকা উত্তোলনেৰে আৰম্ভ কৰা অধিবেশনৰ দ্বিতীয় কাৰ্যসূচী বন্তি প্ৰজ্বলন কাৰ্যসূচী ৰূপায়ণ কৰে ওদালগুৰি জিলা জ্যেষ্ঠ নাগৰিক সন্মিলনৰ সদস্য আদিত চন্দ্ৰ কলিতাই। টংলা আঞ্চলিকৰ উপ-সভাপতি মনমোহন দাসে স্মৃতি তৰ্পণ কৰা অনুষ্ঠানত ভাৰপ্ৰাপ্ত সভাপতি ধৰণীধৰ মেধিৰ সভাপতিত্বত অনুষ্ঠিত কাৰ্যনিৰ্বাহক সভাতে পৰৱৰ্তী কাৰ্যকালৰ বাবে ২৭ জনীয়া নতুন সমিতি এখন গঠন কৰা হয়। ৰবীন্দ্ৰ কুমাৰ শৰ্মাক সভাপতি,

১৩ পৃষ্ঠাত চাওক

নগাঁৱত জিলা ভিত্তিক যুৱ উৎসৱৰ সামৰণি অনুষ্ঠান

বিশেষ সংবাদদাতা

নগাঁও, ১৬ অক্টোবৰ ঃ 'সফলতাৰ কোনো চমু বাট নাই। জীৱনত সফলতা লাভ কৰিবলৈ নিষ্ঠা আৰু সততাৰে কঠোৰ শ্ৰম কৰিব লাগিব। বিশেষকৈ নৱ প্ৰজন্মই মন-মগজুক সদ্ব্যৱহাৰ কৰিলেই সফলতা লাভ কৰিব পাৰিব।' এই মন্তব্য ৰাষ্ট্ৰীয় পুৰস্কাৰপ্ৰাপ্ত সমাজকৰ্মী ছিৰাজউদ্দিন আহমেদৰ। ভাৰত চৰকাৰৰ অধীনস্থ নেহৰু যুৱ কেন্দ্ৰ নগাঁৱৰ উদ্যোগত আৰু ৰাষ্ট্ৰীয় পুৰস্কাৰপ্ৰাপ্ত স্বেচ্ছাসেৱী অনুষ্ঠান গ্ৰাম বিকাশ পৰিষদৰ সহযোগত নগাঁও চহৰৰ এফজি আই সভাকক্ষত আজি অনুষ্ঠিত জিলা ভিত্তিক যুৱ সমাৰোহৰ মুকলি সভাত অংশগ্ৰহণ কৰি আহমেদে লগতে কয়, 'ছাত্ৰ-ছাত্ৰী তথা নৱ প্ৰজন্মই তেওঁলোকৰ সৃষ্টিশীল ধাৰণাক আগুৱাই নিব লাগিব।' আমাৰ সমাজখনক সঠিক দিশত পৰিচালিত কৰিবলৈ নৱ প্ৰজন্মই গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব লাগিব। 'আমাৰ সমাজত এনে একাংশ অশুভ শক্তি আছে, যিয়ে শান্তি-সম্প্ৰীতিৰ সমাজখনক ভাগ ভাগ কৰিবলৈ অহৰহ চেষ্টা চলাই আহিছে। এইবোৰৰ পৰা আমি সকলোৱে সাৱধানে থাকিব লাগিব।' এই ক্ষেত্ৰত তেওঁ যুৱ প্ৰজন্মক সদা সচেতন হৈ থাকিবলৈ আহ্বান জনায়। জিলাখনৰ কে'বা শতাধিক যুৱ প্ৰজন্মৰ প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰা সভাখনতে নগাঁও সদৰ সমষ্টিৰ প্ৰাক্তন বিধায়ক ডাঃ দুৰ্লভ চমুৱাই বিশিষ্ট অতিথি হিচাপে অংশগ্ৰহণ কৰি কয় যে ছাত্ৰ-ছাত্ৰীসকলে জ্ঞান আহৰণ কেৱল নিজৰ কাৰণেই নহয় সমাজৰ কাৰণেও জ্ঞান

১৩ পৃষ্ঠাত চাওক

বিটিআৰ প্ৰধান প্ৰমোদ বড়োক সাক্ষাৎ বড়োলেণ্ড সাংবাদিক সন্থাৰ

■ সাংবাদিকৰ সমস্যাক লৈ ন দফীয়া দাবীৰ স্মাৰকপত্ৰ

অগ্ৰদূত বাৰ্তা

কোকৰাঝাৰ, ১৬ অক্টোবৰ ঃ বিটিচিৰ সাংবাদিকসকলৰ বিভিন্ন সা-সুবিধাৰ সমস্যাক লৈ বড়োলেণ্ড সাংবাদিক সন্থাই আজি বিটিআৰৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়োক সাক্ষাৎ কৰে। সাংবাদিকসকলৰ সমস্যা সমাধানাৰ্থে ন দফীয়া দাবীৰ এখন স্মাৰকপত্ৰ প্ৰদান কৰে মুখ্য কাৰ্যবাহী সদস্যজনক। উল্লেখ্য যে কোকৰাঝাৰ চহৰৰ বড়োফা নোগীৰস্থিত বিটিচি সচিবালয়ত আজি বড়োলেণ্ড সাংবাদিক সন্থাৰ সভাপতি আৰু ভাৰপ্ৰাপ্ত সাধাৰণ সম্পাদক ক্ৰমে আবু বক্কৰ ছিদ্দিক আৰু ৰমেন দাসৰ নেতৃত্বত ২০ জনীয়া এটি দলে সন্থাৰ তৰফৰ পৰা মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়োক সাক্ষাৎ কৰি এখনকৈ আৰনাই, ফুলাম গামোচা, জাপি, শৰাই আৰু মানপত্ৰৰে সম্বৰ্ধনা জনায়। পাছত বড়োলেণ্ড সাংবাদিক সন্থাৰ সঁজাতী দলৰ স'তে অন্তৰংগ বৈঠকত মিলিত হৈ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়োৱে বিটিআৰৰ সদৰ কোকৰাঝাৰত সন্থাৰ কাৰ্যালয়ৰ এক বিঘা ভূমি আবন্টন আৰু ভৱন নিৰ্মাণৰ

১৩ পৃষ্ঠাত চাওক

লেখক-সাংবাদিক হেমন্ত কুমাৰ চৌধুৰীলৈ 'সাহিত্য সৌৰভ' বঁটা প্ৰদান

অগ্ৰদূত বাৰ্তা

হাজো, ১৬ অক্টোবৰ ঃ হাজো ৰাজহ চক্ৰৰ অন্তৰ্গত জাপিয়া কলিতা চুবাৰ নিবাসী তথা লেখক-সাংবাদিক হেমন্ত কুমাৰ চৌধুৰীক আজি সাহিত্য-সাংস্কৃতিক অনুষ্ঠান অভিনন্দন সাংস্কৃতিক গোষ্ঠীয়ে ২০২২ৰ 'সাহিত্য সৌৰভ' বঁটা প্ৰদান কৰে। স্বতন্ত্ৰ সেনানী ভৱন (মুক্তি যুঁজাৰু) প্ৰেক্ষাগৃহত অনুষ্ঠিত বৰ্ণাঢ্য অনুষ্ঠানত সাহিত্য সৌৰভ বঁটা গ্ৰহণ কৰা চৌধুৰীয়ে 'দৈনিক অসম' কাকতত কবিতা, প্ৰবন্ধ লিখাৰ উপৰি স্থানীয় বাতৰি পৰিবেশন কৰি সাংবাদসেৱীৰ পৰিচিতি বহন কৰা চৌধুৰীয়ে পাছলৈ 'নতুন দৈনিক' কাকতত হাজোৰ সাংবাদিকৰূপে নিযুক্ত হয়। শিক্ষা গ্ৰহণ আৰু সংবাদ পৰিবেশনৰ মাজতে সাধনা আৰু সিদ্ধিৰ ফলতে গুৱাহাটী অনাতাঁৰ কেন্দ্ৰ যোগে চৌধুৰীৰ ৰচিত কবিতা, গল্প, কথিকা আৰু আলেখ্য বাণীবন্ধন আৰু সম্প্ৰচাৰ হয়। সংবাদ-সাহিত্যত ঐকান্তিকতাৰে আত্মপ্ৰতিষ্ঠা লাভ কৰা চৌধুৰীৰ 'ৰক্তাক্ত গোলাপৰ

১৩ পৃষ্ঠাত চাওক

আমিনগাঁৱত অনুষ্ঠিত হ'ব মানৱ অভিনীত ৰাস

অগ্ৰদূত বাৰ্তা

উত্তৰ গুৱাহাটী, ১৬ অক্টোবৰ ঃ আমিনগাঁও ৰেলৱে খেলপথাৰত প্ৰথমবাৰৰ বাবে মানুহৰ দ্বাৰা অভিনীত ৰাস উদ্‌যাপনৰ প্ৰস্তুতি চলিছে। শ্ৰীশ্ৰী বিষ্ণু মহাযজ্ঞ আৰু সন্মিলিত ৰাস উদ্‌যাপন সমিতিৰ উদ্যোগত আয়োজিত এক অনুষ্ঠানত সভাপতি ভগৱন্ত বড়োৱে আজি ৰাস উদ্‌যাপনস্থলীত লাইখুঁটা পুতি দুদিনীয়া ৰাস উদ্‌যাপনৰ মাংগলিক কাৰ্যসূচীৰে আৰম্ভ কৰে। এমাহ পূৰ্বেই আমিনগাঁৱত ৰাস উদ্‌যাপনৰ বাবে ভগৱন্ত

১৩ পৃষ্ঠাত চাওক

সৰুপেটাত ৰাজ্যিক প্ৰাদেশিকীকৃত বিদ্যালয় অৱসৰপ্ৰাপ্ত শিক্ষক-কৰ্মচাৰীৰ সভা সম্পন্ন

অগ্ৰদূত বাৰ্তা

সৰুপেটা, ১৬ অক্টোবৰ ঃ আজি স্থানীয় বিদ্যামন্দিৰ হাইস্কুলত অসম ৰাজ্যিক প্ৰাদেশিকীকৃত বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত শিক্ষক-কৰ্মচাৰী সংস্থাৰ এখনি গুৰুত্বপূৰ্ণ কাৰ্যনিৰ্বাহক সভা সংস্থাৰ ৰাজ্যিক সভাপতি কৰুণাকান্ত কলিতাৰ সভাপতিত্বত অনুষ্ঠিত হৈ যায়। সংস্থাৰ বজালী জিলা সমিতিৰ উদ্যোগত আৰু সৰুপেটা আঞ্চলিক সমিতিৰ সহযোগত অনুষ্ঠিত আজিৰ এই সভাত ৰাজ্যৰ মুখ্যমন্ত্ৰীৰ ওচৰত ৰাজ্যখনৰ প্ৰাদেশিকীকৃত বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত শিক্ষক-কৰ্মচাৰীসকলৰ সমস্যা সমাধানৰ অৰ্থে প্ৰদান কৰা বিভিন্ন দাবী সম্বলিত ন দফীয়া দাবী চনদ ইয়াৰ অগ্ৰগতি আৰু সমাধানৰ দিশ সম্পৰ্কে আলোচনা কৰা হয়। সভাত ৰাজ্যিক সম্পাদক প্ৰধান লংকেশ্বৰ দাসে দাবী চনদত উল্লেখিত বিষয়সমূহ চলিত বৰ্ষৰ ৩০ এপ্ৰিলৰ পৰা এতিয়ালৈকে মুখ্যমন্ত্ৰী কাৰ্যালয়ৰ ফাইলৰ মাজত অনুমোদনৰ অপেক্ষাত থকাৰ কথা জানিবলৈ দিয়ে। ৰাজ্যিক সভাপতি আৰু সম্পাদক প্ৰধানজনে উপস্থিত অৱসৰপ্ৰাপ্ত শিক্ষক-কৰ্মচাৰীসকলৰ বিভিন্ন প্ৰশ্নৰো উত্তৰ দিয়ে। আলোচনাত অংশগ্ৰহণ কৰি সংস্থাৰ কে'বাগৰাকী সদস্যই অৱসৰপ্ৰাপ্ত শিক্ষক-কৰ্মচাৰীসকলৰ পৰিয়ালৰ সদস্যসকললৈ চৰকাৰে আগবঢ়োৱা বিনামূলীয়া চিকিৎসা সেৱা, এনপিএছ অৰ্থাৎ ৰাষ্ট্ৰীয় পেঞ্চন আঁচনি, পেঞ্চন নীতিৰ ক্ষেত্ৰত থকা আঁসোৱাহ আৰু তাৰ দূৰীকৰণ আৰু এই ক্ষেত্ৰত চৰকাৰে সৰলীকৰণ নীতি লোৱাৰ পোষকতা কৰে। সভাত সংস্থাৰ সাংগঠনিক দিশৰ লগতে সংস্থাৰ পত্ৰিকা প্ৰকাশ সম্পৰ্কেও বিতং আলোচনা কৰা হয়।

১৩ পৃষ্ঠাত চাওক

গোলাঘাটত ৭৬ সংখ্যক নাৰায়ণপুৰ অধিবেশনৰ আদৰণি সমিতিৰ বিশেষ সভা

বিশেষ সংবাদদাতা

গোলাঘাট, ১৬ অক্টোবৰ ঃ অসম সাহিত্য সভাৰ আগন্তুক ৭৬সংখ্যক নাৰায়ণপুৰ অধিবেশন সাফল্যমণ্ডিত কৰি তোলাৰ আহ্বানেৰে আদৰণি সমিতিৰ এটা প্ৰতিনিধি দল আজি গোলাঘাটত উপস্থিত হয়। এই উপলক্ষে গোলাঘাট জিলা সাহিত্য সভা আৰু শাখা সাহিত্য সভাসমূহৰ বিষয়ববীয়াৰ স'তে সাহিত্যাচাৰ্য ছৈয়দ আব্দুল মালিক ভৱনত সৌহাৰ্দ্যমূলক মত বিনিময় অনুষ্ঠান অনুষ্ঠিত হয়। অসম সাহিত্য সভাৰ জিলা প্ৰতিনিধি, কেন্দ্ৰীয় বিষয়ববীয়া দিগন্ত কুমাৰ ভূঞাই আঁত ধৰা সভাত সভাপতিত্ব কৰে গোলাঘাট জিলা সাহিত্য সভাৰ সভাপতি পৱিত্ৰ বৰবৰাই। সভাত লখিমপুৰ জিলা সাহিত্য সভাৰ সভাপতি, বিশিষ্ট লেখক বিপুল শৰ্মা বৰুৱা, অসম সাহিত্য সভাৰ আদৰণি সমিতিৰ উপ-সভাপতি তথা নাৰায়ণপুৰ শাখা সাহিত্য সভাৰ সভাপতি যোগেন্দ্ৰ নাথ শইকীয়া, অন্যতম উপ-সভাপতি, শংকৰদেৱ মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত উপাধ্যক্ষ বীৰেন্দ্ৰ নাথ ভাগৱতী, আদৰণি সমিতিৰ পৰিবহণ শাখাৰ কাৰ্যকৰী সভাপতি ৰাজীৱ কাকতিয়ে অংশগ্ৰহণ কৰি অধিবেশন সাফল্যমণ্ডিত কৰি তোলাৰ ক্ষেত্ৰত সকলোৰে সহযোগিতা কামনা কৰে। তেওঁলোকে আগন্তুক অধিবেশনৰ বিস্তৃত পৰিকল্পনাৰ সন্দৰ্ভত ব্যাখ্যা আগবঢ়ায়। অসমৰ বিভিন্ন জাতি-ধৰ্ম, ভাষা-ভাষী সকলো স্তৰৰ লোকক অধিবেশনৰ অংশীদাৰ কৰাৰ আন্তৰিক প্ৰচেষ্টা গ্ৰহণ কৰা বুলিও উল্লেখ কৰে । গোলাঘাট জিলা সাহিত্য সভা, শাখা সাহিত্য সভাৰ মূল লগতে গোলাঘাট জিলাবাসীৰ পূৰ্ণ সহযোগিতাৰ আহ্বান জনায় তেওঁলোকে। সভাত অসম সাহিত্য সভাৰ বিদেশ আৰু বহিঃৰাজ্য মৈত্ৰীবন্ধন উপ-সমিতিৰ কাৰ্যকৰী সভাপতি, বিশিষ্ট লেখক, ছবি প্ৰযোজক নুৰুল চুলতান, গোলাঘাট

১৩ পৃষ্ঠাত চাওক

দেওমৰনৈত স্তন কেঞ্চাৰ সজাগতা সভা

অগ্ৰদূত বাৰ্তা

দেওমৰনৈ, ১৬ অক্টোবৰ ঃ অসম কেঞ্চাৰ কেয়াৰ ফাউণ্ডেছনৰ পৃষ্ঠপোষকতাত দৰং কেঞ্চাৰ কেন্দ্ৰৰ উদ্যোগত আৰু অগ্ৰগামী আত্মসহায়ক গোটৰ সহযোগত স্তন কেঞ্চাৰৰ লগতে কেঞ্চাৰ ৰোগৰ সজাগতা সভা এখন কালি দেওমৰনৈৰ কলিতা সন্মিলনীৰ ভৱনত অনুষ্ঠিত হয়। দৰং কেঞ্চাৰ কেন্দ্ৰৰ জিলা স্বাস্থ্য প্ৰৱন্ধক চুড়ামণি শইকীয়া, দৰং কেঞ্চাৰ কেন্দ্ৰৰ কৰ্মচাৰী দীপমণি শৰ্মা, জেচমিনআৰা বেগম, শিক্ষয়িত্ৰী কৰবী নাথ, জীৱিকা সখী বেফুলা বৰুৱা লগতে অগ্ৰগামী উৎপাদনমুখী গোটৰ বিষয়ববীয়াসকল উপস্থিত থাকি স্তন কেঞ্চাৰৰ ওপৰত বিভিন্ন বক্তব্য

১৩ পৃষ্ঠাত চাওক

'ভূপেন হাজৰিকা কলাভূমি'ত 'আমি একেখন নাৱৰে যাত্ৰী', 'কৃষ্ণ অমৃত কথা'ৰ মহুৰত

■ শোণিতপুৰ জিলা প্ৰশাসনৰ উদ্যোগত 'মাধৱদেৱ কলা নিকেতন'ৰ ব্যতিক্ৰমী আয়োজন

ষ্টাফ ৰিপ'ৰ্টাৰ

তেজপুৰ, ১৬ অক্টোবৰ ঃ শোণিতপুৰ জিলা প্ৰশাসনৰ উদ্যোগত আৰু তেজপুৰৰ নিকটৱৰ্তী মিলনপুৰৰ 'মাধৱদেৱ কলা নিকেতন'ৰ সহযোগত তেজপুৰৰ 'ভূপেন হাজৰিকা কলাভূমি'ত অহা পাঁচ নৱেম্বৰত সুধাকণ্ঠ, বিশ্ববন্দিত তথা ভাৰত ৰত্ন ড° ভূপেন হাজৰিকা মৃত্যু দিৱস উপলক্ষে অনুষ্ঠিত হ'ব লগা 'আমি একেখন নাৱৰে যাত্ৰী' শীৰ্ষক সাংগীতিক-সুৰীয়া বিশেষ অনুষ্ঠানৰ লগতে উক্ত অনুষ্ঠানৰ লগত সংগতি ৰাখি ছয় নৱেম্বৰৰ সন্ধিয়া অনুষ্ঠিত হ'ব লগা 'কৃষ্ণ অমৃত কথা' শীৰ্ষক গীতি নৃত্য নাটিকাৰ কালি সন্ধিয়া মিলনপুৰত এক মাংগলিক পৰিৱেশত শুভ মহুৰত সম্পন্ন হয়। 'মাধৱদেৱ কলা নিকেতন'ৰ অধ্যক্ষ তথা সংগীত শিল্পী ময়ূৰ কাঞ্চন বৰাই আঁতধৰা আৰু তেজপুৰৰ লগতে স্থানীয় বিশিষ্ট ব্যক্তিসকলে অংশগ্ৰহণ কৰা এই মহুৰত অনুষ্ঠানত প্ৰথমেই বন্তি প্ৰজ্বলন কৰে স্থানীয় মিলনবাকৰি ৰাস মহোৎসৱ সমিতিৰ উপদেষ্টা সুনীল শইকীয়া, অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক কুশল শইকীয়া, দ্বিপেন নাথ, হলেশ্বৰ অঞ্চলৰ বিশিষ্ট সমাজকৰ্মী দেৱেশ্বৰ শৰ্মা, স্থানীয় সত্ৰীয়া শিল্পী কামেশ্বৰ দাস, চিত্ৰশিল্পী হৰেশ্বৰ শইকীয়াই। ইয়াৰ পাছতেই প্ৰাক্তন ছাত্ৰ নেতা তথা শিক্ষক লন্টু শইকীয়া, বাণ থিয়েটাৰৰ মঞ্চাধ্যক্ষ ৰাজীৱ মহন্ত, নাট্যকাৰ- পৰিচালক দিগন্ত কুমাৰ ভূঞা, নাট্যানুষ্ঠান মাটি আখৰাৰ সভাপতি দুল গোস্বামী, বিশিষ্ট নাট্যকাৰ পৰিচালক তথা নাট্য ভূষণ অৰ্পণ বেজবৰুৱা, মিলনবাকৰি ৰাস মহোৎসৱ সমিতিৰ সম্পাদকদ্বয় অপূৰ্ব বৰা, ৰাজু বৰা, উত্তৰ পশ্চিম তেজপুৰ শাখা সাহিত্য সভাৰ সম্পাদক প্ৰশান্ত কুমাৰ দাস আদিয়ে ধূপ প্ৰজ্বলন কৰাৰ পাছত এক মাংগলিক পৰিৱেশত নাৰিকল ভাঙে প্ৰাক্তন ছাত্ৰ নেতা তথা বিশিষ্ট সাংস্কৃতিককৰ্মী শান্তনু মহন্তই। নাৰিকল ভাঙি শান্তনু মহন্তই ভাষণ প্ৰসংগত তেজপুৰৰ ভূপেন হাজৰিকা কলাভূমি নিৰ্মাণত আৰম্ভণিৰে পৰা জড়িত হৈ থকাৰ কথা সদৰী কৰি প্ৰতি বছৰেই পুৰোধা শিল্পীজনৰ জন্ম দিন আৰু মৃত্যু দিৱসৰ দিনটোত অনুষ্ঠান আয়োজন কৰি অহাৰ পাছত এইবাৰ শোণিতপুৰ জিলা প্ৰশাসনৰ উদ্যোগত 'মাধৱদেৱ কলা নিকেতন'ৰ সহযোগত আয়োজন কৰিবলৈ

১৩ পৃষ্ঠাত চাওক

নগাঁৱত ভাৰতীয় ৰেল গুদাম শ্ৰমিক সংঘৰ ৰাজ্যিক অভিৱৰ্তন সম্পন্ন

বিশেষ সংবাদদাতা

নগাঁও, ১৬ অক্টোবৰ ঃ ভাৰতীয় ৰেল গুদাম শ্ৰমিক সংঘৰ অসম ৰাজ্যিক সমিতিৰ অভিৱৰ্তনখন আজি নগাঁৱৰ গ্ৰাম্য পুথিভঁৰাল খেলপথাৰত অনুষ্ঠিত হয়। সংগঠনটোৰ পৰিভ্ৰমণ প্ৰক্ৰিয়াৰ লগত সংগতি ৰাখি অনুষ্ঠিত এই অভিৱৰ্তনৰ মুকলি সভাত অংশগ্ৰহণ কৰি ভাৰতীয় ৰেল গুদাম শ্ৰমিক সংঘৰ মহামন্ত্ৰী অৰুণ কুমাৰ পাছোৱানে মাল গুদাম শ্ৰমিকসকলৰ বিভিন্ন সমস্যাৰ বিষয়ে আলোকপাত কৰি সমস্যাসমূহৰ সমাধানৰ বাবে ৰাষ্ট্ৰজুৰি জনমত গঠন কৰা হ'ব বুলি মন্তব্য কৰে। সভাত সংঘৰ উত্তৰ-পূৰ্বাঞ্চলৰ

১৩ পৃষ্ঠাত চাওক

ভালুকীত বিনামূলীয়া চকু চিকিৎসা শিবিৰ সম্পন্ন

তিনি শতাধিকৰ চকু পৰীক্ষা

অগ্ৰদূত বাৰ্তা

পাটাছাৰকুছি, ১৬ অক্টোবৰ ঃ আজি পাটাছাৰকুছিৰ নিকটৱৰ্তী ভালুকী হাইস্কুলৰ ভালুকী সেৱক সংঘ আৰু বৰভালুকী গাঁওৰক্ষী বাহিনীৰ যুটীয়া উদ্যোগত আৰু শংকৰদেৱ নেত্ৰালয়ৰ সহযোগত এখন চকু চিকিৎসা শিবিৰ অনুষ্ঠিত কৰা হয়। শংকৰদেৱ নেত্ৰালয়ৰ পৰা অহা ১২জনীয়া এটি চিকিৎসা কৰ্মীৰ দলে শিবিৰটোত চিকিৎসা সেৱা প্ৰদান

১৩ পৃষ্ঠাত চাওক

বুঢ়াচাপৰি অভয়াৰণ্যত মহিলাৰ মৃতদেহ উদ্ধাৰ

অগ্ৰদূত বাৰ্তা

ৰূপহীহাট, ১৬ অক্টোবৰ ঃ বুঢ়াচাপৰি বন্যপ্ৰাণী অভয়াৰণ্য অঞ্চলত এগৰাকী মহিলাৰ মৃতদেহ উদ্ধাৰ হোৱাক কেন্দ্ৰ কৰি প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। অভয়াৰণ্যখনত প্ৰৱেশ কৰা মহিলাগৰাকীৰ বন্যহস্তীৰ আক্ৰমণত মৃত্যু হোৱাৰ সন্দেহ প্ৰকাশ কৰিছে ৰাইজে। যোৱা শনিবাৰে পুৱা বেলাৰ পৰাই সন্ধানহীন হৈ আছিল মহিলাগৰাকী। সন্ধানহীন হৈ থকা মহিলাগৰাকীক বিচাৰি চলাথ কৰিও কোনো ধৰণৰ সম্ভেদ পোৱা নাছিল পৰিয়ালৰ লোকে। পুৱা উদ্ধাৰ হোৱা মৃত মহিলাগৰাকী নগাঁৱৰ লাওখোৱাৰ ছয় নম্বৰ ভগামুখৰ ৬০ উৰ্দ্ধৰ বিশেষভাৱে সক্ষম হাছিনা বানু বুলি চিনাক্ত কৰিছে স্থানীয় ৰাইজে।

ৰঙাপৰাত চাহ বাগিচাৰ মাজত এগৰাকী

১২ পৃষ্ঠাৰ পৰা সন্দৰ্ভত ৰঙাপৰা আৰক্ষীক খবৰ দিয়ে। ঘটনাৰ খবৰ পোৱাৰ মাত্ৰকে ৰঙাপৰা আৰক্ষী থানাৰ বিষয়া দেৱেন বৰা ঘটনাস্থলীত উপস্থিত হৈ মৃতদেহটো উদ্ধাৰ কৰে। প্ৰায় ৩০ বছৰীয়া মহিলাৰ মৃতদেহটো উদ্ধাৰ কৰি আৰক্ষী থানালৈ লৈ যায়। আৰক্ষীয়ে এই পৰ্যন্ত মৃতদেহটো চিনাক্তকৰণ কৰিবলৈ সক্ষম হোৱা নাই।

নগাঁৱত ভাৰতীয় ৰেল গুদাম শ্ৰমিক

১২ পৃষ্ঠাৰ পৰা প্ৰভাৰী মনোৰঞ্জন কুমাৰ, উত্তৰ-পূবৰ প্ৰভাৰী পঞ্চানন ডেকা, অসম ৰাজ্যিক সমিতিৰ সভাপতি অতুল ৰাজখোৱা প্ৰমুখ্যে ৰাজ্যিক আৰু নগাঁও জিলাৰ বহুসংখ্যক বিষয়ববীয়াৰ লগতে অসমৰ বিভিন্ন জিলাৰ প্ৰতিনিধিসকল উপস্থিত থাকে। আজি অনুষ্ঠিত এই সভাত শ্ৰমিকসকলৰ বিভিন্ন সমস্যাৰাজিৰ বিষয়ে আলোকপাত কৰাৰ লগতে ৰেল গুদাম শ্ৰমিকসকলৰ চাকৰি নিয়মীয়াকৰণ কৰা, চিকিৎসাৰ সুবিধা প্ৰদান কৰা, গৃহ নিৰ্মাণৰ ব্যৱস্থা কৰা, শিশু শিক্ষাৰ বাবে সাহায্য প্ৰদান কৰাকে ধৰি বিভিন্ন দাবীৰ সন্দৰ্ভতো বিস্তৃত আলোচনা কৰা হয়।

বিটিআৰ প্ৰধান প্ৰমোদ বড়োক সাক্ষাৎ

১২ পৃষ্ঠাৰ পৰা বাবদ এক কোটি টকা সাহায্য আগবঢ়োৱাৰ প্ৰতি সাংবাদিকসকলৰ গুৱাহাটীকে ধৰি দেশৰ বিভিন্ন প্ৰান্তত থকা বড়োলেণ্ড অতিথিশালাবোৰত থকা-মেলাৰ সুবিধা আৰু বড়োলেণ্ড পৰিবহণৰ গাড়ীত ভ্ৰমণত বিশেষ ৰেহায়ৰ ব্যৱস্থা কৰাৰ প্ৰতিশ্ৰুতি দিয়ে। লগতে সাংবাদিকৰ স্বাস্থ্য বীমাকৰণ, সাংবাদিকৰ কল্যাণ ন্যাস গঠন আৰু বিটিআৰৰ প্ৰতিটো জিলাৰ সাংবাদিকৰ ক্ষেত্ৰভিত্তিক অধ্যয়নৰ ভ্ৰমণৰ দিশত বিটিআৰ চৰকাৰৰ তৰফৰ পৰা সহযোগিতা কৰা হ'ব বুলি আশ্বাস দিয়ে। আজি বিটিআৰৰ মুখ্য কাৰ্যবাহী সদস্যৰে সাক্ষাৎকালত কোকৰাঝাৰ, চিৰাং, বাগ্সা আৰু ওদালগুৰি জিলাৰ জ্যেষ্ঠ সাংবাদিকসকল উপস্থিত আছিল।

নেহৰু যুৱ কেন্দ্ৰ সংগঠনৰ উদ্যোগত

১২ পৃষ্ঠাৰ পৰা উদ্দিন আহমেদ, শ্যামল চন্দ্ৰ দাস সন্মানীয় অতিথিৰূপে উপস্থিত থাকে। এই যুৱ উৎসৱত গোটলং আদৰ্শ যুৱ সংঘৰ উপদেষ্টা ড° শংকৰ চক্ৰৱৰ্তী, নুৰুল আমিন আৰু যুৱ প্ৰতিনিধি তথা যুৱ সাংবাদিক ছাইদুল ইছলামে যুৱ প্ৰতিনিধি হিচাপে সভাত যুৱসকলৰ স্বাৱলম্বিতাৰ লগতে সমাজ সংস্কাৰৰ ক্ষেত্ৰত যুৱকসকলৰ ভূমিকা সন্দৰ্ভত বক্তব্য আগবঢ়ায়। গোটলং আদৰ্শ যুৱ সংঘৰ সভাপতি মিৰ্জানুৰ হুছেইনে আঁতধৰা যুৱ উৎসৱৰ অনুষ্ঠানত এক বিশেষ সম্বৰ্ধনা অনুষ্ঠান অনুষ্ঠিত হয়। সম্বৰ্ধনা অনুষ্ঠানত গোটলং আদৰ্শ যুৱ সংঘ আৰু নেহৰু যুৱ কেন্দ্ৰ সংগঠনৰ তৰফৰ পৰা গোটলং আদৰ্শ যুৱ সংঘৰ সকলো বিষয়ববীয়াক সম্বৰ্ধনা জনোৱা হয় বুলি গোটলং আদৰ্শ যুৱ সংঘৰ সহকাৰী সম্পাদক আফতাব হুছেইনে জানিবলৈ দিয়ে।

আমিনগাঁৱত অনুষ্ঠিত হ'ব মানৱ

১২ পৃষ্ঠাৰ পৰা বড়োক সভাপতি, যুটীয়া সাধাৰণ সম্পাদক ক্ৰমে অশ্বিনী কুমাৰ দাস আৰু অজিত শইকীয়াক নিৰ্বাচিত কৰা হয়। ইতিমধ্যে এই ৰাসৰ প্ৰশিক্ষণৰ বাবে বিশ্বনাথ চাৰিআলিৰ পৰা এটি প্ৰশিক্ষকৰ দল আহি উপস্থিত হৈছে। উল্লেখ্য যে শ্ৰীশ্ৰী বিষ্ণু যজ্ঞৰ সমান্তৰালকৈ সন্ধিয়া মাজুলীৰ আৰ্হিত প্ৰদৰ্শিত হ'ব ৰাস উৎসৱ। সাত নৱেম্বৰৰ বিষ্ণু যজ্ঞৰ পূৰ্ণাহুতি অনুষ্ঠানত মুখ্যমন্ত্ৰীৰ সহধৰ্মিণী ৰিণিকি শৰ্মা ভূঞাই অংশগ্ৰহণ কৰিব। আয়োজক সমিতিৰ মুখ্য সংগঠক তথা বিষয়ববীয়া কেশৱ কলিতাই জানিবলৈ দিয়া অনুসৰি, আমিনগাঁও ৰাস মহোৎসৱত ৫০ হেজাৰৰো অধিক লোক সমবেত হ'ব। ইতিমধ্যে আৰক্ষী-প্ৰশাসনৰ লগতে স্বেচ্ছাসেৱক বাহিনীয়ে সমূহ ভক্তপ্ৰাণ ৰাইজক আদৰিবলৈ সাজু হৈ উঠিছে।

গোলাঘাটত ৭৬ সংখ্যক নাৰায়ণপুৰ

১২ পৃষ্ঠাৰ পৰা জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি পুৰঞ্জয় গোস্বামী, গোলাঘাট শাখা সাহিত্য সভাৰ সভাপতি অনিল শৰ্মা, জিলা সাহিত্য সভাৰ সহকাৰী সম্পাদক দেৱজিৎ ফুকন, চিনাতলী শাখা সাহিত্য সভাৰ সম্পাদক অনন্ত শইকীয়া, পশ্চিম গোলাঘাট শাখা সাহিত্য সভাৰ সভাপতি পুতুল গগৈ, বিজুলী শাখা সাহিত্য সভাৰ সভাপতি দ্বীপেন দত্ত, ৰঙামাটি শাখা সাহিত্য সভাৰ উপ- সভাপতি জয়ন্তী ফুকন বৰবৰা, সম্পাদক প্ৰদীপ শইকীয়া, কছাৰীহাট শাখা, বোকাখাত শাখা সাহিত্য সভা আদিৰ বিষয়ববীয়াৰ লগতে দল-সংগঠনৰ প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰে। সভাত অসম সাহিত্য সভাৰ আগন্তুক নাৰায়ণপুৰ অধিবেশন সাফল্যমণ্ডিত কৰাৰ ক্ষেত্ৰত পূৰ্ণ সহায়-সহযোগিতা আগবঢ়োৱাৰ কথা সকলোৱে ঘোষণা কৰে। উল্লেখ্য যে অসম সাহিত্য সভাৰ অধিবেশনৰ আদৰণি সমিতিয়ে প্ৰতিখন জিলা ভ্ৰমণ কৰি সাহিত্য সভাৰ নাৰায়ণপুৰ অধিবেশন সাফল্যমণ্ডিত কৰি তোলাৰ আহ্বানেৰে ৰাইজৰ স'তে সৌহাৰ্দ্যমূলক মত বিনিময়ত মিলিত হৈছে। সৰ্বস্তৰৰ ৰাইজক বৃহৎ জাতীয় সংগঠন অসম সাহিত্য সভাৰ অধিবেশনত জড়িত কৰাৰ লক্ষ্যৰে জিলাই জিলাই এনে ভ্ৰমণ বুলিও প্ৰকাশ কৰে আদৰণি সমিতিৰ বিষয়ববীয়াই।

সৰুপেটাত ৰাজ্যিক প্ৰাদেশিকীকৃত

১২ পৃষ্ঠাৰ পৰা বিদ্যালয়খনৰ ভাৰপ্ৰাপ্ত প্ৰধান শিক্ষক গপেশ চন্দ্ৰ দাসে উদ্বোধন কৰা আজিৰ কাৰ্যনিৰ্বাহক সভাত আদৰণি ভাষণ দিয়ে অভ্যৰ্থনা সমিতিৰ সভাপতি বীৰেন্দ্ৰ ৰাণা পাটগিৰীয়ে। পাটগিৰীয়ে প্ৰদান কৰা আদৰণি ভাষণত বৃহত্তৰ সৰুপেটা অঞ্চলৰ ইতিহাসৰ ব্যাখ্যা কৰাৰ লগতে সংস্থাৰ সাংগঠনিক দিশ টনকিয়াল কৰাৰ ক্ষেত্ৰত বিভিন্নজনৰ অৱদানৰ উল্লেখ কৰাৰ লগতে কাৰ্যনিৰ্বাহক অনুষ্ঠিত কৰাৰ ক্ষেত্ৰত বিদ্যালয়খনে প্ৰদান কৰা সুবিধাৰ বাবে বিদ্যালয়খনৰ শিক্ষক-শিক্ষয়িত্ৰী আৰু কৰ্মচাৰীসকলক ধন্যবাদ জ্ঞাপন কৰে। সংস্থাৰ ৰাজ্যিক সম্পাদক প্ৰধান লংকেশ্বৰ দাসে আজিৰ সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে। সম্বৰ্ধনা অনুষ্ঠানৰ আঁত ধৰে সংস্থাৰ বজালী জিলা সমিতিৰ সম্পাদক জগন্নাথ তালুকদাৰে। সভাত সংস্থাৰ আগন্তুক মধ্যকালীন অধিবেশন ৰাজ্যিক কমিটীৰে আলোচনা কৰি দিন-বাৰ ঠিক কৰাৰ বাবে পৰৱৰ্তী সময়ত সিদ্ধান্ত গ্ৰহণৰ পোষকতা কৰা হয়। আজিৰ এই সভাত টিহু, নলবাৰী, জালাহ আদি ঠাইসমূহৰ লগতে উজনিৰ গহপুৰ, বোকাখাট, ধেমাজি, মৰিগাঁও আদি ঠাইসমূহৰ ভালেসংখ্যক প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰে। সভাৰ আৰম্ভণিতে সংস্থাৰ বজালী জিলা সমিতিৰ সভাপতি বিশ্বেশ্বৰ বৰুৱাই বন্তি প্ৰজ্বলন কৰে। তাৰ পাছতেই স্থানীয় কাহাৰপাৰা গাঁৱৰ মিলিজুলি নামতী দলে দিহানাম পৰিবেশন কৰাৰ লগতে স্থানীয় শংকৰদেৱ শিশু নিকেতনৰ ছাত্ৰী প্ৰিয়াংখী কলিতাই এটি সুন্দৰ বৰগীত পৰিবেশন কৰে। সভাত আমন্ত্ৰিত বিভিন্নজনক সম্বৰ্ধনা জনোৱাৰ লগতে সংস্থাৰ স'তে জড়িত একালৰ সতীৰ্থসকলৰ সোঁৱৰণত এক মিনিট সময় মৌনতাও অৱলম্বন কৰা হয়।

লেখক-সাংবাদিক হেমন্ত কুমাৰ

১২ পৃষ্ঠাৰ পৰা প্ৰতিধ্বনি' (অসম ভিত্তিত সমালোচকৰ দ্বাৰা প্ৰশংসিত আৰু সমাদৃত বঁটাপ্ৰাপ্ত কবিতা পুথি), জোনাকৰ সুহুৰি (কবিতা পুথি), 'অকণিৰ নতুন ধাৰাপাত', 'অকণিৰ মৌকোঁহ', 'শ্ৰীমন্ত শংকৰদেৱ বঁটা বিজয়ী', 'বুৰঞ্জী কথা-অসম হ'ল কেনেকৈ?', আলেখ্য 'মহৰে মহোহে' শীৰ্ষক গ্ৰন্থ প্ৰকাশৰ উপৰি 'পথাৰ', 'শব্দৰ আলাপ', 'লখিমী', 'অষ্টৰাগ', অবিভক্ত কামৰূপ জিলা সাহিত্য সভাৰ স্বীকৃত শাখা সভাসমূহৰ প্ৰকাশিত মুখপত্ৰ প্ৰতিযোগিতাত শ্ৰেষ্ঠ পুৰস্কাৰপ্ৰাপ্ত 'উত্তৰ কামৰূপা' আদি আলোচনী তথা মুখপত্ৰৰ লগতে সাপ্তাহিক 'মণিকূট', পযেকীয়া 'আমাৰ খবৰ', 'কথা-বাৰ্তা', কাকত তেওঁৰ সম্পাদনাত প্ৰকাশ পায়। উল্লেখ্য যে বিভিন্ন শিক্ষা-সাহিত্য-সংস্কৃতি-সামাজিক অনুষ্ঠানৰ পদৱীত কাৰ্যনিৰ্বাহ কৰি অহা চৌধুৰীয়ে 'অসমীয়া খবৰ' কাকতৰ প্ৰতিষ্ঠাকালৰ কৰ্মৰত সাংবদিকৰূপে নিযুক্ত হৈ সাংবাদিকতাৰ ক্ষেত্ৰখনত বৈশিষ্ট্যসূচক বৰঙণি আগবঢ়াই অহাৰ পাছত বাৰাংহাটী শংকৰদেৱ শিশু নিকেতনৰ প্ৰধান আচাৰ্য আৰু ডিমু শংকৰদেৱ শিশু নিকেতনৰ প্ৰতিষ্ঠাপক সম্পাদক-প্ৰধান আচাৰ্যৰূপেও কাৰ্যনিৰ্বাহ কৰিছিল। এজন ছবি অংকনকাৰী আৰু বিহুনৃত্য একাংকিকা নাট, সংগীত আদিৰ বিচাৰকৰূপে পৰিচিতি লাভ কৰা চৌধুৰীয়ে 'শব্দৰ আলাপ' নামৰ কবিতাৰ শ্ৰব্য কেছেট প্ৰযোজনা কৰাৰ পাছত দীপা ভট্টাচাৰ্যৰ কাহিনী, চিত্ৰ নাট্য, পৰিচালনাৰে নিৰ্মিত চুটি ছবি 'দ্য ছিক্স ডে' অৰ ক্ৰিয়েছন'ৰ কাৰ্যবাহী প্ৰযোজকো আছিল। সম্প্ৰতি 'দৈনিক অগ্ৰদূত' কাকতৰ কৰ্মৰত সাংবাদিকৰূপে কাৰ্যনিৰ্বাহ কৰি থকা চৌধুৰীৰ ভিন্ন লেখা ইতিমধ্যে বিভিন্ন বাতৰি কাকতত প্ৰকাশ পাই আহিছে।

'ভূপেন হাজৰিকা কলাভূমি'ত 'আমি

১২ পৃষ্ঠাৰ পৰা লোৱাৰ বাবে শোণিতপুৰ জিলা প্ৰশাসনক ধন্যবাদ জ্ঞাপন কৰে। বিশ্ব বৰেণ্য শিল্পীজনক সোঁৱৰণ কৰিবলৈ 'মাধৱদেৱ কলা নিকেতন'ৰ স'তে জড়িতসকলে যি প্ৰয়াস কৰিছে সেই প্ৰয়াসৰ সফলতা কামনা কৰি চলচ্চিত্ৰ পৰিচালক মহন্তই অনুষ্ঠানৰ কাৰ্যসূচীসমূহৰ দ্বাৰা অসম আৰু অসমীয়াৰ প্ৰাণৰ আপোন শিল্পীজনৰ জীৱন-দৰ্শন প্ৰতিফলিত হ'ব বুলি আশা ব্যক্ত কৰে। মঞ্চত অনুষ্ঠানত অনুষ্ঠানৰ সংগীত পৰিচালক প্ৰাঞ্জল শইকীয়াই কণ্ঠশিল্পী অন্বেষা কাঞ্চন বৰাৰ স'তে সুধাকণ্ঠৰ সেই কালজয়ী গীত 'আমি একেখন নাৱৰে যাত্ৰী'য়ে পৰিৱেশন কৰি এই গীতটিৰ মহত্বৰে সুন্দৰ দৃশ্য সজ্জাৰে কলাভূমিৰ অনুষ্ঠান সজাই তোলাৰ প্ৰয়াস কৰাৰ কথাও সদৰী কৰে। নাট্যকাৰ-পৰিচালক তথা বাণ থিয়েটাৰৰ গ্ৰন্থাগাৰিক দিগন্ত কুমাৰ ভূঞা, হলেশ্বৰ হাইস্কুলৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক দ্বিপেন নাথ, স্থানীয় সত্ৰীয়া শিল্পী কামেশ্বৰ দাস, অসম সাহিত্য সভাৰ প্ৰচাৰ সম্পাদক পংকজ বৰুৱা, মিলনবাকৰি ৰাস মহোৎসৱৰ সমিতিৰ উপদেষ্টা সুনীল শইকীয়া, সম্পাদক অপূৰ্ব বৰা আদিয়ে শুভেচ্ছামূলক ভাষণ দিয়া অনুষ্ঠানত সমাজকৰ্মী দেৱেশ্বৰ শৰ্মাই গ্ৰামাঞ্চলৰ লোক শিল্পীসকলৰ প্ৰতিভাৰ প্ৰশংসা কৰি প্ৰকৃত শিল্পীসকল গাঁওসমূহতেই লুকাই থাকে বুলি মন্তব্য কৰে। আনহাতে, 'কৃষ্ণ অমৃত কথা' শীৰ্ষক গীতি-নৃত্য-নাটিকাৰ এটি শ্লোক এই অনুষ্ঠানতে পৰিৱেশন কৰে সংগীত পৰিচালক প্ৰাঞ্জল শইকীয়াই। শতাধিক বিশিষ্ট ব্যক্তিৰ উপস্থিতিত অনুষ্ঠানত উত্তৰ পশ্চিম তেজপুৰ শাখা সাহিত্য সভাৰ সম্পাদক প্ৰশান্ত কুমাৰ দাসেও এনেদৰে শুভেচ্ছামূলক ভাষণ প্ৰদান কৰি 'মাধৱদেৱ কলা নিকেতন'ৰ অধ্যক্ষ ময়ূৰ কাঞ্চন বৰা এগৰাকী সুস্থ ৰুচীৰ সংগীত শিল্পী বুলি মন্তব্য কৰি এই প্ৰয়াসে গ্ৰামাঞ্চলৰ স্থানীয় কুশীলৰ সকলক উদ্বুদ্ধ কৰিব বুলি মন্তব্য কৰে। অনুষ্ঠানত উপস্থিত থকা অসম সাহিত্য সভাৰ প্ৰচাৰ সম্পাদক পংকজ বৰুৱাই অকল গীত গোৱা, নাটক কৰা, নৃত্য কৰা সকলেই যে শিল্পী নহয় বিভিন্ন শিল্প কৰ্মেৰে জড়িত হৈ থকা লোকজীৱনৰ অলেখ শিল্পীয়ে গ্ৰামাঞ্চলৰ সাংস্কৃতিক ভেটি শক্তিশালী কৰি আহিছে বুলি মন্তব্য কৰি 'ভূপেন হাজৰিকা কলাভূমি'ৰ এই অনুষ্ঠানৰ সামগ্ৰীক সফলতা কামনা কৰে।

ধুবুৰীত আৰক্ষীৰ অভিযানত বাহনসহ অবৈধ গৰু জব্দ

ধুবুৰী, ১৬ অক্টোবৰ ঃ ধুবুৰী আৰক্ষীয়ে অভিযান চলাই অবৈধ গৰু জব্দ কৰাৰ লগতে এখন বলেৰ' পিক আপ ভানসহ এজনক আটক কৰে। প্ৰাপ্ত তথ্য মতে, ধুবুৰী বি এন কলেজ নগৰ আৰক্ষী চকীৰ আৰক্ষীয়ে এক বিশেষ সূত্ৰে এখন বলেৰ' পিক আপ ভানেৰে অবৈধভাৱে বাংলাদেশলৈ গৰু সৰবৰাহ কৰি থকাৰ খবৰ লাভ কৰে। তাৰ পাছতে ধুবুৰী বি এন কলেজ নগৰ আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া ভাস্কৰ জ্যোতি নাথৰ নেতৃত্বত আৰক্ষীৰ এটা দলে যোৱা নিশা ছাগলচৰা অঞ্চলত নিৰ্মীয়মান ধুবুৰী-ফুলবাৰী দলঙৰ ওচৰত অভিযান চলায়। অভিযানত এখন পিক আপ ভানেৰে নটা গৰু চোৰাংকৈ বাংলাদেশলৈ সৰবৰাহ কৰাৰ সময়তে গৰুসহ ভানখনো জব্দ কৰে। আনহাতে, নিৰ্মীয়মান ধুবুৰী-ফুলবাৰী দলঙৰ ঠিকা পোৱা এল এণ্ড টি নামৰ কোম্পানীটোৰ কৰ্মচাৰী মোছাফৰ হুছেইন (৩৮)ক গৰপু সৰবৰাহৰ লগতে জড়িত থকাৰ সন্দেহত আটক কৰে। জব্দকৃত অবৈধ নটাকৈ গৰুসহ বলেৰ' পিক আপ ভানৰ লগতে আটকাধীন হুছেইনক থানালৈ আনি অধিক তথ্যৰ বাবে আৰক্ষীয়ে জেৰা অব্যাহত ৰাখিছে। জব্দকৃত অবৈধ গৰু কেইটা চৰকাৰী খোৱাৰত প্ৰেৰণ কৰা বুলি জানিবলৈ দিয়ে আৰক্ষীয়ে।

ভাওঁৰাগুৰী-চৌতালা ৰেলগেটত অবৈধ তীৰ খেলৰ বেহা

অগ্ৰদূত বাৰ্তা

দোতমা, ১৬ অক্টোবৰ ঃ ভাওঁৰাগুৰী-চৌতাৰা ৰেলগেটত সম্প্ৰতি অবৈধ তীৰ খেলৰ ৰমৰমীয়া বেহা চলা পৰিলক্ষিত হৈছে। ভাওঁৰাগুৰী, চৌতাৰা ৰেলগেট বজাৰত স্থানীয় কেইজনমান লোকে দীৰ্ঘদিনৰ পৰা চলাই আছে অবৈধ তীৰ খেলৰ ৰমৰমীয়া বেহা। এই ক্ষেত্ৰত চকু মুদা কুলিৰ ভাও ধৰি আছে ভাওৰাগুৰীৰ আৰক্ষীয়ে। আৰক্ষীয়ে অবৈধ তীৰ খেল বন্ধ নকৰাত আৰক্ষীৰ ভূমিকাত সন্দেহ উপজিছে সমাজ সচেতন ৰাইজৰ। প্ৰাপ্ত অভিযোগ অনুসৰি, ভাওৰাগুৰী আৰক্ষীয়ে মোটা অংকৰ ধন লৈ অবৈধ তীৰ খেলৰ অনুমতি দি আহিছে।

দেওমৰনৈত স্তন কেঞ্চাৰ

১২ পৃষ্ঠাৰ পৰা আগবঢ়োৱাৰ লগতে দৰং কেঞ্চাৰ কেন্দ্ৰত উপলব্ধ হোৱা সুবিধা সমূহৰ বিষয়ে অৱগত কৰে। কেঞ্চাৰ ৰোগৰ সজাগতা সভাত শতাধিক মহিলাই অংশগ্ৰহণ কৰে। উল্লেখ্য যে অক্টোবৰ মাহটো স্তন কেঞ্চাৰ মাহ উপলক্ষে দৰং কেঞ্চাৰ কেন্দ্ৰত বিনামূলীয়াকৈ মে'মগ্ৰাফী পৰীক্ষা কৰিব পাৰিব অক্টোবৰত।

টংলা আঞ্চলিক জ্যেষ্ঠ নাগৰিক

১২ পৃষ্ঠাৰ পৰা আদিত চন্দ্ৰ কলিতাক কাৰ্যকৰী সভাপতি হিৰণময়ী দেৱীক উপ-সভাপতি, বিনোদ মহন্তক সম্পাদক, প্ৰভাত চন্দ্ৰ ডেকাক সহকাৰী সম্পাদকৰূপে লৈ গঠন কৰা সভাৰ উদ্দেশ্য ব্যাখ্যা আৰু আঁত ধৰে টংলা আঞ্চলিক জ্যেষ্ঠ নাগৰিক সন্মিলনৰ সম্পাদক জ্ঞানেন্দ্ৰ কুমাৰ চলিহাই। কাৰ্যনিৰ্বাহক সভা সমাপন হোৱাৰ পাছতে জ্যেষ্ঠ নাগৰিক নবীন বেজবৰুৱাৰ সভাপতিত্বত অনুষ্ঠিত মুকলি সভাত নিৰ্দিষ্ট বক্তাৰ আসন অলংকৃত কৰি সাহিত্যিক, জ্যেষ্ঠ নাগৰিক ঘনকান্ত ডেকাই জ্যেষ্ঠ নাগৰিকৰ বাবে সময়োপযোগী ভাষণ ৰাখে। স্থানীয় শিল্পীৰ গীত-মাত পৰিৱেশনেৰে জীপাল কৰা সভাখন জাতীয় সংগীতেৰে সফল সামৰণি পৰে।

ভালুকীত বিনামূলীয়া চকু

১২ পৃষ্ঠাৰ পৰা কৰাৰ উপৰি বিভিন্ন ধৰণৰ পৰীক্ষা কৰে। দিনজোৰা এই শিবিৰত বিভিন্ন ধৰণৰ পৰীক্ষা কৰাৰ উপৰি বিনামূলীয়াকৈ ঔষধো যোগান ধৰা হয় আৰু পৰৱৰ্তী সময়ত বিনামূলীয়া অস্ত্ৰোপচাৰৰ বাবে ৰোগী চিনাক্তকৰণ কৰা হয়। এই চিকিৎসা শিবিৰ আনুষ্ঠানিকভাৱে মুকলি কৰে বজালী জিলাৰ উপায়ুক্ত কাৱেৰী বি শৰ্মাই। উপায়ুক্তই উদ্যোক্তাসকলৰ এনে পদক্ষেপক আদৰণি জনাই এনে শিবিৰৰ অতি প্ৰয়োজন বুলি উল্লেখ কৰে। আজিৰ শিবিৰটোত উপায়ুক্তৰ লগতে তেওঁৰ ৮৫ বছৰীয়া মাতৃয়ে চিকিৎসা সেৱা গ্ৰহণ কৰে। উক্ত শিবিৰৰ মুকলি অনুষ্ঠানত উপস্থিত থাকি বজালী জিলাৰ আৰক্ষী অধীক্ষক ধৰ্মেন্দ্ৰ দাসে উদ্যোক্তাসকলৰ প্ৰচেষ্টাৰ শলাগ লয়। মুকলি অনুষ্ঠানৰ আঁত ধৰে ভালুকী সেৱক সংঘৰ সভাপতি পৰেশ চন্দ্ৰ দাসে আৰু উদ্দেশ্য ব্যাখ্যা কৰে সম্পাদক ৰবীন শৰ্মাই।

শিৱসাগৰত অসম বিধানসভাৰ

১২ পৃষ্ঠাৰ পৰা অগ্ৰগতিৰ পৰ্যালোচনা কৰা হয়। সমিতিৰ সভাপতি তথা সদস্যসকলে শিৱসাগৰ জিলাত বিভিন্ন বিভাগৰ আঁচনিসমূহ অতি ক্ষিপ্ৰতাৰে আৰু সময়মতে সম্পাদন কৰিবলৈ নিৰ্দেশ দিয়ে। বিশেষকৈ অসম-নগালেণ্ড সীমান্তৰ বিহুবৰৰ মূল পথটো, যাতায়াতৰ বাবে সুচল কৰি তোলা আৰু জিলাখনত জলজীৱন মিছন আঁচনিৰ অধীনত ৰূপায়িত হৈ থকা প্ৰকল্পসমূহ নিখুঁতভাৱে সম্পন্ন কৰিবলৈ নিৰ্দেশ দিয়ে। সভাত জিলাখনৰ সকলো বিভাগৰ বিভাগীয় মুৰব্বীসকলে তেওঁলোকৰ নিজ নিজ বিভাগৰ কামৰ অগ্ৰগতিৰ খতিয়ান সমিতিৰ আগত দাখিল কৰে। পৰ্যালোচনা বৈঠকত শিৱসাগৰৰ উপায়ুক্ত আদিত্য বিক্ৰম যাদৱ, জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া অশ্বিনী দলে, জিলা উন্নয়ন আয়ুক্ত শোভন গোৱলা, অতিৰিক্ত উপায়ুক্ত কৰ্মদেৱ ব্ৰহ্ম আৰু আন আন বিভাগৰ বিভাগীয় মুৰব্বীসকল উপস্থিত থাকে।

হাউলীত বিত্তীয় সজাগৰ ওপৰত

১২ পৃষ্ঠাৰ পৰা বাবে দেশৰ সাতখন বিশেষ জিলাত আৰম্ভ কৰিছে। এই সাতখন জিলাৰ ভিতৰত উত্তৰ-পূৰ্বাঞ্চলৰ বৰপেটা জিলাই স্থান লাভ কৰিছে। ইয়াৰে অংশৰূপে কালি ভাৰতীয় ষ্টেট বেংকৰ হাউলী শাখাই হাউলীৰ বৰবালাত এক সজাগতা সভা অনুষ্ঠিত কৰে। সভাত ভাৰতীয় ষ্টেট বেংকৰ উৰ্ধ্বতন বিষয়া উপস্থিত থাকি সহস্ৰাধিক গঞা ৰাইজক আৰ্থিক দিশত কিদৰে সঞ্চয় কৰিব লাগে, বীমা, ঋণ আদিৰ ওপৰত ভাষণ আগবঢ়ায়। এই অভিযান লগত সংগতি ৰাখি অনুষ্ঠিত কৰা সভাত ১০টা মহিলা আত্মসহায়ক গোটক গোট ঋণ, ছয় গৰাকীক মুদ্ৰা ঋণ আৰু ৩৯ গৰাকীক পশু-পালনৰ ঋণ প্ৰদানৰ আনুষ্ঠানিকতা আৰম্ভ কৰে। এই অভিযানৰ জৰিয়তে ৰাইজক ঋণ প্ৰদান কৰি যাব বুলি বেংক কৰ্তৃপক্ষই জানিবলৈ দিয়ে। তদুপৰি বেংকত একাউন্টত নথকা সকলক সভা অঞ্চল স্থাপন কৰা চিএছপি শিবিৰত থিতাতে একাউন্ট খোলা আৰু আধাৰ ছেডিঙৰ ব্যৱস্থা কৰি দিয়ে। সজাগতামূলক অভিযান অনুষ্ঠানত ষ্টেট বেংকৰ জিএম সুৰঞ্জনা দত্ত, হাউলী শাখাৰ মুখ্য প্ৰবন্ধক ৰামকৃষ্ণ সাহাৰ লগতে ভাৰতীয় ষ্টেট বেংকৰ উচ্চ পৰ্যায়তৰ বিষয়াসকল উপস্থিত থাকে।

নগাঁৱত জিলা ভিত্তিক যুৱ

১২ পৃষ্ঠাৰ পৰা আহৰণ কৰি এখন সুস্থ সবল সমাজ গঠনত অংশীদাৰ হ'ব লাগিব। সভাত জিলাখনৰ অতিৰিক্ত উপায়ুক্ত বিজিতা ডেকা, জিলা পৰিবহণ বিষয়া সুনীত কুমাৰ নাথ, নেহৰু যুৱক কেন্দ্ৰ সংগঠনৰ উপ-সঞ্চালক প্ৰমথেশ চক্ৰৱৰ্তী, গাণনিক বিষয়া ইকবাল বাহাৰ চৌধুৰী, শিক্ষাবিদ নুৰুল আমিন, এফচিআইৰ অধ্যক্ষ মোশ্বাৰফ হুছেইন কবিৰ, শৈক্ষিক মুৰব্বী ব্ৰজেন বৈশ্য, বিশিষ্ট সমাজকৰ্মী ৰণদীপ নন্দী, বিশিষ্ট অধিবক্তা ক্ৰমে হুমায়ুন কবিৰ, ইনামুল হক, সাংবাদিক ক্ৰমে কনক হাজৰিকা, হৰেশ্বৰ বৰা, নাজিম আহমেদ প্ৰমুখ্যে ভালেকেইগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে। ইয়াৰ পূৰ্বে যুৱ মহোৎসৱৰ লগত সংগতি ৰাখি আজি পুৱাৰ ভাগত জিলা পৰিবহণ বিভাগৰ উদ্যেগত পথ সুৰক্ষাৰ ওপৰত এখন অংকীয়া নাট প্ৰদৰ্শন কৰা হয়। পাছত জিলাখনৰ বিভিন্ন উন্নয়ন খণ্ড অঞ্চলৰ পৰা অহা যুৱক-যুৱতীসকলৰ মাজত জিলা ভিত্তিক প্ৰেমমূলক কবিতা লিখা প্ৰতিযোগিতা, ম'বাইল ফটোগ্ৰাফী প্ৰতিযোগিতা, ছবি আঁকা প্ৰতিযোগিতা, যুৱ সংসদ (আলোচনা) আৰু দলীয় সাংস্কৃতিক প্ৰতিযোগিতা অনুষ্ঠিত হয়। মুকলি সভাতে এই বিজয়ী প্ৰতিযোগীসকলক নগদ ধন আৰু মানপত্ৰৰে পুৰস্কৃত কৰা হয়। উল্লেখ্য যে প্ৰতিযোগিতাত অংশগ্ৰহণ কৰা মুঠ ১৬ গৰাকীৰ লগতে তিনিটা সাংস্কৃতিক বিজয়ী দলৰ ভিতৰত ১১ গৰাকী আৰু সাংস্কৃতিক প্ৰতিযোগিতাৰ প্ৰথম স্থান লাভ কৰা ১০ জনীয়া দলটো গুৱাহাটীত ৰাজ্যিক ভিত্তিত অনুষ্ঠিত হ'ব লগা অনুষ্ঠানত অংশগ্ৰহণ কৰাৰ যোগ্যতা লাভ কৰিব বুলি উদ্যোক্তাসকলে জনায়।

শ্ৰীমন্ত শংকৰদেৱ সংঘৰ শিৱসাগৰ সাহিত্য শাখাৰ বিভিন্ন প্ৰতিযোগিতা সম্পন্ন

অগ্ৰদূত বাৰ্তা

গৌৰীসাগৰ, ১৬ অক্টোবৰ ঃ উত্তৰ-পূৰ্বাঞ্চলৰ সৰ্ববৃহৎ ধৰ্মীয় আৰু সাংস্কৃতিক অনুষ্ঠান শ্ৰীমন্ত শংকৰদেৱ সংঘৰ শিৱসাগৰ জিলা শাখাৰ আজিৰ শিশু যুৱ আৰু আই-মাতৃ সমাৰোহখন সফলভাৱে অনুষ্ঠিত হৈ যায়। জিলা সাহিত্য আৰু সাংস্কৃতিক শাখাৰ উদ্যোগত অনুষ্ঠিত হোৱা সমাৰোহৰ লগত সংগতি ৰাখি শিশু যুৱ আৰু আই-মাতৃসকলৰ মাজত বিভিন্ন সাহিত্য আৰু সাংস্কৃতিক প্ৰতিযোগিতা অনুষ্ঠিত হয়। শংকৰদেৱ সংঘৰ জিলা শাখাৰ নামঘৰত অনুষ্ঠিত হোৱা অনুষ্ঠানটোৰ পুৱা ধৰ্মধ্বজা উত্তোলনৰে আৰম্ভ কৰে জিলা সভাপতি জয়ৰাম চাংমাই। প্ৰতিযোগিতাসমূহ উদ্বোধন কৰে মণিকাঞ্চন বাৰ্তালোচনীৰ সভাপতি মাধৱ ফুকনে। তাৰ পাছতে সাহিত্য শাখাৰ সভাপতি লীলাধৰ দত্তৰ সঞ্চালনাত প্ৰতিযোগিতাসমূহ অনুষ্ঠিত হয়। সাহিত্য শাখাৰ সম্পাদক ৰাজেন ফুকনে আঁত ধৰা অনুষ্ঠানটোত শিশু যুৱ আৰু আইমাতৃসকলৰ মাজত ভাগে ভাগে অনুষ্ঠিত ৰচনা প্ৰতিযোগিতাত শিশু শাখাত মৈত্ৰী চেতিয়া প্ৰথম স্থান, দীপৰঞ্জন বড়া দ্বিতীয় স্থান, বিষ্ণুজ্যোতি বৰাই তৃতীয় স্থান পায়। যুৱ শাখাত কৃষ্ণণি ফুকন প্ৰথম স্থান, অনিৰ্বাণ চেতিয়াই তৃতীয় স্থান পাবলৈ সক্ষম হয়। আইমাতৃ শাখাত গুণমনি নাথে প্ৰথম স্থান, কৃষ্ণা বৰগোহাঁই দ্বিতীয় স্থান আৰু বন্দনা ভৰালী গগৈয়ে তৃতীয় স্থান লাভ কৰে। বক্তৃতা প্ৰতিযোগিতাত শিশু শাখাত পৰিলক্ষিত কলিতাই প্ৰথম স্থান, জুনুকা গগৈয়ে দ্বিতীয় স্থান আৰু বিস্মিতা বৰাই তৃতীয় স্থান লাভ কৰে।

যুৱ শাখাত কৃষ্ণমণি ফুকনে প্ৰথম স্থান, অনিবাৰ্ণ চেতিয়াই দ্বিতীয় স্থান আৰু ৰিম ৰিম বৰাই তৃতীয় স্থান লাভ কৰে। আইমাতৃ শাখাত কাশ্মীৰি গগৈয়ে প্ৰথম স্থান, বন্দনা ভৰালীয়ে দ্বিতীয় স্থান নিৰু গগৈয়ে তৃতীয় স্থান লাভ কৰে। কবিতা প্ৰতিযোগিতাত শিশু শাখাত বনদীপা দত্তই প্ৰথম স্থান, কৃষ্টি বন্দনা গগৈয়ে দ্বিতীয় স্থান আৰু সিদ্ধাৰ্থ বুঢ়াগোহাঁয়ে তৃতীয় স্থান লাভ কৰে। যুৱ শাখাত কৃষ্ণমণি ফুকনে প্ৰথম স্থান, অনিৰ্বাণ চেতিয়াই দ্বিতীয় স্থান আৰু সদানন্দ বুঢ়াগোহাঁয়ে তৃতীয় স্থান লাভ কৰে। আইমাতৃ শাখাত সুকন্যা শইকীয়া দত্তই প্ৰথম স্থান, দেৱাহুতি দুৱৰাই দ্বিতীয় স্থান আৰু কাশ্মিৰী গগৈয়ে তৃতীয় স্থান লাভ কৰে। আনহাতে, সাংস্কৃতিক শাখাৰ সভাপতি নবীন মালিয়াৰ সঞ্চালনাত শিশু যুৱ আৰু আইমাতৃসকলৰ মাজত নৃত্য-গীত আৰু দিহানামৰ প্ৰতিযোগিতা অনুষ্ঠিত হয়।

নামতি প্ৰেছ গীল্ডৰ নতুন সমিতি গঠন

অগ্ৰদূত বাৰ্তা

নামতি, ১৬ অক্টোবৰ ঃ শিৱসাগৰ জিলাৰ নামতি প্ৰেছ গীল্ডৰ অস্থায়ী কাৰ্যালয়ত আজি এক ৰাজহুৱা সভা অনুষ্ঠিত হৈ যায়। প্ৰেছ গীল্ডৰ সভাপতি বিমল বিভূতি গগৈৰ সভাপতিত্বত অনুষ্ঠিত সভাখনৰ উদ্দেশ্য ব্যাখ্যা কৰে সম্পাদক মনোজ কুমাৰ বৰুৱাই। সভাত প্ৰেছ গীল্ডৰ পূৰ্বৰ সমিতিখন ভংগ কৰি নতুন এখন সমিতি গঠন কৰা হয়। বিমল বিভূতি গগৈক সভাপতি, মনোজ কুমাৰ বৰুৱাক উপ-সভাপতি, তৰুণ গগৈক সম্পাদক, চাবৰি ইছলামক সহকাৰী সম্পাদক, সদস্য ক্ৰমে অনুৰাগ শইকীয়া, ৰফিউল হুছেইন, জিতু গগৈ, সুৰজিৎ হাতীমূৰীয়া আৰু জিতু তপন হাতীবৰুৱা। উপদেষ্টা হিচাপে নৃপেন নেওগ, চন্দ্ৰ বৰুৱা আৰু ভাৰত চেতিয়াক নিৰ্বাচন কৰা হয়।

বৰমাত শিক্ষক প্ৰশিক্ষণ কৰ্মশালা সম্পন্ন

অগ্ৰদূত বাৰ্তা

বৰমা, ১৬, অক্টোবৰ ঃ ৩০ সংখ্যক ৰাষ্ট্ৰীয় শিশু বিজ্ঞান সমাৰোহ, বাগ্সা জিলা সমিতিৰ উদ্যোগত কালি বৰমা ছোৱালী হাইস্কুল প্ৰাংগণত দিনজোৰা কাৰ্যসূচীৰে জিলা ভিত্তিক শিক্ষক প্ৰশিক্ষণ কৰ্মশালা অনুষ্ঠিত হৈ যায়। ৰাষ্ট্ৰীয় শিশু বিজ্ঞান সমাৰোহৰ এইবছৰৰ মূল বিষয় 'সুস্বাস্থ্য আৰু সৰ্বাংগীন কুশলতাৰ বাবে পৰিস্থিতি তন্ত্ৰক বুজো আহা'ৰ ওপৰত ৰাষ্ট্ৰীয় শিশু বিজ্ঞান সমাৰোহ, ৰাজ্যিক আয়োজক সমিতিৰ সক্ৰিয় কৰ্মী হিতেশ মেধি, টিহু মহাবিদ্যালয়ৰ অৱসৰী অধ্যাপিকা ড° দিপালী দাস ডেকা, আৰ্যভট্ট বিজ্ঞান কেন্দ্ৰ টিহু খণ্ডৰ সমন্বয়ক অনিমা দাস, অবিভক্ত বাগ্সা জিলা ৰাষ্ট্ৰীয় শিশু বিজ্ঞান সমাৰোহৰ প্ৰাক্তন জিলা সমন্বয়ক দিলীপ কুমাৰ নায়ক, অসম বিজ্ঞান সমিতি, বৰমা শাখাৰ প্ৰাক্তন সম্পাদক লিকু কুমাৰ শৰ্মা, জ্ঞানপীঠ ডিগ্ৰী কলেজ নিকাচিৰ সহযোগী অধ্যাপক অশোক বৰাল, মুছলপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ শিক্ষয়িত্ৰী বীণাপাণি দাস আৰু বৰমা ছোৱালী হাইস্কুলৰ শিক্ষক ৰমেন বড়োই শিক্ষকসকলক প্ৰকল্প প্ৰস্তুতৰ প্ৰশিক্ষণ প্ৰদান কৰে। ৰাষ্ট্ৰীয় শিশু বিজ্ঞান সমাৰোহ, বাগ্সা জিলাৰ সমন্বয়ক আলকাচ আলীয়ে আঁতধৰা আৰু জিলা শৈক্ষিক সমন্বয়ক জ্যোতিৰ্ময় জিষ্ণুই উদ্দেশ্য ব্যাখ্যা কৰা কৰ্মশালাত মুখ্য অতিথিৰূপে উপস্থিত থাকে বাগ্সা জিলা ডিপিঅ' (টিটি) প্ৰনৱজ্যোতি কলিতা আৰু বিশিষ্ট অতিথিৰূপে উপস্থিত থাকে বৰমা ছোৱালী হাইস্কুলৰ প্ৰধান শিক্ষক দেওবাৰ ৰামছিয়াৰীয়ে। উক্ত কৰ্মশালাখনত জিলাখনৰ দুই শতাধিক বিজ্ঞান শিক্ষকে অংশগ্ৰহণ কৰে।

সৰুপথাৰ মহাবিদ্যালয়ত সদৌ অসম ভিত্তিত ভূপেন্দ্ৰ সংগীত প্ৰতিযোগিতা

অগ্ৰদূত বাৰ্তা

সৰুপথাৰ, ১৬ অক্টোবৰ ঃ অসম-নগালেণ্ড সীমান্তৰ উচ্চ শিক্ষাৰ প্ৰাণকেন্দ্ৰস্বৰূপ সৰুপথাৰ মহাবিদ্যালয়ত আগন্তুক ২২ অক্টোবৰত সৰুপথাৰ মহাবিদ্যালয়ৰ ড° ভূপেন হাজৰিকা অধ্যয়ন কেন্দ্ৰৰ উদ্যোগত সদৌ অসম ভিত্তিত ভূপেন্দ্ৰ সংগীত প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। ১৩ বছৰৰ পৰা যিকোনো বয়সৰ ব্যক্তিৰ বাবে মুকলি থকা এই প্ৰতিযোগিতাখনৰ সৰ্বমুঠ ১০ গৰাকী প্ৰতিযোগীক পুৰস্কৃত কৰা হ'ব। আনহাতে, প্ৰথম তিনিটা স্থানপ্ৰাপ্তসকলৰ প্ৰথম পুৰস্কাৰ ১০ হেজাৰ, দ্বিতীয় পুৰস্কাৰ আঠ হেজাৰ আৰু তৃতীয় পুৰস্কাৰ ছয় হেজাৰ নগদ ধন আগবঢ়োৱা হ'ব। দুটা ৰাউণ্ডত অনুষ্ঠিত হ'বলগীয়া এই প্ৰতিযোগিতাখনৰ বাবে সংগীতকাৰীৰ ব্যৱস্থা মহাবিদ্যালয়ে কৰিব যদিও থকা-খোৱাৰ ব্যৱস্থা প্ৰতিযোগীসকলে নিজেই কৰিব লাগিব। প্ৰতিযোগিতাৰ পঞ্জীয়ন মাচুল ৬০০ টকা আৰু এই ভূপেন্দ্ৰ সংগীত প্ৰতিযোগিতাৰ বাবে মুঠ ২০ টা গীত উদ্যোক্তাসকলে নিৰ্ধাৰিত কৰি দিছে। প্ৰথম ৰাউণ্ডত নিৰ্বাচিত হোৱা প্ৰতিযোগীয়ে দ্বিতীয় ৰাউণ্ডত একেটা গীতকে পৰিবেশন কৰিব নোৱাৰিব বুলি প্ৰতিযোগিতাৰ আয়োজকসকলে জানিবলৈ দিছে। নিৰ্ধাৰিত গীতসমূহ হ'ল- বহু দিনৰ আগতে, গধূলিৰ পৰতে, নতুন নিমাতী নিয়ৰৰে নিশা, নিজকে দেখি আজি-কালি, বিক্ষুব্ধ বিশ্ব কণ্ঠই, জীৱনটোৰে কান্দোনখিনি, মিঠা মিঠা ব'হাগৰ, হো হো ধুমুহা আহিলেও, দোলা, দোলা, উজাই বুৰে দিলে, অ' মিচিং ডেকাটি, অতীতৰ বুৰঞ্জী লিখকে, চিৰ যুগমীয়া ঢৌ তুলি, দেহৰ ৰন্ধ্ৰে ৰন্ধ্ৰে, মোৰ মন বাঘ যদি, আজি ব্ৰহ্মপুত্ৰ হ'ল, মদাৰৰে ফুল হেনো, ব'হাগ মাথোঁ এটি, ভালকে পুনৰ চোৱা এবাৰ, চিনাকি মোৰ মনৰ মানুহ, সময়ৰ অগ্ৰগতি। সদৌ অসম ভিত্তিত আয়োজন হ'বলগীয়া এই ভূপেন্দ্ৰ সংগীত প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিবলৈ আগ্ৰহীসকলে ভ্ৰাম্যভাষ নম্বৰ- ৭৮৯৬৪৪৬৫২৫, ৯১০১৮৭১০১১ ত যোগাযোগ কৰি নামভৰ্তি নিশ্চিত কৰিব পাৰিব।

অসম মহিলা বিশ্ববিদ্যালয়ত দুৰ্যোগ ব্যৱস্থাপনা কোষৰ উদ্যোগত সজাগতা সভা

ষ্টাফ ৰিপৰ্টাৰ

যোৰহাট, ১৬ অক্টোবৰ ঃ অসম মহিলা বিশ্ববিদ্যালয়ৰ দুৰ্যোগ ব্যৱস্থাপনা কোষৰ উদ্যোগত তথা যোৰহাট জিলা দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণ, ৰাষ্ট্ৰীয় দুৰ্যোগ সঁহাৰি বাহিনী, অসামৰিক প্ৰতিৰক্ষা বিভাগ তথা যোৰহাট অগ্নিনিৰ্বাপক বাহিনীৰ সহযোগত অসম মহিলা বিশ্ববিদ্যালয়ত দুৰ্যোগকালীন সময়ত গ্ৰহণ কৰিবলগীয়া সাৱধানতা সম্পৰ্কে এখন প্ৰদৰ্শনীমূলক সজাগতা সভা সম্পন্ন হয়। সভাৰ আৰম্ভণিতে আদৰণি ভাষণ প্ৰদান কৰি পঞ্জীয়ক তপন কুমাৰ গোহাঁয়ে কয় যে আপদকালীন সময়ত গ্ৰহণ কৰিবলগীয়া দিশসমূহৰ বিষয়ে প্ৰায়োগিক জ্ঞান লাভ কৰাটো অতি দৰকাৰী। সজাগতা সভাত সমল ব্যক্তিৰূপে উপস্থিত থাকি আপদকালীন সময়ত গ্ৰহণ কৰিবলগীয়া তৎপৰতা আৰু কৌশলসমূহ প্ৰদৰ্শন কৰে ৰাষ্ট্ৰীয় দুৰ্যোগ সঁহাৰি বাহিনীৰ পৰিদৰ্শক মিলন কুমাৰ হাজৰিকা, অসামৰিক প্ৰতিৰক্ষা বিভাগৰ সহকাৰী উপ-নিয়ন্ত্ৰক ৰঞ্জিত হাজৰিকা, যোৰহাট অগ্নি নিৰ্বাপক বাহিনীৰ বিষয়া ভুৱন চন্দ্ৰ মালিয়ে। সভাত যোৰহাট জিলা দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ জিলা প্ৰকল্প বিষয়া প্ৰাণকৃষ্ণ গগৈয়ে দুৰ্যোগ ব্যৱস্থাপনা সম্পৰ্কে বক্তব্য আগবঢ়ায়। সভাত উপস্থিত থাকে পশ্চিম ৰাজহ চক্ৰৰ ক্ষেত্ৰ বিষয়া জুমি বৰুৱা। অসম মহিলা বিশ্ববিদ্যালয়ৰ শিক্ষকসকলৰ লগতে দুই শতাধিক ছাত্ৰীয়ে অংশগ্ৰহণ কৰা সভাৰ শেষত শলাগ জ্ঞাপন কৰে বিশ্ববিদ্যালয়ৰ দুৰ্যোগকালীন কোষৰ সভাপতি অনন্যা শইকীয়াই।

তীব্ৰ গতিৰ ৰেলে বিভীষিকা নমাইছে

১২ পৃষ্ঠাৰ পৰা যোৱা ন অক্টোবৰত খৰিকটীয়া অঞ্চলত ৰেলৰ খুন্দাত একেলগে তিনিটা হাতীৰ মৃত্যু হোৱা ঘটনাটোৱেই এই অঞ্চলত সংঘটিত সবাতোকৈ বৃহৎ ঘটনা। ইয়াৰ পূৰ্বে ভেলেউগুৰি অঞ্চলত একেলগে দুটা হাতীৰ মৃত্যু হৈছিল। তদুপৰি ভেলাগুৰি চাহ বাগিচা, কঁঠালগুৰি চাহ বাগিচা, তিতাবৰ, নগাধুলি আদি স্থানৰ লগতে গিবন অভয়াৰণ্যৰ মাজতো ৰেলৰ খুন্দাত হাতীৰ মৃত্যু হৈছে। ইয়াৰ প্ৰধান কাৰণ হৈছে হাতী দণ্ডীত তীব্ৰগতিত ৰেলে আহ-যাহ কৰাটো। বনৰীয়া হাতীয়ে বিচৰণ কৰা অঞ্চলসমূহতো প্ৰতিখন ৰেলেই তীব্ৰ গতিত চলাচল কৰাৰ বাবেই এতিয়া প্ৰতিনিয়ত মৃত্যুৰ সন্মুখীন হৈছে হাতীজাকৰ সদস্য। মন কৰিবলগীয়া যে উত্তৰ-পূব সীমান্ত ৰেলৰ কৰ্তৃপক্ষই বন বিভাগৰ কোনো অনুৰোধৰ প্ৰতি গুৰুত্ব নিদিয়াৰ অভিযোগ বহু পুৰণি। প্ৰাক্তন মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ চৰকাৰৰ দিনত অসমৰ বহুকেইটা স্থান হস্তী দণ্ডীৰূপে চিহ্নিত কৰি ৰেলৰ গতিবেগ নিয়ন্ত্ৰণৰ ব্যৱস্থা কৰিছিল। তাৰ ভিতৰত মৰিয়নিৰ একাধিক স্থানো অন্তৰ্ভুক্ত হৈছিল। তদুপৰি তাৰ আগেয়েও হাতী বিচৰণ কৰা কে'বাটাও স্থান ৰেল বিভাগ আৰু বন বিভাগৰ যুটীয়া জৰীপত চিনাক্তকৰণ কৰি সেইসমূহ স্থানত ৰেলৰ গতিবেগ নিয়ন্ত্ৰণৰ ব্যৱস্থা কৰা হৈছিল। পৰিতাপৰ কথা যে এটা দুৰ্ঘটনা সংঘটিত হোৱাৰ কিছুদিনলৈকেহে ৰেলৰ গতিবেগ নিয়ন্ত্ৰণ হয় যদিও তাৰ পাছত এই নিৰ্দেশনা অধিকাংশ ৰেল চালকেই মানি চলা দেখা নাযায়। উদাহৰণ স্বৰূপে গিবন অভয়াৰণ্যৰ মাজত ৰেলৰ গতি সীমাবদ্ধ কৰা আছে। সেই অনুসৰি, অভয়াৰণ্যখনৰ মাজেৰে প্ৰতিখন ৰেলৰ সৰ্বোচ্চ গতিবেগ ঘন্টাত ৪০ কিলোমিটাৰ কৰা আছে যদিও অধিকাংশ ৰেল চালকেই এই নিৰ্দেশ অমান্য কৰি তীব্ৰ গতিৰে অভয়াৰণ্যখন পাৰ হৈ যায়। আনকি অধিকাংশ চালকেই এইসমূহ স্থানত হৰ্ণ বজোৱাৰ পৰাও বিৰত থকা পৰিলক্ষিত হয়। গতিবেগ নিয়ন্ত্ৰণ নকৰাৰ ফলতেই হাতীক খুন্দা মাৰি নিহত কৰা আটাইকেইটা ঘটনাই সংঘটিত হৈছে। আনহাতে, বন বিভাগৰ এক সূত্ৰই জনাইছে যে ৰেলৰ গতিবেগ নিয়ন্ত্ৰণৰ অনুৰোধ জনাই ৰেল বিভাগলৈ বহু পত্ৰ প্ৰেৰণ কৰা হল যদিও বিভিন্ন অজুহাতত ৰেল কৰ্তৃপক্ষই সঁহাৰি জনোৱাৰ পৰা বিৰত থাকে। আনকি ৰেলৰ গতি হ্ৰাস কৰাৰ ফলত ৰেল বিভাগে প্ৰতিদিনেই কে'বা কোটিৰ লোকচানৰ সন্মুখীন হ'বলগীয়া হয় বুলিহে ৰেল বিভাগৰ একাংশ বিষয়াই ক'ব খোজে। এইখিনিতে উল্লেখৰ প্ৰয়োজন যে কেইবছৰমানৰ আগতে বন বিভাগৰ প্ৰচেষ্টাত আৰু ৰেল বিভাগৰ সহযোগত তেনে হাতী দণ্ডীত একোজনলৈ লোক নিযুক্তি দিছিল। তেওঁলোকে ৰেলপথৰ আশে-পাশে হাতী থাকিলে অথবা হাতীয়ে ৰেলপথ পাৰ হ'ব বিচাৰিলে তাৎক্ষণিকভাৱে ৰেল বিভাগক অৱগত কৰিছিল আৰু সেই অনুসৰি সেইসময়ত সেই পথেদি আহ-যাহ কৰিবলগীয়া ৰেলৰ চালকক এই হাতীৰ সম্পৰ্কে অৱগত কৰি সাৱধান কৰি দিছিল। অৱশ্যে সম্প্ৰতি ৰেল বিভাগৰ সহযোগিতাৰ অভাৱতে এই ব্যৱস্থাৰ প্ৰায় ইতি পৰা বুলি বন বিভাগপ সূত্ৰই জনাইছে। ইয়াতে বিভিন্নজনে প্ৰশ্ন কৰিছে যে যোৱা ন অক্টোবৰৰ নিশা খৰিকটীয়া অঞ্চলত সংঘটিত হৃদয়বিদাৰক ঘটনাৰ দায়িত্ব কোনে ল'ব? কাৰ দোষত তিনিটাকৈ অবোধ জীৱই প্ৰাণ হেৰুৱাবলগীয়া হ'ল? বন বিভাগৰ মতে, ঘটনাৰ দিনা সেই স্থানত ৰেলপথৰ আশে-পাশে হাতী থকাৰ বিষয়ে ৰেল বিভাগক অৱগত কৰা হৈছিল। তাৰ পাছতো তীব্ৰ বেগত অহা ৰাজধানী এক্সপ্ৰেছৰ খুন্দাত পোৱালিসহ তিনিটাকৈ হাতীৰ মৃত্যু হ'ল। এই ঘটনাৰ পৰা বন বিভাগ আৰু ৰেল বিভাগে কি শিক্ষা লয় সেয়া সময়েহে ক'ব। ৰেল অথবা বন বিভাগ যিয়েই নহওক কাৰোৱে দায়িত্বহীনতাৰ বাবে যাতে ভৱিষ্যতে এনে দুৰ্ভাগ্যজনক ঘটনা পুনৰ সংঘটিত নহয়, সেই বিষয়ে সকলো সজাগ হোৱাটো প্ৰতিজন সচেতন লোকে কামনা কৰিছে।

বিহালীৰ শিক্ষক মহম্মদ আব্দুল হকৰ মৃত্যু

অগ্ৰদূত বাৰ্তা

বিহালী, ১৬ অক্টোবৰ ঃ বিহালী অঞ্চলৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ স'তে অতি আন্তৰিকতাৰে জড়িত হৈ থকা নিষ্ঠাবান শিক্ষক মহম্মদ আব্দুল হকে দীৰ্ঘদিন ধৰি অসুস্থ অৱস্থাত থকাৰ পাছত যোৱা নিশা ১২-৪৫ বজাত শেষ নিশ্বাস ত্যাগ কৰে। তেওঁ দীৰ্ঘদিন ধৰি বিহালীৰ সেই সময়ত অতি পিছপৰা কলাগুৰি জাৰণি গাঁৱৰ মোলান চন্দ্ৰ শৰ্মা স্মৃতি প্ৰাথমিক বিদ্যালয়ত শিক্ষকতা কৰি পিছপৰা জাতি-জনগোষ্ঠীৰ ছাত্ৰ-ছাত্ৰীৰ বাবে আগবঢ়াই যোৱা সেৱা সদায় চিৰস্মৰণীয় হৈ ৰ'ব। শিক্ষকতা কৰাৰ উপৰি সামাজিক অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগত ওতঃপ্ৰোতভাৱে জড়িত আছিল। তেওঁৰ কৰ্মনিষ্ঠা আৰু সততাৰ চিনস্বৰূপে মধ্য বিহালী শাখা সাহিত্য সভাৰ লগতে বহুকেইটা অনুষ্ঠান-প্ৰতিষ্ঠানে অনেক সময়ত সম্বৰ্ধনা জনাইছিল। তেওঁৰ বিদেহ আত্মাৰ চিৰশান্তি কামনা কৰি আজি বহুসংখ্যক গুণমুগ্ধই অন্তিম দৰ্শন কৰি বিদেহ আত্মাৰ চিৰশান্তি কামনা কৰাৰ লগতে শোক সন্তপ্ত পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰে।

হোজাইত বান সাহায্যৰ নামত অবাধ দুৰ্নীতিৰ অভিযোগ

অগ্ৰদূত বাৰ্তা

হোজাই, ১৬ অক্টোবৰ ঃ হোজাইত বান সাহায্যৰ নামত অবাধ দুৰ্নীতিৰ অভিযোগ উঠিছে। প্ৰকৃত হিতাধিকাৰীয়ে পোৱা নাই বান সাহায্য। হোজাইৰ ৰাজহ চক্ৰৰ অধীনস্থ যোগীজান উন্নয়ন খণ্ডৰ ৰাজবাৰী গাঁও পঞ্চায়তৰ নাভাঙাৰ ছয় নম্বৰ ৱাৰ্ডত সংঘটিত হৈছে এই দুৰ্নীতি। চৰকাৰী গাঁওবুঢ়া মোহন লাল থাওচেন আৰু লাট মণ্ডল নিজাম বৰ্গেয়াৰীৰ বিৰুদ্ধে হোজাই জিলা ভাৰতীয় জনতা পাৰ্টিৰ এছটি মৰ্চাৰ সভাপতি মেৰুধন বড়োৱে উত্থাপন কৰিছে এই অভিযোগ। হোজাইৰ নাভঙাৰ ছয় নম্বৰ ৱাৰ্ডৰ অমৃত কেম্প্ৰাই নামৰ লোকজনৰ ঘৰ বানত কোনো ক্ষতি নোহোৱাৰ পাছতো লাট মণ্ডল আৰু চৰকাৰী গাঁওবুঢ়াৰ লগত মিতিৰালি কৰি সম্পূৰ্ণ ক্ষতিৰ প্ৰতিবেদন দি ৯৫ হেজাৰ টকা আত্মসাৎ কৰা বুলি বড়োৱে অভিযোগ কৰিছে। উক্ত বিষয় সন্দৰ্ভত সভাপতি বড়োৱে অভিযোগ উত্থাপিত কৰি বিজেপিৰ যোগীজান মণ্ডলৰ এছটি মৰ্চাৰ পেডত লিখিতভাৱে হোজাইৰ উপায়ুক্তলৈ এখন অভিযোগনামা দাখিল কৰে। অৱশ্যে উপায়ুক্তৰ তৰফৰ পৰা আজিলৈ কোনো সঁহাৰি নোপোৱাৰ অভিযোগ উত্থাপিত কৰিছে বড়োৱে।

বকো সমষ্টিৰ বিধায়িকা নন্দিতা দাসে পৰিদৰ্শন কৰিলে খহনীয়াত ক্ষতিগ্ৰস্ত অঞ্চল, দেওবাৰে।

নলবাৰীত পথ দুৰ্ঘটনা ঃ থিতাতে নিহত মহিলা

অগ্ৰদূত বাৰ্তা

নলবাৰী, ১৬ অক্টোবৰ ঃ নলবাৰীৰ ৩১ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ হৰিপুৰত সংঘটিত এক পথ দুৰ্ঘটনাত থিতাতে এগৰাকী মহিলা নিহত হয়। নিহত মহিলাগৰাকীৰ নাম জুমী ঠাকুৰীয়া। এএছ-১ইজি-০১৮৯ নম্বৰৰ এখন স্কুটীৰে জুমিৰ স্বামী দিপুল ঠাকুৰীয়া আৰু কণমানি শিশুৰ স'তে নলবাৰীৰ দিশৰ পৰা গৈ আছিল। স্কুটীৰে নলবাৰীৰ দিশৰ পৰা ঘৰলৈ গৈ থকা অৱস্থাতে এএছ-০১এলচি-৬২১৫ নম্বৰৰ বাছখনৰ স'তে দুৰ্ঘটনাত পতিত হয়। উল্লেখ্য যে কণমানি শিশুটি আৰু পিতৃ আঘাতপ্ৰাপ্ত হয় যদিও সৌভাগ্যক্ৰমে ৰক্ষা পৰে।

মাজুলীৰ লক্ষীৰাম দুৱৰা দাসলৈ 'সাঁকো'ৰ 'বৈষ্ণৱ সাহিত্য ৰত্ন বঁটা' প্ৰদান

অগ্ৰদূত বাৰ্তা

কমলাবাৰী, ১৬ অক্টোবৰ ঃ আধ্যাত্মিক চিন্তা ধ্যান ধাৰণা আৰু জ্ঞানৰে পৰিপুষ্ট মহাপুৰুষ শংকৰদেৱৰ এগৰাকী আদৰ্শৱান যুৱ সেৱক মাজুলী দক্ষিণপাট কৈৱৰ্ত গাঁও নিবাসী লক্ষীৰাম দুৱৰা দাসলৈ অসমৰ অন্যতম সামাজিক আৰু সাংস্কৃতিক অনুষ্ঠান 'সাঁকো' নামৰ এই স্বেচ্ছাসেৱী অনুষ্ঠানে 'বৈষ্ণৱ সাহিত্য ৰত্ন বঁটা' আগবঢ়োৱাৰ বাতৰিয়ে উৎফুল্লিত কৰিছে মাজুলীবাসীক। ২২ অক্টোবৰত যোৰহাট বিজ্ঞান কেন্দ্ৰ তাৰকাগৃহত উক্ত বঁটা প্ৰদানৰ এক অনুষ্ঠান অনুষ্ঠিত হ'ব। একেটা অনুষ্ঠানতে ঐতিহ্যমণ্ডিত শ্ৰীশ্ৰীআউনী আটী সত্ৰৰ সত্ৰাধিকাৰ ড° পীতাম্বৰদেৱক সূৰ্য বঁটা, প্ৰতিদিন টাইমৰ মুখ্য সম্পাদক বিশিষ্ট সাংবাদিক নিতুমণি শইকীয়াক 'অগ্নিকণ্ঠ' সন্মান প্ৰদান কৰাৰ উপৰি সমাজৰ বিভিন্ন ক্ষেত্ৰলৈ আগবঢ়োৱা অৱদানৰ বাবে ৰাজ্যৰ বহুকেইগৰাকী বিশিষ্ট ব্যক্তিক সন্মান প্ৰদান কৰা হ'ব। বাল্যকালৰ পৰা আৰ্থিক সমস্যাৰ মাজত ডাঙৰ-দীঘল হোৱা যুৱ সমাজ সেৱক লক্ষীৰাম দুৱৰা দাস মহাপুৰুষ শংকৰদেৱৰ আদৰ্শৰে অনুপ্ৰাণিত এগৰাকী ধৰ্মপ্ৰচাৰক।

শাক-পাচলি ব্যৱসায়ৰে নিজৰ পৰিয়াল পোহপাল দিয়াৰ লগতে উপাৰ্জিত অৰ্থৰে প্ৰায় কুৰিখনৰো অধিক ধৰ্মগ্ৰন্থ লিখি সাহিত্যৰ ভঁৰাল চহকী কৰিছে। ইয়াৰ উপৰি ৰাজ্যৰ বিভিন্ন জিলাত সুন্দৰভাৱে ভাগৱত পাঠ আৰু ব্যাখ্যা কৰি ৰাইজক আপ্লুত কৰি আহিছে। বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানে সামাজিক স্বীকৃতি স্বৰূপে লক্ষীৰাম দুৱৰা দাসক সম্বৰ্ধনা আদি জনাই তেওঁৰ কৰ্ম প্ৰেৰণাত উৎসাহ জনাই আহিছে। নৱ প্ৰজন্মৰ এগৰাকী আদৰ্শৱান আধ্যাত্মিক যুৱকক 'সাঁকোৰ' তৰফৰ পৰা শ্ৰীশ্ৰী আউনী আটীয় সত্ৰাধিকাৰ ড° পীতাম্বৰ দেৱগোস্বামী আৰু ৰাজ্যৰ বিশিষ্ট সাংবাদিক নিতুমণি শইকীয়াসহ একেখন মঞ্চত সামাজিক স্বীকৃতিৰে বঁটা প্ৰদান কৰা খবৰত সন্তোষ প্ৰকাশ কৰি যোগ্য ব্যক্তি নিৰ্বাচিত কৰাৰ বাবে 'সাঁকো'ৰ বিষয়ববীয়াৰ প্ৰতি মাজুলীৰ অন্যান্যসকলৰ লগতে মাজুলী জিলা সাহিত্য সভাৰ সভাপতি ৰণজিৎ ভূএগ, জিলা সাংবাদিক সন্থাৰ সভাপতি দিবাকৰ শইকীয়া, জিলা ছাত্ৰ সন্থাৰ সভাপতি অজিত হাজৰিকা, যুৱ-ছাত্ৰ পৰিষদৰ মাজুলী জিলা সমিতিৰ সভাপতি মুনীন্দ্ৰ ভূএগ, সম্পাদক পৱিত্ৰ বৰাই ধন্যবাদ জ্ঞাপন কৰাৰ লগতে শুভাকাংক্ষীসকলে শ্ৰীশ্ৰীআউনীআটী সত্ৰৰ ধৰ্মাধিকাৰ ড° পীতাম্বৰ দেৱগোস্বামীসহ আটাইকেইগৰাকী বিশিষ্ট ব্যক্তিলৈ আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰে।

দেশ মাতৃৰ বন্দনাৰে ল'লে ৰাষ্ট্ৰৰ অখণ্ডতাৰ শপত

অগ্ৰদূত বাৰ্তা

উত্তৰ গুৱাহাটীত ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘৰ পথ সঞ্চালন

উত্তৰ গুৱাহাটী, ১৬ অক্টোবৰ ঃ প্ৰতিজন নাগৰিকৰ ৰাষ্ট্ৰৰ প্ৰতি সমৰ্থন আৰু ৰাষ্ট্ৰৰ ঐক্য, সংহতি গঢ়ি তোলাৰ এক প্ৰয়াস ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘৰ। ৰাষ্ট্ৰ নিৰ্মাণৰ এই যাত্ৰাত ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘৰ অৱদান সদায়ে অতুলনীয়। সংঘৰ পৰম্পৰা অনুযায়ী প্ৰতি বছৰে বিজয়া দশমীত ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘই আয়োজন কৰি আহিছে পথ সঞ্চালন। কিন্তু অসমত কিছু অসুবিধাৰ বাবে এই কাৰ্যসূচী পিছুৱাই দিয়া হৈছিল যদিও আজি উত্তৰ গুৱাহাটী নগৰ কাৰ্যকাৰিণীৰ উদ্যোগত উত্তৰ গুৱাহাটী মহাবিদ্যালয়ৰ খেলপথাৰৰ পৰা নগৰ ভ্ৰমণেৰে অনুষ্ঠিত হ'ল পথ সঞ্চালন কাৰ্যসূচী। বেনপাৰ্টি আৰু মংগল ধ্বনিৰ পাছত উত্তৰ গুৱাহাটী মহাবিদ্যালয়ৰ পৰা চাৰি কিলোমিটাৰ পথ সঞ্চালন কৰি পুনৰ উত্তৰ গুৱাহাটী মহাবিদ্যালয় খেলপথাৰত সকলো মিলিত হয়। উত্তৰ গুৱাহাটী নগৰ কাৰ্যবাহী দিপাংকৰ শৰ্মাৰ পৌৰোহিত্যত অনুষ্ঠিত এই অনুষ্ঠানত এক বৌদ্ধিক বৈঠকো অনুষ্ঠিত হয়। এই বৌদ্ধিক প্ৰমুখ অনুষ্ঠানত গুৱাহাটী বিভাগৰ বিভাগ প্ৰচাৰক অতুল দেশপাণ্ডে আৰু গুৱাহাটী মহানগৰ সংঘ চালক গুৰু প্ৰসাদ মেধিয়েও অংশগ্ৰহণ কৰে। শিশুৰ পৰা সকলো বয়সৰ স্বয়ংসেৱকে দেশ মাতৃৰ বন্দনাৰে ল'লে ৰাষ্ট্ৰৰ অখণ্ডতাৰ শপত তথা হিন্দু ধৰ্মৰ জয়গান।

শিমলাবাৰী টাপুত বন্যহস্তীৰ আক্ৰমণত এজন আহত

অগ্ৰদূত বাৰ্তা

শ্ৰীৰামপুৰ, ১৬ অক্টোবৰ ঃ কোকৰাঝাৰ জিলাৰ গোসাঁইগাঁও মহকুমাৰ অসম-বংগ সীমান্ত অঞ্চলত কচুগাঁও বনাঞ্চলৰ পৰা খাদ্যৰ সন্ধানত জনাৰণ্যত ওলাই আহি হাতীয়ে তাণ্ডৱ চলোৱা ঘটনা প্ৰায়েই সংঘটিত হৈ আছে। হাতী-মানুহৰ সংঘাতৰ কে'বাটাও ঘটনা ঘটাৰ পাছত আজি পুনৰ মহকুমাটোৰ অসম-বংগ সীমান্ত অঞ্চলত বন্যহস্তীৰ এটা দলে তাণ্ডৱ চলোৱাৰ উপৰি এজন লোকক আক্ৰমণ কৰি আহত কৰে। উক্ত অঞ্চলৰ সোণকোষ নৈৰ কাষৰীয়া অঞ্চল শিমলাবাৰী টাপুত দুটা বন্যহস্তীয়ে বনাঞ্চলৰ পৰা ওলাই আহি গাঁওখনত উপদ্ৰৱ চলায়। হাতী দুটাই উপদ্ৰৱ চলাই ধান খেতি নষ্ট কৰাৰ লগতে গাঁওখনৰে বাসিন্দা ৰবিন মুৰ্মু (৪৫)ক ভৰিৰে গচকি গুৰুতৰভাৱে আহত কৰে। ইপিনে, হাতীৰ গচকত আঘাতপ্ৰাপ্ত হৈ গুৰুতৰভাৱে আহত মুৰ্মুক চিকিৎসালয়ত লৈ যোৱাৰ বাবে ৰাস্তাৰ অভাৱত প্ৰায় দুই কিলোমিটাৰ পথ সাঙী কৰি কান্ধত তুলি লৈ খোজকাঢ়ি আনি এম্বুলেন্সত উঠাই গোসাঁইগাঁওস্থিত আৰএনবি চিকিৎসালয়ত লৈ আনে। গুৰুতৰ আহত লোকজন বৰ্তমানে চিকিৎসালয়ত জীৱন-মৃত্যুৰ স'তে যুঁজি আছে। উক্ত অঞ্চলৰ ৰাইজে অভিযোগ উত্থাপন কৰি কয় যে বনৰীয়া হাতীৰ দলে দীৰ্ঘদিন ধৰি উক্ত গাঁওখনত উপদ্ৰৱ চলোৱা বিষয়টো বন বিভাগক অৱগত কৰা সত্বেও বন বিভাগে বনৰীয়া হাতী খেদাৰ ক্ষেত্ৰত কোনো কাণসাৰ দিয়া নাই। বন বিভাগৰ ব্যৰ্থতাৰ বাবেই বন্যহস্তীৰ আক্ৰমণৰ মুখামুখি হৈ আছে। বন্যহস্তীৰ তাণ্ডৱৰ আতংকত পৰিয়ালক লৈ উজাগৰী নিশা কটোৱা উক্ত অঞ্চলৰ ৰাইজে জনাঞ্চলত বন্যহস্তীৰ আগমন প্ৰতিহত কৰাৰ বাবে বন বিভাগৰ ওচৰত দাবী জনায়।

জ্ঞানজ্যোতি পুথিভঁৰাল চৌধুৰীপাৰাৰ সোণালী জয়ন্তীৰ সামৰণি

অগ্ৰদূত বাৰ্তা

পলাশবাৰী, ১৬ অক্টোবৰ ঃ পলাশবাৰী সমষ্টিৰ অন্তৰ্গত ১৯৭২ত স্থাপিত জ্ঞানজ্যোতি পুথিভঁৰাল চৌধুৰীপাৰাৰ ৫০ সংখ্যক বৰ্ষপূৰ্তি উপলক্ষে যোৱা ১৪ অক্টোবৰৰ পৰা তিনিদিনীয়া এক বৰ্ণাঢ্য কাৰ্যসূচীৰে সোণালী জয়ন্তীৰ আজি সফল সামৰণি পৰে। আজি তৃতীয় দিনা পুৱা চিত্ৰাংকন প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। বিয়লি 'সাম্প্ৰতিক পৰিস্থিতিৰ প্ৰেক্ষাপটত অসমৰ সমাজ জীৱনৰ ভবিষ্যৎ' শীৰ্ষক আলোচনাচক্ৰ অনুষ্ঠিত কৰা হয়। দক্ষিণ কামৰূপ মহাবিদ্যালয় মিৰ্জাৰ অধ্যক্ষ ড° নৱজ্যোতি দাসৰ সঞ্চালনাত অনুষ্ঠিত এই আলোচনাচক্ৰত আলোচক হিচাপে বি বৰুৱা মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ ড° দীনেশ চন্দ্ৰ বৈশ্যই উপস্থিত থাকি মানুহৰ মনৰ নগৰীকৰণ হৈছে কিন্তু আধুনিক হোৱা নাই বুলি কয়। তেওঁ কয় 'আমি ক্ৰেতালৈ সলনি হৈছো। অসমত অজস্ৰ ৫০ বছৰীয়া স্কুল বন্ধ কৰি দিয়া হৈছে। এতিয়া শিক্ষাৰ বজাৰীকৰণ হৈছে। সমাজৰ বজাৰীকৰণ হৈছে। সংস্কৃতিৰ বজাৰীকৰণ হৈছে। ৰাজনীতিৰ বজাৰীকৰণ আৰম্ভ হৈছে বুলি কয়। তেওঁ শেষত টকাৰ ধান্দাত থকা মানুহে ৰাজনীতি কৰে' বুলি দোহাৰি বৰিহাট অসমৰ এখন যুক্তিবাদী গাঁও বুলি উল্লেখ কৰে। আন এগৰাকী আলোচক গণশিল্পী লোকনাথ গোস্বামী উপস্থিত থাকি অসমীয়া মাধ্যমৰ বিদ্যালয়ৰ সংকট, ঘৰুৱা সংকটৰ কথা উল্লেখ কৰে। আৱাহন থিয়েটাৰৰ লভিতা নাটক চাই ভাল হৈছে বুলি মুখ্যমন্ত্ৰীয়ে কোৱাত থিয়েটাৰ কৰ্তৃপক্ষই ওভতগোৰে নাচিছিল যদিও জ্যোতিপ্ৰসাদৰ লভিতা নাটক বিকৃতকৰণৰ প্ৰতিবাদত লভিতাৰ প্ৰদৰ্শন বন্ধ হয়। গতিকে সমাজত ভাল মানুহ যে আছে সেয়াই প্ৰমাণ বুলি কয়। ফণী শৰ্মা, ভূপেন হাজৰিকা, জ্যোতিপ্ৰসাদ, হেমাংগ বিশ্বাস আদি মহান ব্যক্তিসকলৰ বিষয়ে কয়। চাৰিওফালে মানুহ অসন্তুষ্টিত ভুগিছে বুলি উল্লেখ কৰি ৰাষ্ট্ৰযন্ত্ৰই ইয়াৰ কাৰণ বুলি কয়। তেওঁ লগতে 'আমোলমোল শেৱালিৰ গোন্ধ' শীৰ্ষক গীতটি পৰিৱেশন কৰি দৰ্শকক আপ্লুত কৰে। স্মৃতিগ্ৰন্থ 'জ্ঞানজ্যোতি' উন্মোচন কৰে অধ্যাপক এডবাৰ্ড ষ্টেডী এন চাংমাই। জ্ঞানৰ আলোচনা হোৱা মানুহবোৰ যুক্তিবাদী বুলি তেওঁ উল্লেখ কৰে।

আজি অসম গৌৰৱ জাহ্নু বৰুৱাৰ ৭১ সংখ্যক ওপজা দিন

চেপন, ১৬ অক্টোবৰ ঃ আন্তৰ্জাতিক খ্যাতিসম্পন্ন বোলছবি পৰিচালক, ছবি নিৰ্মাতা, শিৱসাগৰৰ বকতাৰ সু-সন্তান অসম গৌৰৱ, পদ্মভূষণ জাহ্নু বৰুৱাৰ কাইলৈ ৭১ সংখ্যক জন্মদিন। প্ৰখ্যাত অসমীয়া কথাছবি 'অপৰূপা'ৰ যোগেদি চলচিত্ৰ জগতত আত্মপ্ৰকাশ কৰি পৰৱৰ্তীকালত বহুকেইটা ৰাষ্ট্ৰীয় তথা আন্তৰাষ্ট্ৰীয় সন্মানেৰে অসমলৈ গৌৰৱ কঢ়িয়াই অনা বিশিষ্ট চলচিত্ৰ পৰিচালক গৰাকীৰ ৭১ সংখ্যক জন্মদিনটো কাইলৈ তেওঁৰ ওপজা গাঁও বকতা জাপিসজিয়াৰ সমীপৰ ঐহিত্যমণ্ডিত পাটসাঁকোত উদ্‌যাপনৰ পূৰ্ণ প্ৰস্তুতি চলিছে। জিলাখনৰ অগ্ৰণী বেচৰকাৰী স্বেচ্ছাসেৱী অনুষ্ঠান বকতা-খালৈঘোগুৱা সংস্কৃতি আৰু জনকল্যাণ সমিতিৰ পাটসাঁকো শাখা আৰু বকতা পাৰিজাত পূৰ্বজ্যোতি সংঘৰ যৌথ উদ্যোগত আৰু স্থানীয় শুভাকাংক্ষী ৰাইজৰ সহযোগত পাটসাঁকো ৰাজহুৱা পুথিভঁৰাল প্ৰেক্ষাগৃহত অনুষ্ঠিত হ'বলগা বৰুৱাৰ জন্মদিন উপলক্ষে সন্ধিয়া পাঁচ বজাৰ পৰা এক বৰ্ণিল সাংস্কৃতিক কাৰ্যসূচী হাতত লোৱা হৈছে বুলি আয়োজক সমিতিৰ বিষয়ববীয়া ক্ৰমে কুলদ্বীপ কটকী, মৌচুমী ৰাজমহন বৰুৱা আৰু দেৱজিৎ চাউৰকে জানিবলৈ দিছে। অনুষ্ঠানৰ আৰম্ভণিতে স্থানীয় টাই আহোম পুৰোহিতৰ দ্বাৰা বিশিষ্ট কথাছবি পৰিচালকজনলৈ ভাৰ্চুৱেলী জনমিং (আশীৰ্বাদ) প্ৰদান কৰা হ'ব। ইয়াৰ পাছতে জাহ্নু বৰুৱাৰ কথাছবি আধাৰিত গীত-নৃত্য পৰিৱেশন, কথাছবি প্ৰদৰ্শন, বিভিন্নজন শুভাকাংক্ষীৰ জন্মদিনৰ শুভেচ্ছা জ্ঞাপন আৰু বিশেষ আমন্ত্ৰিত অতিথিসকলে তেওঁৰ জীৱন-কৃতিৰ সম্পৰ্কত আলোকপাত কৰিব। উল্লেখ্য যে অসম গৌৰৱ জাহ্নু বৰুৱাৰ কাইলৈ অনুষ্ঠিত হ'বলগা জন্মদিনৰ বিশেষ অনুষ্ঠানত বৰুৱাৰ বহুকেইখন হিট ছবিত অভিনয় কৰা অসমীয়া বোলছবি জগতৰ প্ৰখ্যাত অভিনেতা বিষ্ণু খাৰঘৰীয়া, তেওঁৰ বাল্যবন্ধু, প্ৰখ্যাত চিত্ৰশিল্পী অনুজ দুৱৰাৰ সহিতে বহুকেইগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকিব।

বাঁহবাৰীৰ মাজৰহোলাত ৰাষ্ট্ৰীয় ছহিদ বীৰ বীৰছা মুণ্ডাৰ ১৪৭ সংখ্যক জন্মজয়ন্তী

বিশেষ সংবাদদাতা

ৰঙাপৰা, ১৬ অক্টোবৰ ঃ শোণিতপুৰ জিলাৰ তেজপুৰ চহৰৰ দাঁতি-কাষৰীয়া বাঁহবাৰী অঞ্চলৰ মাজৰহোলা কৰম ভৱন প্ৰাংগণত অহা ১৫ নৱেম্বৰত দিনজোৰা কাৰ্যসূচীৰে ৰাষ্ট্ৰীয় ছহিদ বীৰ বিৰছা মুণ্ডাৰ ১৪৭ সংখ্যক জন্মজয়ন্তী উদ্‌যাপনৰ লগতে আদিবাসী সাংস্কৃতিক সমাৰোহ অনুষ্ঠিত হ'ব। বৃহত্তৰ অঞ্চলটোৰ ৰাইজৰ দ্বাৰা উদ্‌যাপিত হ'বলগীয়া আদিবাসী বীৰ পুৰুষ জনাৰ জন্মজয়ন্তী আৰু সাংস্কৃতিক সমাৰোহৰ উপলক্ষে প্ৰকাশ পাবলগীয়া 'বিৰছা ভাগৱান' নামৰ স্মৰণিকাৰ বাবে জ্যেষ্ঠ, কনিষ্ঠ সকলো লেখক-লেখিকাসকলৰ পৰা আদিবাসীসকলৰ ভগৱান, ধাৰতী আব্বা, বীৰ বিৰছা মুণ্ডাৰ কৰ্মজীৱন আৰু আদিবাসীসকলৰ শিক্ষা, স্বাস্থ্য, উন্নয়নৰ উপৰি আৰ্থিক, সামাজিক, সাংস্কৃতিক উন্নয়ন আৰু সমস্যাৰাজিসমূহৰ ওপৰত ভিত্তি কৰি লেখা-লেখনি আৰু কবিতাৰ বাবে সকলোকে আহ্বান কৰিছে। সদাশয় লেখক-লেখিকাসকলে নিজৰ নিজৰ লিখনিসমূহ শুৱলাকৈ লিখাৰ উপৰি ডিটিপি কৰি ৰাষ্ট্ৰীয় ছহিদ বীৰ বিৰছা মুণ্ডা ১৪৭ সংখ্যক জন্মজয়ন্তী উদ্‌যাপনৰ স্মৰণিকা বিভাগৰ সম্পাদক বগা তপ্ন ম'বাইল নম্বৰ ৯১০১৭৪৪৭৩০ নাইবা পৰমেশ্বৰ ওৰাং সভাপতি ম'বাইল নম্বৰ ৯৯৫৭৯৩৩১৯৯, দেবেন ভেংৰা উপদেষ্টা ম'বাইল নম্বৰ ৯৩৬৫৬৯১৯৫২, উদ্‌যাপন সমিতিৰ সভাপতি সম্পাদক বিজয় টুডু আৰু কোযেশ্বৰ মুণ্ডা ম'বাইল নম্বৰ ৮৭২১৯৪৬৯৪৫ আৰু ৯৩৯৪৩২৪৫২৩ আদিত যোগাযোগ কৰিবলৈ আহ্বান জনোৱা হৈছে অথবা লিখনিসমূহ farhanjaved16july@gmail.com মেইলযোগে প্ৰেৰণ কৰিবলৈ সকলোকে আহ্বান জনাইছে।

ভোজমালাত মাছুৱৈৰ জালত বন্দী কাছক শিৱ মন্দিৰৰ পুখুৰীত এৰি দিলে প্ৰকৃতিপ্ৰেমী যুৱকে

অগ্ৰদূত বাৰ্তা

কৃষ্ণাই, ১৬ অক্টোবৰ ঃ গোৱালপাৰা জিলাৰ মৰনৈ আৰক্ষী থানাৰ অন্তৰ্গত ভোজমালা গাঁৱৰ যুৱক এজনৰ প্ৰকৃতিপ্ৰেমে সকলোৰে দৃষ্টি কাঢ়িবলৈ সক্ষম হৈছে। হৰিশ নাথ নামৰ যুৱকজনে আজি ভোজমালাবাসী ৰাইজৰ সহযোগত হাব্ৰাঘাট শিৱ মন্দিৰৰ পুখুৰীত এটা কাছ এৰি দি সকলোৰে প্ৰশংসা লাভ কৰে। উল্লেখ্য যে কৃষ্ণাই নৈত মাছ মৰা জনৈক মাছুৱৈয়ে জালত বন্দী হোৱা কাছটোক নাথক খাবলৈ বুলি প্ৰদান কৰিছিল যদিও কাছটোক কাটি মাৰি ভক্ষণ কৰাৰ পৰিৱৰ্তে প্ৰকৃতিপ্ৰেমী যুৱকজনে স্থানীয় শিৱ মন্দিৰৰ পুখুৰীত এৰি দিয়াৰ সিদ্ধান্ত গ্ৰহণ কৰে। সেই মৰ্মে আজি দুপৰীয়া ৰাইজৰ উপস্থিতিত পুৰোহিতৰ মন্ত্ৰোচ্চাৰণৰ মাজেৰে কাছটোক পুখুৰীত এৰি দিয়ে নাথে। আজি হাব্ৰাঘাট শিৱ মন্দিৰৰ পুখুৰীত এৰি দিয়া কাছটোক 'ওঁ' নামেৰে নামাকৰণ কৰে প্ৰকৃতিপ্ৰেমী যুৱকজনে।

দৰং মহাবিদ্যালয় এলুমনি সন্থাৰ দ্বাৰা ২৫ লাখ টকা ব্যয় সাপেক্ষ গেলাৰী শ্ৰেণী কোঠা নিৰ্মাণৰ সিদ্ধান্ত

ষ্টাফ ৰিপ'ৰ্টাৰ

তেজপুৰ, ১৬ অক্টোবৰ ঃ দৰং মহাবিদ্যালয়ৰ এলুমনি সন্থাই মহাবিদ্যালয়খনৰ প্ৰায় ২৫০ গৰাকী শিক্ষাৰ্থীয়ে পাঠগ্ৰহণ কৰিব পৰাকৈ নিৰ্মাণৰ সিদ্ধান্ত গ্ৰহণ কৰা আধুনিক গেলাৰী শ্ৰেণী কক্ষটি অহা ৩০ অক্টোবৰত আধাৰশিলা স্থাপনৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। উল্লেখ্য যে সন্থাৰ কাৰ্যালয়ত কালি বিয়লি অনুষ্ঠিত এখন বিশেষ সাধাৰণ সভাই এই সিদ্ধান্তৰ লগতে আন কেতবোৰো ইতিবাচক সিদ্ধান্ত গ্ৰহণ কৰে। সংস্থাৰ সভাপতি ড° ধৰ্মেন্দ্ৰ কুমাৰ শৰ্মাৰ পৌৰোহিত্যত সাধাৰণ সম্পাদক ড° মনোজ কুমাৰ হাজৰিকাই আৰম্ভণিতে উদ্দেশ্য ব্যাখ্যা কৰি উল্লেখ কৰে যে যোৱা ২৭ আগষ্টৰ কাৰ্যনিৰ্বাহক সভাৰ প্ৰস্তাৱ অনুসৰি দৰং মহাবিদ্যালয়ৰ চৌহদত প্ৰাক্তন দৰঙিয়ানৰ অনুদানেৰে প্ৰায় ২৫০ জন ছাত্ৰ-ছাত্ৰী বহিব পৰা গেলাৰী শ্ৰেণী কোঠা নিৰ্মাণ কৰা আৰু তাৰ বাবে কেনেদৰে পুঁজি সংগ্ৰহ কৰিব, সেই বিষয়ে আলোচনা কৰিবৰ বাবে এই সভাখন আহ্বান কৰা হৈছে। ইয়াৰ পাছতেই সভাত উপস্থিত থকা মহাবিদ্যালয়খনৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ, তথা প্ৰাক্তন দৰঙিয়ান ড° জয়শংকৰ হাজৰিকাই মহাবিদ্যালয়খনৰ অৱসৰপ্ৰাপ্ত প্ৰয়াত অধ্যক্ষ বিপিন পাল দাসে অতি দূৰদৰ্শিতাৰে আৰু পৰিকল্পিতভাৱে নিৰ্মাণ কৰি যোৱা ভৱনসমূহক অক্ষত অৱস্থাত ৰাখি তেওঁৰ কাৰ্যকালত যথেষ্টকেইটা ভৱন নিৰ্মাণ কৰা হৈছিল যদিও বৰ্তমানে থকা তিনিটা গেলাৰীৰ পাছত চতুৰ্থ এটা গেলাৰীৰ যথেষ্ট আৱশ্যক আৰু সেয়েহে এলুমনি সন্থাৰ এই প্ৰয়াস অতি আদৰণীয় বুলি মন্তব্য কৰে। সভাখনত প্ৰাক্তন দৰঙিয়ান তথা সন্থাৰ বিষয়ববীয়া ক্ৰমে অশ্বিনী শৰ্মা, নৃপেন বৰা, মনদীপ দাস, ৰতন দত্ত আৰু পংকজ বৰুৱাই বিষয়বস্তুৰ ওপৰত পৰামৰ্শমূলক ভাষণ আগবঢ়ায়। সভাত গৃহীত হোৱা প্ৰস্তাৱসমূহ অনুসৰি, ৩০ অক্টোবৰত, পুৱা ন বজাত বাণিজ্য বিভাগৰ ভৱনৰ বাওঁদিশৰ অনুমোদিত স্থানত গেলাৰী শ্ৰেণী কোঠাৰ খুঁটা পোতাৰ মাংগলিক কাৰ্যসূচী সম্পন্ন কৰাৰ লগতে পুঁজি সংগ্ৰহৰ বাবে প্ৰতিজন কাৰ্যনিৰ্বাহক সদস্যই ন্যূনতম ১০ জনকৈ আজীৱন সদস্য ভৰ্তি কৰি মুঠ ১০০০ আজীৱন সদস্য হ'লে ৫০ লাখ টকা সংগ্ৰহ হ'ব ধাৰণা কৰাৰ উপৰি সন্থাৰ ডনাৰ সদস্য হ'বৰ বাবে ন্যূনতম এক লাখ টকা বৰঙণি আগবঢ়াব লাগিব আৰু বৰঙণি আগবঢ়ালে 'ভাৰতীয় আয়কৰৰ অধীনত ৮০জি অনুসৰি কৰ ৰেহাই ব্যৱস্থা কৰা হ'ব। উল্লেখ্য যে প্ৰস্তাৱিত হিচাপ অনুসৰি গেলাৰী শ্ৰেণী কোঠাৰ বাজেট ২০ পৰা ২৫ লাখ টকা অনুমান কৰা হয়। আধুনিকীকৰণৰ আৰু প্ৰযুক্তি সংলগ্ন বাবে অতিৰিক্ত বাজেট পৰৱৰ্তী সময়ত ধাৰ্য কৰা হ'ব বুলি প্ৰস্তাৱ গ্ৰহণ কৰাৰ লগতে প্ৰস্তাৱিত নক্সা অনুসৰি ২২৫জন ছাত্ৰ-ছাত্ৰী বহিব পৰা গেলাৰী শ্ৰেণী কোঠাটো অসম আৰ্হিত নিৰ্মাণ কৰা হ'ব। গেলাৰী শ্ৰেণী কোঠাটি নিৰ্মাণকাৰ্য ২০২৩ৰ আগষ্টৰ ভিতৰত সম্পন্ন কৰাৰ পৰিকল্পনা কৰাৰ কথাও কালিৰ এই সভাই গৃহীত কৰে।

মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ জন্মজয়ন্তী-আই-মাতৃ সমাৰোহ সম্পন্ন

অগ্ৰদূত বাৰ্তা

বৰুৱাবামুণগাঁও, ১৬ অক্টোবৰ ঃ শ্ৰীমন্ত শংকৰদেৱ সংঘৰ গোলাঘাট জিলা শাখাৰ অন্তৰ্গত শ্ৰীমন্ত আঞ্চলিক শাখাই কুৰালগুৰি অঞ্চলৰ শিঙৰাজান গাঁও নামঘৰত স্থানীয় শান্তিজান কল্পতৰু প্ৰাথমিক শাখাৰ আতিথ্য আৰু শিঙৰাজান গাঁওবাসীৰ সহযোগত যোৱা ১৪-১৫ অক্টোবৰত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ ৫৭৪ সংখ্যক আৰ্বিভাৱ মহোৎসৱৰ লগতে আঞ্চলিক শাখাৰ শিশু, যুৱ আৰু আই-মাতৃ সমাৰোহখন অনুষ্ঠিত হৈ যায়। প্ৰথম দিনা পুৱা বিভিন্ন কাৰ্যসূচীৰ অন্তত সাহিত্য শাখাৰ সভাপতি বিপুল বৰাৰ সঞ্চালনাত শিশু, যুৱ আৰু আই-মাতৃসকলৰ মাজত অনুষ্ঠিত সাহিত্য আৰু সংস্কৃতি প্ৰতিযোগিতা উদ্বোধন কৰে অৱসৰপ্ৰাপ্ত শিক্ষক অৰুণবিকাশ বৰুৱাই। দ্বিতীয় দিনা পুৱা ধৰ্মধ্বজা উত্তোলন, ভাগৱত শোভাযাত্ৰা, নাম প্ৰসংগ সম্পন্ন হোৱাৰ পাছত দুপৰীয়া শ্ৰীমন্ত আঞ্চলিকৰ সভাপতি ভৱেশ চন্দ্ৰ বৰাৰ সভাপতিত্বত অনুষ্ঠিত মুকলি সভাখন উদ্বোধন কৰে সংঘৰ প্ৰচাৰক কামিনী কুমাৰ দত্তই। নিৰ্দিষ্ট বক্তাৰ ভাষণ প্ৰদান কৰে মূল সংঘৰ সংস্কৃতি শাখাৰ প্ৰাক্তন সভাপতি পৱিত্ৰপ্ৰাণ বৰাই। বিশিষ্ট অতিথিৰ ভাষণ প্ৰদান কৰে সংঘৰ গোলাঘাট জিলা শাখাৰ সম্পাদক দেৱাঞ্জন বৰাই। বুঢ়ালিকচন হাইস্কুলৰ প্ৰধান শিক্ষয়িত্ৰী ঈষাৰাণী কলিতাই আই বক্তা আৰু তনয়া বৰাই শিশু বক্তাৰ ভাষণ প্ৰদান কৰে। মুকলি সভাৰ আঁত ধৰে শ্ৰীমন্ত আঞ্চলিক শাখাৰ সম্পাদক দিগন্ত বৰাই। নিশালৈ ভাওনা প্ৰদৰ্শন কৰে স্থানীয় শিল্পীসকলে।

দুৰ্গাগাঁৱত সাৰ্বজনীন মথনি উৎসৱ

অগ্ৰদূত বাৰ্তা

কলাইগাঁও, ১৬ অক্টোবৰ ঃ কলাইগাঁৱৰ নিকটৱৰ্তী দুৰ্গাগাঁও গো-চৰণীয়া পথাৰৰ শিৱ মন্দিৰ প্ৰাংগণত ৭০ৰ দশকৰ পৰাই দুৰ্গাগাঁও সাৰ্বজনীন মথনি উৎসৱ উদ্‌যাপন কৰি অহা হৈছে। দুৰ্গাগাঁৱৰ বৃহত্তৰ অঞ্চলৰ ৰাইজৰ সহযোগত উৎসৱটোৱে বিশালতা লাভ কৰে। সম্প্ৰতি দৰং আৰু ওদালগুৰি জিলাৰ বিভিন্ন স্থানৰ পৰা ব্যৱসায়ীসকল আহি দোকান-পোহাৰ মেলি উৎসৱৰ সফলতাত অৰিহণা যোগাই আহিছে। বিগত বৰ্ষৰ দৰে এইবেলিও সমাগত আহিন-কাতিৰ সংক্ৰান্তিত অহা ১৮ আৰু ১৯ অক্টোবৰত দুদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে দুৰ্গাগাঁও মথনিখোলাত সাৰ্বজনীন মথনি উৎসৱৰ আয়োজন কৰা হৈছে। ১৮ অক্টোবৰৰ পুৱা পাঁচ বজাত প্ৰভাত ফেৰীৰে কাৰ্যসূচী আৰম্ভ কৰাৰ পাছতে ন বজাৰ পৰা পানীতোলা, পূজা আৰু হোম-যজ্ঞ কৰা হ'ব। তদুপৰি বিয়লি এক বজাত ভক্তপ্ৰাণ ৰাইজৰ নিৰ্মালি গ্ৰহণ আৰু আবেলি তিনি বজাৰ পৰা অকলিবাৰীৰ মুৰফুলি শিৰোমণি আঞ্চলিক নাগাৰা নাম দলৰ জগন্নাথ নাথৰ নাম প্ৰদৰ্শন কৰা হ'ব। সেইদৰে ১৯ অক্টোবৰত পুৱা ন বজাৰ পৰা পৰম্পৰাগত পূজা আৰম্ভ, ১১ বজাৰ পৰা নিৰ্মালি গ্ৰহণ আৰু সন্ধিয়া ছয় বজাৰ পৰা ছিপাঝাৰৰ সুভাষ নাথৰ নাগাৰা নাম প্ৰদৰ্শন হ'ব। হেঁপাহৰ মথনি উৎসৱলৈ সমূহ ভক্তপ্ৰাণ আৰু সংস্কৃতিপ্ৰেমী ৰাইজক উদ্‌যাপন সমিতিয়ে সাদৰে আমন্ত্ৰণ জনাইছে। দিনজোৰা আধ্যাত্মিক কাৰ্যসূচীৰ লগতে আয়তীৰ নাম, নাগাৰা নাম আদি কাৰ্যসূচী অনুষ্ঠিত হ'ব বুলি অভ্যৰ্থনা সমিতিয়ে জানিবলৈ দিছে।

শ্ৰীমন্ত শংকৰদেৱ সংঘৰ বিহপুৰীয়া আঞ্চলিকৰ শিশু যুৱ-আই মাতৃ সমাৰোহ সম্পন্ন

অগ্ৰদূত বাৰ্তা

বিহপুৰীয়া, ১৬ অক্টোবৰ ঃ শ্ৰীমন্ত শংকৰদেৱ সংঘৰ বিহপুৰীয়া আঞ্চলিক শাখাৰ ষষ্ঠ বিংশতিতম্ বাৰ্ষিক শিশু, যুৱ আৰু আই-মাতৃ সমাৰোহখনি আজি হমৰা বদলা আতা প্ৰাথমিক শাখাৰ আতিথ্যত ৰঘুগুৰি থান হমৰা বদলা পদ্ম আতা ক্ষেত্ৰত দিনজোৰা কাৰ্যসূচীৰে অনুষ্ঠিত হয়। কাৰ্যসূচী অনুসৰি, পুৱাৰ ভাগত বলোৰাম বৰাৰ দ্বাৰা গছপুলি ৰোপণ, বিহপুৰীয়া আঞ্চলিক শাখাৰ সভাপতি কুশল নেওগৰ দ্বাৰা ধৰ্মধ্বজা উত্তোলন আৰু দীন বৰাৰ নেতৃত্বত নাম প্ৰসংগ অনুষ্ঠিত হয়। দুপৰীয়া শিশু আই মাতৃ কল্যাণ সমিতিৰ

সভানেত্ৰী চম্পা বৰাৰ সভাপতিত্বত প্ৰতিযোগিতাৰ উদ্বোধনী সভাখন অনুষ্ঠিত হয়। সম্পাদিকা স্বপ্না হাজৰিকাই আঁতধৰা সভাখন উদ্বোধন কৰে জিলা শিক্ষা সমিতিৰ সদস্যা উমেশ্বৰী ভূএগই। ইয়াৰ পাছতে সাহিত্য শাখাৰ সভাপতি মাধৱ হাজৰিকা আৰু সাংস্কৃতিক শাখাৰ সভাপতি বগীৰাম বৰাৰ সঞ্চালনাত পৃথকে পৃথকে সাহিত্য আৰু সংস্কৃতি প্ৰতিযোগিতা অনুষ্ঠিত হয়। জীৱন ফুকন আৰু নাৰায়ণ শইকীয়াই আঁতধৰা সাহিত্য শাখাৰ প্ৰতিযোগিতাত বিউটি বৰুৱা, মানসপ্ৰতিম সন্দিকৈ আৰু সংস্কৃতি শাখাৰ প্ৰতিযোগিতাত জ্যোতিস্মিতা হাজৰিকা আৰু দিনমণি গগৈয়ে বিচাৰক হিচাপে অংশগ্ৰহণ কৰে। বিয়লি বিহপুৰীয়া আঞ্চলিক শাখাৰ সভাপতি কুশল নেওগৰ সভাপতিত্বত বঁটা বিতৰণী সভাখন অনুষ্ঠিত হয়। অনুষ্ঠানত বিহপুৰীয়া আঞ্চলিকৰ সম্পাদক ললিত শইকীয়া, সেৱা বাহিনীৰ অধিনায়ক সৌৰভ শইকীয়া প্ৰমুখ্যে পদ্মেশ্বৰ বৰা, মৃদুল শইকীয়া, হলিৰাম হাজৰিকা, তীক্ষেশ্বৰ দত্ত, লক্ষী ভূএগ, জিতেন শইকীয়া, ৰাজু লাহন, মাধৱ চেতীয়া, থগেশ্বৰ ভৰালী, কিৰ্তী নেওগ, ভৰাম চেতীয়া, মনু শইকীয়া আদি বিশিষ্ট ব্যক্তিসকল উপস্থিত থাকে।

ধলাইবিলত বিশ্ব জলাতংক দিৱস উপলক্ষে সজাগতা সভা

অগ্ৰদূত বাৰ্তা

নদুৱাৰ, ১৬ অক্টোবৰ ঃ বিশ্ব জলাতংক দিৱসৰ লগত সংগতি ৰাখি আজি জামুগুৰিহাটৰ ধলাইবিল কেন্দ্ৰত এক সজাগতা সভা অনুষ্ঠিত হয়। ধলাইবিল কেন্দ্ৰৰ অন্যতম অনুষ্ঠান ধলাইবিল কলা কেন্দ্ৰৰ কণ কণ শিশুসকলক লৈ আয়োজিত এই সজাগতা সভাৰ প্ৰাকমুহূৰ্তত শিশুসকলৰ মাজত অনুষ্ঠিত কৰা হয় এক চিত্ৰাংকন প্ৰতিযোগিতা। নাৰ্ছাৰী, এল কেজিৰ পৰা ষষ্ঠ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত অনুষ্ঠিত প্ৰায় ৪০গৰাকী প্ৰতিযোগীৰ মাজৰ পৰা নিৰ্বাচন কৰা বিজয়ীসকলক অনুষ্ঠানতে পুৰস্কাৰ প্ৰদান কৰা হয়। হিউমেন বায়'লজিকেলছ ইনষ্টিটিউটৰ উদ্যোগত অনুষ্ঠিত সজাগতা সভাখনত জলাতংক ৰোগৰ ওপৰত উত্তৰ জামুগুৰিৰ ৩০খন বিছনাযুক্ত চিকিৎসালয়ৰ চিকিৎসক ডাঃ পপী বৰাই মননশীল বক্তব্য আগবঢ়ায়। চিকিৎসকগৰাকীয়ে এই ৰোগৰ অপকাৰিতা তথা ইয়াৰ ওপৰত ল'ব লগা সাৱধানতাৰ বিষয়ে সভাত উপস্থিত শিশু তথা অভিভাৱকসকলক বুজাই দিয়ে। ইনষ্টিটিউটৰ বিষয়ববীয়া ৰাজনীশ মিশ্ৰৰ বিশেষ তৎপৰতাত অনুষ্ঠিত অনুষ্ঠানটো পৰিচালনা কৰে ধলাইবিল কলাকেন্দ্ৰৰ বিষয়ববীয়া সদস্যসকলে।

দৈনিক অগ্ৰদূত

ক্ৰীড়াভূমি/ক্ৰীড়াভূমি

যোৰহাট, ১৭ অক্টোবৰ, ২০২২
সোমবাৰ, পৃষ্ঠা ১৫

প্ৰথম অসম গ'ল্ডেন কাপ মহিলা ফুটবল প্ৰতিযোগিতা উদ্বোধন কৰিলে মুখ্যমন্ত্ৰীয়ে

বিশেষ সংবাদদাতা ,ডিব্ৰুগড়,১৬ অক্টোবৰ ঃ কেইবাটাও কাৰ্যসূচী লৈ ডিব্ৰুগড়লৈ অহা মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি চৌকিডিঙী খেলপথাৰতো এক অনুষ্ঠানত অংশ লয়। উল্লেখ্য যে অসমৰ ফুটবল ইতিহাসত নৱসংযোজন ঘটাই আজিৰে পৰা আৰম্ভ হৈছে অসম টি গল্ডেন কাপ ফুটবল। ডিব্ৰুগড়ৰ চৌকিডিঙী খেলপথাৰত সদৌ অসম ভিত্তিত আন্ত:চাহ বাগিছা মহিলা ফুটবল প্ৰতিযোগিতা উপলক্ষে লোকে লোকাৰণ্য হৈ পৰে খেলপথাৰ। এন এক ঐতিহাসিক মুহূৰ্তত উপস্থিত থাকি মুখ্যমন্ত্ৰী শৰ্মাই ৰাজ্যৰ ফুটবল ইতিহাসৰ আন এক সুচনাৰ আৰম্ভণি বুলি উল্লেখ কৰি ক্ৰীড়াই জীৱনত আনন্দ আনে বুলি ব্যক্ত কৰে।আজিৰ এই অনুষ্ঠানত অসম বিধান সভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰী, সাংস্কৃতিক পৰিক্ৰমা তথা উদ্যোগ মন্ত্ৰী বিমল বড়া, চাহ জনগোষ্ঠীয় তথা শ্ৰম মন্ত্ৰী সঞ্জয় কিষাণ, সাংসদ কামাখ্যা প্ৰসাদ তাছাকে ধৰি কেইবাজনো বিধায়ক উপস্থিত থাকে। ৰাজ্যৰ ফুটবল ইতিহাসৰ আন এক সুচনাৰ আৰম্ভণি হোৱা এই মহিলা ফুটবল প্ৰতিযোগিতা অসমৰ ১০ টা স্থানত অনুষ্ঠিত হব। অসম চাহ জনগোষ্ঠী ক্ৰীড়া আৰু সাংস্কৃতিক সন্থাৰ উদ্যোগত, অসম ফুটবল সন্থাৰ তত্বাৱধানত আৰু বিভিন্ন জিলাৰ ক্ৰীড়া সন্থাৰ সহযোগত অনুষ্ঠিত হোৱা প্ৰতিযোগিতাখনিত অসমৰ বিভিন্ন প্ৰান্তৰ মুঠ ৬০ টা দলে অংশগ্ৰহণ কৰিছে।

ফাইনেলত অংশগ্ৰহণ কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ

আন্তঃগ্ৰাম্য ফুটবল প্ৰতিযোগিতাৰ সামৰণি

অগ্ৰদূত বাৰ্তা, চাপৰ, ১৬ অক্টোবৰ ঃ প্ৰাক্তন মুখ্যমন্ত্ৰী জননেতা প্ৰয়াত শৰৎ চন্দ্ৰ সিংহই আৰম্ভ কৰা আন্তঃগ্ৰাম ফুটবল প্ৰতিযোগিতাৰ এইবাৰৰ সংস্কৰণৰ খেল আজি সফল সামৰণি পৰে। জয়ন্ত সিংহ আৰু তিসিমুদ্দিন আহমেদ সোঁৱৰণি ফুটবল প্ৰতিযোগিতাৰ আজি অনুষ্ঠিত চূড়ান্ত খেলখনত মুখ্য অতিথি ৰূপে উপস্থিত থাকে কেন্দ্ৰীয় মন্ত্ৰী তথা অসমৰ প্ৰাক্তন মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱাল। উল্লেখ্য যে ৰত্নপীঠ ক্ৰীড়া কেন্দ্ৰৰ উদ্যোগত হোৱা প্ৰতিযোগিতাত ১৬ টা দলে যোগদান কৰিছিল। আজিৰ ফাইনেল খেলখন খুটাপাৰা তৰুণ সংঘ আৰু বহলপুৰ-নাথপাৰা যুৱক সংঘৰ মাজত অনুষ্ঠিত হয়। খেলখনত ৫-৪ গলৰ ব্যৱধ্যানত খুটাপাৰা তৰুণ সংঘই বিজয়ীৰ খিতাপ অৰ্জন কৰাৰ বিপৰীতে বহলপুৰ-নাথপাৰা যুৱক সংঘই বিজিত দলৰ খিতাপ লাভ কৰে। উল্লেখ্য যে নিৰ্ধাৰিত সময়ত খেলখন গল শূণ্য ভাৱে সমাপ্ত হোৱা হেতুকে টাইব্ৰেকাৰ পদ্ধতিৰ সহায় লোৱা হয়। শ্ৰেষ্ঠ খেলুৱৈৰ খিতাপ নাথপাৰা যুৱক সংঘৰ দ্বীপজ্যোতি হৰোৱাই অৰ্জন কৰাৰ বিপৰীতে শ্ৰেষ্ঠ ডিফেণ্ডাৰৰ সন্মান লাভ কৰে খুটাপাৰা তৰুণ সংঘৰ অতুল বড়োই। আনহাতে শ্ৰেষ্ঠ গ'লৰক্ষকৰ খিতাপ লাভ কৰে খুটাপাৰা তৰুণ সংঘৰ গোবিন্দ সৰকাৰ আৰু প্ৰতিযোগিতাখনত শ্ৰেষ্ঠ খেলুৱৈৰ খিতাপ দখল কৰে ধৰ্মেন ৰায়ে।

জনতা সংঘৰ পইন্ট লাভ

অগ্ৰদূত বাৰ্তা, ছয়গাঁও, ১৬ অক্টোবৰ ঃ গুমী আঞ্চলিক ক্ৰীড়া সন্থাৰ উদ্যোগত ছয়গাঁও ক্ৰীড়া সন্থাৰ তত্বাবধানত অনুষ্ঠিত আমন্ত্ৰনমূলক ফুটবল প্ৰতিযোগিতাৰ উদ্বোধনী খেলত বোন্দাপাৰা জনতা সংঘ বিজয়ী হৈছে ।আজি গুমী ৰাজহুৱা খেলপথাৰত অনুষ্ঠিত খেলখনত নংবাগ ফুটবল ক্লাবক ৩-১ গ'লত হৰুৱায় ।মহী বৰা- হিৰণ্য বৰা- চুফীয়া বেগম সোঁৱৰণী প্ৰতিযোগিতাখন আজি আনুষ্ঠানিকভাবে উদ্বোধন কৰে দক্ষিণ কামৰূপ জিলা ক্ৰীড়া সন্থাৰ সভাপতি তথা অসম খাদী আৰু গ্ৰামোদ্যোগ বৰ্ডৰ অধ্যক্ষ ডাঃকমলাকান্ত কলিতাই।

বিক্ৰম চাংমাইক যোৰহাট ছুইমিং ছ'ছাইটিৰ জলপানি

যোৰহাট, ১৬ অক্টোবৰ ঃ যোৰহাট ছুইমিং চছাইটিৰ জলক্ৰীড়া প্ৰকল্পত হোৱা এক অনুষ্ঠানত গুজৰাট ৰাষ্ট্ৰীয় ক্ৰীড়া আৰু গুৱাহাটীত অনুষ্ঠিত হোৱা ছিনিয়ৰ ৰাষ্ট্ৰীয় জলক্ৰীড়া প্ৰতিযোগিতাত পদক প্ৰাপ্ত যোৰহাট চুইমিং চছাইটিৰ প্ৰাক্তন প্ৰশিক্ষাৰ্থী বিক্ৰম চাংমাইক যোৰহাট চুইমিং চছাইটিৰ তৰফৰ পৰা ৫১ হেজাৰ টকাৰ এককালীন জলপানি প্ৰদান কৰাৰ লগতে তেওঁৰ এই সফলতাক অভিনন্দন জনোৱা হয় ।উল্লেখ্য যে ২০১১ ৰ পৰা সাঁতোৰৰ আদিপাঠ যোৰহাট চুইমিং চছাইটিতে আৰম্ভ কৰা বিক্ৰম চাংমাইয়ে ২০১৬ চনলৈকে যোৰহাট চুইমিং চছাইটিত প্ৰশিক্ষণ গ্ৰহন কৰিছিল। বিক্ৰম চাংমাইয়ে ধাৰাবাহিকভাবে ৰাষ্ট্ৰীয় ছাব-জুনিয়ৰ, জুনিয়ৰ, স্কুল গেম্‌ছ, ছিনিয়ৰ খেল ইণ্ডিয়া য়ুউথ গেমছ আৰু ৰাষ্ট্ৰীয় ক্ৰীড়াত পদক অৰ্জন কৰি অসমলৈ গৌৰৱ কঢ়িয়াই আনিছে। যোৰহাট চুইমিং চছাইটিৰ যুটীয়া সম্পাদক ড০ সেউজী বৰা নেওগে আঁতধৰা এই অভিনন্দন অনুষ্ঠানত যোৰহাট চুইমিং চছাইটিৰ হৈ সভাপতি ৰক্তিম শইকীয়াই জলপানি প্ৰদান কৰে। এই অনুষ্ঠানতে বিক্ৰম চাংমাইৰ পিতৃ-মাতৃ শান্তনু চাংমাই আৰু মিন্টু চাংমাইক চছাইটিৰ তৰফৰ পৰা সম্বৰ্ধনা জনোৱা হয়।

বিশ্ব শ্বুটিঙত ভাৰতীয় দলৰ পাঁচটা সোণ

নতুন দিল্লী, ১৬ অক্টোবৰ ঃ চলিত আই এছ এছ এফৰ বিশ্ব শ্বুটিং চেম্পিয়নশ্বিপত ভাৰতীয় পুৰুষৰ দলে ১০ মিটাৰ এয়াৰ ৰাইফলছত সোণ লাভ কৰিছে। উল্লেখ্য যে ৰুদ্ৰংকক্ষ বালাছাহেব পাটিল, কিৰণ অংকুশ যাধৱ আৰু অৰ্জুন বাবুতাৰ দ্বাৰা গঠিত ভাৰতীয় দলে সোণ কৰাৰ লগে লগে চলিত আই এছ এছ এফৰ বিশ্ব শ্বুটিং চেম্পিয়নশ্বিপত ভাৰতৰ পঞ্চমটো স্বৰ্ণ পদক নিশ্চিত হয়। আজি ভাৰতীয় দলে খিতাপৰ যুঁজত চীনক ১৬-১০ ৰ ব্যৱধানত পৰাস্ত কৰে। উল্লেখ্য যে ইয়াৰপূৰ্বে ব্যক্তিগত ১০ মিটাৰ এয়াৰ ৰাইফল ইভেণ্টত পাটিলে চলিত বিশ্ব চেম্পিয়নশ্বিপতে সোণৰ পদক লাভ কৰিছিল। ভাৰতেও সেইদিনা এটা ৰূপ আৰু দুটা ব্ৰঞ্জৰ পদক লাভ কৰিবলৈ সক্ষম হৈছিল। ইফালে, ভাৰতৰ মহিলাৰ ১০ মিটাৰ এয়াৰ পিষ্টল দলটোৱেও প্ৰতিযোগিতাত সোণৰ পদক লাভ কৰিছে। ইফালে, ২৫ মিটাৰ ষ্টেণ্ডাৰ্ড পিষ্টল মিক্সড টিম জুনিয়ৰৰ সোণৰ পদকৰ মেচত চীনৰ ফেং ছিক্সুৱান আৰু লিউ ইয়াংপানৰ হাতত পৰাস্ত হৈ চেম্পিয়নশ্বিপৰ ভাৰতক প্ৰথমটো ৰূপৰ পদক লাভ কৰিছিল মানভি জৈন আৰু সমীৰে।

টাইম অব ইণ্ডিয়াৰ অনুষ্ঠানত পি ভি সিন্ধু

ৰাধাকৃষ্ণ ফুটবল একাডেমী ছেমিফাইনেলত

অগ্ৰদূত বাৰ্তা, বেবেজীয়া,১৬ অক্টোবৰ ঃ নগাঁও আৰু মৰিগাঁও জিলাৰ সীমামূৰীয়া জাজৰি আঞ্চলিক ক্ৰীড়া সন্থাৰ উদ্যোগত দলংঘাটৰ বৰমণিপুৰস্থিত সন্থাৰ নিজা খেলপথাৰত হোৱা সদৌ অসম প্ৰাইজমানি ফুটবল প্ৰতিযোগিতাৰ আজি অন্তিমখন কোৱাৰ্টাৰ ফাইনেলত এছ ৰাধাকৃষ্ণ ফুটবল একাডেমীয়ে ৰহাৰ কটহগুৰি এফ চিক ২-০ গ'লত হৰুৱাই ছেমিফাইনেলত উপনীত হৈছে। খেলখনত বিজয় দলৰ হৈ সঞ্জয় ভূমিজ আৰু পংকজ ৰাভাই গ'ল দুটা দিয়ে। প্ৰতিযোগিতাৰ অহা ২৩ অক্টোবৰত প্ৰথম ছেমিফাইনেলত নগাঁৱৰ কে.এফ.চি. ক্লাৱে বাৰপুজীয়া আঞ্চলিক ক্ৰীড়া সন্থাৰ বিৰুদ্ধে খেলিব বুলি সন্থাৰ ফুটবল সম্পাদক ইন্তাজ আলি আৰু সমন্বয়ক জাহিদুৰ ৰহমানে জনাইছে।

টাইম অব ইণ্ডিয়াৰ অনুষ্ঠানত খেলৰত্ন অসম কন্যা লাভলীনা।

আজিৰে পৰা বড়োলেণ্ড গেলাণ্ট শ্বহীদ ফুটবল

অগ্ৰদূত বাৰ্তা, মঙলদৈ, ১৬ অক্টোবৰ ঃ কাইলৈৰ পৰা ভপতপাৰাত অনুষ্ঠিত হব ষষ্ঠ বাৰ্ষিক বড়োলেণ্ড গেলাণ্ট শ্বহীদ সোঁৱৰণি ফুটবল প্ৰতিযোগিতা। ভকতপাৰা আঞ্চলিক এবছুৰ উদ্যোগত স্থানীয় ক্ৰীড়াক্ষেত্ৰত অনুষ্ঠিত হ'বলগীয়া প্ৰতিযোগিতাৰ উদ্বোধনী মেচত অংশগ্ৰহণ কৰিব ৰিভেঞ্জাৰ ফুটবল ক্লাব আৰু কবিৰালি আদিবাসী ফুটবল ক্লাবে। এই উপলক্ষে দিনৰ ১২ বজাত পতাকা উত্তোলন কৰিব ভকতপাৰা আঞ্চলিক এবছুৰ সভাপতি ৰবীন্দ্ৰ নাৰায়ণ বসুমতাৰীয়ে। ইয়াৰ পিছতেই শ্বহীদ সকলক শ্ৰদ্ধাঞ্জলি জনাব নিজউমচা বড়োই। তিনি বজাত খেলখন উদ্বোধন কৰিব ওদালগুৰি জিলা এবছুৰ শিক্ষা সম্পাদক বিকাশ বড়োছাই।

ভোগপাৰা চেম্পিয়ন

অগ্ৰদূত বাৰ্তা, জালাহ, ১৬ অক্টোবৰ ঃ বাগসা জলাগাঁও মিনি ষ্টেডিয়ামত জলাগাঁও স্প'ৰ্টছ একাডেমীৰ উদ্যোগত চলি থকা চান্দৰাম নাৰ্জাৰী সোঁৱৰণী প্ৰাইজমানি ফুটবল খেলৰ ফাইনেলত আজি ভোগপাৰা এফ চিয়ে দানসৌৰাং এফ চিক টাইব্ৰেকাৰ পদ্ধতিৰে ৫-৪ গ'লত পৰাজিত কৰি চেম্পিয়নৰ খিতাপ দখল কৰে। প্ৰথমে খেলখন গলশূন্যভাৱে সমাপ্ত হৈছিল। খেলৰ শেষত বিজয়ী দল ভোগপাৰা এফ চিক ট্ৰফীসহ নগদ ১৫ হেজাৰ আৰু বিজিত দল দানসৌৰাঙক ট্ৰফীসহ নগদ ১০ হেজাৰ টকাৰ প্ৰাইজমানি প্ৰদান কৰে। শ্ৰেষ্ঠ খেলুৱৈৰ বঁটা লাভ কৰে ভোগপাৰা এফ চিৰ ভবা ৰাভাই।

নৰম হিৰো ইণ্ডিয়ান ছুপাৰ লীগত প্ৰথম হেট্ৰিক অৰ্জন ডিমিট্ৰিৰ

কেৰালা ব্লাষ্টাৰ্ছৰ বিৰুদ্ধে জয় এটিকে মোহন বাগানৰ

কোচি, ১৬ অক্টোবৰ ঃ চলিত নৱম হিৰো ইণ্ডিয়ান ছুপাৰ লীগ (আই এছ এল)ত প্ৰথমটো হেট্ৰিক অৰ্জন কৰিলে কলকাতাৰ দল এ টি কে মোহন বাগানৰ ডিমিট্ৰি পেট্ৰাট'ছে। উল্লেখ্য যে আজি কোচিৰ জৱাহৰলাল নেহৰু ষ্টেডিয়ামত হোৱা মেচত এ টি কে মোহন বাগানে ঘৰুৱা দল কেৰালা ব্লাষ্টাৰ্ছ এফ চিক বিধ্বস্ত কৰি ৫-২ ৰ বৃহৎ ব্যৱধানত জয়ী হয়। এয়া কোচি তথা চলিত ছিজনত দলৰ প্ৰথম জয়। লীগৰ প্ৰথমখন মেচত ইষ্ট বেংগলৰ বিৰুদ্ধে দুটা গ'ল দি দলক বিজয় কৰোৱা কেৰালাৰ নায়ক ইভানে আজিও ছয় মিনিটতে গ'ল কৰি ঘৰুৱা দলক ১-০ ৰ অগ্ৰগতি দিয়ে লগতে হালধীয়া সমুদ্ৰলৈ লৈ আনে প্ৰবল উৎসাহ। কিন্তু দলৰ এই আৰম্ভণি সুখকৰ নহ'ল। প্ৰথমাৰ্ধতে কেৰলাই ২-১ ত পিছ পৰে। বিপক্ষৰ ঘৰত শক্তিৰে প্ৰত্যাৱৰ্তন কৰিবলৈ সক্ষম হয় এ টি কে মোহন বাগান। খেলৰ ২৬ মিনিটত হুগো বৌমাছৰ পাছত ডিমিট্ৰি পেট্ৰাট'ছে গ'ল কৰি ১-১ ত সমতা স্থাপন কৰাৰ পাছত ৩৮ মিনিটত মনবীৰ সিঙৰ পৰা বল লাভ কৰি এ টি কে মোহন বাগানক ২-১ ৰ অগ্ৰগতি দিয়ে জ'নি কৌকুৱে। ইফালে, বিপক্ষৰ আক্ৰমণত ঘৰুৱা অনুৰাগীৰ সন্মুখত আত্মসমৰ্পন কৰে কেৰালা ব্লাষ্টাৰ্ছে।

দ্বিতীয়াৰ্ধৰ খেলত ডিমিট্ৰিয়ে (৬২ মিনিট) নিজৰ দ্বিতীয় গ'লেৰে মোহন বাগানৰ অগ্ৰগতি ৩-১ কৰে। অৱশ্যে ৮১ মিনিটত কেৰলাৰ হৈ ৰাহুলে গ'ল কৰি ব্যৱধানত ৩-২ লৈ আনি মেচ ৰোমাঞ্চকৰ কৰিছিল। কিন্তু ৮৮ মিনিটত এ টি কেৰ হৈ লেনি ৰড্ৰিগেজে চতুৰ্থটো গ'ল কৰাৰ লগতে ৯০ মিনিটত ডিমিট্ৰিয়ে হেট্ৰিক গ'ল কৰি ৫-২ ৰ বিজয় নিশ্চিত কৰে। উল্লেখ্য যে ইয়াৰপূৰ্বে কোচিত হোৱা লীগৰ উদ্বোধনী মেচত কেৰালা ব্লাষ্টাৰ্ছে ৩-১ গ'লত ইষ্ট বেংগল এফ চিক পৰাস্ত কৰিছিল। ইফালে, ঘৰত খেলা প্ৰথম মেচত চেন্নাইয়ান এফ চিৰ বিৰুদ্ধে ২-১ ত পৰাস্ত হৈছিল এ টি কে মোহন বাগান। উল্লেখ্য যে কোচিত এয়া আছিল এ টি কেৰ প্ৰথম মেচ। ক্ৰমাগত দুখনকৈ মেচ ঘৰত খেলাৰ পাছত কেৰালা ব্লাষ্টাৰ্ছ এফ চিয়ে লীগৰ পৰবৰ্তী মেচখন বাহিৰত খেলিব। অহা ২৩ অক্টোবৰত ভূৱনেশ্বৰৰ কলিংগ ষ্টেডিয়ামত হ'বলগা মেচত ঘৰুৱা দল ওড়িছা এফ চিৰ মুখামুখি হ'ব কেৰালা ব্লাষ্টাৰ্ছ। ইফালে, এ টি কে মোহন বাগানে লীগৰ পৰবৰ্তী মেচখন ঘৰত খেলিব আৰু এই মেচখন হ'ব দলৰ বাবে অন্যতম শ্ৰেষ্ঠ। উল্লেখ্য যে অহা ২৯ অক্টোবৰত বিবেকানন্দ যুৱ ভাৰতী ক্ৰীড়াংগনত হ'বলগা কলকাতা ডাৰ্বিত ইষ্ট বেংগলৰ মুখামুখি হ'ব মোহন বাগান।

মুকালমুৱা আঞ্চলিক চেম্পিয়ন

অগ্ৰদূত বাৰ্তা, বাহাৰঘাট, ১৬ অক্টোবৰ ঃ নলবাৰী জিলাৰ অন্যতম ক্ৰীড়ানুষ্ঠান বৰভাগ ইউনাইটেড স্প'ৰ্টছ ক্লাৱৰ উদ্যোগত আয়োজিত আৰু ধীৰদত্ত উচ্চতৰ মাধ্যমিক বিদ্যালয় খেলপথাৰত অনুষ্ঠিত ডাঃ ৰামদত্ত বুজৰবৰুৱা আৰু ভূপেন শৰ্মা সোঁৱৰণী চলন্ত ট্ৰফী প্ৰাইজমাণি ফুটবল প্ৰতিযোগিতাৰ ফাইনেল খেলখন গোৰেশ্বৰ টাউন ক্লাৱ আৰু মুকালমুৱা আঞ্চলিক ক্ৰীড়া সন্থাৰ মাজত অনুষ্ঠিত হয়। খেলখন উদ্বোধন কৰে মংগলদৈ লোকসভা সমষ্টিৰ সাংসদ দিলীপ শইকীয়াই। আনহাতে মুখ্য অতিথি হিচাবে উপস্থিত থাকে নলবাৰী সমষ্টিৰ বিধায়ক তথা মন্ত্ৰী জয়ন্ত মল্ল বৰুৱা। খেলত মুকালমুৱা আঞ্চলিক ক্ৰীড়া সন্থাই গোৰেশ্বৰ টাউন ক্লাৱক ১-০ গ'লত পৰাজিত কৰি চুড়ান্ত বিজয়ীৰ সন্মান লাভ কৰে। খেলৰ শেষত ক্লাৱৰ সভাপতি ডাঃ অৰুন শৰ্মাৰ সভাপতিত্বত অনুষ্ঠিত সভাত বটাঁসমূহ বিতৰণ কৰে।

মথুৰা-কেশৱ প্ৰাইজমানি ফুটবলত ফুংখা ক্লাব চেম্পিয়ন

অগ্ৰদূত বাৰ্তা, জালাহ, ১৬ অক্টোবৰ ঃ বাকসা জিলাৰ শিমলা গ্ৰাম্য ষ্টেডিয়ামত চানজাৰাং ক্লাৱৰ উদ্যোগত অনুষ্ঠিত মথুৰা-কেশৰ সোঁৱৰণী প্ৰাইজমানি ফুটবল প্ৰতিযোগিতাৰ ফাইনেল খেলত ফুংখা ক্লাৱ, দাওধাৰাই খিতাপ দখল কৰিছে। ফাইনেলত ফুংখা ক্লাৱ , দাওধাৰাই সানসৌৰাং লাইমৌন ক্লাৱ, শালবাৰীক ৪-১ গ'লত পৰাস্ত কৰে। বিজয়ী দল ফুংখা ক্লাৱক ট্ৰফীসহ নগদ ৩৫ হেজাৰ টকা আৰু বিজিত দল সানসৌৰাং লাইমৌন ক্লাৱক ট্ৰফীসহ নগদ ২৫ হাজাৰ টকা প্ৰদান কৰে। শ্ৰেষ্ঠ খেলুৱৈৰ বঁটা ট্ৰফীসহ নগদ তিনিহাজাৰ টকা লাভ কৰে ফুংখা ক্লাৱৰ খেলুৱৈ বিগ্ৰায় গয়াৰীয়ে।

প্ৰাইজমানি ক্ৰিকেটৰ আয়োজন

অগ্ৰদূত বাৰ্তা, নলবাৰী, ১৬ অক্টোবৰ ঃ নলবাৰী জিলাৰ বেলশৰৰ পশ্চিম নলবাৰী স্প'ৰ্টছ ক্লাৱৰ উদ্যোগত চতুৰ্থ বাৰ্ষিক ৰাতুল মহন্ত সোঁৱৰণী দিবা-নৈশ টেনিছ বল ক্ৰিকেট প্ৰতিযোগিতাখন বেলশৰ উচ্চতৰ মাধ্যমিক বিদ্যালয় খেলপথাৰত ২৬, ২৭, ২৮ আৰু ২৯ জানুৱাৰীত অনুষ্ঠিত হ'ব। এইবাৰ চেম্পিয়ন দলক এক লাখ টকাৰ লগতে ট্ৰফী আৰু ৰাণাৰ্ছ আপ দলক ৫০ হেজাৰ টকা আৰু ট্ৰফী দিয়া হ'ব। আজি বেলশৰ বজাৰত হোৱা এখন সংবাদমেলত খেল পৰিচালনা সমিতিৰ সভাপতি নিয়ন দেৱ বৰ্মন, সাধাৰণ সম্পাদক অভিজিৎ মজুমদাৰ,উপ সভাপতি সঞ্জীৱ বৰ্মন,ৰফিকুল ইছলাম, সহকাৰী সম্পাদক অংকুৰ বৰ্মন,অভিজিৎ মেনা ,কোষাধ্যক্ষ শৈলেন ভৰালী, পশ্চিম নলবাৰী স্প'ৰ্টছ ক্লাৱৰ সভাপতি নিতুমণি কলিতা, সম্পাদক অভিজিৎ মহন্ত, সহকাৰী সম্পাদক ৰূপমজ্যোতি বৰ্মন,কোষাধ্যক্ষ ৰূপক মহন্ত আৰু নাট্যকাৰ প্ৰশান্ত মেনাই এই কথা অৱগত কৰে।

ৰাধাবাৰী একাদশ চেম্পিয়ন

অগ্ৰদূত বাৰ্তা, খুমটাই, ১৬ অক্টোবৰ ঃ গোলাঘাট জিলাৰ খুমটাই মৌজাৰ কচুপথাৰ নৱজ্যোতি ক্ৰীড়া সন্থাৰ উদ্যোগত ক্ৰীড়া সন্থাৰ খেলপথাৰত হোৱা ফুটবল প্ৰতিযোগিতাৰ চুড়ান্ত খেল আজি ৰাধাবাৰী ফুটবল একাদশ আৰু খুমটাই মেজিক সন্থা একাদশৰ মাজত অনুষ্ঠিত হয়। নিৰ্ধাৰিত সময়ত খেলখন ২-২ গ'লত অমীমাংসিত হোৱাত ৰেফাৰীয়ে টাইব্ৰকাৰ পদ্ধতিৰ সহায় লয়। টাইব্ৰেকাৰত ৰাধাবাৰী ফুটবল একাদশ বিজয়ী হৈ চেম্পিয়নৰ খিতাপ লাভ কৰে। ফাইনেল মেচখন উদ্বাধেন কৰে নুমলীগড় শোধনাগাৰৰ মুখ্য প্ৰৱন্ধক মিন্টু সন্দিকৈ আৰু অসম ফুটবল সন্থাৰ সহকাৰী সম্পাদক অজয় ভঁড়ালীয়ে। খেলৰ অন্তত অনুষ্ঠিত বঁটা প্ৰদান অনুষ্ঠানত চেম্পিয়ন দল ৰাধাবাৰী ফুটবল একাদশক নৱজ্যোতি ক্ৰীড়া সন্থাই নগদ ধন আৰু ট্ৰফী প্ৰদান কৰে। আনহাতে, ৰাণাৰ্ছআপ খুমটাই মেজিক সন্থাক নগদ ধন আৰু ট্ৰফীৰে উপেন্দ্ৰ নাথ বাইলুং সোঁৱৰণী বঁটা প্ৰদান কৰা হয়।

এবছুৰ বড়োলেণ্ড শ্বহীদ ট্ৰফী ফুটবলত হৰিশিঙাৰ খিতাপ লাভ

অগ্ৰদূত বাৰ্তা, টংলা, ১৬ অক্টোবৰ ঃ ওৰাং আঞ্চলিক এবছুৰ উদ্যোগত আওনাজুলি গ্ৰাম্য খেলপথাৰত আয়োজিত দ্বিতীয় বড়োলেণ্ড শ্বহীদ ট্ৰফীৰ আজি সামৰণি পৰিছে। আজি হৰিশিঙা ফুটবল কচিং চেন্টাৰ আৰু দৈফাইখুটি ফুটবল ক্লাৱৰ মাজত অনুষ্ঠিত চূড়ান্ত খেলখনত হৰিশিঙাৰ দলটোৱে ২-১ গ'লৰ ব্যৱধানত জয়লাভ কৰে। খেলখনত দৈফাইখুটি ফুটবল ক্লাৱৰ চুবুং দৈমাৰীয়ে এটি গ'ল কৰাৰ লগতে হৰিশিঙা দলৰ টিংকু খাখলাৰী আৰু কৌশিক দৈমাৰীয়ে একোটাকৈ গ'ল কৰিবলৈ সক্ষম হয়। দৈফাংখুটী ফুটবল ক্লাৱৰ গলৰক্ষক মিথিংগা দৈমাৰীয়ে ফাইনেলৰ শ্ৰেষ্ঠ খেলুৱৈৰ সন্মান লাভ কৰে।

দৈনিক
অগ্ৰদূত

Regn No. RNP/GH-085/2021-2023

মাজুলীত প্ৰাক্তন ৰাষ্ট্ৰপতি প্ৰয়াত ফখৰুদ্দিন আলী আহমেদক মৰণোত্তৰভাৱে ‘ভাওনা প্ৰদীপ’ বঁটা প্ৰদান

ইণ্ডোনেছিয়াত ‘ৰামবিজয়’ ভাওনা প্ৰদৰ্শন কৰা শিল্পীসকলক সম্বৰ্ধনা ঃ পৃথিৱীৰ সবাতোকৈ শ্ৰেষ্ঠ ধৰ্ম প্ৰচাৰক জগতগুৰু মহাপুৰুষ শংকৰদেৱ ঃ ঠংচি

অগ্ৰদূত বাৰ্তা

কমলাবাৰী, ১৬ অক্টোবৰ ঃ ‘পৃথিৱীৰ সকলো ধৰ্মপ্ৰচাৰতকৈ শ্ৰেষ্ঠ ধৰ্ম প্ৰচাৰক হ’ল জগতগুৰু শ্ৰীমন্ত শংকৰদেৱ।’ এই মন্তব্য বিশিষ্ট সাহিত্যিক য়েছে দৰ্জে ঠংচিৰ। মাজুলীত আজি ভাৰতৰ প্ৰাক্তন ৰাষ্ট্ৰপতি প্ৰয়াত ফখৰুদ্দিন আলী আহমেদক মৰণোত্তৰভাৱে ‘ভাওনা প্ৰদীপ’ বঁটা প্ৰদান অনুষ্ঠানত মুখ্য অতিথিৰূপে উপস্থিত থাকি বিশিষ্ট সাহিত্যিকগৰাকীয়ে কয়, ‘মানৱ সমাজৰ আপুৰুগীয়া, অসমীয়া সমাজৰ স্বাভিমান সংস্কৃতি হৈছে ভাওনা সংস্কৃতি। মহাপুৰুষ শংকৰদেৱে ভাওনা সংস্কৃতি সৃষ্টি কৰি সমাজত সমন্বয় স্থাপন কৰাৰ মাধ্যম প্ৰতিষ্ঠা কৰাৰ উপৰি উত্তৰসূৰী হিচাপে অসমীয়া সমাজক এই সংস্কৃতি শুদ্ধ ৰূপত সংৰক্ষণ আৰু প্ৰচাৰ-প্ৰসাৰৰ দায়িত্ব অৰ্পণ কৰাৰ কথা কাৰো অবিদিত নহয়। অসমীয়া সমাজৰ এগৰাকী স্বনামধন্য কাণ্ডাৰীয়ে এই ভাওনা সংস্কৃতি প্ৰচাৰৰ ক্ষেত্ৰত যি অভূতপূৰ্ব অৰিহণা আগবঢ়াই গ’ল, সি চিৰদিন চিৰস্মৰণীয় হৈ থাকিব। সেই গৰাকীয়েই হৈছে ভাৰতৰ প্ৰাক্তন ৰাষ্ট্ৰপতি অসম সন্তান প্ৰয়াত ফখৰুদ্দিন আলী আহমেদ। অসমৰ পৰা ভাৰতৰ ৰাষ্ট্ৰপতি পদ অলংকৃত কৰা প্ৰথম গৰাকী অসমীয়া প্ৰয়াত ফখৰুদ্দিন আলী আহমেদৰ সবল নেতৃত্বত ১৯৭৫ত মাজুলীৰ পৰা গুৰুজনাৰ ‘ৰামবিজয়’ নাট সুদূৰ ইণ্ডোনেছিয়াত প্ৰদৰ্শন কৰোৱাই যি শ্ৰদ্ধা-ভক্তি আৰু সত্ৰীয়া সংস্কৃতিক বিশ্বৰ দৰবাৰত প্ৰতিষ্ঠা কৰাৰ বাট মুকলি কৰিলে তথা বিশ্ববাসীৰ দৃষ্টি আকৰ্ষণ কৰিলে, সি এতিয়া সঁচা অৰ্থত বিশ্বৰ দৰবাৰত গজগজিয়া হ’ল।’ মাজুলীত একমাত্ৰ ৰাষ্ট্ৰপতিৰূপে পদাৰ্পণ কৰা এই এগৰাকী বৰেণ্য বক্তিকেই মাজুলী জিলা সাংস্কৃতিক মহাসভাৰ উদ্যোগত আজি বৰ্ণাঢ্য কাৰ্যসূচীৰে মৰণোত্তৰভাৱে ‘ভাওনা প্ৰদীপ’ বঁটা প্ৰদান কৰাত বিশিষ্ট সাহিত্যিক ঠংচিয়ে সন্তুষ্টি ব্যক্ত কৰে।

উল্লেখ্য যে মাজুলীৰ মাধৱদেৱ কৃষ্টি কেন্দ্ৰত মাজুলী সাংস্কৃতিক মহাসভাই আয়োজন কৰে এই বঁটা প্ৰদান অনুষ্ঠান। বিশিষ্ট গৱেষক পণ্ডিত, সংগীত নাটক একাডেমীৰ সদস্য তথা মৰাণ মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ ড° অনিল শইকীয়াৰ সঞ্চালনাত অনুষ্ঠিত অনুষ্ঠানটিত সন্মানীয় অতিথিৰূপে উপস্থিত থাকি আউনীআটী সত্ৰৰ সত্ৰাধিকাৰ ড° পীতাম্বৰ দেৱ গোস্বামী, গড়মূৰ সত্ৰৰ সত্ৰাধিকাৰ পৰমানন্দ দেৱ গোস্বামীৰ পৰা প্ৰাক্তন ৰাষ্ট্ৰপতি গৰাকীৰ পৰিয়ালৰ লোকে বটা গ্ৰহণ কৰে। অনুষ্ঠানত উপস্থিত থাকে ১৯৭৫ত ইণ্ডোনেছিয়ালৈ ভাওনা দলত যোৱা ৰাষ্ট্ৰপতিৰ সতীৰ্থ কে’বাজনো শিল্পী। জিলা সাংস্কৃতিক মহাসভাই ইণ্ডোনেছিয়াত ভাওনাত অংশগ্ৰহণ কৰা এই শিল্পীসকলকো সম্বৰ্ধনা জনায়। আজিৰ এই সভাত বিশিষ্ট অতিথিৰূপে উপস্থিতি থাকি বুদ্ধিজীৱী ইছমাইল হুছেইনে যি সময়ত অসমৰ চৰকাৰখনে প্ৰয়াত ৰাষ্ট্ৰপতিগৰাকীক সন্মানিত কৰিব লাগিছিল যদিও সেই সন্মান আজিও দিবলৈ সক্ষম নহ’ল বুলি ক্ষোভ প্ৰকাশ কৰে। আনহাতে, এই বঁটা শ্ৰীমন্ত শংকৰদেৱৰ কলাক্ষেত্ৰত ৰাখিব বুলি মন্তব্য কৰে ৰাষ্ট্ৰপতিগৰাকীৰ পৰিয়ালৰ হৈ বঁটা গ্ৰহণ কৰা নাতি বোৱাৰী আৰু নাতিয়ে। লগতে নাতি বোৱাৰী গৰাকীয়ে আজিও কোনো এখন চৰকাৰে প্ৰাক্তন ৰাষ্ট্ৰপতিগৰাকীৰ ক্ষেত্ৰত কোনো বিশেষ গুৰুত্ব প্ৰদান নকৰাত খেদ প্ৰকাশ কৰে।

ইফালে, আজি দিনজোৰা অনুষ্ঠানত দিহানামৰ সন্দৰ্ভত এখনি আলোচনা চক্ৰও অনুষ্ঠিত হয়। আলোচনা চক্ৰত আলোচকৰূপে উপস্থিত থাকে দিহা সম্ৰাট কমলা গগৈয়ে। পুৱাৰ ভাগত পতাকা উত্তোলন কৰে মাজুলী জিলা সাংবাদিক মহাসভাৰ সভাপতি প্ৰভাত বুঢ়াভকতে। স্মৃতি তৰ্পণ কৰে সদৌ অসম ছাত্ৰ সন্থাৰ সাংগঠনিক সম্পাদক সূৰ্য কুমাৰ ভূঞাই আৰু মহিলা দিহানাম প্ৰতিযোগিতা উদ্বোধন কৰে মাজুলী জিলা সাহিত্য সভাৰ সভাপতি ৰঞ্জিৎ কুমাৰ ভূঞাই।

লেকমি ফেশ্বন উইকত অসমৰ ডিজাইনাৰ সংযুক্তা দত্তই প্ৰস্তুত কৰা পোছাক পৰিধান কৰি সকলোকে মুহিলে বলিউডৰ অভিনেত্ৰী ভাগ্যশ্ৰীয়ে, মুম্বাইত দেওবাৰে।

বাগ্‌সাৰ ৰৌমাৰী বুঢ়াগোসাঁই মন্দিৰৰ পৰা চোৰে নিলে বহু মূল্যবান সামগ্ৰী

অগ্ৰদূত বাৰ্তা

শালবাৰী, ১৬ অক্টোবৰ ঃ বাগ্‌সাৰ আনন্দ বজাৰৰ সমীপৰ ৰৌমাৰী গাঁৱৰ ৰাইজৰ নামকীৰ্তন কৰা উপাসনাস্থলী ৰৌমাৰী বুঢ়াগোসাঁই নামঘৰত পৰিল চোৰৰ হাতোৰী। যোৱা ১৩ অক্টোবৰৰ নিশা গাঁওখনৰ নামঘৰত সোমাই চোৰে নিলে বহু মূল্যবান সামগ্ৰী। ৰৌমাৰী গএগ ৰাইজৰ সভাপতি ধনেশ্বৰ দাসে আজি সদৰী কৰা মতে, বৃহস্পতিবাৰৰ নিশা চোৰে নামঘৰটোত প্ৰৱেশ কৰি কাঁহৰ ডাঙৰ শৰাই এখন, সৰু শৰাই এখন, তামৰ ডাঙৰ কাঁহী এখন, কাঁহৰ ডাঙৰ বাটি এটা, বৰকাঁহ এখন, ৰূপৰ ফুল আৰু কিছু পৰিমাণে নগদ ধন লুটি লৈ যায়। ইতিমধ্যে চুৰি হোৱা ঘটনা সংক্ৰান্তত স্থানীয় আনন্দ বজাৰ আৰক্ষী চকীত গএগ ৰাইজৰ ফালৰ পৰা এজাহাৰ দাখিল কৰা হৈছে।

লাখ লাখ মাটিৰ চাকি তৈয়াৰ কৰি চীনা সামগ্ৰীক প্ৰত্যাহ্বান ঢেকিয়াজুলিৰ মৃৎশিল্পীৰ

দীপাৱলীৰ বজাৰত বিক্ৰীৰ বাবে মহিলাই তৈয়াৰ কৰিছে ডেৰ লাখ মাটিৰ চাকি ঃ সমানে ব্যস্ত আলিচিঙাৰ ৫০টা পৰিয়াল

অগ্ৰদূত বাৰ্তা,

ঠেলামৰা, ১৬ অক্টোবৰ ঃ সমাগত পোহৰৰ উৎসৱ দীপাৱলী। আলোকেৰে পোহৰাই তুলিবলৈ ৰাজ্যৰ প্ৰান্তে-প্ৰান্তে এতিয়া চলিছে প্ৰস্তুতি। ইয়াৰ সমান্তৰালকৈ দীপাৱলীৰ বাবে মৃৎশিল্পীসকলে লাখ লাখ মাটিৰ চাকি তৈয়াৰ কৰি এক প্ৰকাৰে চীনা সামগ্ৰীক প্ৰত্যাহ্বান জনাবলৈ সাজো হৈছে। সমান্তৰালকৈ ঢেকিয়াজুলিৰ আলিচিঙাৰ মৃৎশিল্পীসকলে শোণিতপুৰ, ওদালগুৰি জিলাৰ দীপাৱলীৰ বজাৰত মাটিৰ চাকি উপচাই দিবলৈ তৈয়াৰ কৰিছে লাখ লাখ মাটিৰ চাকি এই গাঁওখনৰ প্ৰায় ৫০টি পৰিয়াল মৃৎশিল্পৰে জড়িত। গাঁওখনৰে মমতা সৰকাৰ নামৰ এগৰাকী মহিলাই ডেৰ লাখ মাটিৰ চাকি সাজু কৰিছে দীপাৱলীৰ বজাৰৰ বাবে। তৈয়াৰ কৰা মাটি চাকিসমূহ ইতিমধ্যে ঘৰৰ পৰাই পাইকাৰী আৰু খুচুৰা হিচাপে বিক্ৰী কৰিছে মমতাই। উক্ত মাটিৰ চাকিসমূহ হেজাৰত ৩০০ৰ পৰা ৭০০ টকা মূল্যত বিক্ৰী কৰিছে। মমতাই ডেৰ লাখ মাটিৰ চাকি তৈয়াৰ কৰোতে তেওঁৰ স্বামী সুকুমাৰ সৰকাৰে সহযোগিতা কৰা বুলি জানিবলৈ দিয়ে। মহিলাগৰাকীয়ে বিগত ১৫ বছৰ ধৰি এনেদৰে দীপাৱলীৰ সময়ত লাখ লাখ মাটিৰ চাকি তৈয়াৰ কৰি বজাৰত বিক্ৰী কৰি আহিছে। কেৱল পোহৰৰ উৎসৱ দীপাৱলীয়েই নহয়, বছৰৰ ১২ মাহেই মাটিৰ পাত্ৰ, আচবাব আদি তৈয়াৰ কৰি বজাৰত বিক্ৰী কৰি জীৱিকা চলাই আহিছে। এই গৰাকী মহিলাই এনেদৰে নিষ্ঠাৰে মৃৎশিল্প কৰ্মত জড়িত হৈ পৰিয়াল পোহপাল দিয়াত সহযোগ কৰিছে। এই বেলি আলিচিঙাৰ পালগাঁৱৰ মৃৎশিল্পীসকলে সাজু কৰিছে ১২ লাখ মাটিৰ চাকি। ইপিনে, সমাগত দীপাৱলীক লৈ এই গাঁওখনৰ ৫০টা পৰিয়ালৰ পুৰুষ-মহিলাৰ পৰা আৰম্ভ কৰি যুৱক-যুৱতীসকলৰ এতিয়া যেন ব্যস্ততাৰ অন্ত নাই। গাঁওখনৰ দুৰ্গা পাল, চিদাম পাল, জীৱন পাল, অশোক পালকে ধৰি প্ৰায় ৫০টা পৰিয়ালে লাখ-লাখ থলুৱা মাটিৰ চাকি সমাগত পোহৰৰ উৎসৱ দীপাৱলীৰ বাবে সাজু কৰি তুলিছে। যি সময়ত ৰাজ্যখনত চীনা সামগ্ৰীৰ প্ৰচলনে দেশৰ অৰ্থনৈতিক ব্যৱস্থাটোক ক্ষতি কৰিছে, তেনে সময়ত ঢেকিয়াজুলিৰ আলিচিঙাৰ পালগাঁৱৰ মৃৎশিল্পীসকলে আগন্তুক দীপাৱলীৰ বাবে ১২ লাখতকৈ অধিক মাটিৰ চাকি সাজি উলিয়াই বজাৰত বিক্ৰী কৰাটোৱে ৰাজ্যখনৰ বাবেই আশাব্যঞ্জক খবৰ।

উল্লেখ্য যে এই সকল লোকে মৃৎশিল্পক জীয়াই ৰাখিছে যদিও চৰকাৰ প্ৰশাসন তৰফৰ পৰা কোনোদিনে সহায় বা সঁহাৰি লাভ কৰা নাই। এই আক্ষেপ প্ৰকাশ কৰি চৰকাৰক মৃৎশিল্প জীয়াই ৰখাৰ ক্ষেত্ৰত উচিত পদক্ষেপ গ্ৰহণৰ বাবে আহবান জনায় এইসকল মৃৎশিল্পীয়ে।

‘স্মৃতিপটত ভৱানী প্ৰসাদ সৌকাধৰা’ গ্ৰন্থ উন্মোচন

গুৱাহাটী, ১৬ অক্টোবৰ ঃ আজি খানাপাৰা সাহিত্য চ’ৰাৰ কাৰ্যালয়ত আয়োজিত এখন সভাত সাহিত্য চ’ৰাৰ প্ৰতিষ্ঠাপক সাধাৰণ সম্পাদক, সাহিত্যিক, চিত্ৰশিল্পী ভৱানী প্ৰসাদ সৌকাধৰাৰ সোঁৱৰণত বিমান হাজৰিকাৰ সভাপতিত্বত এখন গ্ৰন্থ উন্মোচন আৰু স্মৃতিচাৰণ সভা অনুষ্ঠিত হয়। বিশিষ্ট চিত্ৰশিল্পী, গল্পকাৰ, লেখকগৰাকীৰ বৈচিত্ৰপূৰ্ণ জীৱন আৰু কৰ্মক সামৰি লেখিকা জুনু বৰাই সম্পাদনা কৰা ‘স্মৃতি পটত ভৱানী প্ৰসাদ সৌকাধৰা’ গ্ৰন্থখন উন্মোচন কৰে বিশিষ্ট লেখক, গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধ্যাপক ডঃ দিলীপ বৰাই।

চ’ৰাৰ সাধাৰণ সম্পাদক ডাঃ গুণেন দত্তই আঁতধৰা সভাৰ আৰম্ভণিতে সৌকাধৰাৰ পত্নী যুতি প্ৰভা বৰুৱা সৌকাধৰাই বন্তি প্ৰজ্বলনেৰে স্মৃতি তৰ্পণ কাৰ্যসূচী মুকলি কৰে। সভাত গ্ৰন্থখনৰ সম্পাদক জুনু বৰাই সৌকাধৰাৰ জীৱন সংগ্ৰাম আৰু গ্ৰন্থখন সম্পাদনা সন্দৰ্ভত নিজৰ মত ব্যক্ত কৰি সৌকাধৰাৰ স্মৃতিত বছৰি স্মাৰক বক্তৃতা আয়োজন কৰাৰ বাবে খানাপাৰা সাহিত্য চ’ৰাক আহ্বান জনায়। গ্ৰন্থ উন্মোচন কৰি দিয়া ভাষণত ডঃ দিলীপ বৰাই ভৱানী প্ৰসাদ সৌকাধৰাৰ দৰে প্ৰচাৰবিমুখ ব্যক্তিৰ জীৱন, কৰ্ম আৰু মূল্যক উৰ্দ্ধত তুলি ধৰা কাৰ্যক প্ৰশংসনীয় আৰু প্ৰয়োজনীয় বুলি মত দিয়ে আৰু এনে ব্যক্তিসকলৰ ওপৰত আলোচনা হোৱা উচিত বুলি ব্যক্ত কৰে। সভাত ডঃ বীৰেন্দ্ৰ নাথ ভট্টাচাৰ্য, মিনেশ্বৰ হাজৰিকা, নিজৰা গগৈ, অনিমা গগৈ, সত্যপ্ৰসাদ কলিতা, চিদানন্দ কলিতা, চৈয়দা মাজনী আহমদ, পাপৰি বৰঠাকুৰ সৌকাধৰা, চন্দ্ৰপ্ৰভা নেওঁগ, তুলুমণি নেওঁগ সৌকাধৰা, ডঃ সোণকুমাৰ তালুকদাৰ আদিয়ে সৌকাধৰাৰ স্মৃতিচাৰণ কৰে। সভাৰ আৰম্ভণিতে ডাঃ জোনা চৌধুৰীয়ে এটি বৰগীত পৰিবেশন কৰে। সভাত পশু চিকিৎসা বিজ্ঞান মহাবিদ্যালয়ৰ অধ্যাপক ডঃ তোলন চন্দ্ৰ দত্ত, লেখক নৰেন বৰা, জগদীশ কুমাৰ, দ্বীপেন বৰাকে ধৰি ভালে সংখ্যক বিশিষ্ট লোকে অংশ গ্ৰহণ কৰে।

মিঠাতেলৰ মূল্যবৃদ্ধিৰ বাবে হীৰাপাৰাৰ চাকিৰ বিক্ৰী হ্ৰাসত হতাশ মৃৎশিল্পী

অগ্ৰদূত বাৰ্তা

বাহাৰঘাট, ১৬ অক্টোবৰ ঃ পোহৰৰ উৎসৱ দীপাৱলী উপলক্ষে কামৰূপ গ্ৰাম্য জিলাৰ পশ্চিম বড়িগোগ মৌজাৰ পূৰ্নখুমদুম হীৰাপাৰাৰ সকলো মৃৎ শিল্পী পৰিয়াল ব্যস্ত হৈ পৰিছে মাটিৰ চাকি বিক্ৰীৰ বাবে। দীপাৱলী উপলক্ষে আজি উক্ত স্থানৰ মৃৎ শিল্পী পৰিয়ালসমূহে কে’বা লক্ষাধিক মাটিৰ চাকি বিক্ৰীৰ বাবে বজাৰলৈ উলিয়াই দিছে। প্ৰাপ্ত তথ্য মতে, এইবাৰ দীপাৱলীৰ বাবে হীৰাপাৰাৰ প্ৰায় ৬০টা মৃৎ শিল্পী পৰিয়ালে প্ৰায় ১০ লাখ মাটিৰ চাকি তৈয়াৰ কৰি বজাৰত উলিয়াই দিছে; কিন্তু দুৰ্ভাগ্যজনক কথা যে পূৰ্বৰ তুলনাত এইবেলি মাটিৰ চাকিৰ বিক্ৰী সন্তোষজনক নহয়। ইয়াৰ কাৰণ অতিমাৰী কৰ’নাৰ সন্ত্ৰাস বুলি তেওঁলোকে ভাবিছিল যদিও গাঁৱে-ভূঞে চাকি বিক্ৰী কৰিবলৈ যোৱাত ক্ৰেতাৰ মুখত শুনিছে যে এইবেলি মিঠাতেলৰ অতিপাত চৰা দাম, গতিকে এইবাৰ পূৰ্বতকৈ কমকৈ চাকি কিনিব। কাৰণ অতিপাত চৰা দামত মিঠাতেল কিনি বেছিকৈ চাকি জ্বলোৱা সামৰ্থ গ্ৰামাঞ্চলৰ বহুতৰে নাই। সেয়েহে পূৰ্বৰ এশগছি বন্তি জ্বলোৱা পৰিয়ালে এইবেলি ৫০ বা তাতোকৈ কম চাকি জ্বলাই বছৰেকীয়া উৎসৱটো পালন কৰিব। সেয়েহে পূৰ্নখুমদুম হীৰাপাৰাৰ এইসকল হীৰা সম্প্ৰদায়ৰ লোকে আক্ষেপ কৰি কয়, ‘আমি পোহৰৰ উৎসৱ দীপাৱলীলৈ হেঁপাহৰে মাটিৰ চাকি প্ৰস্তুত কৰো। ৰাইজেও আমাৰ বংশগত শিল্প কলাক সন্মান জনাই আহিছে। ৰাইজৰ আশীৰ্বাদত আমি আমাৰ পৰম্পৰাগত কৰ্মটোক জীয়াই ৰাখিছো। ইয়াৰ মাজতে আন দেশৰ ৰংচঙীয়া লাইট আৰু ভিন্ন ৰঙী মাটিৰ চাকিয়ে আমাৰ নিচিনা শিল্পীসকলৰ কৰ্মত বাধাৰ প্ৰাচীৰ হৈ থিয় দিছে। সচেতন ৰাইজ তথা চৰকাৰখনে এই ক্ষেত্ৰত দৃষ্টি ৰাখি আমাৰ কৰ্মক উৎসাহিত কৰিলে আমি সুখী হ’ম। তেওঁলোকে পুনৰ কয়, ‘পোহৰৰ উৎসৱ দীপাৱলী আহিলে আমি মাটিৰ চাকি, ধূনাৰ চৰু আদি বনাই বিক্ৰীৰ বাবে সাজু হওঁ। সংবাদ মাধ্যমে বাতৰি পৰিবেশন কৰি আমাক উৎসাহিত কৰে। তাৰ বাবে আমি সংবাদ মাধ্যমৰ ওচৰত কৃতজ্ঞ; কিন্তু দুখজনক কথা যে আমাৰ নিচিনা হীৰা সম্প্ৰদায়ৰ লোকসকলে কেনে ধৰণে জীয়াই আছে তাক খবৰ ল’বলৈ জনপ্ৰতিনিধি তথা চৰকাৰৰ আহৰি নাই। মাটিৰ বাচন বনাই জীৱিকা নিৰ্বাহ কৰা হীৰা সম্প্ৰদায়ৰ লোকসকলে বাচন বনোৱা মাটিখিনিও বহু কষ্টেৰে যোগাৰ কৰিব লাগে। গাড়ী ভাড়া কৰি ছিণ্ডিকেট পদ্ধতিৰে আজিও মূল উপাদান হীৰা মাটি আনিব লগাটো সম্প্ৰদায়টোৰ বাবে অভিশাপ স্বৰূপ হৈ পৰিছে।’ এইসকল থলুৱা শিল্পীৰ ক্ষেত্ৰত চৰকাৰে সুদৃষ্টিৰে চাই সহায়ৰ হাত আগবঢ়ালে এই শিল্পটো ৰক্ষা পৰিব বুলি তেওঁলোকে কয়। অন্যথা বিকল্প চিন্তাৰে আন কৰ্মৰ সন্ধান কৰিবলগীয়া হ’ব। ইতিমধ্যে বহুতো পৰিয়ালে উক্ত কৰ্মৰ অব্যাহতি লৈছে।

তেজপুৰত যাত্ৰীবাহী ৰেলক আগচিলে গজৰাজে

কঠালগুৰি চাহ বাগিচাত আশ্ৰয় দঁতাল লাচিতৰ

ষ্টাফ ৰিপ’ৰ্টাৰ

তেজপুৰ, ১৬ অক্টোবৰ ঃ শোণিতপুৰত অৰণ্যৰ পৰা জনাঞ্চললৈ বন্যহস্তীৰ জাকৰ আগমন আৰম্ভ হৈছে। আনকি এইবাৰ প্ৰকাণ্ড বন্যহস্তীয়ে আগচি ধৰিছে ৰেল। ৰেল লাইনৰ ওপৰত আঁকোৰগোঁজভাৱে অৱস্থান গ্ৰহণ কৰি যাত্ৰীবাহী ৰেল ৰখাই থোৱা গজৰাজে পাছত বিন্দুকুৰি অঞ্চলত এটা পৰিয়ালৰ বাসগৃহ ভাঙে। শীত কালিৰ আৰম্ভণিতেই বনাঞ্চলৰ পৰা ওলাই আহি খেতিপথাৰ আৰু জনাঞ্চলত বন্যহস্তীৰ বিচৰণ শোণিতপুৰ ৰঙাপৰা, চাৰিদুৱাৰ, বিন্দুকুৰি, ডিপোটা, বাঁহবাৰী, মোৱামাৰী, বিহুগুৰি আদি অঞ্চলৰ লগতে সমীপৱৰ্তী চাপৰি অঞ্চলৰ বাবে এক নৈমিত্তিক ঘটনাত পৰিণত হৈছে। বৰ্তমান ৰঙাপৰা আৰু তেজপুৰৰ নিকটৱৰ্তী বিন্দুকুৰিত বন্যহস্তীৰ বিচৰণ আৰম্ভ হোৱাই নহয়, ৰঙাপৰাত একাধিক বাসগৃহ আৰু দোকান গৃহ ভাঙিছে হাতীয়ে। উল্লেখ্য যে যোৱা নিশা বনাঞ্চলৰ পৰা ওলাই অহা এটা প্ৰকাণ্ড হাতীয়ে বিন্দুকুৰিস্থিত ভাৰতীয় খাদ্য নিগমৰ সমীপত ৰেল লাইনৰ ওপৰত অৱস্থান লয়। নিশা প্ৰায় আঠ বজাত ৰঙিয়া ডেকাৰগাঁও যাত্ৰীবাহী ৰেলখন সেই স্থানত উপস্থিত হোৱাৰ সময়ত হাতীটোৱে ৰেলখন আগচি ধৰে। ৰেলৰ ইঞ্জিনৰ গৰ্জন আৰু বাৰম্বাৰ উকিলৈ কেৰেপ নকৰা হাতীটোৱে ৰেলৰ ছিৰিৰ ওপৰতে পাঁচমিনিটৰ অধিক সময় ৰৈ থাকে। ইতিমধ্যে সেই স্থানত বহুসংখ্যক লোক উপস্থিত হৈ চিঞৰ-বাখৰ কৰাৰ লগতে ৰৈ যোৱা ৰেলখনে বাৰম্বাৰ উকিওৱাৰ অন্তত অৱশেষত হাতীটোৱে ৰেলপথৰ কাষলৈ নামি যায় আৰু কাষৰে এটা বাসগৃহ ধ্বংস কৰে। উল্লেখ্য যে সোণাই-ৰূপাই অভয়াৰণ্যৰ পৰা ইতিমধ্যে ১১ টা হাতী ৰঙাপৰাৰ লগতে বিন্দকুৰিৰ বিভিন্ন স্থানত বিচৰণ কৰি আছে। শেহতীয়াকৈ কঠালগুৰি চাহ বাগিচাত ৰহস্যময় দঁতাল লাচিতে অৱস্থান লৈছে। উল্লেখ্য যে অকলশৰীয়া এই দঁতাল হাতীটোৱে কেতিয়াবা সোণাই-ৰূপাই, কেতিয়াবা চাৰিদুৱাৰ আৰু নামেৰিত বিচৰণ কৰে। প্ৰথম অৱস্থাত সকলোৱে লাডেন নাম দিয়া হাতীটোক বনবিভাগে লাচিত নামেৰে নামকৰণ কৰে। বহু বাসগৃহ ধ্বংস কৰা এই লাচিতে বৰ্তমান কঠালগুৰি চাহ বাগিচাত আশ্ৰয় লোৱাত সম্প্ৰতি স্থানীয় লোকসকল শংকিত হৈ উঠিছে।

উত্তৰ জামুগুৰি কেন্দ্ৰীয় হৰি কীৰ্তন মহোৎসৱৰ লাইখুঁটা স্থাপন

অগ্ৰদূত বাৰ্তা

নদুৱাৰ, ১৬ অক্টোবৰ ঃ নদুৱাৰৰ অন্তৰ্গত বালিজুৰিস্থিত পাঁচমুখ শিৱ মন্দিৰৰ প্ৰাংগণত বিশ্ব শান্তিৰ হকে উত্তৰ জামুগুৰি কেন্দ্ৰীয় হৰি কীৰ্তন সমিতিৰ সৌজন্যত ৬৪ সংখ্যক বাৰ্ষিক অখণ্ড হৰি কীৰ্তন মহোৎসৱৰ আয়োজন কৰা হৈছে। এই উদ্দেশ্যৰে আজি ধৰ্মীয় ৰীতি-নীতিৰ মাজেৰে মহোৎসৱৰ লাইখুঁটা স্থাপন কৰে পণ্ডিত দেৱ নায়ক অধিকাৰীয়ে।

কৌশিকি গংগাৰ কালান্তক বান-খহনীয়াৰ পৰা পৰিত্ৰাণ বিচাৰি ব্যতিক্ৰম পদক্ষেপ

অগ্ৰদূত বাৰ্তা

টংলা, ১৬ অক্টোবৰ ঃ হিমালয়ৰ পাদদেশৰ পৰা বৈ অহা হিমশীতল স্ৰোতধাৰা কৌশিকি গংগা অৰ্থাৎ কুলশী নৈৰ পাৰত অৱস্থিত বনগাঁও চাতিয়াপাৰা ভাগৱত নামঘৰত ১৩ অক্টোবৰৰ পৰা চাৰিদিনীয়া কাৰ্যসূচীৰে কালান্তক বানপানী আৰু প্ৰবল খহনীয়াৰ পৰা মহা পৰিত্ৰাণ বিচাৰি কৰা মহাভাগৱত পাঠৰ ব্যতিক্ৰম পদক্ষেপৰ আজি সফল সামৰণি পৰে। পূব টংলা আঞ্চলিক ভাগৱত পাঠ পৰিচালনা সমিতিৰ উদ্যোগত আয়োজিত মহাভাগৱত পাঠ অনুষ্ঠানৰ মুকলি সভাত নিৰ্দিষ্ট বক্তাৰ আসন অলংকৃত কৰি বিশিষ্ট অধিবক্তা ৰামকৃষ্ণ চৌহানে মহাভাগৱতৰ তত্ত্ব জ্ঞান, নীতি সদাচাৰ, ধৰ্মীয় আচৰণ আদি বিভিন্ন দিশৰ ওপৰত সাৱলীলভাৱে ব্যাখ্যা আগবঢ়োৱাৰ লগতে কুলশীৰ ভয়াৱহতা ৰোধ কৰিবলৈ কৰা প্ৰয়াস সাফল্য হোৱাৰ বাবে প্ৰাৰ্থনা কৰে। মাধৱদেৱ বঁটাপ্ৰাপক বিশিষ্ট সাহিত্যিক, অনুবাদক দেৱৰাজ সাপকোটাই চৰিত্ৰহীন ধৰ্ম আচৰণ, ভকতীয়া সাজ পৰিধান কৰিলেই ধাৰ্মিক ব্যক্তি নহয় বুলি মন্তব্য কৰে। ওদালগুৰি জিলা বিজেপিৰ সাধাৰণ সম্পাদক জোছৰাং বড়োৱে সভাত অংশগ্ৰহণ কৰি কুলশী নদীৰ খহনীয়াৰ ইতিমধ্যে অসম বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰীয়ে সুপদক্ষেপ গ্ৰহণ কৰা বুলি মন্তব্য কৰাৰ লগতে অতি শীঘ্ৰে ব্যৱস্থা গ্ৰহণ কৰা হ’ব বুলি মন্তব্য কৰে। ভাগৱত পাঠ পৰিচালনা সমিতিৰ সভাপতি গৌৰীশংকৰ দাসে সঞ্চালনা কৰা সভাখনি উদ্বোধন কৰে শ্ৰীশ্ৰীভাগৱত মন্দিৰ কলাইগাঁৱৰ নামঘৰীয়া, শিল্পী জগন্নাথ বড়াই। ভাগৱত পাঠ পৰিচালনা সমিতিৰ যুটীয়া সম্পাদকদ্বয় জিতুমনি বড়া আৰু অপূৰ্ব বড়াই উদ্দেশ্য ব্যাখ্যা কৰা আৰু আঁতধৰা সভাত এটি ঘোষাৰে আৰম্ভণি কৰে কাৰ্যকৰী সভাপতি মহেশ্বৰ বড়াই। পুৰন্দিয়া সাহিত্য সভাৰ প্ৰাক্তন সভাপতি গোপাল চন্দ্ৰ ৰাভা, খৈৰাবাৰী মহাবিদ্যালয়ৰ অধ্যাপক ধনঞ্জয় ৰাভা, বনগাঁও প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক বিশ্বজিৎ চহৰীয়া, ছৈবাৰী মজলীয়া বিদ্যালয়ৰ শিক্ষক খগেন্দ্ৰ শৰণীয়া, খালিংদুৱাৰ বিজেপি মণ্ডলৰ সভাপতি

বনগাঁও চাতিয়াপাৰাত চাৰিদিনীয়া অখণ্ড ভাগৱত পাঠৰ সফল সামৰণি ঃ ভাগৱতসহ শোভাযাত্ৰাত হৰিনামৰ ধ্বনিৰে মুখৰিত আকাশ-বতাহ

সমৰেশ দাসে উপস্থিত থকা সভাখনৰ পূৰ্বে এটি ভাগৱতসহ শোভাযাত্ৰা উলিওৱা হয়। সমাজসেৱী মহেন্দ্ৰ বৰাই উদ্বোধন কৰা ভাগৱত শোভাযাত্ৰাত হৰিনাম কীৰ্তন, ধ্বনিৰে আকাশ-বতাহ মুখৰিত কৰি তোলে বৃহত্তৰ অঞ্চলটোত। পুৱা পৰিৱেশ নিকাকৰণ, বন্তি প্ৰজ্বলন আদিৰে আৰম্ভ হোৱা অনুষ্ঠানৰ সন্ধিয়া ছয় বজাত ধৰ্মধ্বজা অৱতৰণেৰে সামৰণি পৰে। ১৩ অক্টোবৰত সমূহীয়া চাফাই, বন্তি প্ৰজ্বলন, ধৰ্মধ্বজা উত্তোলন, আয়তীৰ নাম-প্ৰসংগ আদি বিভিন্ন কাৰ্যসূচীৰে অনুষ্ঠিত হোৱা অনুষ্ঠানত সমাজ সেৱক বলিৰাম ডেকা, ৰবীন্দ্ৰ বড়ো, শৰৎ ৰাভা, অৰ্জুন দৈমাৰী, শিল্পী জোনমনি শইকীয়া, সমাজ সেৱিকা ৰঞ্জনা শৰ্মা বৰুৱা আদিয়ে কাৰ্যসূচী ৰূপায়ণ কৰাৰ লগতে অখণ্ড ভাগৱত পাঠত ভাগৱত পাঠক হিচাপে অংশগ্ৰহণ কৰি অহৰ্নিশে দিনে-নিশাই দেওমৰনৈৰ কদম কুমাৰ, কলাইগাঁৱৰ জগন্নাথ বৰা, জলজলিৰ মহেশ্বৰ ডেকা, নাচনশালীৰ ডিম্বেশ্বৰ চহৰীয়া, ডাঁহী নগাঁৱৰ অভিৰাম ডেকা, বৰঙাবাৰীৰ তৰুণ কলিতা, কলাইগাঁৱৰ খগেন্দ্ৰ শৰণীয়া, ঔতলাৰ টংকেশ্বৰ মহন্ত, ধোৱাপাৰাৰ হৰেন্দ্ৰ ডেকা, কুমাৰপাৰাৰ বৃন্দাবন কুমাৰে জাতি-ধৰ্ম-বৰ্ণ-ভাষা নিৰ্বিশেষে ভকত-বৈষ্ণৱ, আই-মাতৃ, শিশু-যুৱক-যুৱতীক মহাভাগৱতৰ অমৃত ৰস পান কৰায়।

PHYSIOTHERAPY CENTRE
H.No-51, Basisthapur Bye lane 4,
Survey, Beltola

Contact for all kinds of pain, Spine problem, movement problem, joint stiffness etc. for best treatment by our experienced Physiotherapists.

Contact No- 70021-60730, 7002316720

অগ্ৰদূত পাব্লিচাৰ্ছ প্ৰাইভেট লিমিটেড, গুৱাহাটী-৬ৰ হৈ বি এছ ডেকাৰ দ্বাৰা অগ্ৰদূত ভৱন, দিছপুৰ, গুৱাহাটী-৬, তৰাজান, যোৰহাট আৰু দোলাবাৰী, তেজপুৰত মুদ্ৰিত আৰু প্ৰকাশিত। **সম্পাদক ঃ প্ৰাঞ্জলসেন ডেকা। মুখ্য সম্পাদক ঃ কনকসেন ডেকা।**
ফোন ঃ (গুৱাহাটী) সম্পাদনা ঃ (০৩৬১) ২২৬১৯২৩, ২২২৪৯৩৩, চাৰ্কুলেচন- ২২৩৪২০৯ ফেক্স ঃ (০৩৬১) ২২৬০৬৫৫, ২২৬৯১৪৭, আৰু বিজ্ঞাপন - ৯৮৬৪৮৯৭১৭৫। ফোন (যোৰহাট) ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯।
E-MAIL : agradoot@gmail.com, editor.agradoot@gmail.com